# পয়োভৰা

উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ
অসমীয়া ভাষাৰ
একমাত্ৰ মাহেকীয়া
আলোচনী

সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ ৰাজেশ কে ঝা
জ্যেষ্ঠ সম্পাদক ঃ অনুপমা দাস

**PAYOBHARA**
**VOL. - 45 No. 8**
পঞ্চশ্চত্বাৰিংশ বৰ্ষ ঃ অষ্টম সংখ্যা
অক্টোবৰ ঃ ২০১৪

শিক্ষক, ছাত্ৰ-ছাত্ৰী, শিক্ষা
প্ৰতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে
১০ শতাংশ ৰেহাই

বেটুপাতৰ শিল্পী ঃ
গজানন পি ধোপে

## এই সংখ্যাত


- ❐ ভাৰতৰ অসংগঠিত অৰ্থনীতিৰ ভূমিকা — বাৰবাৰা হাৰিছ হোৱাইট — ৩
- ❐ ভাৰতৰ নগৰীয়া অসংগঠিত খণ্ড — অৰূপ মিত্ৰ — ৬
- ❐ অসংগঠিত খণ্ডৰ শিক্ষা ব্যৱস্থা — অমিত বাচোলে — ১০
- ❐ জন ধন যোজনা আৰু বিত্তীয় ব্যৱস্থা বিস্তাৰিতকৰণ — প্ৰভাকৰ চাহু — ১৩
- ❐ গান্ধী আৰু আৰোগ্য — সুদৰ্শন আয়েংগাৰ — ১৯
- ❐ তথ্য অৰ্থনীতিত অসংগঠিত শ্ৰমিক ঃ ভাৰতৰ কল্ ছে'নটৰৰ অসুৰক্ষিত কৰ্মসংস্থান — বাবু পি ৰেমেশ — ২৫
- ❐ ভাৰতত অসংগঠিত খণ্ডৰ কাম-কাজ আৰু জীৱিকা নিৰ্বাহৰ বিষয় — ড° বি ভি ভোছলে — ৩০
- ❐ অসংগঠিত খণ্ড ঃ নগৰৰ ভূমিৰ ভূমিকা — ৰাজেশ ভট্টাচাৰ্য — ৩৪
- ❐ নীতি নিৰ্দ্ধাৰকসকলৰ বাবে অনানুষ্ঠানিক ব্যৱস্থাৰ অভিলাষী ব্যাখ্যা — সুপ্ৰিয়া ৰাওত — ৩৮
- ❐ অসংগঠিত খণ্ডৰ ধাৰণা আৰু প্ৰকৃতি ঃ গোলকীয় দৃষ্টিকোণৰ পৰা — ড° অসীমা মজুমদাৰ — ৪২
- ❐ অসমৰ অৰ্থনীতিত অসংগঠিত উদ্যোগ খণ্ডৰ ভূমিকা — দিলীপ শইকীয়া — ৪৮
- ❐ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ সম্প্ৰসাৰিত স্বৰূপ — ড° অনিল কুমাৰ শইকীয়া — ৫২
- ❐ প্ৰদূষিত পৰিৱেশ আৰু মহাত্মা গান্ধীৰ আদৰ্শ — ড° দেৱজিৎ শইকীয়া — ৫৫
- ❐ অসমৰ গাঁও-চহৰৰ বৈষম্য দূৰীকৰণত খাদ্য প্ৰস্তুতকৰণ উদ্যোগৰ ভূমিকা ঃ এক গাণিতিক বিশ্লেষণ — ড° ইৰা দাস — ৫৭
- ❐ জৈৱিক কৃষি ঃ উত্তৰ-পূৰ্বাঞ্চলত ইয়াৰ সম্ভাৱনা — পংকজ দাস — ৬১
- ❐ অসমৰ দেউৰী জনগোষ্ঠীৰ জনগাঁথনি ঃ এটি অৱলোকন — সূৰ্য চুতীয়া — ৬৫
- ❐ নাৰী মুক্তি আন্দোলন আৰু নাৰীৰ সবলীকৰণ — ড° হেমালক্ষী গগৈ — ৭০


পয়োভৰাত প্ৰকাশিত
প্ৰবন্ধ-পাতিৰ মতামত
লেখকৰ নিজস্ব

পয়োভৰাৰ বছৰেকীয়া গ্ৰাহক মূল্য ঃ ১০০.০০ টকা
দুবছৰৰ গ্ৰাহক মূল্য ঃ ১৮০.০০ টকা
তিনি বছৰৰ গ্ৰাহক মূল্য ঃ ২৫০.০০ টকা
সম্পাদকীয় কাৰ্য্যালয় কে, কে, বি, পথ, নিউ কলনি গৃহ নং ৭, চেনিকুঠি
গুৱাহাটী-৭৮১ ০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইল ঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in
প্ৰকাশক ঃ অতিৰিক্ত সঞ্চালক প্ৰধান (ভাৰপ্ৰাপ্ত), প্ৰকাশন বিভাগ, সূচনা ভৱন, চি জি অ' কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩
মুদ্ৰক ঃ জ্যোতি প্ৰিণ্টাৰ্চ, বামুণীমৈদাম, গুৱাহাটী ঃ ৭৮১ ০২১, ফোন নং ঃ ৯৮৬৪০-৬৩৫৮৪

প

য়ো

ভ

ৰা

## এই সংখ্যাৰ প্ৰসংগত

নিচেই পুৱাতে দুৱাৰ-ঘণ্টা বাজে। বাতৰি কাকত বিলনীয়াই কাকতৰ টোপোলাটো আমাৰ দুৱাৰমুখত দলিয়াই লৰালৰিকৈ গুচি যায়। তাৰ পাচত আমি কাৰ্যালয়, কাৰখানা বা দোকানলৈ যাবলৈ সাজু হওঁ আৰু ৰিক্সা, অ'টো আৰু বাছ ধৰোঁ। কাৰ্যালয়ত প্ৰৱেশ কৰি আমি চন্তৰীয়ে শ্ৰদ্ধাৰে আমাৰ কৰ্মস্থলী সুৰক্ষিত কৰা আৰু চাফাই-কৰ্মীসকলে নিজৰ কাম কৰি থকা দেখোঁ। চৰকাৰী কাৰ্যালয়ত আমি আমাৰ কৰ্মচাৰীবৃন্দ আৰু আমাৰ লগত কাম কৰা সহকাৰীসকলক লগ পাওঁ। বাতৰি কাকত বিলনীয়া, অ'টোচালক বা বাছচালক, ৰিক্সাচালক, চন্তৰী, পিয়ন, চাফাই কৰ্মী, কম্পিউটাৰ অপাৰেটৰ— এই সকলোৰে মাজত সাদৃশ্য হ'ল এওঁলোক সকলো অসংগঠিত খণ্ডৰ। মুঠতে আমাৰ আৰ্থ-সামাজিক ক্ষেত্ৰ সম্পূৰ্ণৰূপে অসাংগঠনিক— লাগিলে নিয়োগ সংক্ৰান্তীয়ই হওক বা আমাৰ জীৱনৰ আন দিশৰ লগত জড়িত হওক। সি যি কি নহওক গাঁথনিৰ ক্ষেত্ৰত বহুমাত্ৰিক এই খণ্ডটোৰ গুৰুত্ব আমি আওকাণ আৰু কম মূল্য আৰোপ কৰোঁ।

'অসাংগঠনিক খণ্ড'ৰ ধাৰণাটো বৃটিছ নৃতত্ববিদ কেইথ হাৰ্টৰ ঘানা সম্পৰ্কীয় অধ্যয়নৰ পৰা উদ্ভূত। ইয়াৰ পাচত সত্তৰ দশকত আন্তৰ্জাতিক শ্ৰমিক সংগঠনে এই ধাৰণাটোত 'মৰ্যাদাপূৰ্ণ কাম'ৰ উপাদান যোগ দিলে যিটো 'কাম কৰাৰ অধিকাৰ, কৰ্মৰত, শ্ৰমিক সংগঠন (বা কথোপকথন) আৰু সামাজিক সুৰক্ষাৰ লগত জড়িত। কিন্তু কিছুসংখ্যক পণ্ডিতে আঙুলিয়াই দিয়ে যে, যদি 'অসাংগঠনিক' ধাৰণা মাত্ৰ অৰ্থনৈতিক বলয়ৰ মাজতে সীমাবদ্ধ কৰা হয় তেনেহ'লে ই অত্যন্ত সীমিত হৈ পৰিব, সামাজিক আৰু সাংস্কৃতিক পৰ্যায়ত ইয়াৰ ধাৰণা অত্যন্ত ব্যাপক আৰু বিশুদ্ধ অৰ্থনৈতিক ব্যাখ্যাই আমাৰ 'সাংগঠনিক' বাস্তৱৰ এটা তাৎপৰ্যপূৰ্ণ অংশ ন্যস্ত কৰে। যুক্তি সহকাৰে কোৱা হৈছে যে 'অসাংগঠিনিক' শ্ৰেণী হ'ল মাত্ৰ ধাৰণা যিটো সাংগঠনিক চোৰাচিতা আৰু নিয়ম মানি চলা গাঁথনিৰ বাহিৰত সামাজিকভাৱে মূল্যৱান কাম একেলগে কৰিবলৈ সমষ্টি তৈয়াৰ কৰা উচিত। উদাহৰণস্বৰূপে বেতন পৰিশোধ নকৰা ঘৰুৱা কাম-কাজ অৰ্থনৈতিক শ্ৰেণীত তালিকাভুক্ত নহ'লে ইয়াক অসাংগঠনিক খণ্ডৰ অধীনত শ্ৰেণীভুক্ত কৰাৰ প্ৰয়োজন আছে আৰু এই কাম-কাজসমূহৰ বাবে যথোপযুক্ত নীতি ব্যৱস্থাৰ বিষয়ে মনত ৰাখিব লাগে। এই কাম-কাজ প্ৰকৃতিগতভাৱে অৰ্থনৈতিক নহ'লেও ই কোনোগুণে কম গুৰুত্বপূৰ্ণ নহয়।

অসাংগঠিক খণ্ডৰ অৰ্থনৈতিক দিশটোৰে বৃহৎ আকাৰ আৰু প্ৰভাৱৰ নিমিত্তে পণ্ডিত আৰু নীতি নিৰ্দ্ধাৰকসকলৰ মনোযোগ বিচাৰে। ৰাষ্ট্ৰীয় নমুনা জৰীপ সংস্থাৰ ২০০৯-১০ বিত্তীয় বৰ্ষৰ পৰিসংখ্যা মতে কৃষিখণ্ডৰ ৯০%ৰ অধিক আৰু অকৃষিখণ্ডৰ ৭০% শতাংশৰ ওচৰা-ওচৰি নিয়োগ অসাংগঠনিক খণ্ডৰ ভিতৰত পৰে। স্পষ্টভাৱে, অসাংগঠনিক খণ্ড অৰ্থনীতিৰ অৱশিষ্ট খণ্ড নহয়। বাস্তৱিকতে ই হ'ল গভীৰ প্ৰভাৱশালী খণ্ড। অসাংগঠনিক খণ্ডৰ নিয়োগ বিকাশৰ শেহতীয়া হাৰ যদিও একেবাৰে সন্তোষজনক নহয়, তথাপি ই অৰ্থনীতিৰ এটা অতি গতিশীল খণ্ড। যদিও অসাংগঠনিক খণ্ডই ধীৰ গতিৰে পিছপৰি গৈছে। অসাংগঠনিক খণ্ডই উৎপাদন, প্ৰকৃত মজুৰি আৰু মূলধন পুঞ্জীভূতকৰণত উন্নত প্ৰদৰ্শন কৰিছে। অসাংগঠনিক খণ্ডক স্থবিৰ আৰু কম সেৱাৰ বুলি গণ্য কৰিলে ভুল হ'ব। পৰীক্ষালব্ধ পৰিসংখ্যাই গুৰুত্ব আৰোপ কৰা বাস্তৱটো হ'ল অন্যান্য দিশৰ লগতে বিনিয়োগ আৰু স্থিৰ সম্পদ পুঞ্জীভূতকৰণৰ দৰে অৰ্থনৈতিক পৰিসৰৰ ক্ষেত্ৰত সাংগঠনিক খণ্ডতকৈ অসাংগঠনিক খণ্ডই ভাল কাম কৰি আছে। আমি পাহৰি যোৱা উচিত নহয় যে, এই খণ্ডয়ো পৰম্পৰাগত আৰু স্থানীয় জ্ঞানসম্পন্ন 'লোকবিদ্যা'ক আৱৰি আছে, যিটোৱে বৰ্তমান কঠিন পৰিস্থিতিৰ সন্মুখীন হোৱা প্ৰাচীন আৰু সু-প্ৰতিষ্ঠিত 'জ্ঞান উৎপাদন আৰু বদলিকৰণ প্ৰতিষ্ঠান'ক সামৰি লৈছে।

ভাৰতৰ অসাংগঠনিক অৰ্থনীতিক মূলসুঁতি হিচাপে লোৱাটো অধিক যুক্তিপূৰ্ণ যেন লাগে। ইয়াৰ বাবে ৰাষ্ট্ৰৰ কল্যাণৰ অৰ্থে বৰঙণি আগবঢ়াবলৈ এই খণ্ডত জড়িত লোকসকলক সুবিধা দিয়াৰ লগতে জীৱনৰ মৰ্যাদা আৰু 'মৰ্যাদাপূৰ্ণ কাম'ৰ পৰিৱেশ আগবঢ়োৱাটো নিশ্চিত কৰাৰ কাৰণে এটা উপযুক্ত নিয়ম মানি চলা গাঁথনিৰ প্ৰয়োজন। অসাংগঠনিক খণ্ড ঘাইকৈ সামাজিক সুৰক্ষাৰ জগতৰ পৰা বাহিৰত ৰৈ যোৱাটো অতি উদ্বেগৰ বিষয়। এই খণ্ডত কাম কৰা লোকসকলে শ্ৰমিক হিচাপে অনিয়মিতভাৱে উঠা-নমা কৰা উপাৰ্জন সমস্যাত ভোগে আৰু মৌলিক অধিকাৰৰ অবিহনে কাম কৰিব লগা হয়। অসাংগঠনিক খণ্ডৰ বিশাল অংশ অধিকাৰ কৰা এইসকল লোক প্ৰায়েই 'স্ব-নিয়োজিত', 'নিজৰ শ্ৰমৰ যাতনা বিক্ৰী'ৰ কঠোৰতা হ্ৰাস কৰিবলৈ ব্যৱহাৰ কৰা প্ৰকাশভংগী 'ভাৰতত নিৰ্মিত'আহ্বানৰ আমি উপলব্ধি কৰিবলৈ, ভাৰতক বৃহৎ পণ্য সামগ্ৰী উৎপাদনকাৰী দেশ হিচাপে ৰূপান্তৰ কৰিবলৈ, প্ৰকৃত 'ভাৰত নিৰ্মাতা'সকলক আমি অৱহেলা কৰিব নোৱাৰোঁ।

# ভাৰতৰ অসংগঠিত অৰ্থনীতিৰ ভূমিকা

**বাৰবাৰা হাৰিছ হোৱাইট***

ভাৰতবৰ্ষৰ আকাৰ আৰু ইয়াৰ অসংগঠিত অৰ্থনীতিৰ কাৰণেই দেশখন অদ্বিতীয়। এই ধাৰণাটো যথেষ্ট সমালোচনাৰ সন্মুখীন হৈছে যদিও দেশখনৰ অসংগঠিত কাৰ্যকলাপ নিয়ন্ত্ৰণ কৰাত চৰকাৰ আৰু আইনো ব্যৰ্থ হৈছে। এইটো স্পষ্ট হোৱা কাৰণেই এতিয়া দেশৰ পৰিকল্পনাকাৰীসকল অধিক সচেতন হোৱা প্ৰয়োজন হৈছে।

**দেশৰ অসংগঠিত অৰ্থনীতিৰ গঠন আৰু সম্পৰ্ক**

প্ৰথমতে, এই অৰ্থনীতি ক্ষণস্থায়ী নহয়। পশ্চিম আৰু পূব আফ্ৰিকাৰ পৰিৱেশৰ পৰিপ্ৰেক্ষিতত এই ধাৰণাটো বিকশিত হয় ১৯৭০ৰ দশকত। যি সময়ত ভবা হৈছিল যে সংগঠিত কৃষি আৰু উদ্যোগৰ ৰাষ্ট্ৰ গঠন প্ৰক্ৰিয়া, চহৰাঞ্চল সৃষ্টি তথা বেংকিং ব্যৱস্থাৰ অধীনত ই পিচলৈ লোপ পাব। কিন্তু উন্নয়নৰ দশকবোৰ পাৰ হৈ যোৱাৰ লগে লগে এইটো প্ৰকট হৈছে যে, অৰ্থনীতিৰ ভালেমান ক্ষেত্ৰত ই খোপনি পুতি লৈছে, যিবোৰত এই অসংগঠিত প্ৰক্ৰিয়া বিস্তাৰিত হৈছে আৰু নিম্ন মানৰ উৎপাদন তথা সেৱাৰ জৰিয়তে লাভ অৰ্জন কৰিছে। পিচলৈ ই শ্ৰমিক খণ্ডতো সোমাই পৰিছে। লক্ষ্য নিৰ্দ্ধাৰিত হিতাধিকাৰীসকল অৱহেলিত হৈ অহাটোৰ প্ৰতি লক্ষ্য ৰাখি নীতিসমূহৰ পৰিৱৰ্তনো প্ৰয়োজন হৈছে। সমীক্ষাত, নিৰ্বাচনত পুঁজি যোগানৰ ক্ষেত্ৰত এই অসংগঠিত অৰ্থনীতি আৰু ক'লা ধন কেনেকৈ অবিচ্ছেদ্য হৈ পৰিছে সেইটোও ধৰা পৰিছে।

দ্বিতীয়তে, ভাৰতৰ অসংগঠিত অৰ্থনীতি অতি ক্ষতিকৰ। প্ৰায় ৯২.৫% জীৱিকাই পঞ্জীকৃত হোৱা নাই, যিটো মুঠ ঘৰুৱা উৎপাদনৰ দুই-তৃতীয়াংশৰো অধিক আৰু এইটোৰ শুধৰণিও হোৱা নাই। সমীক্ষাটো ব্যয় সাপেক্ষ হোৱা কাৰণে বিকল্প হিচাপে ক্ষুদ্ৰ পৰিসৰৰ সমীক্ষা-সমূহৰ ওপৰতো নিৰ্ভৰ কৰিব পাৰে। অৱশ্যে এইটো অস্বীকাৰ কৰিব নোৱাৰি যে এনে অৰ্থনীতি বিস্তৃত হৈ থাকিব আৰু বিকাশৰ লগতে কৰ্ম-সংস্থাপনৰো সৃষ্টি কৰিছে। সেয়ে স্বাধীনোত্তৰ কালৰ পৰিকল্পনাবোৰতকৈও অধিক প্ৰতিযোগিতাৰ সুবিধা এই অৰ্থনীতিয়ে দিব পাৰিছে।

তৃতীয়তে, এই অৰ্থনীতিয়ে দৰিদ্ৰতা বৃদ্ধি কৰা নাই যদিও দৰিদ্ৰ তথা শ্ৰমিক সম্পূৰ্ণ এই অৰ্থনীতি। শ্ৰমিক-সকলক নাগৰিক হিচাপে তেওঁলোকৰ কল্যাণৰ অৰ্থে কাম কৰি দৰিদ্ৰতা হ্ৰাস কৰিবলৈ বিচৰা হৈছে আৰু এই অৰ্থনীতিত সম্পদৰো সৃষ্টি হয় আৰু এই অসংগঠিত অৰ্থনীতিতে নিহিত হৈ থাকে। সম্পত্তি আৰু দৰিদ্ৰতাৰ সম্পৰ্কৰ বিষয়েও ইয়াত স্পষ্টভাৱে প্ৰকাশ পায়।

চতুৰ্থতে, অসংগঠিত অৰ্থনীতি অসংগঠিত। চৰকাৰী নথিত আৰু পৰিসংখ্যা তথ্যত এনেকৈ উল্লেখ কৰা হয় যদিও ই কিন্তু মূলৰ পৰা বিচ্ছিন্ন নহয় আৰু ভৱিষ্যতে উৎপাদনৰ বিকাশ ঘটোৱাৰ বিষয়তো এনেবোৰ তথ্য নিমাত। অসংগঠিত অৰ্থনীতিৰ বজাৰখন চৰকাৰৰ নিয়ন্ত্ৰণৰ অধীনত নহয়। ই সমাজৰ নিয়ন্ত্ৰণৰ অধীনতহে। শ শ চেম্বাৰ্ছ অব কমাৰ্চ আৰু ব্যৱসায়িক সংস্থাই প্ৰশিক্ষণ, চাকৰি তথা কৰ্মক্ষেত্ৰত প্ৰৱেশৰ নিয়ন্ত্ৰণ কৰি অসংগঠিতভাৱে পাৰদৰ্শিতা আৰু কৌশল আয়ত্ত কৰাৰ প্ৰমাণ-পত্ৰ দিয়াৰ উপৰিও ঠিকাৰ ক্ষেত্ৰৰ বিবাদ সমাধান, বজাৰ নিয়ন্ত্ৰণ, সমূহীয়া বীমাকৰণ, চৰকাৰৰ ৰোষৰ পৰা ৰক্ষা কৰা, তেওঁলোকৰ পচন্দৰ লোকৰ মাজত সম্পদৰ বিতৰণ, প্ৰযুক্তি আৰু চাহিদাৰ বিষয়ত ন ন তথ্যৰ প্ৰচাৰ আদি বিভিন্ন ক্ষেত্ৰতো প্ৰভাৱ প্ৰদৰ্শন কৰে। বিকাশ সম্পৰ্কীয় বিশেষজ্ঞসকলে স্বীকাৰ নকৰিলেও স্ত্ৰী-পুৰুষ, গোষ্ঠী, ধৰ্ম, ভাষা, জাতি-বৰ্ণ আদি পুঁজিবাদী অৰ্থনীতিৰ কাৰকসমূহৰ প্ৰভাৱো নুই কৰিব নোৱাৰি। অৱশ্যে এইবোৰ অৰ্থনীতিৰ সা-সুবিধাবোৰে, এইবোৰত প্ৰৱেশ তথা কাম-কাজ কৰাৰ সুবিধা প্ৰদান কৰাৰ লগে লগে অৰ্থনৈতিক বিকাশকো সুস্থিৰতা প্ৰদান কৰে।

পঞ্চমতে, অসংগঠিত অৰ্থনীতিৰ পৰিসৰ অতি বৃহৎ। প্ৰায় ৯৫% ব্যৱসায়িক সংস্থাৰ মজুৰি প্ৰাপ্ত শ্ৰমিকৰ সংখ্যা পাঁচতকৈও কম, গড় হিচাপত ১৯৯০ৰ ২.৯ৰ পৰা ২০০৫ত ২.৪ লৈ হ্ৰাস পায়। মুক্ত অৰ্থনীতিয়ে এনে সৰু সৰু সংস্থাত,

*বাৰবাৰা হাৰিছ হোৱাইট ইউ কে-স্থিত অক্সফৰ্ড ইউনিভাৰ্ছিটিৰ এমৰিটাছ প্ৰফেছাৰ, ছিনিয়ৰ ৰিছাৰ্চ ফেল'

শ্ৰমিক আইনৰ অধীনত ইয়াৰ গৰাকীবোৰকেই শ্ৰমিক হিচাপে চিহ্নিত কৰা হৈছে আৰু শ্ৰমিকৰ অধিকাৰ অৰ্জন কৰিছে। এই ৯৫%ৰ অধিক ভাগেই পাইকাৰী আৰু খুচুৰা ব্যৱসায়ী আৰু সৰু-সুৰা সামগ্ৰীৰ উৎপাদনকৰ্তা। সংগঠিত আৰু অসংগঠিত অৰ্থনীতিৰ উভয়তে এনে উৎপাদন হৈছে জীৱিকা নিৰ্বাহৰ আহিলা। স্বাধীন, স্বতন্ত্ৰ অৰ্থনৈতিক কাৰ্যকলাপ আৰু নিৰ্ভৰশীল শ্ৰমিক হিচাপে আৰু পুঁজিপতি আৰু শ্ৰমিকৰ স্বেচ্ছাই কৰা বিনিয়োগ আৰু বিপন্ন জীৱন নিৰ্বাহে বিষয়টো জটিল কৰি তুলিছে। যিহেতুকে ক্ষুদ্ৰ সংস্থাবোৰ ক্ষুদ্ৰ মূলধন আৰু কম শ্ৰমিকৰ সমষ্টি সেয়ে এইবোৰে জীৱিকা নিৰ্বাহ তথা লাভতকৈ উৎপাদন অধিক কৰাৰ আৰু বৃহৎ প্ৰযুক্তি প্ৰয়োগৰ ক্ষেত্ৰত গুৰুত্ব নিদিয়ে। তেওঁলোক বজাৰ অৰ্থনীতিৰ সৈতে নিবিড়ভাৱে জড়িত। ধন সঞ্চয় আৰু সেইবোৰ উৎপাদনৰ পৰিসৰ বৃদ্ধিৰ ক্ষেত্ৰত পুনৰ বিনিয়োগ কৰা কমেইহে পৰিলক্ষিত হয়। ব্যৱসায়ৰ প্ৰসাৰত তেওঁলোকে সামান্য ৰাহি ধন, ঋণ, যৌতুকৰ ধন আৰু উত্তৰাধিকাৰী সূত্ৰে পোৱা সম্পদকহে বিনিয়োগ কৰে। ই হৈছে বৰ্তমান ভাৰতৰ পুঁজিবাদৰ এখন স্পষ্ট ছবি। অসংগঠিত অৰ্থনীতি কেৱল সৰু-সুৰা ক্ষেত্ৰবোৰতে নহয়, ইয়াৰ উপস্থিতি চৰকাৰকে আদি কৰি বৃহৎ প্ৰতিষ্ঠানবোৰতো আছে। পুঁজিপতি খণ্ডৰ ৪০-৮০% শ্ৰমিকেই অসংগঠিত, সামান্য কিছু অংশ সংগঠনৰ সৈতে জড়িত আৰু বেছি ভাগৰেই অধিকাৰ সম্পৰ্কীয় জ্ঞান নাই আৰু যি অকণমান আছে সেইখিনিও মালিকৰ ভয়ত প্ৰয়োগ কৰিবলৈ অপাৰগ হয়। কয়লা খণ্ডতো এনে বহু অনিয়ম সমীক্ষাত প্ৰকাশ পাইছে যিবোৰ পৰিকল্পনা নথি-পত্ৰত অৱহেলা কৰি অহা হৈছে। কিন্তু যেতিয়া এইবোৰ সন্দেহ চূড়ান্ত ৰাজনৈতিক পৰ্যায়লৈ যায় তেতিয়াহে নিৰীক্ষণ আৰম্ভ হয়। পুঁজিপতি আৰু সংবাদ মাধ্যমসমূহৰ মাজত মিলা-মিছা থাকিলেও এনে অসংগঠিত অৰ্থনীতি চলিয়েই আছে। ই এনেকৈয়ে থাকিবনে নিয়ন্ত্ৰণলৈ আহিব সেইটো এটা ডাঙৰ প্ৰশ্ন।

**নীতি আৰু পৰিকল্পনা বিষয়ত কেতবোৰ প্ৰশ্ন**

অসংগঠিত অৰ্থনীতিৰ সৰু-সুৰা প্ৰতিষ্ঠানসমূহৰ কাৰণে চৰকাৰৰ কিবা অৰ্থনৈতিক আঁচনি আছে নেকি? এই সন্দৰ্ভত যথেষ্ট বিতৰ্ক হৈছে। দমন প্ৰক্ৰিয়া, কৰ্মসংস্থানহীন বিকাশ আৰু কম উৎপাদনক গুৰুত্ব নিদিয়ালৈ চাই বহুতেই ক'ব খোজে যে এনে আঁচনি নাই। অন্যহাতে অসংগঠিত অৰ্থনীতিক অপুঁজিবাদী বুলি ভবাসকলে ইয়াক প্ৰয়োজনসাপেক্ষ অৰ্থনীতি বুলি অভিহিত কৰে এনে আঁচনি আছে বুলি ভাবে। দেশৰ কেতবোৰ অসংহত আঁচনি আছে যিবোৰে একে সময়তে ধ্বংসৰ পথো দেখুৱায়, সুৰক্ষাও দিয়ে, উন্নয়ন আৰু ক্ষুদ্ৰ পৰিসৰৰ উৎপাদনকাৰীৰ প্ৰতি সহানুভূতিও প্ৰদৰ্শন কৰে। উদাহৰণ স্বৰূপে, মহানগৰৰ সৌন্দৰ্য বৰ্দ্ধনৰ নামত এনে অৰ্থনীতিৰ ক্ষুদ্ৰ প্ৰতিষ্ঠানবোৰ ধ্বংস কৰা হয়, সমাজে সুৰক্ষা দিয়ে, ক্ষুদ্ৰ ঋণ প্ৰদানেৰে উন্নয়ন ঘটোৱা হয় আৰু পৌৰ নিগমে সহানুভূতি প্ৰদৰ্শন কৰি ব্যৱসায়ৰ স্থান দিয়ে। অসংহত আঁচনিৰ কাৰণে এই প্ৰক্ৰিয়া নাইকিয়া কৰিব নোৱাৰি। একবিংশ শতিকাৰ অসংগঠিত অৰ্থনীতিৰ ক্ষেত্ৰত নিয়ম নীতি প্ৰস্তুত হোৱাটো অস্বীকাৰ কৰিব নোৱাৰি যিটো সময়ত পুঁজিবাদ অৰ্থনীতিৰ ক্ষেত্ৰত এইবোৰৰ প্ৰয়োজন নাই বুলিও চৰ্চা হৈছে। উক্ত নীতি-নিয়মসমূহ অতি দৃঢ় হ'ব লাগিব। সেয়া নহ'লে কোনো এটা প্ৰতিষ্ঠানে স্থানীয় কৰ্তৃপক্ষৰ পৰা প্ৰমাণ-পত্ৰ সংগ্ৰহ কৰি পঞ্জীয়ন কৰিব আৰু মুকলিভাৱে শ্ৰমিক তথা পৰিৱেশ আইন উলংঘা কৰিব, কৰ পৰিশোধ নকৰিব, কৰ্তৃপক্ষৰ সৈতে গোপন লেনদেনৰে অবৈধভাৱে কয়লা ব্যৱহাৰ কৰিব আৰু যোগানকাৰী, পৰিবহনকাৰী তথা তেওঁলোকৰ যিকোনো প্ৰকাৰৰ সুৰক্ষা বাহিনীক অবৈধভাৱে মাচুল দিব।

ভাৰতৰ শীৰ্ষ পুঁজিপতি গোষ্ঠীয়ে সকলো চৰকাৰী সাহায্য গ্ৰহণ কৰে যদিও চৰকাৰৰ নিয়ন্ত্ৰণত থাকিব নিবিচাৰে। সৰু-সুৰা প্ৰতিষ্ঠান সমূহৰো প্ৰায় একে মনোভাব। সমাজৰ উপান্ত শ্ৰেণীটো বৰ্তি থাকিব পৰাকৈ প্ৰয়োজনীয় সামগ্ৰী উৎপাদন আৰু যোগানৰ কাৰণে চৰকাৰে বহু সাহায্য এনে প্ৰতিষ্ঠানবোৰক দিয়ে। কিন্তু ইয়াতো অবৈধ দালাল চক্ৰই এই অসংগঠিত অৰ্থনীতিক উৎসাহ দি গৈছে আৰু অৰ্থনীতিৰ বিকাশ ঘটিলেও ই সামাজিক ন্যায়ক বিপৰ্যস্ত কৰি তুলিছে। নিয়ম নমনাৰ এই প্ৰৱণতা ৰোধ কৰাটো জটিল। যদিহে চৰকাৰে ইচ্ছা কৰে তেন্তে অভিব্যঞ্জক নিয়ন্ত্ৰণ নীতি, উন্নয়ন নীতি ৰূপায়ণ কৰি গণতান্ত্ৰিক সমাজ ব্যৱস্থাৰ মূল্যবোধ ৰক্ষাৰ লক্ষ্যত উপনীত হ'ব পাৰে। আচৰিত কথা হৈছে, চৰকাৰ এইবোৰ নিয়ন্ত্ৰণৰ প্ৰতি আগ্ৰহী নহয়, কিয়নো চৰকাৰেও নিজৰ আঁচনিবোৰ অনিয়মৰ মাজেৰেই চলাই গৈছে।

নীতি নিৰ্দ্ধাৰণ প্ৰক্ৰিয়াও ইমান ব্যাপকভাৱে অনিয়মীয়া হৈছে যে আঁচনিসমূহৰ মূল লক্ষ্য বুজাটো কঠিন হয় নহ'লে অস্বীকৃত হয়। আঁচনি ৰূপায়ণক অৱজ্ঞা কৰা হয়। বাস্তৱতাক নীতি নিৰ্দ্ধাৰণকাৰী সকলে গুৰুত্ব নিদিয়ে। বাঙ্গালুৰুৰ এটা ভূমি বিবাদ সমীক্ষাত প্ৰকাশ যে ই চৰকাৰ স্থানীয় ভাষাত পৰিচালিত হোৱাৰ ধাৰণা দিলে লগতে স্পষ্ট কৰিলে কেনেকৈ অনাচৰকাৰী সংস্থাসমূহে পৰিকল্পিতভাৱে চৰকাৰৰ

পৰিকল্পনাৰ বিৰুদ্ধাচৰণ কৰে আৰু নাগৰিক সমাজৰ প্ৰতিৰোধ ব্যৰ্থ কৰে। মধ্যপ্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ দৰিদ্ৰতা নিবাৰণ আঁচনি ৰূপায়ণৰ ক্ষেত্ৰতো বিসংগতি আৰু আমোলাই সৃষ্টি কৰা খেলিমেলি পৰিলক্ষিত হৈছে, লগতে ব্যক্তিগত খণ্ডৰ অৰ্থনীতিৰ স্বাৰ্থক সুৰক্ষা দিয়াৰ প্ৰচেষ্টা স্পষ্টকৈ প্ৰকাশ পাইছে। আনহাতে হাৰিয়ানাত কৃষি আৰু কৃষি উৎপাদন যোগানৰ বিষয়ে চলোৱা সমীক্ষাত প্ৰকাশ যে, ইয়াত এতিয়াও ভূমিৰ ক্ষেত্ৰত জাতি-বৰ্ণৰ প্ৰভাৱ প্ৰবল আৰু ৰাজ্য চৰকাৰৰ ভূমি সম্পৰ্কীয় আইন অৱজ্ঞা কৰাৰ প্ৰৱণতাও প্ৰবল। বাণিজ্যিক নিয়ন্ত্ৰণ আইনকো মান্যতা দিয়া নহয় আৰু সামাজিক নিয়ন্ত্ৰণ ব্যৱস্থাই আইনক ভেঙুচালি কৰে। কৃষিজাত সামগ্ৰীৰ পৰিশোধনৰ ক্ষেত্ৰতো উৎকোচ লৈ প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়, প্ৰদূষণৰ নিয়ম-নীতি উলংঘা কৰা হয় আৰু সামগ্ৰীৰ মান নিৰ্ণয়ৰ ব্যৱস্থাও নাই। নিয়ম নমনা এই অৰ্থনীতিত অবৈধ বজাৰ ব্যৱস্থাইও সহায় কৰিছে। পৰিবহনৰ ক্ষেত্ৰতো একে ঠাইতে উৎকোচ লোৱাৰ ব্যৱস্থা, অবৈধভাৱে অধিক পৰিমাণে উঠোৱা সামগ্ৰীত ক্ষেত্ৰত অতিৰিক্ত ধনখিনি মালিক, বুকিং এজেণ্ট, কমিছন এজেণ্ট, অসংগঠিত বেংকাৰ, চৰকাৰী বিষয়া, ৰাজনৈতিক নেতা আৰু স্থানীয় জাতি-বৰ্ণৰ নেতাসকলৰ মাজত ভাগ বটোৱাৰা হয়। ই হৈছে অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক ক্ষমতাৰ গোপন সম্পৰ্ক। ইয়াৰ ফলত অবৈধ ব্যৱসায়ৰ লাভৰ ৰাজ্য চৰকাৰেও অংশ পায়। পৰিকল্পনা প্ৰস্তুতকাৰী আৰু নীতি নিৰ্দ্ধাৰণকাৰীসকলে এইবোৰৰ প্ৰতি চকু দিয়াটো নিতান্ত প্ৰয়োজন। চহৰ আৰু আঞ্চলিক পৰিকল্পনা প্ৰস্তুত কৰোতে পৰিকল্পনা যুগুতকাৰীসকল সন্মুখীন হোৱা সমস্যা দুটা হৈছে শিথিল নিয়ন্ত্ৰণ ব্যৱস্থা আৰু বিস্তৃত বিৰৰণ। কোনো ব্যৱস্থাই অসংগঠিত অৰ্থনীতিৰ ক্ষেত্ৰত নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিবলৈ সক্ষম হোৱা নাই। সকলো বিফলতাই বৰ্তমান খোপনি পুতি লৈছে। ভাৰত হৈছে স্বাৰ্থ, অনুষ্ঠান, সংস্থা আৰু বিভিন্ন পৰ্যায়ৰ কৰ্মৰ সমাহাৰ, যিবোৰৰ জৰিয়তে নীতি প্ৰণয়ন কৰা হয়। সেয়ে ভৱিষ্যতৰ সকলো নীতি-নিয়মৰ পূৰ্ব চৰ্ত হ'ব লাগিব নীতিবোৰৰ কাৰ্যকুশলতা আৰু দক্ষতা।

**নিয়মীয়াকৰণ**

অসংগঠিত অৰ্থনৈতিক সংগঠিত কৰাৰ ক্ষেত্ৰত আনুষ্ঠানিকভাৱে সম্পত্তি চিনাক্তকৰণৰ সমস্যাই বিষয়টোক উত্থাপিত হোৱাত বাধা প্ৰদান কৰিছে। তদুপৰি সংগঠিতকৰণৰ প্ৰক্ৰিয়াটোৱেই হৈছে অসংগঠিত যুটীয়া সম্পদৰ ক্ষেত্ৰত চিনাক্তকৰণ অস্বচ্ছ কাৰণে ইয়াক নিশ্চিত কৰাৰ কাৰণে বাছনি কৰা প্ৰমাণ পত্ৰ আৰু ব্যৱসায়িক সংস্থাৰ প্ৰযুক্তি বিষয়ক প্ৰমাণ পত্ৰৰ সহায়ত কৰা হয়। ইয়াৰ প্ৰথমটো বেংকৰ ঋণ পোৱাত সহায়ক হয় আৰু দ্বিতীয়টোৱে প্ৰযুক্তি হস্তান্তৰত সুবিধা প্ৰদান কৰে। 'আধাৰ কাৰ্ড' আৰু লগতে ৰাজহুৱা খণ্ডৰ ইলেক্ট্ৰনিক ধন পৰিশোধ ব্যৱস্থাই নিয়মীয়া কৰাত বহুখিনি সফল হৈছে। ক্ষুদ্ৰ বিত্ত যোগানৰ কাৰণেও পঞ্জীয়ন প্ৰয়োজন কিন্তু স্বনিয়োজনৰ ক্ষেত্ৰত জাতি তথা লিংগ বৈষম্যই সমস্যাৰ সৃষ্টি কৰিছে। বেংক একাউণ্টৰ কাৰণে গেৰাণ্টৰৰ প্ৰয়োজন যদিও সামাজিক ৱেবছাইটৰ জৰিয়তে ইলেক্ট্ৰনিক পদ্ধতিৰে বিত্তীয় ঋণ প্ৰদান কৰা হয়। সৰু প্ৰতিষ্ঠানকো পঞ্জীকৃত কৰাৰ লগে লগে এখন নতুন মূলধনী ক্ষেত্ৰ উদ্ভাৱন হ'ব, যাৰ ফলত হাজাৰ হাজাৰ পৰিয়ালকেন্দ্ৰিক সৰু ব্যৱসায় লোপ পাব। ইয়াৰ পৰা বুজা যায় যে এই ত্ৰুটিপূৰ্ণ প্ৰক্ৰিয়া চলাই নিয়াৰ কাৰণে চৰকাৰতকৈও ব্যৱসায়িক বজাৰখনহে অধিক দায়ী। চৰকাৰে এইবোৰৰ সৈতে মোকাবিলা কৰিব লগা হৈছে। বিশেষকৈ স্থানীয়ভাৱে ৰাজহৰ অভাৱত চৰকাৰে বজাৰ আদিৰ কাৰণে প্ৰয়োজনীয় আন্তঃগাঁথনি প্ৰস্তুত কৰিব পৰা নাই। ই বিত্তীয় অনিয়মত উৎসাহ যোগাইছে, যিটোৱে আওপকীয়াকৈ ৰাজহুৱা সেৱাৰ ব্যক্তিগতকৰণ আৰু পৰ্যাপ্ত সেৱা আগবঢ়োৱাত বিফল হোৱাত উৎসাহ যোগাইছে। এইবোৰৰ পৰিণতি সমাজভেদে বিভিন্ন। ভাৰতৰ এনেবোৰ অঞ্চলতে স্থানীয় অৰ্থনীতি কেৱল অসংগঠিত হোৱাই নহয়, ইয়াক অপৰাধীকৰণো কৰা হৈছে য'ত সংশ্লিষ্ট সকলো কাম-কাজ অপৰাধী গোষ্ঠীয়ে নিয়ন্ত্ৰণত ৰাখিছে। এনেবোৰ কাৰ্যকলাপৰ পৰিপ্ৰেক্ষিততে নীতিসমূহৰ সংস্কাৰ সাধনৰ প্ৰয়োজন হৈছে। অৱশ্যে চৰকাৰৰ দ্বাৰা নিৰ্বাচনত পুঁজি যোগানত ৰাজনৈতিক বিৰোধিতা সত্ত্বেও কৰ ফাঁকি আৰু মূলধনী বিনিয়োগ অৰ্থনীতিৰ উৰ্দ্ধত থকাৰ কাৰণে এনে অনিয়মীয়া বিত্ত যোগান আৰু ক'লাধনৰ ব্যৱসায় চলি থাকিবলৈ দিয়াৰ বাহিৰে চৰকাৰৰ গত্যন্তৰ নাই। নতুন সমীক্ষাই দেখুৱাইছে যে, অনিয়মীয়া অৰ্থনীতি অসংগঠিত হ'লেও ই পৰিৱৰ্তনৰ ক্ষেত্ৰত কোনো বাধাৰ সৃষ্টি নকৰে; বৰং ই ভাৰতৰ তুলনামূলক উচ্চ হাৰৰ বিকাশৰ প্ৰতিফলনহে মাত্ৰ আৰু ই হৈছে ন ন উদ্ভাৱনৰ থলী য'ত নতুন আৱিষ্কাৰ, অনুকৰণীয় আৰু গ্ৰহণযোগ্য উদ্ভাৱন, উৎসাহজনক মৌলিক উদ্ভাৱন, প্ৰযুক্তিগত, প্ৰক্ৰিয়াগত আৰু সংস্থাগত উদ্ভাৱন হৈ আছে। অৰ্থনৈতিক পৰিকল্পনাৰ সৈতে জড়িত সকলে এই গভীৰ প্ৰত্যাহ্বানক গুৰুত্ব দিয়া উচিত। ❐

# ভাৰতৰ নগৰীয়া অসংগঠিত খণ্ড

অৰূপ মিত্ৰ*

**পৰিচিতি**

নগৰীয়া অসংগঠিত খণ্ডই গাঁৰৰ পৰা প্ৰব্ৰজিত আৰু নগৰৰ বস্তি অঞ্চলত বাস কৰা ভালেমান নিম্ন উপাৰ্জনকাৰী পৰিয়ালৰ জীৱিকাৰ উৎস হিচাপে এটা নিৰ্ণয়কাৰী ভূমিকা গ্ৰহণ কৰিছে। এই গৱেষণাত অসংগঠিত খণ্ডৰ আপেক্ষিক আকাৰ আৰু গঠনৰ বিষয়ে পৰীক্ষা কৰা হৈছে আৰু চুক্তি আৰু আনুসংগিক বিষয়ত হোৱা শেহতীয়া পৰিৱৰ্তন আৰু কৰ্ম অভ্যাস আৰু কৃতিত্বত সেইবোৰৰ প্ৰভাৱ সম্পৰ্কে স্পষ্টকৈ দেখুওৱা হৈছে।

বিগত ৩০ৰ পৰা ২০ বছৰ বা তেনেকুৱা সময়ছোৱাত ভাৰতৰ প্ৰসংগত অসংগঠিত খণ্ডত কৰা ভালেমান অধ্যয়নৰ চমু পৰ্যালোচনা দাস ২০১১ আৰু মিত্ৰৰ (২০১৩) পৰ্যালোচনাত পোৱা যাব। জীৱিকাৰ উৎপাদনশীল উৎসৰ অভাৱ পৰিলক্ষিত হোৱা কৃষি খণ্ডৰ পৰা বাহিৰ হৈ অহা গ্ৰাম্য শ্ৰমিক আৰু একে সময়তে নগৰ অঞ্চলৰ উচ্চ উৎপাদনশীল নিৰ্মাণ খণ্ড বা অ-কৃষি খণ্ডত যিসকলক নিৰিষ্ট কৰিব পৰা নাযায়— সেইসকলক কম উৎপাদনশীল নগৰীয়া, অসংগঠিত খণ্ডত নিয়োজিত কৰাৰ সম্ভাৱনা থাকে (মিত্ৰ, ১৯৯৪)। তদুপৰি নগৰ অঞ্চলত দ্ৰুত স্বাভাৱিক জনসংখ্যা বৃদ্ধিয়ে নগৰীয়া শ্ৰমিক যোগানত এটা আয়তন দিছে। তালিকাভুক্তৰ হাৰ বৃদ্ধি হোৱা সত্বেও এই শ্ৰমিক শক্তিৰ বৃহৎ উপাদান অদক্ষ আৰু অৰ্ধ-দক্ষ। বৰ্দ্ধন প্ৰক্ৰিয়া উল্লেখযোগ্যভাৱে মূলধন আৰু দক্ষতাসজ্জিত হোৱা বাবে অসংগঠিত খণ্ডৰ বহুতকে তুচ্ছ কাম কৰিবলৈ বাধ্য কৰে। সেয়েহে অসংগঠিত খণ্ড নিয়োগ আৰু দাৰিদ্ৰ্যৰ বিভিন্ন প্ৰকাৰৰ (উদাহৰণস্বৰূপে খাদ্য দাৰিদ্ৰ্য, গৃহ নিৰ্মাণ দাৰিদ্ৰ্য, স্বাস্থ্য দাৰিদ্ৰ্য, শিক্ষা দাৰিদ্ৰ্য ইত্যাদি) মাজত বিবেচনাযোগ্য ওপৰা-উপৰি হোৱা অৱস্থা দেখিবলৈ পোৱা যায়। অসংগঠিত খণ্ডই দেশৰ সমগ্ৰ শ্ৰমশক্তিৰ বুজন পৰিমাণৰ শতাংশৰ কাৰণে গুৰুত্ব আৰোপ কৰে। পূৰ্বে অসংগঠিত খণ্ডৰ দখলত থকা কৃষি জড়িত কাৰ্যাৱলীয়েই নহয় আন অ-কৃষিজড়িত কাৰ্যও বৃহৎ অসংগঠিত চাৰিসীমাৰ ভিতৰত স্থান দিয়া হৈছে। অসংগঠিত খণ্ড সাধাৰণতে নিম্ন উৎপাদনশীল কাম-কাজ, অভিযানৰ ক্ষুদ্ৰ আকাৰ, তথ্য প্ৰযুক্তিৰ হীন অৱস্থাৰ সুৰতে নিম্ন মূলধন-শ্ৰম হাৰ, অসুৰক্ষিত কাৰক, অসংগঠিত খণ্ডৰ সংগঠিত আৰু অসংগঠিত দুয়োট খণ্ডতে পৰিচালনাৰ বাবে দৃঢ় সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত বাধা হিচাপে দেখা দিয়া কাৰকবোৰ উভয় খণ্ডৰে কৌশল আৰু শিক্ষাগত পৰ্যায়তে নিহিত হৈ আছে। মানৱ আৰু কায়িক মূলধনৰ অভাৱী ব্যক্তিয়ে নিজৰ উদ্যোগৰ গুৰুত্ব আৰু আন ক্ষুদ্ৰ গোটত নিৰিষ্ট কৰে।

তেওঁলোকৰ কিছুসংখ্যকে উৰ্দ্ধমুখী উপাৰ্জনৰ অভিজ্ঞতা আহৰণ কৰিবলৈ অসমৰ্থ হোৱাৰ বাবে অসংগঠিত খণ্ডৰ ভিতৰতে নিৰৱচ্ছিন্নভাৱে থাকিবলগীয়া হয়। শিক্ষাৰ উন্নত মানেৰে বজাৰ তথ্যত প্ৰৱেশ, ঋণৰ সা-সুবিধা, প্ৰযুক্তি বিজ্ঞান সম্পৰ্কীয় জ্ঞান আৰু নীতি পৰিৱৰ্তনৰ লগত প্ৰাসংগিক আন তথ্যৰ পৰিসৰ বৃদ্ধি হয় আৰু সেয়েহে অসংগঠিত/ সংগঠিত খণ্ডলৈ ৰূপান্তৰকৰণত সহায় কৰে। সি যি কি নহওক, স্নাতকৰ প্ৰক্ৰিয়াটো ইয়াৰ লগত জড়িত ব্যয়ৰ দিশটোৰ সৈতে চোৱাৰ প্ৰয়োজন আছে। উদাহৰণস্বৰূপে, যদি সংগঠিত খণ্ডত পঞ্জীয়ন প্ৰক্ৰিয়া আৰু শ্ৰম আইন কঠোৰ হয় তেনেহ'লে ব্যক্তি বা গোটটোৱে আকাৰত সৰু হৈ থকাটো ইচ্ছাকৃতভাৱে পছন্দ কৰি অসংগঠিত খণ্ডৰ পৰা কাৰ্য ৰূপায়ণ কৰাটোত অগ্ৰাধিকাৰ দিব পাৰে (মৈতি আৰু মিত্ৰ, ২০১০)। একেদৰে ফাৰ্মখনে সৰু হৈ থাকিবলৈ সিদ্ধান্ত ল'ব পাৰে যাতে অসংগঠিত খণ্ডই আগবঢ়োৱা শ্ৰমিক বজাৰ স্থিতি-স্থাপকতাৰ সুবিধা গ্ৰহণ কৰিব পাৰে। এনে ধৰণৰ পৰিস্থিতিত অসংগঠিত খণ্ডৰ গোটসমূহে স্বভাৱগতভাৱে অনুত উৎপাদনশীল হোৱাটো দৰকাৰী নহয়, ক'বলৈ গ'লে তেওঁলোক কাৰিকৰীগত-ভাৱে সুদক্ষ আৰু অতি প্ৰতিযোগিতা-শীল হ'ব পাৰে। অসংগঠিত খণ্ডৰ নিয়োগৰ ঘটনা মুঠ নিয়োগলৈ অসংগঠিত খণ্ডৰ নিয়োগ সমানুপাত হিচাপে আখ্যা দিয়া হয় আৰু ই গ্ৰাম্য আৰু নগৰ উভয় এলেকাত অধিক। কৃষি খণ্ডত ইয়াৰ

*অৰূপ মিত্ৰ দিল্লীৰ ইনষ্টিটিউট অৱ্ ইক'ন'মিক গ্ৰথৰ অৰ্থনীতি বিভাগৰ অধ্যাপক

আধিপত্য আচৰিত যেন নালাগিব পাৰে কিন্তু অ-কৃষি খণ্ডত বুজন পৰিমাণৰ শ্ৰমিক অসংগঠিত খণ্ডত নিয়োজিত হৈ আছে। মুঠতে পৰিসংখ্যাত গ্ৰাম্য-নগৰৰ ব্যৱধান দৰ্শনীয় নহয়। আন বিস্ময়কৰ আৰ্হি লিংগভেদৰ লগত জড়িত ঃ মুঠ মহিলা শ্ৰমিকৰ ভিতৰত অসংগঠিত খণ্ডত নিয়োজিত মহিলাৰ অনুপাত পুৰুষৰ তুলনাত কম।

এই নিৰ্ধাৰণে নিশ্চয় বাস্তৱক প্ৰতিফলিত নকৰে কাৰণ ৰাষ্ট্ৰীয় নমুনা জৰীপে ব্যৱহাৰ কৰা সংজ্ঞা মতে ই নিজৰ হিচাপৰ শ্ৰমিকক বাদ দি (যিসকল তেওঁলোকৰ পৰিয়ালৰ একান্ত নিজৰ ব্যৱহাৰৰ বাবে ব্যাপকভাৱে সামগ্ৰী উৎপাদনত নিয়োজিত) অসংগঠিত খণ্ডৰ উদ্যোগত (স্বত্বাধিকাৰী আৰু অংশীদাৰীত্ব উদ্যোগ) নিয়োজন আৰু পৰিয়াল খণ্ডৰ শ্ৰমিক, যিসকল প্ৰকৃততে অসংগঠিত খণ্ডৰ শ্ৰমিক হোৱাটো উচিত আছিল সেই সকলকহে সামৰি লৈছে। পৰিয়ালসমূহত নিয়োজন যথেষ্ট পৰিমাণৰ হোৱাৰ বাবে ইয়াক বাদ দিলে ১নং তালিকাত দেখুওৱাৰ দৰে অসংগঠিত খণ্ডৰ নিয়োগৰ আপেক্ষিক আকাৰ অ-পৰ্যাপ্তভাৱে প্ৰাক্‌কলন কৰিবলৈ প্ৰণোদিত কৰিব। তদুপৰি, পৰিয়াল খণ্ডই ইয়াৰ স্থিতিস্থাপকতাৰ বাবে মহিলাসকলক ব্যাপকভাৱে মকৰল কৰাৰ বাবে প্ৰণোদিত হয় (মিত্ৰ, ২০০5) আৰু সেই কাৰণে ইয়াৰ বহিৰ্ভূতকৰণে স্বাভাৱিকতেই অসংগঠিত খণ্ডৰ নিয়োগ ক্ষেত্ৰত মহিলাৰ নিয়োজন অৱদমিত হয়।

তদুপৰি, আন এটা উল্লেখনীয় দিশ হ'ল— অসংগঠিত খণ্ডৰ উদ্যোগ আৰু পৰিয়াল খণ্ডত হোৱা নিয়োগৰ উপৰি সংগঠিত খণ্ডত অসংগঠিত নিয়োগৰ আকাৰ— যিটোৱে অনিয়মিত আৰু হ্ৰস্বকালীন চুক্তিভিত্তিক আৰু অনিয়মিত শ্ৰমিকসকলক সামৰি লৈছে সেইটো উল্লেখযোগ্যভাৱে ডাঙৰ। এইবোৰ সীমাবদ্ধতাৰ সত্বেও অসংগঠিত খণ্ডৰ নিয়োগৰ পৰিমাণ ভাৰতৰ প্ৰসংগত বিশেষকৈ অ-কৃষিজাত কাৰ্যাৱলীৰ ক্ষেত্ৰত ১নং তালিকাত দেখুওৱা ধৰণে ব্যতিক্ৰমভাৱে অধিক।

**৩. নতুন ধাৰা**

নিয়োগ আৰু উৎপাদনৰ বৰ্দ্ধন কৃতিত্বৰ ক্ষেত্ৰত নিঃসন্দেহে দুটা ডাঙৰ সূচক। নিয়োগৰ বৰ্দ্ধন মুঠ পৰিমাণৰ পৰ্যায় আৰু অসংগঠিত বা অসংগঠিত নিৰ্মাণ কিছুমান উদ্যোগত নেতিবাচক পৰিলক্ষিত হৈছে। বস্ত্ৰ আৰু চামৰা, অ-ধাতৰ খনিজ উৎপাদনৰ দৰে উদ্যোগ থকা সত্বেও মৌলিক ধাতু আৰু ধাতৰ উৎপাদনে ইতিবাচক বৰ্দ্ধন হাৰ দেখুৱাইছে।

তালিকা-১ ঃ **শতাংশৰ হিচাপত অনানুষ্ঠানিক খণ্ডৰ আপেক্ষিক আকাৰ ঃ সমগ্ৰ ভাৰত** (২০০৯-১০)

| খণ্ড | কৃষি | | | অ-কৃষি | | |
|---|---|---|---|---|---|---|
| | **পুৰুষ** | **পুৰুষ** | **পুৰুষ** | **পুৰুষ** | **পুৰুষ** | **পুৰুষ** |
| গাঁও | ৯০.৬ | ৯৫.০ | ৯৩.৪ | ৭৩.০ | ৬৪.১ | ৭১.৩ |
| নগৰ | ৮৮.৩ | ৯৭.৭ | ৯.২৫ | ৬৮.৩ | ৬০.১ | ৬৬.৯ |

**উৎস** ঃ ৰাষ্ট্ৰীয় নমুনা জৰীপৰ ভিত্তিত নিবনুৱা পৰিসংখ্যা ২০০৯-১০

ইয়াৰ নেপথ্যত ২০০৯-২০১০ চনত দিল্লীত চলোৱা এটা মানবিশিষ্ট জৰীপৰ নিৰ্দিষ্ট ফলাফল উল্লেখ কৰাটো সমীচিন হ'ব। বস্ত্ৰ গোটে উত্তম কৃতিত্ব প্ৰদৰ্শন কৰাৰ প্ৰতি বিশেষকৈ লক্ষ্য ৰাখি এই খণ্ডত শ্ৰমিকৰ লাভৰ বিষয়টো মূল্যাঙ্কন কৰিব পাৰি। দিল্লীৰ সুন্দৰ নগৰী এলেকাত কৰা ক্ষেত্ৰ অধ্যয়নে কাপোৰ চিলাই কৰা আৰু ফুল তোলা, গহণা আৰু আবৰণত বস্তু সুমুৱা কাম (পেকেজিং) কৰা তিনি প্ৰকাৰৰ শ্ৰমিকক চিনাক্ত কৰিছে। তেওঁলোকৰ অধিক সংখ্যকেই বৃহৎ আৰু ক্ষুদ্ৰ দোকানসমূহত উৎপাদিত সামগ্ৰীৰ যোগান ধৰা ঠিকাদাৰৰ জৰিয়তে কাম লাভ কৰে। কিছুমান সামগ্ৰী নিৰ্দিষ্ট বিশিষ্ট কোম্পানীৰ নামত বিক্ৰী কৰা হয় কিন্তু কিছুমান এইবোৰ সম্পৰ্ক অবিহনেও বিক্ৰী কৰা হয়। ঠিকাদাৰ-সকলে কেঁচামালৰ যোগান ধৰে আৰু নিয়মিত সময়ৰ ব্যৱধানত অন্তিম উৎপাদনসমূহ সংগ্ৰহ কৰে আৰু শ্ৰমিকসকলৰ বাবে কামৰ চালানৰ অভাৱ নাই। সি যি কি নহওক, এটা অংশভিত্তিক ধাৰ্য কৰা মজুৰি মূল্য সামগ্ৰীবিধৰ উৎপাদনৰ কাৰণে কৰা খাটনিৰ তুলনাত যথেষ্ট কম। মুঠতে প্ৰকৃত মজুৰীৰ হাৰে অতিৰিক্ত সময় হ্ৰাস কৰাটো পৰামৰ্শ দান কৰিবলৈ প্ৰমাণ আছে। কামৰ চালানৰ যোগানলৈ ধন্যবাদ যে, শ্ৰমিকৰ জীৱন ধাৰণৰ পৰ্যায়ৰ অৱনতি ঘটা দেখা নাই বা তেনে ইংগিত পোৱা হোৱা নাই। সি যি কি নহওক, প্ৰকৃত উপাৰ্জনৰ অনুৰূপ মাত্ৰা লাভৰ বাবে বহুত বেছি শ্ৰম-ঘণ্টা খৰচ কৰিবলগীয়া হৈছে। শ্ৰমিকসকলে দোকানীসকলক পোনপটীয়াকৈ উৎপাদিত সামগ্ৰী বিক্ৰী কৰিবলৈ উদ্যোগ ল'ব নোৱাৰে কাৰণ— তেওঁলোকৰ পৰা সামগ্ৰী কিনিবলৈ কোনো ইচ্ছুক নহয়। ই মধ্যভোগীক

তালিকা-২ ঃ **অসংগঠিত নিৰ্মাণত নিয়োগ আৰু জি ভি এ-ৰ বৰ্দ্ধন ঃ ২০০৫-০৬ৰ পৰা ২০১০-১১লৈকে**

| উদ্যোগ | স্বকীয় হিচাপত পণ্য উৎপাদন উদ্যোগ অ' এ এম ই | | প্ৰতিষ্ঠান | | সমুদায় | |
|---|---|---|---|---|---|---|
| | শ্ৰমিক | শ্ৰেণীৰ হিচাপত জি ভি এ (২০০৪-০৫ৰ মূল্য অনুসৰি | শ্ৰমিক | শ্ৰেণীৰ হিচাপত জি ভি এ (২০০৪-০৫ৰ মূল্য অনুসৰি | শ্ৰমিক | শ্ৰেণীৰ হিচাপত জি ভি এ (২০০৪-০৫ৰ মূল্য অনুসৰি |
| খাদ্য উৎপাদন আৰু ধঁপাতজাতীয় | -৬.৭৭ | ২.১২ | -৩.৩৯ | -১.২৯ | -৫.৯৪ | ০.৩৫ |
| বস্ত্ৰ আৰু চামৰা | ২.৪৮ | ১৫.১৪ | ০.৪৬ | ৯.৮৪ | ১.৭৯ | ১২.০৭ |
| কাগজ আৰু উৎপাদন | -১৩.৩৫ | -৪.০৪ | ১৫.৫৩ | ২৩.৪৫ | -০.৬৪ | ১৭.২৯ |
| ৰাসায়নিক আৰু ৰাসায়নিক উৎপাদন | -১৭.৩৬ | -৪.৭০ | -২.০৪ | ৪.৫৯ | -১০.৯৯ | ২.৯৫ |
| অ-ধাতৰ খনিজ উৎপাদন | -৪.৯১ | ২.০১ | ১১.২৭ | ৯.০৩ | ৩.৯৭ | ৭.৬৭ |
| মৌলিক ধাতু | ১৩.৩৪ | ১৯.০৬ | -২.৩০ | -১২.৯২ | ২.৫২ | -৯.১০ |
| ধাতৰ উৎপাদন | -৩.৬৯ | ৯.৬৫ | ৪.৭৭ | ১.৪৭ | ১.৮২ | ২.৫৪ |
| যন্ত্ৰ আৰু সা-সঁজুলি | -২৬.১৯ | -১৪.৪৪ | -৮.৬৫ | -৫.৭০ | -১২.৬৪ | -৬.৬০ |
| পৰিবহন সা-সৰঞ্জাম | -৫.৬৪ | ১৫.৬৩ | -৭.৭০ | ৪.২০ | -৭.৫২ | ৪.৭০ |
| কাঠকে ধৰি অন্যান্য নিৰ্মাণ কাম | -১.৩২ | ১২.৭৯ | ৪.৪৩ | ৭.৭৭ | ০.৮৯ | ৯.৪৭ |
| সকলো উদ্যোগ | -২.৪৫ | ৯.৫৮ | ১.৮৫ | ৫.২৫ | -০.৮৬ | ৬.৭২ |

**উৎস ঃ** ২০০৫-০৬ আৰু ২০১০-১১ বৰ্ষত অসংগঠিত নিৰ্মাণ উদ্যোগৰ সন্দৰ্ভত ৰাষ্ট্ৰীয় নমুনা জৰীপৰ তথ্যৰ পৰা লোৱা হৈছে।

বৃহৎ পৰিমাণৰ লাভ আদায় কৰিবলৈ সহায় কৰিছে। মধ্যভোগীক অতিক্ৰম কৰিবলৈ চৰকাৰ আৰু নাগৰিক সমাজে এই গোটসমূহক বজাৰ সাহায্য আগবঢ়াব লাগিব।

যিবোৰ সামগ্ৰ নিৰ্দিষ্ট বিশিষ্ট কোম্পানীৰ নামত বিক্ৰী কৰা হয় তেনে সামগ্ৰীৰ গুণগত মান সচেতনতা থাকে আৰু উত্তম কাম আগবঢ়াওঁতাই নিয়মিতভাৱে কামৰ চালান লাভ কৰে। সি যি কি নহওক, এই প্ৰক্ৰিয়াই মজুৰিৰ হাৰ বৃদ্ধি কৰাত অৰিহণা নোযোগায় আৰু উত্তম সেৱা আগবঢ়োৱা লোকৰ সংখ্যাও যথেষ্ট বেছি। প্ৰকৃতপক্ষে, এইখন হ'ল ক্ৰেতাৰ বজাৰ য'ত ঠিকাদাৰে মূল্য নিৰ্দ্ধাৰণ কৰে আৰু ইয়াৰ সংশোধনৰ কাৰণে বুজাবুজি কোনোপধ্যেই সম্ভৱ নহয়। "এইটো লোৱা নতুবা এইটো ত্যাগ কৰা" এই নীতিয়েই ব্যাপকভাৱে এই ব্যৱস্থাত অনুসৰণ কৰা হয়। এই ক্ষেত্ৰত নাগৰিক সমাজৰ ভূমিকাৰ প্ৰসংগ অতি গুৰুত্বপূৰ্ণ। কিছুমান সংগঠনে ঠিকাদাৰে কৰাতকৈ অধিক মূল্য আগবঢ়াবলৈ সক্ষম। কিন্তু নাগৰিক সমাজ গোষ্ঠীৰ দ্বাৰা কামৰ চালান সংগ্ৰহ কৰাটো অত্যন্ত অৱহেলিত হোৱাৰ কাৰণে ব্যক্তিগত ঠিকাদাৰসমূহে শ্ৰমিকসকলক লৈ যায় আৰু তেওঁলোকে আগবঢ়োৱা প্ৰচলিত হাৰৰ ক্ষেত্ৰত নাগৰিক সমাজৰ হস্তক্ষেপে একো পৰিৱৰ্তন আনিবলৈ সমৰ্থ নহয়।

শ্ৰমিকসকল প্ৰচলিত হাৰৰ বিষয়ে সচেতন যদিও তেওঁলোকৰ সংগঠিত বা অসংগঠিত সংঘ নাই। কোনো শ্ৰমিকলৈ নিম্ন নিৰিখ আগবঢ়াই যেতিয়া অধিক শোষণ কৰাটো সম্ভৱ নহয়, সমন্বয়ৰ অভাৱত সমূহীয়া দৰদাম কৰিব নোৱাৰাৰ বাবে শ্ৰমিকৰ তৰফৰ পৰা

নিৰিখ বৃদ্ধি কৰাটো প্ৰায় অসম্ভৱ হৈ পৰে। আনহাতে, বিভিন্ন ঠিকাদাৰৰ মাজত শক্তিশালী যোগসূত্ৰ থাকে, যিসকলে নিৰিখৰ উৰ্দ্ধগামী সংশোধন কৰাটো নিবিচাৰে। যিহেতু ঠিকাদাৰ-সকলে কেঁচামাল যোগান ধৰে বাবে স্বাধীনচিতীয়া উদ্যোগ স্থাপন কৰাৰ কাৰণে শ্ৰমিকসকলে পোনপটীয়াভাৱে ঋণ বা বজাৰ সাহায্যৰ আওতাত প্ৰৱেশ কৰিবলৈ পৰ্যাপ্ত অভিপ্ৰায় নাথাকে।

বজাৰত সুনাম থকা কিছুমান কোম্পানীয়ে ৰপ্তানি পণ্য প্ৰেৰণ কৰিবলৈ সমৰ্থ হয় আৰু এইবিলাক কোম্পানীয়ে উপ-ঠিকা লোৱাৰ ব্যৱস্থা গ্ৰহণ কৰে আৰু বেছিভাগ উৎপাদন গৃহভিত্তিক শ্ৰমিকৰদ্বাৰাই তৈয়াৰ কৰে। কিন্তু বিকাশৰ লাভ প্ৰসাৰিত নোহোৱাৰ আংশিক কাৰণ হ'ল শ্ৰমিকৰ অতিৰিক্ত যোগান আৰু আন এটা আংশিক কাৰণ হ'ল মধ্যভোগীৰ ভূমিকা। এই কোম্পানীবোৰ সফল হ'বৰ কাৰণে গুণগত মান শক্তিশালী নিৰ্ণায়ক হোৱাৰ হেতুকে উচ্চ শ্ৰমিক বিবেচনা নীতি গ্ৰহণ কৰাৰ সলনি একেখিনি শ্ৰমিককে দীৰ্ঘকালীন সময়ৰ ভিত্তিত কামত নিয়োগ কৰাটোকে অগ্ৰাধিকাৰ দিয়ে। শ্ৰমিকসকলক পুনৰ কামত বাহাল ৰাখিবলৈ উচ্চ মজুৰি প্ৰদান কৰাৰ বাবে অৰ্থনৈতিক সূত্ৰই নিয়োগকৰ্তাসকলক পৰামৰ্শ দিয়ে আৰু এইদৰে পৰস্পৰৰ লাভ নিশ্চিত হৈ পৰে। কিন্তু অসংগঠিত খণ্ডৰ শ্ৰমিকৰ বাবে অনুকূল পৰামৰ্শ পোৱা নাযায়। অসংগঠিত খণ্ডত প্ৰতি অংশৰ মজুৰি নিৰিখ বঢ়াৰ একো ইংগিত নাই। ইয়াৰ একমাত্ৰ লাভটো হ'ল শ্ৰমিকসকলে নিয়মিত কাম পাবলৈ সমৰ্থ হয়। অনিয়মিত নিয়োগৰ বাবে জনাজাত তথাকথিত অসংগঠিত খণ্ডই কিছুমান বিশেষ উপ-খণ্ডত নিয়মিত নিয়োগৰ বাবে সুবিধা আগবঢ়ায়। এই নিয়ম মানি চলা গুণৰ আৰ্হিৰ পৰা দীৰ্ঘ সময়ত ইতিবাচক ফল আশা কৰা হৈছে। নিয়োগৰ ক্ষেত্ৰত স্থিৰতাৰ সুবিধা গ্ৰহণ কৰা শ্ৰমিকসকলে বজাৰ যোগাযোগ উন্নত কৰাৰ এটা সুযোগ পাব পাৰে আৰু শেষত তেওঁলোকৰ উদ্যোগিক সামৰ্থ প্ৰতিপাল কৰিবলৈ অধিক দক্ষতা অৰ্জন কৰিব পাৰিব, যিটোৱে অসংগঠিত খণ্ডত উৎপাদনশীল বিকাশত অৰিহণা যোগাব। সি যি কি নহওক, ইয়াৰ কিছুমান ইতিবাচক বিকাশ সংগঠিত খণ্ডৰ বহুত উপাদানত মানি চলা অসংগঠিত প্ৰক্ৰিয়াৰ দ্বাৰা নিষ্ক্ৰিয় কৰা দেখা গৈছে। ঘটনাক্ৰমে সংগঠিত খণ্ডই বিভিন্ন পৰ্যায়ত অসংগঠিতকৰণ প্ৰক্ৰিয়া গ্ৰহণ কৰিছে যদিও কিছুমান কামত এই প্ৰক্ৰিয়া মাত্ৰ নিম্ন পৰ্যায়তহে মানি চলা হৈছে। উদাহৰণস্বৰূপে, উদ্যোগসমূহৰ শ্ৰমিক আৰু বিশ্ববিদ্যালয়, চৰকাৰী কাৰ্যালয়কে ধৰি বিভিন্ন সংগঠনৰ চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকল।

অসংগঠিত খণ্ডৰ পণ্য উৎপাদন উপাদানৰ ভিতৰত আমি পৰ্যবেক্ষণ কৰিবলৈ পোৱা পৰিস্থিতিসমূহ উল্লেখযোগ্য। বহুত ক্ষুদ্ৰ উদ্যোগ বিশেষকৈ সাজ-পোছাক, চামৰা আৰু ৰত্ন আৰু গহনা সংক্ৰান্তীয় উদ্যোগসমূহ বৰ্তমান সংগঠিত খণ্ডৰ দখলত থকা বৃহৎ গোটৰ লগত সংযোজিত। বৃহৎ গোটে কেঁচা সামগ্ৰী ইত্যাদি আগবঢ়োৱাৰ বাবে কোনোৱে মন্তব্য কৰিব পাৰে যে ক্ষুদ্ৰ খণ্ডৰ গোটৰ সন্মুখীন হোৱা অনিশ্চয়তাৰ পৰিমাণ হ্ৰাস পাইছে। তেওঁলোকে ঋণ সাহাৰ্য বা উৎপাদন প্ৰকাশৰ পথৰ বাবে সম্ভাৱনা উদ্ভাৱন কৰাৰ প্ৰয়োজন নাই, ক'বলৈ গ'লে তেওঁলোকে কেঁচামাল যোগান আৰু কামৰ চালান নিজৰ দুৱাৰমুখতে লাভ কৰে। এই সকলোবোৰে গোটটো সু-নিয়াৰিকৈ আৰু সফলভাৱে চলোৱাত বৰঙণি আগবঢ়াব। ইয়াৰ পৰা কোনোবাই অনুমান কৰিব পাৰে যে ডাঙৰ গোটৰ বিকাশ অভিজ্ঞতাৰ ইতিবাচক প্ৰভাৱ উপ-ঠিকা আৰু আনুষংগিককৰণ প্ৰক্ৰিয়াৰ জৰিয়তে ক্ষুদ্ৰ গোটসমূহলৈ পৰিবাহিত হৈছে। সি যি কি নহওক, দিল্লীৰ সুন্দৰ নগৰী এলেকাত চলোৱা আমাৰ ক্ষেত্ৰ অধ্যায়নতো সাধাৰণ আশাৰ সম্পূৰ্ণ বিপৰীত ফল দেখা গৈছে।

**সামৰণি**

গাঁও আৰু নগৰ উভয়ৰে অসংগঠিত খণ্ডৰ উদ্যোগত বৃহৎ পৰিমাণৰ শ্ৰমিক নিয়োজিত হৈ আছে। হতাশাৰ মাজত আশাৰ কিৰণ এয়ে যে, অসংগঠিত খণ্ডৰ স্বভাৱ হ'ল মহানগৰৰ আকাৰ আৰু ইয়াৰ অৰ্থনৈতিক পৰিৱৰ্তনৰ কাৰণে পৰিৱৰ্তনৰ দিশত মনোযোগ দিয়ে। এখন মহানগৰত অসংগঠিত খণ্ডৰ গতিশীলতাৰ উপাদানৰ ভিতৰত বিচাৰি পাব পাৰি যিটোৰ নিষ্ক্ৰিয় আৰু আকাৰত সৰু আন এটাৰ লগত বিকাশ সম্ভাৱনাৰ সম্পৰ্ক আছে। কৌশল দানৰ অনুৰূপ পৰ্যায় আৰু আন জনসাংখ্যিক বৈশিষ্ট্যসমূহৰ সৈতে এজন ব্যক্তিয়ে প্ৰকৃত উপাৰ্জনৰ আৰু এখন মহানগৰত বিকাশৰ সাফল্যৰ উৎসাহ থকা আন সূচকৰ সম্পৰ্কত সম্পদশালী হোৱাৰ সম্ভাৱনা থাকিব পাৰে। সেই কাৰণে অসংগঠিত খণ্ড একেসুৰীয়া নিষ্ক্ৰিয়তা নহয়; ইয়াৰ ভিন্নতাই অৰ্থনৈতিক বিকাশৰ ব্যাপক অৰ্থত জীৱিকাৰ উত্তম উৎস আগবঢ়োৱাৰ সম্ভাৱনাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

**(২৯ পৃষ্ঠাত চাওক)**

# অসংগঠিত খণ্ডৰ শিক্ষা ব্যৱস্থা

**অমিত বাচোলে***

**পৰিচয়**

অসংগঠিত খণ্ড বুলিলে সাধাৰণতে কম কুশলী আৰু অনা-কুশলী শ্ৰমিক খণ্ডটোকে বুজায়। অসংগঠিত খণ্ডৰ উদ্যোগ বিষয়ক ৰাষ্ট্ৰীয় আয়োগে প্ৰকাশ কৰে যে এই খণ্ডটোৰ অধিকভাগ শ্ৰমিকেই অনা-কুশলী। ইয়াৰ কাৰণ দুটা হৈছে সংগঠিত আৰু প্ৰশিক্ষণৰ অভাৱ আৰু দুৰ্বল অৰ্থনৈতিক অৱস্থা। কিন্তু তথাপি এইটো সত্য যে এই খণ্ডটোৰো বৃহৎ জ্ঞান আৰু কৌশলৰ ভাণ্ডাৰ আছে। এই লিখনিত ক্ষুদ্ৰ উদ্যোগ খণ্ডৰ পিয়ল, এন এছ এছ আৰু বাৰনসীৰ বস্ত্ৰ নিৰ্মাণকাৰী আৰু খাদ্য বিক্ৰেতা তথা মুম্বাইৰ পথ ব্যৱসায়ীৰ মাজত চলোৱা অধ্যয়নৰ সমীক্ষা প্ৰকাশ কৰা হ'ব। বিশ্ব বেংক আৰু বিশ্ব বৌদ্ধিক সম্পদ সংস্থাৰ দৰে আন্তৰ্জাতিক সংগঠনবোৰে পৰম্পৰাগত আৰু দেশীয় জ্ঞানৰ অধ্যয়নৰ ওপৰত গুৰুত্ব প্ৰদান কৰি সমীক্ষা আৰম্ভ কৰিছে। সমগ্ৰ বিশ্বৰে কৃষক, কাৰুশিল্পী, মহিলা আৰু স্থানীয় লোকৰ মাজত শ শ বছৰ চলি থকা জৈৱ-বৈচিত্ৰ্য, কৃষি-বনানীকৰণ, পৰিৱেশ, ঔষধ আৰু কাৰিকৰী জ্ঞান আদিৰ বিষয়ে বহু তথ্য সংগৃহীত হৈছে। এইসকল লোকেই হৈছে অসংগঠিত অৰ্থনীতি খণ্ডটোৰ শ্ৰমিক। এনে শ্ৰমিক কেৱল কৃষি আৰু হস্তশিল্পতেই নহয় খাদ্য, বস্ত্ৰশিল্প, সাজ-পোছাক তৈয়াৰী, প্লাষ্টিক, ধাতু, যন্ত্ৰ উদ্যোগ, নিৰ্মাণ আৰু সেৱা খণ্ডতো এওঁলোক নিয়োজিত আৰু যিহেতুকে আধুনিক প্ৰযুক্তিৰ সৈতে এওঁলোক জড়িত সেয়ে এইবোৰক পৰম্পৰাগত বুলি অভিহিত কৰা নহয় আৰু কৰ্মীসকলকো স্থানীয় বুলি অভিহিত কৰা নহয়। সহস্ৰবুদ্ধে আৰু সহস্ৰবুদ্ধেই ২০০২ত এই জ্ঞানক লোকবিদ্যা বা লোকজ্ঞান হিচাপে অভিহিত কৰে। উক্ত শ্ৰমিকসকল আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত নহয় যদিও বহু জ্ঞানৰ অধিকাৰী। ৰাষ্ট্ৰীয় বিজ্ঞতা আয়োগৰ ভাৰতক বিজ্ঞ সমাজলৈ পৰিৱৰ্তন কৰাৰ যি লক্ষ্য সেই লক্ষ্যত উপনীত হ'বলৈ দেশৰ সিংহভাগ শ্ৰমিকে ব্যৱহাৰ কৰা লোকবিদ্যাক অধ্যয়ন আৰু স্বীকৃতি দিব লাগিব।

**মজুৰি, উৎপাদন আৰু কৰ্মনিপুণতাৰ সম্পৰ্ক**

কম মজুৰি, কম উৎপাদন আৰু নিম্ন কৰ্ম নিপুণতা অসংগঠিত খণ্ডটোৰ কম দক্ষতাৰ কাৰক হিচাপে প্ৰমাণিত হয়। এই তিনিটাৰ মাজৰ সম্পৰ্ক জটিল আৰু ইয়াক নিৰ্দ্ধাৰণ কৰে সংস্থাগত আৰু গাঁথনিগত ব্যৱস্থাই। ভাৰতৰ দৰে বিকাশশীল অৰ্থনীতিৰ বিশেষ সমস্যা হৈছে অতিৰিক্ত শ্ৰমিক দল। অসংগঠিত খণ্ডৰ বাহিৰ হোৱা শ্ৰমিকৰ যিসকল সৰু-সুৰা ব্যৱসায়ত নামে সেইসকলৰ সৈতে অসংগঠিত খণ্ডৰ ব্যৱসায়ৰ মাজত চূড়ান্ত প্ৰতিযোগিতা হয়। এতিয়া অধ্যয়নৰ বিষয় হৈছে দুয়োটা খণ্ডৰ উপাৰ্জনৰ পাৰ্থক্যৰ কাৰণ কৰ্মকুশলতা নে গাঁথনিগত ব্যৱস্থা যেনে, ব্যৱসায়ৰ পৰিসৰ, প্ৰতিযোগিতা আৰু মূলধন-শ্ৰমিকৰ অনুপাত আদি। যিহেতুকে বজাৰ মূল্যৰ সৈতে উৎপাদনৰ সম্পৰ্ক আছে আৰু উৎপাদন বৃদ্ধিয়ে মূল্য অৱনমিত কৰে, সেয়ে অধিক প্ৰতিযোগিতাপূৰ্ণ বজাৰ ক্ষমতাপূৰ্ণ ব্যৱসায়তকৈ কম উৎপাদনশীল হয়। তদুপৰি অধিক উৎপাদনৰ লাভ নিয়োগকৰ্তাই পায় আৰু প্ৰতিযোগিতা-পূৰ্ণ বজাৰত ক্ৰেতাই কম মূল্যত পাব পাৰে কিন্তু শ্ৰমিকে সুবিধা নাপায়। উদাহৰণ স্বৰূপে বাৰানসীৰ বস্ত্ৰ উদ্যোগত বিদ্যুৎ চালিত তাঁতশালৰ উৎপাদন হস্তচালিত শালতকৈ দহগুণ অধিক যদিও শ্ৰমিকৰ মজুৰি দুয়োটাতে প্ৰায় সমান।

**পাৰদৰ্শিতা কি?**

অসংগঠিত শিক্ষাৰ শ্ৰমিকক পাৰ্গত বুলি গণ্য নকৰাৰ কাৰণ কেৱল দৰিদ্ৰতা নহয়। ইয়াৰ সৈতে জড়িত হৈ আছে জ্ঞানৰ ক্ষেত্ৰত উন্নত-অনুন্নতৰ দৰে সামাজিক বিভেদ আদিও। উদাহৰণ স্বৰূপে অসংগঠিত খণ্ডৰ মহিলা তথা নিম্ন বৰ্ণৰ শ্ৰমিকৰ জ্ঞানক প্ৰায়েই কম মূল্য দিয়া হয়। ব্যতিক্ৰমী প্ৰতিভা আৰু বছৰ বছৰ জোৰা অভিজ্ঞতাৰে মহিলা শ্ৰমিকে কৰা কামক সদায়েই অৱমূল্যায়ন কৰা হয়। যেনে— বস্ত্ৰ

*অমিত বাচোলে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ বষ্টনস্থিত মাছাছুছেট্‌ছ বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক

আৰু চিৰামিক উদ্যোগত মহিলা শ্ৰমিকেই নিপুণতাৰে সকলো কাম কৰে যদিও তেওঁলোকে আটাইতকৈ কম মজুৰি পায়। বাৰানসীত এম্ব্ৰইদাৰী কৰা মহিলা শ্ৰমিকে গোটেই দিনটো কাম কৰি উপাৰ্জন কৰে মাত্ৰ ২৫ বা ৩০ টকা। বস্ত্ৰ ব্যৱসায়ীসকলে এইটো উচিত নিৰিখ বুলিয়েই কয় আৰু মহিলা শ্ৰমিকসকলেও কয় যে এইটোৱেই উচিত নিৰিখ যিহেতু এনে কামৰ পাৰদৰ্শিতা মহিলাৰ স্বাভাৱিকভাৱেই থাকে আৰু এই কাম আজৰি সময়তহে কৰা হয়। চৰকাৰী সমীক্ষাবোৰত লোকবিদ্যাক সামৰি লোৱা হোৱা নাই। ২০০৪ আৰু ২০১২ চনত অনুষ্ঠিত ক্ষুদ্ৰ উদ্যোগ পিয়লে ব্যৱসায়িক প্ৰতিষ্ঠানসমূহক তেওঁলোকৰ প্ৰযুক্তি জ্ঞানৰ উৎসৰ বিষয়ে জনাবলৈ নিৰ্দেশ দিয়ে। তালিকা-১ৰ পৰা দেখা যায় যে পঞ্জীয়ন নেহোৱা অৰ্থাৎ অসংগঠিত প্ৰতিষ্ঠানসমূহৰ ৯০ শতাংশই ২০০১ আৰু ২০০৭ চনত উৎসবিহীন হিচাপে প্ৰকাশ পাইছে। ডাঙৰ সৰু সকলো প্ৰতিষ্ঠানৰে এটা প্ৰযুক্তি জ্ঞানৰ ভেটি থাকে আৰু সম্পদ তথা বজাৰৰ ওপৰত ভিত্তি কৰি পৰিৱৰ্তন অনাৰ ক্ষমতা থাকে। কিন্তু পৰীক্ষাটোত এনে শিক্ষা জ্ঞান ক'ৰ পৰা উদ্ভৱ হৈছে সেইটোৰ উল্লেখ নাই। কাৰণ ইয়াত কাৰুশিল্পী আৰু শ্ৰমিকৰ পাৰদৰ্শিতা আহৰণৰ বিষয়ত অধ্যয়ন কৰা হোৱা নাই।

এন এছ এছ-ৰ কৰ্মসংস্থানহীনৰ শেহতীয়া সমীক্ষাত (২০১১-১২) প্ৰকাশ পাইছে যে ১৫ বছৰ বয়সৰ ওপৰৰ ৭০ শতাংশ চহৰাঞ্চলৰ পুৰুষ আৰু ৪৩ শতাংশ গ্ৰামাঞ্চলৰ পুৰুষে মাধ্যমিক পৰ্যায়ৰ শিক্ষা লাভ কৰে। বৃত্তিমুখী প্ৰশিক্ষণৰ ভিতৰত শ্ৰমিকসকল সাধাৰণতে অন্তৰ্ভুক্ত নহয়। শ্ৰমিকসকলৰ ৮৯%ই কয় যে তেওঁলোকে কোনো আনুষ্ঠানিক বা অসংগঠিত প্ৰযুক্তি জ্ঞান বা প্ৰশিক্ষণ পোৱা নাই। এই তথ্যবোৰৰ পৰা স্পষ্ট হয় যে ১৫ বছৰৰ ওপৰৰ প্ৰায় ৯০ শতাংশ লোকৰেই কোনো প্ৰযুক্তি জ্ঞান বা কৌশল নাই। কৌশল আয়ত্ত কৰা বা জ্ঞান আহৰণ কৰাৰ পদ্ধতি সচৰাচৰ চলাই থকা সমীক্ষাত প্ৰকাশ নাপায়, কিয়নো অসংগঠিত খণ্ডত বিদ্যালয়ৰ শিক্ষা বা প্ৰশিক্ষণ আদিৰ অভাৱ দেখা যায়। এই খণ্ডটোত জ্ঞান আহৰণ হয় জীৱিকা নিৰ্বাহৰ কাৰণে। কৰ্মৰ দ্বাৰা আহৰণ কৰা জ্ঞান এওঁলোকে প্ৰসাৰ হোৱাটোও নিবিচাৰে। বাৰানসীৰ এজন মিঠাই ব্যৱসায়ীক তেওঁৰ কৰ্মচাৰীসকলে কেনেকৈ মিঠাই প্ৰস্তুত কৰাৰ শিক্ষা পালে বুলি সোধোতে তেওঁ কৈছিল যে এইটো কামৰ কাৰণে পঢ়া-শুনা কৰাৰ কোনো আৱশ্যক নাই। এই অঞ্চলৰ বস্ত্ৰ ব্যৱসায়ীসকলেও কয় যে, আনুষ্ঠানিক আৰু অসংগঠিত শিক্ষা লাভ কৰা দুয়ো শ্ৰেণীৰ শ্ৰমিকে চাহিদা অনুযায়ী সমানেই বিভিন্ন প্ৰকাৰৰ উৎপাদন কৰ্ম সম্পাদন কৰে। কৰ্মৰ জৰিয়তে আহৰণ কৰা জ্ঞান যে আনুষ্ঠানিক শিক্ষাৰ গুণতকৈ কোনো গুণে কম নহয় সেইটোৰ প্ৰমাণ বিজ্ঞান মনস্তত্ব তথা জ্ঞান বিস্তাৰৰ সকলো ক্ষেত্ৰতে পোৱা যায়। বিজ্ঞানৰ ইতিহাসবিদসকলে কয় যে দৰ্শন, বিজ্ঞান আৰু গণিত শাস্ত্ৰ কাৰিকৰী শিল্পী আৰু শ্ৰমিকসকলেই উদ্ভাৱন কৰিছে আৰু গতানুগতিক কৰ্মক্ষেত্ৰৰ সমস্যা সমাধানৰ অৰ্থেহি এনেবোৰ উদ্ভাৱন হৈছিল। ব্যৱহাৰিক জ্ঞানৰ বিষয়ত বাৰ্ণেটে কৈছিল— "কৰ্মক্ষেত্ৰ হৈছে জ্ঞান আহৰণৰ ক্ষেত্ৰ আৰু এই জ্ঞান তেতিয়াহে সফল হ'ব, যেতিয়া ইয়াক কৰ্মত প্ৰয়োগ কৰা হয় আৰু কৰ্মক্ষেত্ৰই হৈছে জ্ঞান পৰীক্ষাৰ থলী।" শ্ৰমিকৰ সতি-সন্ততিয়ে খেলা-ধূলাৰ মাজতে তেওঁলোকৰ মাক-দেউতাক আৰু অভিভাৱকৰ কাম কৰা চাই থাকিয়েই শিক্ষা আহৰণ কৰে।

তালিকা নং-১ ঃ **অসংগঠিত ক্ষুদ্ৰ উদ্যোগ খণ্ডৰ প্ৰযুক্তি তথ্যৰ উৎস**

| উৎস | ২০০১ | ২০০৭ |
|---|---|---|
| বিদেশৰ | ০.৬৭ | ০.৪০ |
| দেশীয় সহযোগিতা | ৫.৫৮ | ২.১১ |
| দেশীয় গৱেষণা আৰু উন্নয়ন | ৪.৮৪ | ৩.২২ |
| নিজা | ৮৮.৯১ | ৯২.৮৩ |

**লোকবিদ্যা অনুষ্ঠান**

অসংগঠিত খণ্ডৰ শ্ৰমিকসকলৰ জনসাধাৰণলৈ আগবঢ়োৱা সেৱা আনুষ্ঠানিক খণ্ডৰ শিক্ষা লাভ কৰা সকলতকৈ যথেষ্ট বেছি যদিও অসংগঠিত খণ্ডটোত শিক্ষা নবীচি আৰু কৰ্মৰ জৰিয়তে প্ৰশিক্ষণ ব্যৱস্থা অতি সামান্য। কাৰুশিল্প প্ৰতিষ্ঠানবোৰে শিক্ষা নবীচ আৰু নৈপুণ্যৰ পৰম্পৰাগত কৌশলৰ ওপৰত গুৰুত্ব প্ৰদান কৰে যদিও বিকাশশীল অৰ্থনীতিত অসংগঠিত খণ্ডটোৰ পৰা কৌশলসমূহ আহৰণ কৰাত ব্যৰ্থ হৈছে। ইয়াৰ কাৰণ হৈছে যথাযথভাৱে এইএবাৰৰ অধ্যয়ন নোহোৱাটো। তদুপৰি এই খণ্ডটোৰ শ্ৰমিকসকলৰ কৰ্মক্ষেত্ৰ সিঁচৰতি হৈ থকাৰ কাৰণে জ্ঞান আহৰণৰ কোনো নিৰ্দিষ্ট স্থান বা কোনো নিৰ্দিষ্ট সময় পোৱাটো কঠিন, সেয়ে এইবোৰ তথ্য

লিখিত ৰূপত পোৱা বা পৰিমাণৰ বিষয়ে অনুমান কৰাটোও জটিল। কৌশলসমূহ আয়ত্ত কৰাৰ ক্ষেত্ৰত আন কেতবোৰ বিষয়ো নিহিত হৈ আছে। যেনে— পৰিয়াল, জাতি, সম্প্ৰদায় আৰু লিংগ বিভাজন। এই কাৰকসমূহৰ কাৰণেই উক্ত বিষয়ত যিখিনি তথ্য পোৱা যায় সেইখিনি কেৱল অৰ্থনীতিৰ সৈতে জড়িত নৃতত্ববিদসকলেহে দিব পাৰে। অসংগঠিত খণ্ডটোৰ জ্ঞান লাভৰ উৎস (যেনে— কৌশল আহৰণ, নতুনত্ব প্ৰদান প্ৰক্ৰিয়া, জ্ঞানৰ আদান-প্ৰদান)ৰ বিষয়ে সম্ভেদ লওঁতে বুজা গ'ল যে, এইবোৰ অপৰিৱৰ্তনীয় ৰূপত চলি থকাটো ভুল হৈছে। জানিব পৰা গৈছিল যে এনে শ্ৰমিকৰ প্ৰশিক্ষণ কাল আনুষ্ঠানিক চাৰ্টিফিকেট পাঠ্যক্ৰম বা স্নাতক পাঠ্যক্ৰমৰ কালতকৈ যথেষ্ট বেছি। পৰিয়াল বা অনাপৰিয়াল ভিত্তিক শিক্ষা নবীচৰ শিকাৰ সময় মাহ বা বছৰ ধৰি চলি থকাটো তেনেই সাধাৰণ কথা। অৱশ্যে আনুষ্ঠানিক শিক্ষাতকৈ ব্যয় কম। এনে প্ৰশিক্ষণ ব্যৱস্থাক নিয়াৰি কৰি বিকাশ ঘটাব পৰা যায়, য'ত শ্ৰমিক তথা তেওঁলোকৰ প্ৰশিক্ষকসকলে ব্যক্তিগত অনুশাসনৰ ওপৰত আৰু শিক্ষাৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। নিয়োগকৰ্তাই পাকৈত শ্ৰমিকৰ স্বাৰ্থক সুৰক্ষা দিয়ে আৰু কাগজ-কলমৰ সৈতে জড়িত সকলতকৈ তেওঁলোকক অধিক গুৰুত্ব দিয়ে। শ্ৰমিকসকলে নতুন কৌশল আয়ত্ত কৰিব পৰা কাম বিচাৰে, যিবোৰে কেৱল উৎপাদন বৃদ্ধিয়েই নহয়— যোগাযোগ প্ৰসাৰৰ কৌশলো শিকায়। মুম্বাইত পদপথ ব্যৱসায়ী, টেক্সী ড্ৰাইভাৰ আৰু ট্ৰেভেল গাইডৰ সৈতে ইংৰাজী আয়ত্ত কৰাৰ কৌশল সম্পৰ্কে জানিবলৈ বিচৰাত তেওঁলোকে কয় যে কেৱল জ্যেষ্ঠসকলৰ পৰাই নহয়, পথৰ কাষৰ বিজ্ঞাপন, গ্ৰাহকৰ সৈতে কথা-বতৰা, ম'বাইল ফোন আৰু নতুন প্ৰযুক্তিৰ জৰিয়তেও তেওঁলোকে ইংৰাজী শিকিব পাৰিছে আৰু কৌশল আয়ত্ত কৰাটো সহায়ক হৈছে। সেয়ে মুম্বাইৰ বিখ্যাত লিংকিং ৰোডৰ এজন পাণ দোকানীয়ে সঠিকভাৱেই কৈছে যে, লিংকিং ৰোড এখন স্কুল হৈ পৰিছে। বাৰবাৰে সেয়ে কৈছে যে, এনে শিক্ষাই উন্নত সমাজত প্ৰৱেশ সহজ কৰি তুলিছে, সম্পদবিহীনসকলেও নতুন নতুন কথা শিকা আৰু ভবাৰ পথো সুচল হৈ পৰিছে, লগে লগে নজনাকৈয়ে জ্ঞানৰ পৰিসৰো বৃদ্ধি পাইছে। এই অধ্যয়নত প্ৰাপ্ত দুৰ্বলতাসমূহ হৈছে পৰ্যাপ্ত পৰিমাণৰ ব্যৱহাৰিক জ্ঞান আৰু ইয়াৰ প্ৰকাশৰ শক্তিহীনতা, নতুন প্ৰযুক্তি গ্ৰহণৰ অক্ষমতা আৰু সুৰক্ষা সম্পৰ্কীয় ব্যৱস্থাসমূহ।

শেষত অসংগঠিত উদ্যোগৰ পৰ্যায়ত নতুনত্বৰ প্ৰয়াসৰ বিষয়ত ক'বলৈ হ'লে দেখা পোৱা যায় যে আনকি চাহ-বিস্কুটৰ দোকানৰ দৰে সৰু ব্যৱসায়তো দোকানীজনে নিজৰ দোকানখনৰ বিক্ৰী কৰিবলৈ লোৱা সামগ্ৰী আৰু খ্যাতিক লৈ গৰ্ব কৰে। মাজে সময়ে তেওঁলোকৰ মেনুত নতুন সামগ্ৰীও অন্তৰ্ভুক্ত হয়। কাৰুশিল্প উদ্যোগতো নতুনত্ব আহিছে আৰু সংৰক্ষিত হৈ আছে আৰু বৌদ্ধিক সম্পদৰ অধিকাৰৰ অৱৰ্তমানত ব্যৱসায়িক গোপনীয়তাসমূহ সাৱধানতাৰে সুৰক্ষিত ৰখা হয়। লোকবিদ্যা ধাৰাবাহিকভাৱে বিকশিত হয়, নতুনত্ব আহে, নতুনক গ্ৰহণ কৰে আৰু পৰিৱৰ্তনো হয়। তাঁতশিল্প বিদ্যুৎচালিত তাঁতশাললৈ পৰিৱৰ্তন হোৱাৰ দৰে আধুনিক উদ্যোগসমূহেও পৰম্পৰাগত হস্তচালিত তাঁতশাল আধুনিক প্ৰযুক্তিৰ প্ৰতি আগ্ৰহী হোৱাৰ দৰে মনোভাৱকো আদৰণি জনোৱা হয়। কেন্দ্ৰীয় চৰকাৰে ২০০৭ চনত "ভাৰতত নতুনত্বৰ ৰেঙণি" হিচাপে প্ৰকাশ কৰা ৰাষ্ট্ৰীয় জ্ঞানবিকাশ আয়োগৰ প্ৰতিবেদনত কোৱা হৈছে যে এই ক্ষেত্ৰসমূহত সংশ্লিষ্ট লোকসকলৰ সৈতে আলোচনা-বিলোচনা কৰি সমস্যা সমাধানৰ প্ৰচেষ্টা চলাইছে যদিও এতিয়াও বহুতো কৰিবলৈ বাকী আছে।

**সামৰণি**

এইবোৰে এইটো নুবুজায় যে আনুষ্ঠানিক শিক্ষাৰ প্ৰয়োজন নাই অথবা অসংগঠিত খণ্ডৰ জ্ঞানৰ উৎস পৰ্যাপ্ত পৰিমাণৰ। পৰম্পৰাগত পদ্ধতিৰ জৰিয়তে কৌশল আয়ত্তও পৰ্যাপ্ত নহয়। সঠিক নীতিৰে আৰ্হি প্ৰস্তুত কৰিলে কৌশল-প্ৰযুক্তিৰ বিকাশ সাধন হ'ব আৰু পৰম্পৰাগত প্ৰথাত নতুন প্ৰযুক্তি প্ৰয়োগ কৰি উপাৰ্জনো বৃদ্ধি কৰিব পৰা যায়। চৰকাৰী বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণ ব্যৱস্থাই অসংগঠিত খণ্ডটোত চাকৰি আদি পোৱাৰ ক্ষেত্ৰত একো সহায়ক হোৱা নাই। ইয়াৰ বিকল্প হৈছে অসংগঠিত খণ্ডৰ অনুষ্ঠানসমূহক বিকশিত কৰি তোলা। ইয়াৰ কাৰণে প্ৰয়োজন শিক্ষা বিস্তাৰ, হস্তান্তৰ আৰু অভিনৱত্ব আদিৰ বিষয়ত অধিক গৱেষণা, যিবোৰ প্ৰচলিত আধাৰৰ ভিত্তিতে হ'ব লাগিব। লোকবিদ্যাক আনুষ্ঠানিক শিক্ষাৰ পৰ্যায়ৰ মৰ্যাদা দিয়াৰ কাৰণে ৰাজনৈতিক বিপ্লৱৰ প্ৰয়োজন হৈছে। ❐

# জন ধন যোজনা আৰু বিত্তীয় ব্যৱস্থা বিস্তাৰিতকৰণ

**প্ৰভাকৰ চাহু***

**জন ধন যোজনা আৰু বিত্তীয় ব্যৱস্থা বিস্তাৰিতকৰণ**

ভাৰতত বিত্তীয় ব্যৱস্থাৰ বিস্তাৰিতকৰণ স্থিতি যিভাৱেই বিচাৰ কৰি নাচাওক লাগিলে, ই আশা কৰাতকৈ বহু পিচপৰি আছে। ২০১২ চনত বিধিগত বিত্তীয় প্ৰতিষ্ঠানত ১৫ বছৰ বয়সৰ ওপৰৰ মাত্ৰ ৩৫ শতাংশ ভাৰতীয় লোকৰহে বেংকৰ হিচাপ-বহী থকা দেখা যায়। ইপিনে বিশ্বৰ উন্নয়নশীল দেশসমূহত ইয়াৰ গড় হিচাপৰ হাৰ হ'ল ৪১ শতাংশ (বিশ্ব বেংক, ২০১২)। বিত্তীয় পৰিব্যাপ্তি সাধনৰ বাবে ৰিজাৰ্ভ বেংক অব ইণ্ডিয়াই চলোৱা অভিযানৰ হেতু বেংকত হিচাপ-বহী খোলাৰ সংখ্যা ২০১১-১৩ বৰ্ষৰ কালছোৱাত প্ৰায় ১০ কোটি বৃদ্ধি পায়। বৰ্তমানে ২২.৯ কোটি বেংকৰ হিচাপ-বহী (বেংক একাউণ্ট) আছে। বিধিগত বিত্তীয় প্ৰতিষ্ঠানসমূহৰ প্ৰতি সুচল প্ৰৱেশৰ গতিৰ ক্ৰমান্বয়ে উন্নতি সাধন হৈছে; কিন্তু হেজাৰ হেজাৰ গাঁৱত এতিয়াও বেংকৰ শাখা গঢ়ি উঠা নাই। ১০ শতাংশতকৈ কমহে বাণিজ্যিক বেংক ঋণৰ ধনৰাশি গ্ৰাম্য এলেকালৈ যায়। কিন্তু এই এলেকাবোৰতেই মুঠ জনসংখ্যাৰ প্ৰায় ৭০ শতাংশ লোক বসবাস কৰে। কাজেই বিত্তীয় পৰিব্যাপ্তি সাধন কাৰ্যসূচীৰ কিমান যে প্ৰয়োজন সেইটো প্ৰশ্নাতীত বিষয়।

প্ৰধানমন্ত্ৰী ধন জন যোজনা ২০১৪ চনৰ ২৮ আগষ্টত প্ৰচলন কৰা হয়। প্ৰাৰম্ভিক অৱস্থাত এই যোজনাৰ লক্ষ্য হ'ল এটা বছৰত ৭.৫ কোটি পৰিয়ালৰ বাবে বেংক একাউণ্ট খোলা। ২০১৫ চনৰ ১৫ আগষ্টলৈ এই সীমা থিৰ কৰা হৈছে। আঁচনিখন প্ৰচলন কৰাৰ প্ৰথম দিনটোতেই প্ৰায় ২ কোটি বেংকৰ হিচাপ-বহী খোলা হয়। কালক্ৰমত ইয়াৰ লক্ষ্য হ'ল প্ৰতিজন উপযুক্ত ভাৰতীয় লোকক বেংক ব্যৱস্থা পদ্ধতিত সামৰি লোৱা। প্ৰথম পৰ্যায়ত সকলো ঘৰকে এটা হিচাপ-বহীৰ যোগান ধৰা হ'ব, বিত্তীয় সুবিধা ক্ষুদ্ৰ স্তৰলৈকে লৈ যোৱা হ'ব আৰু পোনপটীয়া নগদ ধন লাভ, কাম-কাজ সঠিক স্থানত উপস্থাপন কৰা হ'ব। দ্বিতীয় পৰ্যায়ত সেই মূল হিচাপ-বহী গৰাকীৰ ওচৰলৈ বিত্তীয় সেৱাৰ সুবিধা আগবঢ়োৱা হ'ব আৰু ক্ষুদ্ৰ-বীমা তথা পেন্সন যোগান ধৰা কথা ভবা হৈছে। বেংকৰ সা-সুবিধা নথকা সকলো ঠাইলৈ বেংক শাখা পৰিব্যাপ্ত কৰাটো কঠিন কাম বাবে আঁচনিখন ৰূপায়ণ কৰাত সহায় কৰিবলৈ বিস্তৃত আকাৰত বেংকৰ সৈতে যোগাযোগ ৰক্ষা কৰা লোকক নিয়োগ কৰা হ'ব।

ভাৰতত বিত্তীয় সা-সুবিধা উপলব্ধ কৰাটো কেৱল বিশ্বৰ উন্নত দেশবোৰতকৈয়ে কম নহয়; তদুপৰি বহু উন্নয়নশীল দেশতকৈও তেনে সুবিধা কম (১নং চিত্ৰ দ্ৰষ্টব্য)। সেয়ে বিত্তীয় ব্যৱস্থাৰ পৰিব্যাপ্তি সাধনৰ বাবে যি আৰম্ভণি কৰা হৈছে তাক ভালদৰে গ্ৰহণ কৰা হৈছে আৰু প্ৰশংসাও লাভ কৰিছে।

কাৰ্যতঃ বিত্তীয় গভীৰতা আৰু বিধিগত ঋণৰ সুবিধাক অৰ্থনৈতিক বিকাশ তথা ঔদ্যোগিক কাম-কাজৰ আগশাৰীৰ কাৰক শক্তিৰূপে বিবেচনা কৰা হয়। এয়া হ'ল সবলীকৰণৰো একোটা কাৰ্য বিশেষ।

**বিত্তীয় সেৱাৰ গুৰুত্ব**


বিত্তীয় ব্যৱস্থাৰ সুবিধা অথবা বিত্তীয় সেৱা প্ৰদান আৰু বিত্তীয় প্ৰতিষ্ঠানসমূহৰ সুচলতাই বিকাশ আৰু নিয়োগৰ ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পেলায়। এই ইতিবাচক সুফল নিম্ন ব্যয়ৰ লেন-দেন আৰু মূলধনৰ সু-বিতৰণৰ জৰিয়তে সাধন কৰা হয়। জাহান আৰু মেকডনাল্ডে ক'বৰ দৰে বিত্তীয় গভীৰতা বিষয়টো নিম্ন উপাৰ্জিত গোটসমূহৰ অৰ্জনৰ অংশ পৰিমাণৰ বৃদ্ধিৰ গতিৰ সৈতে জড়িত আৰু তেনে বৃদ্ধিয়ে দৰিদ্ৰতাৰ মাত্ৰা হ্ৰাস কৰে। তদুপৰি বিত্তীয় সেৱাই অসমতাও হ্ৰাস

---

*প্ৰভাকৰ চাহু দিল্লীৰ ইনষ্টিটিউট অব ইক'নমিক গ্ৰ'থৰ সহযোগী অধ্যাপক। ইয়াৰ পূৰ্বে তেওঁ ইণ্ডিয়ান কাউন্সিল ফৰ ৰিছাৰ্চ অন ইণ্টাৰনেচনেল ইক'নমিক ৰিলেচনছত ছিনিয়ৰ ফেল'ৰূপে কাম কৰিছিল। দিল্লীৰ প্ৰতিষ্ঠানত তেওঁৰ দায়িত্ব হ'ল ভাৰতীয় অৰ্থনৈতিক সেৱাৰ বিষয়াসকলক মৌলিক আৰু আন্তৰ্জাতিক অৰ্থনীতিৰ বিষয়ে শিকোৱা। লগতে তেওঁ আন্তৰ্জাতিক বাণিজ্য, বিনিয়োগ আদিকে ধৰি কেইবাটাও বিষয়ত গৱেষণা কৰি আছে।

১নং চিত্ৰ ঃ

**২০১১ চনৰ লেখত ১৫ বছৰ বয়স + জনসংখ্যাৰ শতকৰা হিচাপত বিধিগত প্ৰতিষ্ঠানত থকা বেংক একাউণ্ট**




**উৎস ঃ** বিশ্ব বেংক, ২০১২

কৰে। বিধিগত বিত্তীয় প্ৰতিষ্ঠানসমূহৰ পৰা দুখীয়া লোকক ঋণ লাভ কৰাত সুবিধা আগবঢ়ায়; কাৰণ তেনে লোকৰ ঋণ লোৱাৰ কোনো ইতিহাস নাথাকে বা কোনো সাময়িক ধৰণৰ যোগসূত্ৰ স্থাপনৰ ব্যৱস্থাৰো তেওঁলোকৰ অভাৱ। এই সন্দৰ্ভত যিবোৰ পুস্তিকা প্ৰকাশ কৰা হৈছে তাৰ পৰা এইটো বুজা যায় যে স্ব-নিয়োজিতভাৱে কৰা কাৰবাৰ, ঘৰুৱা ব্যৱহাৰ্য সামগ্ৰীৰ ক্ষেত্ৰত মনোনিৱেশ তথা কম উপাৰ্জিত গোটসমূহৰ মাজত সামগ্ৰিক কল্যাণ সাধনৰ ক্ষেত্ৰত বিত্তীয় সেৱাসমূহৰ ক্ষেত্ৰত ঘটা সুচল প্ৰৱেশে ইতিবাচক প্ৰভাৱ পেলায়। বেনাৰ্জী আৰু ডুফ্লোৱে ক'ব খোজে যে দৰিদ্ৰতাৰ বিৰুদ্ধে কৰা সংগ্ৰামত ক্ষুদ্ৰ-বিত্ত (মাইক্ৰো-ফাইনেন্স) এবিধ অন্যতম ঘাই আহিলা।

বিকাশশীল দেশসমূহৰ বিধি বহিৰ্ভূত অৰ্থ ব্যৱস্থাত (ভাৰতৰ দৰে) দুখীয়া পৰিয়ালবোৰে বিধিহীন পথেৰে তেওঁলোকৰ বিত্তীয় কাম-কাজবোৰ (যেনে সঞ্চয় আৰু ঋণ) চলায়। কিন্তু এনে অনানুষ্ঠানিক কাৰ্য ব্যৱস্থা যথেষ্ট আৰু নিৰ্ভৰযোগ্য নহয়। তেনে ব্যৱস্থাবোৰ হ'ল— পৰিৱৰ্তিত সঞ্চয় আঁচনি, পৰিয়াল তথা বন্ধুৰ জৰিয়তে কৰা ঋণ ব্যৱস্থা, টকা ধাৰে দিওঁতা লোক আৰু মজুতকৰণ। এনে ধৰণৰ কাৰ্য ব্যৱস্থা বৰ খৰচীও হ'ব পাৰে। সেয়ে প্ৰধানমন্ত্ৰী জন ধন যোজনাই বিত্তীয় সুচলতা লাভ কৰাৰ ক্ষেত্ৰত যি আশ্বাস দিছে সেইটোৱে নিশ্চয়কৈ অধিক সঞ্চয়ৰ উদ্ৰেক কৰাত সহায় কৰিব। দক্ষিণ এছিয়াৰ বিকাশশীল দেশ তথা ভাৰতত কৰা অধ্যয়নৰ পৰা এইটো পৰিলক্ষিত হৈছে যে বেংকৰ শাখাসমূহৰ সুচলতাই ঘৰুৱা সঞ্চয়ৰ ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পেলায়।

ভাৰতত অৰ্থনৈতিক সংস্কাৰ সাধনৰ এটা ডাঙৰ বিষয় হ'ল বিত্তীয় খণ্ডৰ সংস্কাৰ। বিধিগত বিত্তীয় প্ৰতিষ্ঠানৰ উপস্থিতিয়ে নিৰাপদ আৰু নিৰ্ভৰযোগ্য সুবিধা আগবঢ়ায়; আৰু ই বিকল্প বিত্তীয় আহিলাও। সঞ্চয় একত্ৰীকৰণৰ ক্ষেত্ৰত ই হ'ল মূল বিষয়। সঞ্চয় কৰিবৰ বাবে এজন ব্যক্তিক নিৰাপদ আৰু নিৰ্ভৰযোগ্য বিত্তীয় প্ৰতিষ্ঠানৰ সুচলতাৰ আৱশ্যক হয় আৰু এই ক্ষেত্ৰত বেংক তথা উপযুক্ত বিত্তীয় ব্যৱস্থাৰ প্ৰয়োজন। এনে সুচল ব্যৱস্থা ভাৰতৰ দৰে বিকাশশীল দেশবোৰত সদায়েই প্ৰাপ্ত কৰা নাযায়— বিশেষকৈ গ্ৰাম্য এলেকাসমূহত। সঞ্চয়ে দুখীয়া ঘৰৰ লোকক ধনৰ সোঁত বজাই ৰখাত সহায় কৰে, খৰচৰ মাত্ৰাও নিৰ্দিষ্ট অৱস্থাত ৰাখে আৰু লগতে কামৰ বাবে মূলধনী পুঁজি গঢ়ি তোলাত বৰঙণি আগবঢ়ায়। বিধিগত সঞ্চয় ব্যৱস্থাৰ প্ৰতি সুচলতা নাথাকিলে দুখীয়া লোকক সোনকালে খৰচ কৰাৰ প্ৰলোভনকহে উদগনি জনায়।

জন ধন যোজনাই অধিক খৰচ বা ঋণ সুবিধাৰো আশ্বাস দিয়ে। ফলত ই দুখীয়া লোকক ঋণৰ প্ৰতি সুচলতাৰ পৰিসৰ বৃদ্ধি কৰিব আৰু তাৰ দ্বাৰাই ইতিবাচকভাৱে কল্যাণ সাধন, সিদ্ধান্ত নিৰ্ণয়ত আস্থা তথা অৰ্থনৈতিক কাম-কাজবোৰ কৰাত বিশ্বাস জন্মাব। তদুপৰি এক লাখ টকাৰ বীমা ব্যৱস্থাই দুখীয়া হিচাপ-গৰাকীক বিপদ-আশংকা আৰু মনোতাপ স্তিমিত কৰাত সহায় কৰিব। বিপদ-আশংকাৰ প্ৰতি স্পৰ্শকাতৰতা আৰু বহিঃচিন্তাক দূৰ কৰাৰ কোনো আৰ্থিক ব্যৱস্থাৰ অনুপস্থিতিয়ে দুখীয়া লোকক দৰিদ্ৰতা সীমাৰেখাৰ ওপৰলৈ উঠিবৰ কাৰণে কঠিনতাৰ সৃষ্টি কৰে। বেংকৰ ব্যৱস্থা নথকা গাঁওবোৰত বেংকৰ শাখা খুলিলে তাৰপৰা বহু সকাহ পোৱাৰ সম্ভাৱনা আছে। দাৰিদ্ৰ্য অৱস্থা হ্ৰাস কৰাটো এনে সুবিধাৰ দ্বাৰা ভালেখিনি আশা কৰিব পাৰি। এইবোৰ অৰ্থনৈতিক সা-সুবিধাৰ উপৰি প্ৰধানমন্ত্ৰী ধন জন যোজনাৰ জৰিয়তে বিধিগত বেংক ব্যৱস্থাৰ পদ্ধতিলৈ অনা কাৰ্যই প্ৰায়ভাগ লোকলৈকে বিতৰণ পদ্ধতিৰ দিহা কৰাত চৰকাৰক সহায় কৰিব।

লগতে ই লেন-দেন খৰচো কমাব। বিস্তৃত আকাৰৰ বিত্তীয় সেৱাই সামাজিক নিৰাপত্তাৰ ধন হস্তান্তৰকৰণৰ চৰকাৰী কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰতো উন্নতি সাধন কৰিব পাৰে।


**আঁচনিখনৰ পৰিসৰ তথা বেংক আন্তঃগাঁথনি**

আলোচ্য জন ধন যোজনা আঁচনিখন বেংকৰ হিচাপ-বহী খোলা সম্পৰ্কীয় হ'লেও তাত অন্যান্য বৈশিষ্ট্যও আছে। সেয়া হ'ল এক Ru Pay ডেবিট কাৰ্ড, ১ লাখ টকাৰ দুৰ্ঘটনা জড়িত বীমা পলিচী আৰু ৩০,০০০ টকাৰ এটা জীৱন বীমা পলিচী। যিসকলে ২০১৫ বৰ্ষৰ স্বাধীনতা দিৱসৰ আগেয়ে বেংকৰ হিচাপ-বহী খুলিব তেওঁলোকৰ বাবে এই সুবিধা দিয়া হৈছে। ইয়াৰ কাম-কাজ পুনৰীক্ষণ কৰা হ'ব আৰু খৰচৰ সীমা অতিক্ৰম কৰাৰ সুবিধাও দিয়া হ'ব। এই আঁচনিৰ অধীনত লক্ষ্য সাধন কৰাটো কঠিন হ'ব পাৰে, কিয়নো হিচাপ-বহী খুলিবৰ কাৰণে সময় লাগে। তেনে এটা হিচাপ-বহী খুলিবলৈ ২০ মিনিট সময় লাগিব পাৰে (গ্ৰাম্য এলেকাৰ ক্ষেত্ৰত য'ত তেনে ধৰণৰ কৰ্মচাৰী যথেষ্ট নাথাকিব পাৰে)। সম্ভৱতঃ এটা গ্ৰাম্য বেংকৰ শাখাত আঠ ঘণ্টা সময়ৰ কৰ্মদিনত ২৪টা হিচাপ-বহী খুলিব পাৰে। কেইবছৰমানৰ পূৰ্বে ৰিজাৰ্ভ বেংকে দেশত অধিক বিত্তীয় সেৱাৰ সুবিধাৰ অৰ্থে মূল বেংক একাউণ্ট খুলিবলৈ কৈছিল আৰু সেই মৰ্মে প্ৰায় ১০ কোটি বেংক একাউণ্ট খোলা হয়। কিন্তু তাৰ বাবে সময়ৰ প্ৰয়োজন হৈছিল তিনি বছৰতকৈ অধিক কাল। এতিয়া এই জন ধন যোজনাৰ বৈশিষ্ট্যও ব্যাপক আকাৰৰ।

এই জন ধন যোজনা প্ৰচলন কৰাৰ প্ৰথম দিনটোত দুই কোটি হিচাপ-বহী খোলা হয়। ইয়াৰ ভিতৰত চহৰ এলেকা আৰু বিত্তীয়ভাৱে অন্তৰ্ভুক্তি হোৱা সকলৰো হিচাপ-বহী আছে। কিন্তু দেশখনত হিচাপ-বহী খোলোতাৰ সংখ্যা বৃদ্ধি হোৱাৰ লগে লগে বেংক ব্যৱস্থাৰ আন্তঃগাঁথনিৰ ওপৰত অধিক হেঁচা পৰিব। ২নং আৰু ৩নং চিত্ৰত ভাৰতৰ বেংক আন্তঃগাঁথনি বিশ্বৰ বাকী অংশৰ লগত তুলনা কৰি দেখুওৱা হৈছে।

২নং চিত্ৰ ঃ

**প্ৰতি এক লাখ জনসংখ্যাত বেংকৰ শাখা**




**উৎস ঃ** ৱৰ্ল্ড ডেভেলপমেণ্ট ইণ্ডিকেটৰছ, বিশ্ব বেংক, ২০১৪


ভাৰতত প্ৰতি লাখ জনসংখ্যাৰ হিচাপত বেংক শাখাৰ সংখ্যা কিছু বৃদ্ধি পাইছে। তথাপি ই এতিয়াও ব্ৰাজিল, ৰাছিয়া আৰু মেক্সিকোৰ দৰে দেশবোৰতকৈও তলত আছে।

ভাৰতত বিত্তীয় ব্যৱস্থাৰ বাহিৰত থকা লোকৰ সংখ্যা অধিক। মুঠ জনসংখ্যাৰ প্ৰায় ৪২ শতাংশ লোক বিধিগত বেংক ব্যৱস্থা পদ্ধতিৰ বাহিৰত থাকে আৰু তেওঁলোকে নিজৰ প্ৰয়োজনীয়তাবোৰ পূৰণ কৰিবৰ অৰ্থে টকা ধাৰে দিওঁতা তথা অন্যান্য অনানুষ্ঠানিক ঋণ সমৰ্থন প্ৰদান ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে। সম্প্ৰতি ১১৫,০৮২ বেংকৰ শাখা আৰু ১৬০,০৫৫ এটিএম-ৰ নেটৱৰ্ক আছে। ইয়াৰ ভিতৰত ৪৩,৯৬২টা শাখা (কিম্বা ৩৮.২ শতাংশ) আৰু ২৩,৩৩৪ এটিএম গ্ৰাম্য এলেকাত অৱস্থিত। এই গ্ৰাম্য বেংক আন্তঃগাঁথনিৰ গঠন ৰিজাৰ্ভ বেংকৰ আদেশ মৰ্মে গাঁওসমূহত গঢ় লৈ উঠে। বিত্তীয় ব্যৱস্থাৰ বিস্তৃতকৰণ আঁচনি উপযুক্তভাৱে ৰূপায়ণ কৰিবলৈ বৰ্তমানে থকা বেংক নেটৱৰ্কক অধিক পৰিব্যাপ্ত কৰিব লাগিব। ৰাজ্যসমূহত ডাকঘৰৰ কাজ-কৰ্ম বোধহয় অধিক গভীৰতালৈকে শিপাইছে; আৰু সেয়ে এই নেটৱৰ্কক বেংকিং প্ৰণালীৰূপে ব্যৱহাৰ কৰিব পাৰে। জন ধন যোজনাত ডেবিট কাৰ্ড ইছ্যু কৰাৰ আঁচনি আছে। কাজেই এটিএম নেটৱৰ্ক ব্যৱস্থাই অধিক বৈশিষ্ট্য বহন কৰিছে।

৩নং চিত্ৰত ভাৰতৰ এটিএম আন্তঃগাঁথনিৰ আন বিকাশশীল দেশৰ লগত তুলনা কৰা হৈছে। প্ৰতি লাখ জনসংখ্যাত ১১। ৰাছিয়াত প্ৰতি লাখ জনসংখ্যাত ১৮২ এটিএম, ব্ৰাজিলত

৩নং চিত্ৰ ঃ

**প্ৰতি এক লাখ জনসংখ্যাত এটিএম**




**উৎস ঃ** ৱৰ্ল্ড ডেভেলপমেণ্ট ইণ্ডিকেটৰছ, বিশ্ব বেংক, ২০১৪

১১৮, মেক্সিকোত ৪৭ আৰু চীনত ৩৭। ৰাছিয়াত ২০১২ চনত সমানুপাতৰ হাৰ ৪৫ৰ পৰা ১৮২ লৈ উন্নীত হয়। ভাৰতত এই বৃদ্ধি আছিল ৩ৰ পৰা ১১। কিন্তু ভাৰতত এটিএম বিকাশ হাৰ এই পাঁচ বছৰ কালত আছিল দ্বিতীয় সৰ্বাধিক। জন ধন যোজনাৰ হিচাপ-বহী সংখ্যাৰ হঠাৎ বৃদ্ধিৰ (এবছৰতকৈ কম সময়ৰ ভিতৰত ৭.৫ কোটি) অৰ্থ হ'ব বেংক ব্যৱস্থা প্ৰণালীয়ে বৰ্তমানে থকা গ্ৰাহক ভিত্তিক ডেবিট কাৰ্ডৰ সেৱা আগবঢ়াব লাগিব; আৰু অন্য ৭.৫ কোটি ডেবিট কাৰ্ডৰো ব্যৱস্থা কৰিব লাগিব। এই গতিধাৰাৰ ফলত বৰ্তমানে থকা বেংক আন্তঃগাঁথনিৰ ওপৰত অধিক হেঁচা আহি পৰিব। কিয়নো এটিএম ব্যৱস্থা সমগ্ৰ দেশখনত কিম্বা গ্ৰাম্য এলেকাত সমানভাৱে বিস্তাৰিত হোৱা নাই। বিত্তীয় পৰিসৰৰ বাহিৰত থকা ব্যৱস্থাৰ অৱসান ঘটাবলৈ এইটো মনত ৰখা উচিত হ'ব যে সমগ্ৰ বিশ্বতেই ভাল কাৰ্য অভ্যাসক অৱলম্বন কৰা হৈছে।

১৯৯৯ চনত বীমা নিয়ামক আৰু বিকাশ প্ৰাধিকৰণ আইন (ইনছুৰেঞ্চ ৰেগুলেটৰী এণ্ড ডেভেলপমেণ্ট আথ'ৰিটি) বলবৎ হোৱাৰ ফলত ভাৰতত বীমাৰ বজাৰ বিকাশ হ'বলৈ ধৰে। ১৯৯৯ চনৰ ছটা ৰাষ্ট্ৰীয় কোম্পানীৰ পৰা এতিয়া ৫১টা বেচৰকাৰী জীৱন তথা অ-জীৱন (নন-লাইফ) বীমা কোম্পানীলৈ বৃদ্ধি পায়। এইবোৰে বৃহৎ জনসংখ্যাৰ বিভিন্ন প্ৰয়োজনীয়তাবোৰ পূৰণ কৰিবৰ কাৰণে সুবিধা আগবঢ়ায়। ২০১১-১২ বৰ্ষৰ কালছোৱাত বীমা উদ্যোগৰ ইকুইটী মূলধন আছিল ৩২,৩২৮ কোটি টকা। ইয়াৰ ভিতৰত জীৱন বীমাৰ অংশ হ'ল ৭৭ শতাংশ (২৫,০০০ কোটি টকা)। জীৱন বীমা শাখাতকৈ অ-জীৱন বীমা (নন-লাইফ ইনছুৰেঞ্চ) খৰতীয়াকৈ বৃদ্ধি পায়। ২০১১-১২ বৰ্ষত ভাৰতত জীৱন বীমা প্ৰিমিয়াম ৪.৫ শতাংশলৈ হ্ৰাস পায় (কিন্তু বিশ্বব্যাপী ২.৭ শতাংশ); আনপিনে অ-জীৱন বীমা প্ৰিমিয়াম ১৩.৫ শতংশলৈ বৃদ্ধি হয় (বিশ্বত ১.৮ শতাংশ)। ২০১১ চনত ভাৰতত বীমা সজাগতা অভিযানৰ কাম হাতত লোৱা হয় ৰাজ্য তথা কেন্দ্ৰশাসিত অঞ্চলবোৰত বীমাৰ গুৰুত্ব থকা উৎপাদিত সামগ্ৰীৰ প্ৰতি লোকে কিমান জানে আৰু সেইবোৰে কিমান দূৰ প্ৰসাৰ লাভ কৰিছে তাক নিশ্চিত কৰিবৰ বাবে। লগতে বীমা ভাৱধাৰা সৰু সৰু নগৰ আৰু কম বিকশিত জিলাবোৰত ক্ৰমান্বয়ে কেনেদৰে প্ৰসাৰিত হ'ব তাকো জানিবলৈ চেষ্টা কৰাটো এই অভিযানৰ উদ্দেশ্য আছিল। যদি প্ৰধানমন্ত্ৰী জন ধন যোজনা উপযুক্তভাৱে ৰূপায়ণ কৰা হয়, তেনেহ'লে দুখীয়া লোকসকল বীমাৰ প্ৰসাৰতাৰ হেতু বহুখিনি উপকৃত হ'ব। ইয়াৰ চাহিদা বঢ়াৰ লগে লগে বীমাৰ গুৰুত্ব থকা উৎপাদিত সামগ্ৰীৰ ক্ষেত্ৰত নতুন দিশৰ সূচনা হ'ব, ভাল বিতৰণ ব্যৱস্থাৰো পথ মুকলি হ'ব, আশংকা প্ৰতিহত কৰাৰ ব্যৱস্থা আৰু অধিক বিনিয়োগৰ পথ উন্মোচন হ'ব।

গ্ৰাহকৰ ভেটি অক্ষুণ্ণ ৰাখি তাক অধিক সম্প্ৰসাৰিত কৰিবৰ বাবে বীমা নিয়ামক প্ৰাধিকৰণৰ আনুমানিক হিচাপ মতে বীমা কোম্পানীসমূহক ৬১,২০০ কোটি টকাৰ প্ৰয়োজন হ'ব। এই ধনৰাশি ভাৰতীয় মূলধনী বজাৰৰ কাৰণে ব্যৱস্থা কৰিবলৈ বহুখিনি অধিক হয়। যদিও ব্যক্তিগত আৰু বিদেশী কোম্পানীৰ অংশগ্ৰহণে (২৬ শতাংশ সীমাবদ্ধতাৰে) বীমা খণ্ডৰ উন্নতি সাধিছে, তথাপি বীমাৰ পৰিব্যাপ্তি (মুঠ ঘৰুৱা উৎপাদন অনুযায়ী সমানুপাতৰ হাৰ) কম হৈ আছে। ইয়াৰ শতাংশ হাৰ হ'ল ৪.১। জীৱন বীমা আৰু অ-জীৱন বীমা উভয়কে মিলাই এই হাৰত উপনীত হৈছে। অ-জীৱন বীমাৰ ক্ষেত্ৰত বিশ্বত ভাৰতৰ স্থান হ'ল ৫২। ২০১১-১২ বৰ্ষত ইয়াৰ পৰিব্যাপ্তিৰ হাৰ আছিল ০.৭ শতাশ। পিছে জীৱন বীমাৰ ক্ষেত্ৰত এই হাৰ হ'ল ৩.৪ শতাংশ (বিশ্বত এই হাৰ হ'ল ২.৮ শতাংশ। ব্ৰিটেইনত ১২.৫ শতাংশ, জাপানত ১০.৫ শতাংশ, কোৰিয়াত ১০.৩ শতাংশ আৰু আমেৰিকাত ৯.২ শতাংশ)।

আন এটি নিৰ্ণয়াক দিশৰ পৰা এইটো পৰিলক্ষিত হয় যে বীমা ঘনত্বৰ ক্ষেত্ৰত (জনমূৰি প্ৰিমিয়াম) বীমা খণ্ডৰ উন্নতি

সাধন হোৱা নাই। ভাৰতত জীৱন বীমাৰ কাৰণে জনমূৰি প্ৰিমিয়াম হ'ল ৪৯ ডলাৰ, অ-জীৱন বীমাৰ ক্ষেত্ৰত ১০ ডলাৰ; কিন্তু চীনত এই প্ৰিমিয়াম হ'ল যথাক্ৰমে ৯৯ ডলাৰ আৰু ৬৪ ডলাৰ। এই প্ৰসঙ্গত যিসকল লোক প্ৰকৃততে দুখীয়া তেওঁলোকৰ ভিতৰৰ হিচাপ-গৰাকীলৈ বীমাৰ ব্যৱস্থা দিহা কৰিবৰ কাৰণে চৰকাৰে যি আঁচনি গ্ৰহণ কৰিছে সেয়া অৱশ্যেই এটা ডাঙৰ পদক্ষেপ আৰু তাকো জন ধন যোজনাৰ অধীনত কৰিবলৈ লোৱা হৈছে। পিচে ইয়াৰ সফলতা নিৰ্ভৰ কৰিছে বেংক আৰু বিত্তীয় আন্তঃগাঁথনিৰ ক্ষেত্ৰত উপযুক্ত ৰূপায়ণ আৰু তাৰ উন্নয়ন সাধন ব্যৱস্থাৰ ওপৰত।

**অন্য দেশত বিত্তীয় ব্যৱস্থাৰ বিস্তৃতকৰণ**

বিশ্বৰ বহু বিকাশশীল দেশত বিকাশ সাধনৰ বৃহৎ প্ৰকল্পৰূপে বেংক ব্যৱস্থাৰ বিস্তৃতকৰণ কাৰ্যক চিহ্নিত কৰা হৈছে আৰু তাৰ গতি ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত সৃষ্টিমূলক ভাৱধাৰাৰ প্ৰতিফলন কৰিছে। আৱয়বিক ৰূপত আন্তঃগাঁথনি গঢ়ি তোলা সমস্যা সমাধান কৰিবৰ কাৰণে বহুতেই যোগাযোগমূলক বেংক ব্যৱস্থাৰ আৰ্হি প্ৰচলন কৰিছে। উদাহৰণ স্বৰূপে ক'বলৈ গ'লে ব্ৰাজিলে বেংক ব্যৱস্থা নথকা সেই দেশৰ লোকক কল্যাণমূলক পুঁজি বিতৰণ কৰিবৰ বাবে ব্যাপক আকাৰত বেংক কৰেছপণ্ডেণ্ট নিয়োগ কৰিছে। ২০০০ চনত সেই যোগাযোগ আৰ্হি কাম প্ৰচলন কৰাৰ সময়ৰে পৰা ব্ৰাজিলৰ পৌৰ নিকায় এলেকাসমূহৰ প্ৰায় তিনি ভাগত বেংকৰ শাখা খোলা হয়। প্ৰায় ৯৫,০০০ যোগাযোগকাৰীয়ে যোৱা তিনি বছৰ কালত ব্ৰাজিলৰ আটাইবোৰ পৌৰ এলেকাক সামৰি প্ৰায় ১.২ কোটি বেংক হিচাপ-বহী খোলাত সহায় কৰে। ব্ৰাজিলৰ এই সফলতাই দক্ষিণ আমেৰিকাৰ আন দেশবোৰকো সেই একে দৃষ্টিভংগী অৱলম্বন কৰিবলৈ উদগনি যোগায়। সেই দেশবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল কলম্বিয়া, পেৰু, মেক্সিকো আৰু চিলি। এই আৰ্হিক কাৰ্যত ৰূপায়ণ কৰাৰ ক্ষেত্ৰত যিমান ব্যয় হয় তাৰ পৰা লাভ কৰা সুফলো যথেষ্ট। ব্ৰাজিলত বেংকৰ শাখা তথা এটিএম নেটৱৰ্কৰ ব্যৱস্থাও ভাৰতৰ তুলনাত বহু বেছি।

প্ৰযুক্তিৰ ব্যৱহাৰ হ'ল সৰ্বাত্মক বেংক ব্যৱস্থাৰ আন এটা উল্লেখনীয় বৈশিষ্ট্য— বিশেষকৈ আফ্ৰিকাৰ দেশসমূহত। য'ত আৱয়বিক আন্তঃগাঁথনি তেনেই চালুকীয়া ধৰণৰ, তাতেই ই গা-কৰি উঠিছে। এইবোৰ দেশত দূৰসংযোগ ব্যৱস্থা তুলনামূলক-ভাৱে খুবেই ভাল। উদাহৰণস্বৰূপে কেনিয়াত ম'বাইল নেটৱৰ্ক অপাৰেটৰ ছাফাৰিকমে M-PESA নামৰ বৈদ্যুতিন ধন হস্তান্তৰ সেৱাৰ সুবিধা আগবঢ়াইছে। এই সেৱাৰ সুবিধা গ্ৰহণ কৰা লাখ লাখ পঞ্জীকৃত লোক আছে। ইয়াৰ সৰহ ভাগৰেই পূৰ্বতে কোনো ধৰণৰ বেংক ব্যৱস্থাৰ সুবিধা নাছিল। সেই প্ৰকল্প আৰম্ভ হোৱাৰ পৰা বিত্তীয় সেৱাৰ বাহিৰত থকা লোকৰ সংখ্যা কেইবছৰ-মানৰ ভিতৰতে ছয় শতাংশ পইণ্টলৈ কমি আহে। পিছে ম'বাইল ফোনৰ স্থিতি লাভ কৰাৰ জৰিয়তে ৭৫ শতাংশতকৈ অধিক কেনিয়াৰ লোকে এতিয়া বিত্তীয় সেৱাৰ সুচলতা লাভ কৰিছে। এয়া উপ-ছাহাৰা দেশীয় আফ্ৰিকাৰ ভিতৰতেই সৰ্বাধিক। মেক্সিকোতো সেই 'এম-পেছা' আৰ্হিৰ সেৱা আছে— য'ত কল্যাণমূলক কামৰ বাবে ধন হস্তান্তৰ কৰিব পৰা যায়। ম'বাইল ফোনৰ জৰিয়তে বিতৰণ কৰা নগদ ধন হস্তান্তৰ কাৰ্যসূচীৰ প্ৰভাৱ কেনেধৰণৰ তাক সময়ে সময়ে মূল্যাংকন কৰা হয় আৰু সেই মূল্যাংকনৰ পৰা এইটো পোৱা গৈছে যে ৰূপায়ণ কৰা এজেন্সিৰ বাবে বিতৰণৰ খৰচ আৰু পাওঁতাসকলৰ এনে হস্তান্তৰৰ বাবদ হোৱা খৰচৰ পৰিমাণো বহুখিনি হ্ৰাস পায়। ভাৰতৰ প্ৰসঙ্গত এনে দিশৰ সন্দৰ্ভত কিছু আলোচনা কৰা হয়। সেই আলোচনা কাৰ্যত ৰূপ দিলে দুৰ্নীতি ৰোধত সহায় হ'ব। ওপৰা-উপৰিকৈ কৰা কামৰ পৰা সকাহ পাব আৰু ৰাজসাহায্যৰ ভুৱা ৰেচনিং ব্যৱস্থা ৰোধ কৰাত সহায় হ'ব তথা ৰাজকোষত পৰা বোজা পাতলিব। মেক্সিকোই এটা ভাল দৃষ্টান্ত দাঙি ধৰিছে— কেনেদৰে চৰকাৰৰ পৰা ব্যক্তিবিশেষলৈ ধন আদায় দিয়া ব্যৱস্থাই বেংকৰ সুবিধা নথকা হিতাধিকাৰীৰ বিধিগত বেংক ব্যৱস্থাৰ অধীনলৈ অনাত সহায় কৰে। মেক্সিকোই দেখুওৱাৰ দৰে ম'বাইল প্ৰযুক্তিৰ ব্যৱস্থা বেংকৰ সেৱা প্ৰদান কৰা শাখা নথকা অৱস্থাত তেনে বাধা দূৰ কৰাত সহায়ক হয়।

**জন ধন যোজনাৰ সফলতাৰ সম্ভাৱনা**

মাথোন বেংকত এটা হিচাপ-বহী খুলিলে বিত্তীয় ব্যৱস্থা সুবিস্তাৰিতকৰণত কম প্ৰভাৱ পৰিব পাৰে; কিন্তু জন ধন যোজনাই আগবঢ়োৱা সা-সুবিধাবোৰ বহুমুখী। এই হিচাপ-বহীৰ জৰিয়তে কল্যাণমূলক কামৰ বাবে ধন হস্তান্তৰৰ সম্ভাৱনাই হিচাপ-বহীক সক্ৰিয় কৰি তোলাত উৎসাহিত নকৰিবও পাৰে; কাৰণ তেনে কল্যাণমূলক কাম কেতিয়াবাহে কৰিব লগা হয়। কিন্তু চৰকাৰৰ পোনপটীয়া ধন প্ৰদানৰ ব্যৱস্থাই হিতাধিকাৰীক নিজৰ হিচাপ-বহী কামত লগাবলৈ বাধ্য কৰাব; কাৰণ টকা উলিওৱাৰ বাহিৰেও ধন জমা দিয়াৰ

কামতো তাক ব্যৱহাৰ কৰিব লাগিব। ই প্ৰতিষ্ঠানমূলক বিত্তীয় ব্যৱস্থাত উপৰিষ্ট হোৱাত সহায় কৰিব। ইয়াত প্ৰয়োগ কৰিবলৈ লোৱা এই প্ৰক্ৰিয়া ব্ৰাজিল, মেক্সিকোৰ দৰে দেশে অৱলম্বন কৰা নগদ ধন লাভ আঁচনিৰ সৈতে মিল দেখা যায়। দক্ষিণ আমেৰিকাৰ অন্যান্য বিকাশশীল দেশবোৰেও তেনে কাৰ্য ব্যৱস্থাই হাতত লৈছে। ই মধ্যৱৰ্তী ব্যৱস্থাক এৰাই চলাত সহায় কৰিব আৰু ৰাজসাহায্য বিতৰণৰ ক্ষেত্ৰত স্বচ্ছতা আনিব তথা পৰিয়ালবৰ্গক পুঁজি ব্যৱহাৰৰ ক্ষেত্ৰত স্বতন্ত্ৰতা প্ৰদান কৰিব। পিচে পোনপটীয়া ধন লাভ কৰা কল্যাণমূলক কামৰ বৈদ্যুতিন মাধ্যমেৰে ধন হস্তান্তৰৰ বিষয়টো আজিলৈকে বিতৰ্কৰ মাজতেই আবদ্ধ হৈ আছে।

তেনেদৰে গ্ৰাম্য এলেকাত বেংকৰ সা-সুবিধা প্ৰদান কৰিবলৈ ডাকঘৰ নেটৱৰ্ক ব্যৱহাৰ কৰাটো দেখাত সহজ যেনেই লাগে। গ্ৰাম্য এলেকাত নতুনকৈ বিত্তীয় আন্তঃগাঁথনি গঢ়ি তোলা তথা তাক অব্যাহত ৰখা কামতকৈ অৱশ্যে জটিল কাম নহয়। সি যি কি নহওক, দুখীয়া লোকসকলক বেংক ব্যৱস্থা প্ৰদান কৰাৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল বেংকৰ হিচাপ-বহী খোলাৰ সহজ-সৰল নিয়মাৱলী ঠিক কৰাটো আৰু লগতে প্ৰতিষ্ঠানমূলক বেংক প্ৰণালীত প্ৰৱেশ কৰাৰ বিষয়ে নিৰ্দিষ্ট লক্ষ্যৰ বিষয়ে জনগণক সচেতন কৰি তোলা। এই দুয়োটাই 'এজেণ্ট বেংকিং' ব্যৱস্থা সমাধানৰ আৱশ্যকীয় অংশস্বৰূপ। বিশ্বৰ আন ঠাইত ই যে সফল হৈছে তাৰ প্ৰমাণ পোৱা গৈছে। ইতিবাচক দিশত এই কথা জানিব পৰা হৈছে যে প্ৰধানমন্ত্ৰী জন ধন যোজনাই সেৱা প্ৰদানৰ ক্ষেত্ৰত প্ৰযুক্তিৰ উন্নতি সাধিব। সহজ-সৰল ম'বাইল বেংকিং ব্যৱস্থাৰ যোগান ধৰি তেনে কাম কৰা হ'ব। ছাৰ্ভিচ ক'ড #99# ব্যৱহাৰ কৰি ব্যক্তিয়ে নিজৰ হিচাপ-বহীত জমা কিমান আছে তাক পৰীক্ষা কৰিব পাৰিব আৰু পুঁজিও হস্তান্তৰ কৰিব পাৰিব।

বেংকৰ যিসকল যোগাযোগকাৰী (বেংকিং কৰেছপণ্ডেণ্টছ) সেই সকল হিচাপ-বহী খোলা আৰু বিভিন্ন হিতকৰ কাৰ্যৰ ধন হস্তান্তৰৰ বাবে নগদ ধন প্ৰদান কৰাৰ দায়িত্বত থাকে। কিন্তু তেওঁলোকে সদায়েই নিৰ্দিষ্ট সময় আৰু ধন বিতৰণ কৰাৰ ক্ষেত্ৰত নিৰ্ভৰযোগ্য নহ'বও পাৰে, যদিহে তেওঁলোকক পৰ্যবেক্ষণ কৰাৰ কোনো উপযুক্ত ব্যৱস্থা নাথাকে। চৰকাৰে তেওঁলোকক মাহিলি ৫০০০ টকাকৈ দিয়াৰ আশ্বাস দিছে; কিন্তু সম্প্ৰতি তেওঁলোকক মাহিলি ১৫০০-২০০০ টকাকৈ দিয়া হয়। পিচে ভাল আৰু নিষ্ঠাপূৰ্ণ যোগাযোগকাৰী পাবৰ কাৰণে এয়া যথেষ্ট নহয়। কাজেই এয়া হ'ল এটা প্ৰত্যাহ্বান— যিটো এটা উপযুক্তভাৱে চৰকাৰে সমাধান কৰা আৱশ্যক।

জন ধন যোজনাৰ গতি-প্ৰকৃতি (বেংক একাউণ্ট, লিংকড্ ইনছুৰেঞ্চ কভাৰেজ, ডেবিট কাৰ্ড ফেচিলিটিজ ইত্যাদি) বিভিন্ন ধৰণৰ। বৰ্তমানে যি আন্তঃগাঁথনি আছে— বিশেষকৈ দেশখনৰ বিস্তীৰ্ণ অঞ্চলত থকা এটিএম নেটৱৰ্ক সম্পূৰ্ণভাৱে প্ৰযোজ্য কাম-কাজবোৰত সমৰ্থবান নহ'বও পাৰে। আঁচনিখনে ঋণ কাৰ্ডৰ পৰিব্যাপ্তি (ডেবিট কাৰ্ড কভাৰেজ) বৃদ্ধি কৰিবলৈ পৰিকল্পনা কৰিছে। তেতিয়াহ'লে তেনে ব্যৱস্থাই এটিএম-ৰ পৰিব্যাপ্তিৰ ক্ষেত্ৰত উল্লেখনীয় উন্নতি সাধিব— বিশেষকৈ গ্ৰামাঞ্চলসমূহৰ সন্দৰ্ভত। এই গ্ৰাম্য এলেকাতেই ভাৰতৰ ৭০ শতাংশতকৈ অধিক লোক বসবাস কৰে। শাখাসমূহৰ পৰিব্যাপ্তি অধিক হ'লেও বিত্তীয় পদ্ধতিৰ ব্যৱস্থাত অধিক লোকৰ উপস্থিতিয়ে যোগানৰ দিশটো সবল কৰাত সহায় কৰিব।

বিস্তাৰিত বিত্তীয় গাঁথনিলৈ চাই অধিক কৰ্মচাৰীৰ প্ৰয়োজন হ'ব। কিন্তু এতিয়া ইয়াৰ অভাৱ আছে আৰু সেয়ে এয়া গুৰুত্বপূৰ্ণ যোগানৰ দিশৰ আন এটা দৈন্য হ'ব পাৰে। বেংকসমূহত বৰ্তমানে থকা প্ৰত্যেক গ্ৰাম্য শাখাত এটা দিনতে জন ধন যোজনাৰ অধীনত ২০০টা একাউণ্ট খুলিবলৈ পৰামৰ্শ দিয়া হৈছে, কিন্তু তেনে কৰিব পৰা নাই। তাৰ কাৰণ হ'ল সেই শাখাবোৰত বৰ্তমান যি আন্তঃগাঁথনি আছে সেইবোৰে অতিৰিক্ত বোজা বহন কৰিব নোৱাৰে। সেই দেখি বেংক ব্যৱস্থাৰ সুবিধা ক্ৰমান্বয়ে বৃদ্ধি পোৱা উচিত। লগে লগে বেংকৰ আন্তঃগাঁথনিৰ ক্ষমতাও বৃদ্ধি পাব লাগিব— যাতে উপভোক্তাক ভালদৰে সেৱা আগবঢ়াব পৰা যায় আৰু এই পদ্ধতিটোৰ ওপৰত যাতে কোনো সময়তে হেঁচা নপৰে তাৰ প্ৰতিও মন দিয়াটো উচিত।

**সামৰণি**

পৰিশেষত এইটো কোৱা সমীচিন হ'ব যে সামগ্ৰিকভাৱে প্ৰধানমন্ত্ৰী জন ধন যোজনা হ'ল বিত্তীয় ব্যৱস্থা সুবিস্তৃত-কৰণৰ ক্ষেত্ৰত এটা ডাঙৰ পদক্ষেপ। সংযোজিত বীমা ব্যৱস্থা, ডেবিট কাৰ্ডৰ সুবিধা আদিসহ মূল হিচাপ-নিকাচৰ সুবিধাৱলীয়ে বেংকৰ কোনো সা-সুবিধা নথকা অৱস্থাত দুখীয়া লোকৰ কল্যাণ সাধনত নিশ্চয়কৈ উপকৃত কৰিব। অৰ্থনৈতিক কাম-কাজ, স্থিৰতা প্ৰদান আৰু দুঃখজনক অৱস্থাক সকাহ দিয়াৰ সামৰ্থ্যই জনগণৰ কল্যাণ সাধিব— যদিহে বেংকৰ আন্তঃগাঁথনি (শাখা, এটিএম, নিৰ্ভৰযোগ্য যোগাযোগকাৰী আদি) আৰু সৰ্বাত্মক ৰূপত সামগ্ৰিক পুনৰীক্ষণ ব্যৱস্থাৰ উন্নতি সাধন কৰি আঁচনিখনে প্ৰত্যাহ্বানবোৰ পূৰণ কৰিবলৈ সমৰ্থ হয়। ❐

# গান্ধী আৰু আৰোগ্য

**সুদৰ্শন আয়েংগাৰ***

আমাৰ শ্ৰেষ্ঠ সম্প্ৰসাৰণ কৰ্মী আৰু শিক্ষকসকলৰ অন্যতম এজনে অলপতে সাম্ভাব্য হিতাধিকাৰীয়ে ব্যক্তিগত শৌচাগাৰ নিৰ্মাণৰ প্ৰস্তাৱ যুগুত কৰি পুঁজিৰ যোগান আৰু কাৰ্য ৰূপায়ণৰ বাবে দাখিল কৰাৰ বিষয়টো গাঁও আৰু খণ্ড উন্নয়ন পৰ্যায়ৰ চৰকাৰী প্ৰশাসনে পোৱা নাই বুলি অস্বীকাৰ কৰা সন্দেহজনক ভূমিকাৰ বিৰুদ্ধে তেওঁৰ উদ্বেগ প্ৰকাশ কৰিছিল।

আমি নিজে কৰা অংগীকাৰৰ কাৰণে বিদ্যাপীঠ নিজে শৌচাগাৰ নিৰ্মাণ কাৰ্যৰ সক্ৰিয় উন্নীতকৰণত জড়িত হৈ পৰে। শ্ৰীনাৰায়ণ দেশাইৰ ১০৮ সংখ্যক 'গান্ধী কথা'ৰ পাচত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। গুজৰাটৰ ৰাজ্যিক ৰাজধানীৰ ২০ কিলোমিটাৰ জোৰা গ্ৰাম্য চৌহদ থকা বিদ্যাপীঠৰ চাৰিওফালে থকা গাঁওসমূহত বিগত দুটা বছৰত ১৩০০ৰো অধিক শৌচাগাৰ নিৰ্মাণ সহজসাধ্য কৰি তুলিবলৈ সমৰ্থ হৈছো। এই ঠাইত মানুহে সহজে অগ্ৰসৰ হ'ব পৰা নাছিল। নিস্পৃহ আৰু দুৰ্নীতি পৰায়ণ চৰকাৰী যন্ত্ৰৰ সন্মুখীন হ'লে অসুবিধা বৃদ্ধি হয়।

বেছিভাগ ভাৰতীয়ৰে ঘৰত শৌচাগাৰতকৈ ম'বাইল ফোনৰ সংখ্যা অধিক। এইটোৱে মানুহৰ আৰোগ্যৰ প্ৰতি সচেতনতা, বুজাৰ ক্ষমতা আৰু অগ্ৰাধিকাৰক প্ৰতিপালিত কৰে। গান্ধী ল'ৰালি কালৰ পৰাই এই ক্ষেত্ৰত ভাৰতীয় লোকৰ মাজত থকা সচেতনতাৰ অভাৱৰ প্ৰতি অৱগত আছিল। তেওঁ যি কোনো সভ্য আৰু উন্নত মানৰ সমাজৰ কাৰণে উচ্চমানৰ আৰোগ্যৰ প্ৰয়োজনীয়তাৰ সপক্ষে মতপোষণ কৰিছিল। পশ্চিমীয়া সমাজত তেওঁ লাভ কৰা পৰিচিতিৰ পৰা তেওঁৰ এই বোধশক্তিৰ উৎকৰ্ষ হৈছিল। দক্ষিণ আফ্ৰিকাত থকা দিনৰ পৰা ভাৰতত কটোৱা সমগ্ৰ জীৱনত গান্ধীয়ে কঠোৰ আৰু অক্লান্তভাৱে আৰোগ্যৰ প্ৰচাৰৰ হকে কাম কৰিছিল। গান্ধীৰ আৰোগ্য আছিল অতি গুৰুত্বপূৰ্ণ ৰাজহুৱা বিষয়বোৰৰ ভিতৰত অন্যতম। ১৮৯৫ চনতে দক্ষিণ আফ্ৰিকাত যেতিয়া বৃটিছ চৰকাৰে বাণিজ্যিক এলেকাত আৰোগ্য-হীনতাৰ ভিত্তিত ভাৰতীয় আৰু এছিয়াৰ ব্যৱসায়ীক বৈষম্য প্ৰদৰ্শন কৰিবলৈ চেষ্টা কৰিছিল তেতিয়াৰে পৰা গান্ধীয়ে ৰাজহুৱা ক্ষেত্ৰত আৰোগ্যৰ বিষয়টো তেওঁ নিহত হোৱা দিনটোৰ আগদিনা ১৯৪৮ চনৰ ২৯ জানুৱাৰীলৈকে উল্লেখ কৰিছিল। কংগ্ৰেছৰ সলনি লোক সেৱক সংঘ গঠনৰ বাবে ৰচনা কৰা সংবিধানৰ সাঁচৰাত এইটো কৰ্মীসভাৰ দায়িত্ব হিচাপে নিম্নোক্ত কথাযাৰ উল্লেখ কৰিছিল। "তেওঁ গাঁওবাসীক আৰোগ্য আৰু স্বাস্থ্যবিধি সম্পৰ্কত শিক্ষিত কৰিব আৰু তেওঁলোকৰ ৰুগ্ন স্বাস্থ্য আৰু বেমাৰ ৰুধিবলৈ সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব (দি কালেক্টেড ৱৰ্কছ অৱ মহাত্মাগান্ধী, ভল্ইউম ৯০, পৃষ্ঠা ৫২৮)। গান্ধীৰ আৰোগ্যৰ ক্ষেত্ৰত থকা পূৰ্ব নিৰ্দ্ধাৰিত ব্যৱস্থাৰ এটা চমু বিৱৰণ দিয়া হ'ল আৰু বৰ্তমান পৰিস্থিতিৰ সন্দৰ্ভত চমু পৰ্যালোচনা আগবঢ়াবলৈ চেষ্টা কৰা হৈছে।

**ৰাজহুৱা মঞ্চত আৰোগ্য ঃ দক্ষিণ আফ্ৰিকাত গান্ধী**

আমোদজনকভাৱে, গান্ধীয়ে আৰোগ্য বিষয়টো দক্ষিণ আফ্ৰিকাৰ বাণিজ্যিক এলেকাৰ ভাৰতীয় ব্যৱসায়ীৰ আৰোগ্য অভ্যাসৰ সপক্ষে সমৰ্থন কৰিবলৈ পোনপ্ৰথমবাৰৰ বাবে ৰাজহুৱা মঞ্চলৈ আনিছিল।

গান্ধীয়ে এজন আবেদনকাৰী হিচাপে দক্ষিণ আফ্ৰিকাৰ ভাৰতীয় আৰু এছিয়াৰ সম্প্ৰদায়ৰ হকে আবেদনখনত ভাৰতীয় ব্যৱসায়ীৰ আৰোগ্য অভ্যাসৰ সপক্ষে যথেষ্টভাৱে যুক্তি আগবঢ়াইছিল আৰু ভাল আৰোগ্য অভ্যাস পালন কৰিবলৈ সম্প্ৰদায়সমূহৰ প্ৰতি নিৰন্তৰ আহ্বান জনাইছিল। লৰ্ড ৰিপনলৈ জনোৱা আৰোগ্য সম্পৰ্কে এখন আবেদনত তেওঁ এনেদৰে লিখিছিল— ১৮৮১ চনৰ অভিৱৰ্তনৰ চতুৰ্দশ দফাৰ যিটোৱে স্বদেশীৰ উপৰি সকলো লোকৰে স্বাৰ্থ সমানে সুৰক্ষা দিয়ে সেইটোৰ দুৰ্ভাগ্যজনক প্ৰস্থানৰ আৰম্ভণি হৈছে আৰু **ট্ৰেন্সভালৰ ভাৰতীয় বাসিন্দাসকলে যথোপযুক্ত আৰোগ্য ব্যৱস্থা পালন নকৰে বোলা কথাযাৰ নিৰ্দিষ্ট স্বাৰ্থজড়িত লোকৰ** ভুল ধাৰণাৰ ওপৰত ভিত্তি কৰি ধৰি লোৱা হৈছে আৰু সমৰ্থন কৰা হৈছে (চি ডব্লিউ এম জি, ভল্ইউম ১, ১৯৬৯ সংস্কৰণ, পৃষ্ঠা ২০৪)।

---

*সুদৰ্শন আয়েংগাৰ এজন বিশিষ্ট গান্ধীবাদী। তেওঁ আহমেদাবাদৰ গুজৰাট বিদ্যাপীঠৰ উপাচাৰ্য

গান্ধীয়ে আবেদন আৰু আন প্ৰতিনিধিত্বমূলক নিবেদনৰ জৰিয়তে ভাৰতীয়সকলৰ বাবে বাণিজ্যিক অনুজ্ঞা পত্ৰৰ অনুমোদন নজনোৱাৰ কাৰণ ভাৰতীয়সকল বৃটিছ ব্যৱসায়ীৰ বাবে ভাল প্ৰতিযোগী বুলি প্ৰতিপন্ন কৰিবলৈ বিচাৰিছিল। দ্বিতীয়তে, তেওঁ যুক্তি সহকাৰে প্ৰমাণ কৰিছিল যে, ভাৰতীয় বণিক আৰু ব্যৱসায়ীয়ে ভাল আৰোগ্য অভ্যাস অব্যাহত ৰাখিছে। তেওঁ পৌৰ চিকিৎসক ড° ভীলৰ উদ্ধৃতি দিছিল, যিজনে ব্যক্তি হিচাপে ভাৰতীয়সকলক পৰিষ্কাৰ পাইছিল আৰু লেতেৰা অসাৱধানমূলক অভ্যাসৰ বাবে হোৱা ৰোগৰ পৰা তেওঁলোক মুক্ত আছিল (চি ডব্লিউ এম জি, ভল্‌ইউম-১, ১৯৬৯ সংস্কৰণ, পৃষ্ঠা ২১৫)। সেইবাবে ভাৰতীয়সকলক ব্যৱসায়িক অনুজ্ঞা-পত্ৰ দিবলৈ কিয় অস্বীকাৰ কৰিব লাগে বুলি আবেদনখনত যুক্তি দৰ্শোৱা হৈছে যে এইটো আছিল ব্যৱসায়িক ঈৰ্ষাপৰায়ণতা, ভাৰতীয়ই মিতব্যয়িতা আৰু মিতাচাৰী অভ্যাসৰ জৰিয়তে জীৱনৰ অত্যাৱশ্যকীয়খিনিৰ মূল্য কমাই ৰাখিবলৈ সক্ষম হৈছে আৰু শ্বেতাঙ্গ-সকলৰ লগত প্ৰতিযোগিতা কৰিছে।

গান্ধী ভাৰতীয় লোকসকলৰ ভাল আৰোগ্য অভাৱৰ বিষয়ে সচেতন আছিল। ১৯১৪ চন পৰ্যন্ত ২০ বছৰ কাল সৰ্বশক্তিৰে ইয়াৰ বিষয়ে প্ৰচাৰ কৰিছিল। যিকোনো এলেকাত আৰোগ্য পৰিস্থিতিৰ কাৰণ অত্যধিক জনসংখ্যা বুলি গান্ধীয়ে বুজিছিল। দক্ষিণ আফ্ৰিকাৰ নগৰসমূহ নিৰ্দিষ্ট এলেকাত ভাৰতীয় সম্প্ৰদায়ৰ বাবে পৰ্যাপ্ত পৰিমাণৰ ঠাই আৰু আন্তঃগাঁথনি বণ্টন হোৱা নাছিল। গান্ধীয়ে বিশ্বাস কৰিছিল যে আৰোগ্যযুক্ত পৰিৱেশত জীয়াই থাকিবলৈ স্থান আৰু আন্তঃগাঁথনি প্ৰদান কৰাটো পৌৰ নিকায়ৰ দায়িত্ব। জোহান্সবাৰ্গৰ এজন স্বাস্থ্য বিষয়া ডাঃ চি. পটাৰলৈ গান্ধীয়ে এখন পত্ৰত লিখিছিল,

"ভাৰতীয় এলেকাৰ আতংকময় পৰিৱেশৰ বিষয়ে আপোনালৈ লিখিবলৈ সাহস কৰিছো। ঠাইসমূহ বৰ্ণনাতীতভাৱে মানুহেৰে ঠাহ খাই আছে। আৰোগ্য ব্যৱস্থা অনিয়মীয়া, অঞ্চলটোৰ বহু বাসিন্দাই আৰোগ্য পৰিস্থিতি পূৰ্বতকৈ বহু বেয়া হৈছে বুলি মোৰ কাৰ্যালয়ত অভিযোগ কৰিবলৈ আহে" (চি ডব্লিউ এন জি, ভল্‌ইউম ৪, পৃষ্ঠা ১২৯)।

গান্ধীয়ে আত্মজীৱনীত লিখিছিল, "পৌৰ নিকায়ৰ অপৰাধজনক অৱহেলা আৰু ভাৰতীয় বাসিন্দাৰ অজ্ঞতাই অঞ্চলটো আৰোগ্য ব্যৱস্থাহীন এলেকাত পৰিণত কৰিছে (এন অট'বায়'গ্ৰাফী অ' পি, পৃষ্ঠা ২৬৫)। এবাৰ প্লেগ মহামাৰীত অঞ্চলটো আক্ৰান্ত হৈছিল। সৌভাগ্য-জনকভাৱে, ভাৰতীয় বাসিন্দাসকল এই মহামাৰীৰ বাবে জগৰীয়া নাছিল। জোহান্সবাৰ্গৰ সমীপৰ সোণৰ খনিবোৰ ইয়াৰ এটা কাৰণ আছিল। গান্ধীয়ে নিজৰ জীৱনৰ প্ৰতি ভাবুকি থকাৰ সত্ত্বেও সৰ্বান্তকৰণেৰে স্ব-ইচ্ছাই ৰোগীসকলৰ প্ৰতি সেৱা আগবঢ়াইছিল। পৌৰ নিকায়ৰ চিকিৎসক আৰু কৰ্তৃপক্ষই গান্ধীৰ সেৱাৰ উচ্চ প্ৰশংসা কৰিছিল। গান্ধীয়ে ভাৰতীয়সকলে ইয়াৰ পৰা শিকনি লোৱাটো বিচাৰিছিল। তেওঁ লিখিছিল,

"এই বিধিসমূহ নিঃসন্দেহে ৰূঢ় হ'ব পাৰে কিন্তু এইবোৰে আমাক ক্ৰোধান্বিত কৰাটো উচিত নহয়। কিন্তু আমি আমাৰ আচৰণসমূহ পুনৰাবৃত্তিত প্ৰতিৰোধ কৰা উচিত... আমি আৰোগ্য আৰু স্বাস্থ্য-বিধিৰ বিষয়ে জনা উচিত। অতিৰিক্ত ভিৰ আমাৰ মাজৰ পৰা মষিমূৰ কৰিব লাগিব... পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ নিজস্ব পুৰস্কাৰ নাইনে? এইটো হ'ল আমাৰ লোকসকলে অলপতে সন্মুখীন হোৱা সমস্যাৰ পৰা শিকিবলগীয়া পাঠ" (চি ডব্লিউ এম জি ভল্‌ইউম, ৪, পৃষ্ঠা ১৪৬)।

সি যি কি নহওক, দক্ষিণ আফ্ৰিকা আৰু ভাৰত উভয়তে আৰোগ্য সম্পৰ্কে বাপুৱে দি যোৱা উপদেশ এশ বছৰ অতিক্ৰম কৰাৰ পাচতো আমি এইটো সম্প্ৰদায় হিচাপে প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। বেয়া আৰোগ্য আৰু স্বাস্থ্যবিধিৰ ফলত ভাৰতৰ ৰাজধানীসমূহকে ধৰি মহানগৰীসমূহত মেলেৰিয়া, চিকুণ-গুণিয়া, ডেংগী আদিকে ধৰি বিভিন্ন ৰোগে মহামাৰীৰ ৰূপ ধাৰণ কৰিছে। প্ৰবন্ধ লিখক আহমেদাবাদৰ অসামৰিক চিকিৎসালয়ত ডেংগীত আক্ৰান্ত হৈ চিকিৎসক আৰু নাৰ্চৰ মৃত্যু হোৱা ঘটনাৰ কাৰণ তদন্ত কৰাৰ বাবে গুজৰাট উচ্চ ন্যায়ালয়ে গঠন কৰা অনুসন্ধানকাৰী এজন সদস্য আছিল। কমিটীয়ে আৰোগ্যৰ অভ্যাসৰ সম্পৰ্কে দিয়া পৰামৰ্শসহ এই প্ৰতিবেদন দাখিল কৰা দুবছৰ হৈ গ'ল। আহমেদাবাদ মহানগৰৰ অসামৰিক চিকিৎসালয় আৰু পৌৰ নিকায়ৰ দ্বাৰা পৰিচালিত চিকিৎসালয়-সমূহত এই পৰামৰ্শসমূহ সাৰ্থকভাৱে এতিয়াও ৰূপায়িত হোৱা নাই। ৰোগ আৰু মৃত্যু অব্যাহত আছে।

### ভাৰতত আৰোগ্যৰ সৈতে গান্ধীৰ জড়িতকৰণ

১৯১৬ চনৰ ১৪ ফেব্ৰুৱাৰীত মাদ্ৰাজত (এতিয়া চেন্নাই) অনুষ্ঠিত মিছনেৰী সন্মিলনত স্বদেশীৰ সন্দৰ্ভত

" (১) 'কথা' হ'ল কাহিনী কোৱাৰ ভাৰতীয় পৰম্পৰা বিশেষকৈ জনসমাগমত উপাখ্যান কোৱাৰ কৌশল। গুজৰাট বিদ্যাপীঠৰ আচাৰ্য নাৰায়ণ দেশাইয়ে এই ৰূপটো মানুহক গান্ধী কাহিনী আগবঢ়োৱাত সঠিকভাৱে ব্যৱহাৰ কৰিছে।

গান্ধীয়ে প্ৰদান কৰা বক্তৃতাটোৱেই হ'ল ৰাজহুৱাভাৱে গাঁৱৰ আৰোগ্য সম্পৰ্কে দিয়া প্ৰথম উল্লেখ। তেওঁ কৈছিল,

"দেশীয় ভাষাৰ জৰিয়তে সকলো শাখালৈকে নিৰ্দেশ দিয়া হৈছিল, মই দৃঢ়ভাৱে ক'ব পাৰো যে, তেওঁলোক আশ্চৰ্যজনকভাৱে সমৃদ্ধ হ'ব পাৰিলেহেঁতেন। গাঁৱৰ আৰোগ্য আদি প্ৰশ্নবোৰৰ ক্ষেত্ৰত কেতিয়াবাই সমাধান কৰিব লাগিছিল (চি ডব্লিউ এম জি, ভল্‌ইউম ১৩, পৃষ্ঠা ২২২)।

বিদ্যালয় আৰু উচ্চ শিক্ষা পাঠ্যক্ৰমত আৰোগ্য ব্যৱস্থাটো অন্তৰ্ভুক্ত কৰাৰ প্ৰয়োজনীয়তা সম্পৰ্কে তেওঁ আঙুলিয়াই দিছিল। ১৯১৬ চনৰ ২০ মাৰ্চ তাৰিখে গুৰুকূল কাংড়িৰ বাৰ্ষিকী অনুষ্ঠানত দিয়া বক্তৃতাত তেওঁ কৈছিল,

"ল'ৰা-ছোৱালী ডাঙৰ কৰাৰ কথাৰ দৰে স্বাস্থ্যবিধি আৰু আৰোগ্য বিধিৰ জ্ঞান গুৰুকূলৰ প্ৰাণচঞ্চল তৰুণসকলৰ আৱশ্যকীয় অংশ (প্ৰশিক্ষণ) হোৱা উচিত... এই অদম্য আৰোগ্য পৰিদৰ্শক-সকলে আমাক অহৰহ সঁকিয়াই আছে যে আৰোগ্য প্ৰসংগত আমাৰ ক্ষেত্ৰত সকলো ঠিকে নাই। মোৰ এনে লাগিছে যেন আৰোগ্য সন্দৰ্ভত বাৰ্ষিক অতিথিৰ ব্যৱহাৰিক পাঠদানৰ এটা সোণালী সুযোগ হেৰুওৱাৰ পুতৌজনক অৱস্থা হ'ব পাৰে (চি ডব্লিউ এম জি, ভল্‌ইউম ১৩, পৃষ্ঠা ২৬৪)।

নীল খেতিয়কসকলৰ সমস্যা সমাধানৰ বাবে গান্ধী চম্পাৰণত আছিল। এটা গোপনীয় টোকাত তেওঁ অনুসন্ধান গোটৰ অংশ হিচাপে আৰোগ্য সম্পৰ্কীয় পৰিস্থিতিৰ উল্লেখ কৰিছিল। গান্ধীয়ে তেওঁৰ কৰ্মচাৰীসকলক বৃটিছ প্ৰশাসনে গ্ৰহণ কৰাটো বিচাৰিছিল যাতে সমূহীয়াভাৱে শিক্ষা আৰু আৰোগ্য কাম-কাজ কৰিব পাৰে। তেওঁ কৈছিল, "তেওঁলোক গাঁৱত থকাৰ সময়ত গাঁৱৰ ল'ৰা-ছোৱালীক বুনিয়াদী আৰোগ্য পাঠদান কৰিব পাৰি (চি ডব্লিউ এম জি, ভল্‌ইউম ১৩, পৃষ্ঠা ২৬৪, ৩৯৩)।

১৯২০ চনত গান্ধীয়ে গুজৰাট বিদ্যাপীঠ প্ৰতিষ্ঠা কৰিছিল। এইখন হ'ল আশ্ৰম আৰ্হিৰ। সেইবাবে শিক্ষক, ছাত্ৰ আৰু আন স্বেচ্ছাসেৱীসকলে আৰম্ভণিৰে পৰা আৰোগ্য কাম-কাজত ৰত আছিল। বাসগৃহ, বাট-পথ, কৰ্মস্থলী আৰু চৌহদ পৰিষ্কাৰ কৰাটো দৈনন্দিন কাৰ্যসূচী আছিল। আৱৰ্জনা সংগ্ৰহ কৰা আৰু শৌচালয় চাফা কৰা দৈনন্দিন কৰ্মসূচীৰ এটা অংশ আছিল। গান্ধীয়ে নতুন আৱাসীসকলক বিশেষজ্ঞৰ পাঠদান কৰিছিল। এই অভ্যাস আজিও কিছু ভাল ফলাফলসহ কম বেছি পৰিমাণে বৰ্তি আছে।

গান্ধীয়ে ৰে'লৰ তৃতীয় শ্ৰেণীৰ যাত্ৰী হৈ গোটেই দেশ ভ্ৰমণ কৰিছিল। ভাৰতীয় ৰে'লৰ তৃতীয় শ্ৰেণীৰ ডবাৰ আৰোগ্যহীন ব্যৱস্থাই তেওঁক সন্তুষ্ট কৰিছিল। তেওঁ ক্ষীপ্ৰতাৰে এই পৰিস্থিতি সংবাদপত্ৰলৈ এখন পত্ৰৰ জৰিয়তে সকলোবোৰ বৰ্ণনা কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। ১৯১৭ চনৰ ২৫ ছেপ্টেম্বৰত এখন পত্ৰত তেওঁ লিখিছিল—

"যিকোনো লোকেই যাত্ৰীবাহী ৰে'লৰ সকলো আস্থানৰ এনে সংকটপূৰ্ণ অৱস্থাৰ বিষয়ে বুজিব, কিন্তু এইবোৰ অব্যাহত থকা বা আৰোগ্যহীন ব্যৱস্থাত জোৰ দিয়া যিটোৱে নিশ্চয় স্বাস্থ্য আৰু নৈতিকতাক দুৰ্বল কৰিব... তৃতীয় শ্ৰেণীৰ যাত্ৰীয়েও জীৱনৰ ন্যূনতম আৱশ্যকতাখিনিৰ অধিকাৰ পোৱা উচিত। তৃতীয় শ্ৰেণীৰ যাত্ৰীসকলক উপেক্ষা কৰি লাখ লাখ লোক আৰোগ্য, মৰ্যাদাপূৰ্ণ জীৱন, সৰল আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি ৰুচিবোধৰ সৃষ্টি কৰাৰ কাৰণে সুন্দৰ শিক্ষা দিয়াৰ সুবিধাখিনি হেৰুৱাইছে" (চি ডব্লিউ এম জি ভল্‌ইউম ১৩, পৃষ্ঠা ২৬৪, ৫৫০)।

গান্ধীয়ে ধৰ্মীয় স্থানতো থকা আৰোগ্যবিহীন ব্যৱস্থাৰ সন্দৰ্ভতো দৃষ্টি দিছিল। ১৯১৭ চনৰ ৩ নৱেম্বৰত অনুষ্ঠিত গুজৰাট ৰাজনৈতিক সন্মিলনত তেওঁ কৈছিল,

"তীৰ্থযাত্ৰীৰ পৱিত্ৰ স্থান ডেকৰ ইয়াৰ পৰা বেছি দূৰত নহয়। মই এই ঠাইলৈ গৈছিলো। ইয়াৰ অপৱিত্ৰতা সীমাহীন। মই নিজকে একনিষ্ঠ বৈষ্ণৱ বুলি জ্ঞান কৰো। সেয়েহে মই ডেকৰুজীৰ অৱস্থা সম্পৰ্কে আলোচনা কৰিবলৈ বিশেষ সুবিধা দাবী কৰিব পাৰো। তাৰ আৰোগ্যবিহীন অৱস্থা ইমান বেছি যে, কোনো লোকে অতি কথমপিহে এদিনৰ বাবে স্বাস্থ্যবিধি ব্যৱহাৰ কৰিব পাৰে। তীৰ্থযাত্ৰীসকলে নিজৰ ইচ্ছামতে পানীৰ চৌৰাচ্চা আৰু বাট-পথ প্ৰদূষিত কৰিছে" (চি ডব্লিউ এম জি, ভল্‌ইউম-১৪, পৃষ্ঠা ৫৭)।

একেদৰে ১৯২৭ চনৰ ৩ ফেব্ৰুৱাৰী তাৰিখৰ 'য়ং ইণ্ডিয়া'ত গান্ধীয়ে আন পৱিত্ৰ আৰু বিহাৰৰ গয়াৰ পৱিত্ৰ স্থানৰ আৰোগ্যহীন ব্যৱস্থাৰ বিষয়ে লিখিছিল আৰু আঙুলিয়াই দিছিল যে, তেওঁৰ হিন্দু আত্মাই সমগ্ৰ গয়াৰ দুৰ্গন্ধময় গেৰেকনিৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল।

ভাৰতীয় ৰেইলে এই পৰ্যন্ত একেই আৰোগ্যহীন অৱস্থা অব্যাহত ৰাখিছে। ডবাবোৰ পৰিষ্কাৰ আৰু শৌচাগাৰ চাফা কৰিবলৈ শ্ৰমিক ভাৰা কৰা হয়, কিন্তু আমি ভাৰতীয় ৰেইল যাত্ৰীয়ে এতিয়াও লজ্জা আৰু আৰোগ্য আৰু স্বাস্থ্যবিধি সম্পৰ্কে বোধৰ অভাৱ। শৌচাগাৰৰ অপব্যৱহাৰ সকলোতে দৃষ্টিগোচৰ হয়। আনকি শিক্ষিতসকলেও শীত-তাপযুক্ত ৰেইলৰ ডবাতো শিশু সন্তানক শৌচাগাৰৰ পাত্ৰৰ বাহিৰত মল-মূত্ৰ ত্যাগ কৰিবলৈ

দিয়ে। য'তে-ত'তে আৱৰ্জনা পেলোৱাটো তেনেই সাধাৰণ কথা।

মই ২০১৩ চনত ডেকৰ আৰু বিগত দহ বছৰত ভাৰতৰ আন পবিত্ৰ তীৰ্থস্থান ভ্ৰমণ কৰিছো। আৰোগ্য আৰু স্বাস্থ্যবিধিৰ বিষয়ে কোনোবাই যদি ক'ব খোজে তেনেহ'লে ১৯১৭ চনত গান্ধীয়ে ডেকৰৰ বিষয়ে কোৱা কথাবোৰ আখৰে আখৰে মিলে।

**আৰোগ্য সম্পৰ্কে গান্ধীৰ ৰাজহুৱাভাৱে দৃষ্টি আকৰ্ষণ**

১৯১৯ চনৰ ২৯ ডিচেম্বৰ তাৰিখে গান্ধীয়ে অমৃতসৰৰ কংগ্ৰেছত দিয়া ভাষণত চি এফ এনড্ৰিউজৰ বিষয়ে উদ্ধৃতি দিছিল। তেওঁৰ মতে আৰোগ্য ব্যৱস্থা আৰু স্বাস্থ্যবিধিৰ প্ৰতি ভাৰতীয়ৰ বিৰক্তিদায়ক দুৰাৰোগ্যৰ বাবে ভাৰতীয়সকল শাৰীৰিকভাৱে স্বাস্থ্যবান নহয় বুলি ইউৰোপীয়ানসকলে ভাবে।

কংগ্ৰেছৰ প্ৰায় সকলো প্ৰধান অভিৱৰ্তনত গান্ধীয়ে নিজৰ ভাষণত আৰোগ্য বিষয়টো উল্লেখ কৰিছিল। ১৯২৪ চনৰ এপ্ৰিল মাহত দোহাদৰ (বৰ্তমান ডেহদ) কংগ্ৰেছ সদস্যসকলক সু-আৰোগ্য ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে অভিনন্দন জনাইছিল আৰু তেওঁলোকক অস্পৃশ্য সম্প্ৰদায়ৰ বসতি এলেকা পৰিদৰ্শন কৰিবলৈ পৰামৰ্শ দিছিল যাতে তেওঁলোকৰ মাজত ভাল আৰোগ্য অভ্যাস বিয়পাই দিব পৰা যায়। সেইদৰে ১৯২৫ চনত কানপুৰ কংগ্ৰেছৰ বাবে গ্ৰহণ কৰা উৎকৃষ্ট আৰোগ্যৰ বাবে তেওঁ উচ্চ প্ৰশংসা কৰিছিল।

নগৰ আৰু মহানগৰসমূহত আৰোগ্য কাম-কাজ পৌৰ নিকায়ৰ অতি গুৰুত্বপূৰ্ণ কাম বুলি গান্ধীয়ে বিবেচনা কৰিছিল। পৰিষদৰ সদস্য হোৱাৰ পাচত এজন গুণসম্পন্ন আৰোগ্য কৰ্মী হ'বলৈ তেওঁ কংগ্ৰেছকৰ্মীসকলক উপদেশ দিছিল।[৫] গান্ধীৰ কাৰণে আৰোগ্যবিহীনতা আছিল পাপৰ দৰে। ১৯২৫ চনৰ ২৫ আগষ্টত কলিকতাত (বৰ্তমান কলকাতা) অনুষ্ঠিত সভাত দিয়া ভাষণত তেওঁ কৈছিল,

"তেওঁ (কৰ্মী) গাঁৱৰ পৃষ্ঠপোষক সাধু হিচাপে যাব নালাগে। তেওঁ হাতত এডাল ঝাৰু লৈ যাব লাগিব। তাত আপুনি দুৰ্জন আৰোগ্যবিহীন অৱস্থা দাৰিদ্ৰ্য আৰু এলাহৰ ত্ৰি-মূৰ্তিৰ সন্মুখীন হ'ব লাগিব আৰু সেইবোৰৰ লগত ঝাৰু, কুইনাইন আৰু এৰাগুটিৰ তেলেৰে যুঁজিব লাগিব" (চি ডব্লিউ এম জি, ভল্‌ইউম-২৮, পৃঃ ১০৯)।

১৯২৫ চনৰ ১৯ নৱেম্বৰ তাৰিখৰ 'য়াং ইণ্ডিয়া'ত ভাৰতৰ আৰোগ্যৰ সন্দৰ্ভত তেওঁৰ অনুভৱ প্ৰকাশ কৰিছিল। তেওঁ লিখিছিল,

"আমাৰ দেশৰ প্ৰতি চুকে-কোণে কৰা ভ্ৰমণত আৰোগ্যৰ পৰ্যবেক্ষণ কৰি আহৰণ কৰা অভিজ্ঞতা বৰ বেদনাদায়ক... আৰোগ্যবিহীন ব্যৱস্থাটো অতি গুৰুত্বপূৰ্ণ বুলি জ্ঞান কৰি ইয়াৰ হকে কাম কৰিবলৈ মই নিজকে প্ৰায় বাধ্য বুলি গণ্য কৰিছো (চি ডব্লিউ এম জি, ভল্‌ইউম-২৮, পৃঃ ৪৬১)।

**গঠনমূলক কৰ্মীসকলৰ বাবে আৰোগ্য শিক্ষা আৰু শিক্ষাত আৰোগ্য**

কুৰিজন লোকে আশ্ৰমত আবাসী হোৱাৰ ইচ্ছা প্ৰকাশ কৰি গান্ধীলৈ লিখিছিল। তেওঁৰ প্ৰথম চৰ্ত আছিল নিশাৰ লেতেৰাবোৰ বৈজ্ঞানিক পদ্ধতিৰে[৬] চাফা কৰা আৰোগ্য ব্যৱস্থাত অংশগ্ৰহণ কৰিব লাগিব। পশ্চিমৰ আৰোগ্য বিজ্ঞান শিক্ষা আৰু ৰূপায়ণ কৰাটো গান্ধীয়ে বিচাৰিছিল। ১৯২৪ চনৰ ২১ ডিচেম্বৰত বেলগামত অনুষ্ঠিত নাগৰিক সভাত তেওঁ কৈছিল,

"আমি পশ্চিমৰ পৰা এটা কথা শিকিব পাৰো আৰু শিকা উচিত আৰু সেইটো হ'ল পৌৰ আৰোগ্য ব্যৱস্থাৰ বিজ্ঞান আমি পশ্চিমৰ পৰা শিকা উচিত, পশ্চিমৰ লোকসকল কৰ্পোৰেট আৰোগ্য ব্যৱস্থা আৰু স্বাস্থ্যবিধিৰ লগত জড়িত, যিটো আৰোগ্য আমি নিশ্চয় শিকা উচিত... খোৱাপানীৰ উৎসৰ বিষয়ে আমাৰ অপৰাধজনিত অৱহেলাৰ প্ৰতিকাৰৰ প্ৰয়োজন আছে" (চি ডব্লিউ এম জি, ভল্‌ইউম-২৫, পৃঃ ৪৬১)।

প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ বাবে যুগুত কৰা আৰ্হিৰ সঁচৰাত তেওঁ পঞ্চায়তৰ ভূমিকাৰ বিষয়ে লিখিছিল,

"এনেকুৱা সকলো পঞ্চায়ত গাঁৱত বাস কৰা প্ৰতি শিশু, পুৰুষ বা মহিলা সকলোৰে বাবে প্ৰাথমিক শিক্ষা, প্ৰতি ঘৰত যঁতৰ দিয়া, স্বাস্থ্যবিধি আৰু আৰোগ্য ব্যৱস্থাৰ গঠনৰ বাবে দায়বদ্ধ হ'ব" (চি ডব্লিউ এম জি, ভল্‌ইউম-১৯, পৃঃ ২১৭)।

তেওঁ আৰোগ্য শিক্ষাৰ সপক্ষে স্পষ্ট স্থিতি গ্ৰহণ কৰিছিল। ১৯৩৩ চনত যিমান সোনকালে সম্ভৱ তেওঁ লিখিছিল,

"শিকোৱাৰ অৰ্থ মাত্ৰ তিনিটা 'আৰ'ৰ জ্ঞান নহয়। ই হৰিজন মানৱতাৰ

[৫] আগ্ৰহীসকলে নগৰ আৰু মহানগৰ সন্দৰ্ভত তেওঁ বিভিন্ন কংগ্ৰেছ অভিৱৰ্তনত দিয়া ভাষণবোৰ পঢ়া উচিত। উদাহৰণস্বৰূপে উল্লেখ কৰা হ'ল— চি ডব্লিউ এম জি, ভল্‌ইউম-২৩, পৃঃ ১৫ পৃঃ ৩৮৭, ভল্‌ইউম- ২৫,৪০, ৪৪৯; ভল্‌ইউম-২৬, পৃঃ ৪০০, ৪২৪, ৪৬১, ৪৬৬, ৪৭১; ভল্‌ইউম-২৯, পৃঃ ৩২৬।

[৬] ১৯২৬ চনৰ ১২ নৱেম্বৰত তেওঁ গিৰিৰাজ কিশোৰ আৰু ২৭ নৱেম্বৰত চি নাৰায়ণ ৰাওলৈ লিখিছিল (চি ডব্লিউ এম জি, ভল্‌ইউম-৩২, পৃঃ ৩৬ আৰু ৩৭৭)।

কাৰণে আন বহুতো অৰ্থ সূচায়। এই তিনিটা 'আৰ'ত আচৰণৰ পাঠ আৰু আৰোগ্যৰ অপৰিহাৰ্যতাও ইয়াত অন্তৰ্ভুক্ত" (চি ডব্লিউ এম জি, ভল্‌ইউম-৫৬, পৃঃ ৯১ ।

১৯৩৫ চনত তেওঁ পুনৰ আৰোগ্য শিক্ষাদানৰ সন্দৰ্ভত আঙুলিয়াই দিয়ে আৰু মানুহক সাক্ষৰ কৰাৰ ক্ষেত্ৰত তিনিটা 'আৰ'ৰ বিষয়ত অতি বেছি উদ্বেগ প্ৰকাশ নকৰিবলৈ পৰামৰ্শ দিয়ে। হৰিজনৰ এটা সংখ্যাত তেওঁ লিখিছিল যে স্বাস্থ্যবিধি আৰু আৰোগ্য ব্যৱস্থাৰ উপাদানৰ শক্তিশালী নেপথ্যৰ লগত তিনিটা 'আৰ'ৰ তুলনা কৰিবলৈ একো নাই (চি ডব্লিউ এম জি, ভল্‌ইউম-৬০, পৃঃ ১২০)।

এইটো দুখৰ কথা যে, আমি এতিয়া ত্যাগ কৰিছো, শৈক্ষিক প্ৰতিষ্ঠানসমূহত আমাৰ ঝাৰুদাৰ আৰু চাফাইকৰ্মী আছে। 'শুদ্ধ' সচেতন কৰ্মীসকলে আৰোগ্য কাৰ্য সম্পৰ্কে ব্যৱহাৰিক শিক্ষাদান কৰা কাৰ্যক শিশু শ্ৰম বুলি ভাবে। বৰ পলম হৈ যোৱা নাই। এই তালিম পুনৰ প্ৰৱৰ্তন হোৱা উচিত য'ত কামৰ জৰিয়তে শিক্ষাদান কৰা হয়।

**গান্ধী, আৰোগ্য আৰু চাফাই কৰ্মী**

গান্ধীয়ে অস্পৃশ্যতাক ঘৃণা কৰিছিল। বালক মোহনৰ মাতৃৰ প্ৰতি শ্ৰদ্ধা-ভক্তি সকলো আছিল, কিন্তু সৰু কালতেই তেওঁৰ মাতৃয়ে স্বাস্থ্যকৰ্মীক স্পৰ্শ কৰাটো যেতিয়া বাৰণ কৰিছিল, তেওঁ এইটো অস্বীকাৰ কৰিছিল। তেওঁ অনাময় আৰু স্বাস্থ্যবিধি সকলোৰে কৰিবলগীয়া কাম বুলি দৃঢ়তাৰে বিশ্বাস কৰিছিল। সামাজিক সম্প্ৰদায় হিচাপে এনে কাম কৰিবলৈ ঐতিহাসিকভাৱে শাস্তি মূৰ পাতি ল'বলগীয়া হোৱা ঝাৰুদাৰ আৰু আৰোগ্য কৰ্মীসকলৰ শ্ৰেণীটোৰ বিলোপ সাধন কৰিবলৈ তেওঁ বিচাৰিছিল। তেওঁলোকে মুখ্য গাঁও বা বসতি অঞ্চলৰ পৰা আঁতৰত বাস কৰিবলগীয়া হৈছিল আৰু তেওঁলোকৰ গাঁওবোৰ ময়লাৰে পূৰ্ণ আৰু আৰোগ্যহীনতাৰে ভৰি আছিল। ব্যৱহাৰৰ অনুপযোগী, দাৰিদ্ৰ্য আৰু শিক্ষাৰ অভাৱত তেওঁলোকে নিম্নস্তৰৰ জীৱন যাপন কৰিবলগীয়া হৈছিল, গান্ধী তেওঁলোকৰ ঘৰলৈ গৈছিল আৰু সাৰটি ধৰিছিল আৰু তেওঁ কৰ্মী আৰু নেতাসকলকো তেওঁলোকৰ লগত এনে ব্যৱহাৰ কৰিবলৈ কৈছিল। গান্ধীয়ে তেওঁলোকৰ উৎকৰ্ষ হোৱাটো বিচাৰিছিল আৰু ঘাইসুঁতিত যোগদান কৰাটো বিচাৰিছিল। তেওঁ এই বিষয়ত সহায় কৰিবলৈ ছাত্ৰ-ছাত্ৰীকে ধৰি সমগ্ৰ দেশবাসীৰ প্ৰতি আহ্বান জনাইছিল।

গান্ধীয়ে ভাৰতীয় সমাজত ঝাৰুদাৰসকলে কৰা অমানৱীয় কামৰ সন্দৰ্ভত অতি স্পষ্ট মত দাঙি ধৰিছিল। তেওঁ কৈছিল,

"হৰিজনসকলৰ ভিতৰত দুখীয়া ঝাৰুদাৰ বা ভাংগীসকল তালিকাৰ শেষত আছে, যদিও তেওঁ বোধহয় সমাজৰ অতি প্ৰয়োজনীয় আৰু অপৰিহাৰ্য অংগ ঠিক যেনেকৈ এগৰাকী মাতৃ তেওঁৰ সন্তানৰ বাবে অপৰিহাৰ্য। এগৰাকী মাতৃ নিজৰ সন্তানৰ ক্ষেত্ৰত যেনে ভাংগী সকলো সমাজৰ আৰোগ্যৰ বাবে তেনেকুৱাই। যদি সম্প্ৰদায়সমূহৰ লোকে নিজৰ বাবে চাফাই কাম কৰিব লগা হ'লহেঁতেন, এনে কামৰ বাবে ভাংগীসকলে ব্যৱহাৰ কৰা কিছুমান পদ্ধতি বহুত আগতেই নোহোৱা হ'লহেঁতেন" চি ডব্লিউ এম জি, ভল্‌ইউম-৫৪, পৃঃ ১০৯)।

**আৰোগ্য— বৰ্তমানৰ দৃশ্যপট**

মহাত্মা গান্ধীয়ে চাফাইকৰ্মীসকলৰ মুক্তিৰ বাবে আহ্বান জনোৱা আৰু কাম কৰাৰ ৭৫ বছৰ অতিক্ৰম কৰাৰ পাচতো দুৰ্ভাগ্যজনকভাৱে বৰ্তি আছে। ১৯৯৩ চনত গৃহীত হোৱা আইনখনে একো অৰিহণা আগবঢ়াব নোৱাৰিলে আৰু সেইবাবে ২০১৩ চনৰ মেনুৱেল চাফাইকৰ্মী বিলোপ কৰাৰ বাবে এখন নতুন আইন গৃহীত হ'ল। ৰাজ্যসমূহত ৰূপায়ণৰ বাবে বিধি যুগুত কৰিবলৈ এতিয়াও বাকী। গুজৰাট চৰকাৰে তেওঁলোকৰ উপস্থিতি মানি ল'বলৈ অস্বীকাৰ কৰিছে।

সহস্ৰাব্দৰ উন্নয়ন লক্ষ্যই (চমুকৈ এম ডি জি) বহনক্ষম উন্নয়ন লক্ষ্যৰ ভিতৰলৈ গতি কৰিব তথাপি ভাৰতৰ সুৰক্ষিত আৰোগ্যত প্ৰৱেশৰ বিষয়টো হতাশজনক। ৱৰ্ল্ডছ ৱাটাৰ অৱ দি পেছিফিক ইনষ্টিটিউটৰ তথ্য অনুসৰি ভাৰতৰ সুৰক্ষিত আৰোগ্যত প্ৰৱেশ কৰা লোকৰ শতকৰা হাৰ হ'ল ১৯। ১৯৭০ চনত ১৯ শতাংশ পৰিয়ালে সুৰক্ষিত আৰোগ্যৰ সুবিধা লাভ কৰিছে (৮৫% নগৰীয়া আৰু ৫% গাঁৱৰ)। ২০০৮ চনত সকলোৰে ক্ষেত্ৰত ৩০ শতাংশলৈ বৃদ্ধি পায়, ইয়াৰে ৫২% নগৰ আৰু ২০% গাঁৱৰ। নগৰৰ বাবে মৌলিক নগৰীয়া আন্তঃগাঁথনি আগবঢ়োৱাত উদ্বেগজনক কথাটো হ'ল প্ৰব্ৰজনকাৰী লোকসকলে এই ব্যৱস্থাত দ্ৰুতভাৱে প্ৰৱেশ কৰিব নোৱাৰাটো। ২০১২ চনৰ তথ্য অনুসৰি ৬২ কোটি ৬০ লাখ প্ৰায় ৫০% লোকে আমাৰ দেশত মুকলিকৈ মলমূত্ৰ ত্যাগ কৰে (ইউনিছেফ, বিশ্ব স্বাস্থ্য সংস্থাৰ তথ্য)।

আৰোগ্য মানে কেৱল শৌচাগাৰ নহয়। ভাৰতে ২০১২ চনৰ ভিতৰতে সকলো গ্ৰামাঞ্চলতে সম্পূৰ্ণ আৰোগ্য ব্যৱস্থাৰে সামৰি লোৱাৰ প্ৰতিশ্ৰুতি গ্ৰহণ কৰিছিল। কিন্তু ই এতিয়াও সুদূৰ পৰাহত। ১৯৮১ চনত ভাৰতৰ গ্ৰাম্য

জনসংখ্যাৰ মাত্ৰ এক শতাংশ লোককহে মুঠ আৰোগ্য আঁচনিৰ অধীনত সামৰি লোৱা হৈছিল। (টি এছ চি) ১৯৯১ চনত ইয়াৰ সংখ্যা ১১ শতাংশলৈ বৃদ্ধি হয়। ২০০১ চনত ২২% আৰু ২০১১ চনত ৫০%[৭] দাবী কৰা হৈছে। মুঠ আৰোগ্য আঁচনিত আছে ব্যক্তিগত পৰিয়ালৰ শৌচাগাৰ নিৰ্মাণ, গ্ৰাম্য বিদ্যালয় সামৰি লোৱা আৰু গোটা পেলনীয়া সামগ্ৰী ব্যৱস্থাপনা। সম্পূৰ্ণ সামৰি লোৱা কাৰ্য এতিয়াও বহু দূৰত।

সাংস্কৃতিক উপাদানেও আৰোগ্য আৰু স্বাস্থ্যবিধি গ্ৰহণ আৰু সম্প্ৰসাৰণত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। এই ক্ষেত্ৰত দুটা নিৰ্দিষ্ট মূল কথা আছে। প্ৰথমটো হ'ল স্বাস্থ্যসন্মত আৰু পৰিষ্কাৰ হোৱাতকৈয়ো পৱিত্ৰতা আৰু নৈতিকতা বেছি দৰকাৰী। পূৰ্বে উল্লেখ কৰা হৈছে যে ভাৰতৰ বেছিভাগ ধৰ্মীয় স্থানত ইয়াৰ প্ৰমাণ পোৱা গৈছে। যিকোনো লোকে মন্দিৰৰ চৌপাশ আৰু মন্দিৰ, নগৰ আৰু গাঁৱত আৰোগ্য আৰু স্বাস্থ্যবিধি সম্পূৰ্ণ অভাৱ বাৰুকৈয়ে অনুভৱ কৰে। বাট-পথত আৱৰ্জনা পৰি থকা, মুকলি ঠাইত মল-মূত্ৰ ত্যাগ কৰা, প্ৰদূষণ আৰু খোৱাপানী বিষাক্ত কৰা আদিবোৰ এই ঠাইসমূহৰ বেছিভাগতে সাধাৰণ কথা। আমাৰ দেশত বিশেষকৈ গাঁও আৰু সৰু নগৰবোৰত সম্প্ৰদায়জনিত ভাব এতিয়াও বৰ্তমান। মহানগৰসমূহত এই সংবেদনশীল প্ৰদূষণৰ ধাৰণাটো সামাজিকভাৱে গ্ৰহণ অব্যাহত ৰখাটোৱে পৰিষ্কাৰ-পৰিচ্ছন্নতা, স্বাস্থ্যবিধি আৰু আৰোগ্যৰ প্ৰতি অৱহেলাৰ সৃষ্টি কৰিছে।

দ্বিতীয় কাৰণটো বেক্টেৰিয়া আৰু ভাইৰাছৰ দৰে অতি ক্ষুদ্ৰ জীৱৰ অৱস্থিতিৰ বিষয়ে উপলব্ধি। জনসংখ্যাৰ অধিক লোক, আনকি বিদ্যালয়লৈ যোৱা সকল আৰু মৌলিক বিজ্ঞান পঢ়া লোকসকলে অতি ক্ষুদ্ৰ জীৱৰ দ্বাৰা প্ৰদূষণ আৰু বিষাক্ত হোৱা ধাৰণা অনুধাৱন কৰিব নোৱাৰে। বহুত শিক্ষিত নগৰৰ সম্প্ৰদায়ৰ মাজতো খোৱাপানীৰ পৰিচালন ব্যৱস্থাটো এতিয়াও ত্ৰুটীপূৰ্ণ আৰু বিপদসংকুল। পানী বিশুদ্ধকৰণ ব্যৱস্থাৰ ব্যয় বহন কৰিব পৰা লোকৰ ঘৰতো পুৰণি ব্যৱস্থাই চলি আছে।

ভাৰতৰ আৰোগ্য অৱস্থা এতিয়াও হতাশজনক। আমি গান্ধীক আকৌ পৰাজিত কৰিলো। গান্ধীয়ে সমাজতত্ত্ব বুজি পাইছিল আৰু আৰোগ্যত মৰ্যাদা প্ৰৱৰ্তন কৰিবলৈ চেষ্টা কৰিছিল সেইবাবে এই কাম কৰিবলৈ বাধ্য হোৱা পৰম্পৰাগত আৰোগ্য কৰ্মীক মৰ্যাদা প্ৰদান কৰিছিল। স্বৰাজোত্তৰ কালত এই অভিযানবোৰ আমি আঁচনিলৈ পৰিৱৰ্তন কৰিলো। আঁচনি লক্ষ্য নিৰ্দ্ধাৰণ, গাঁথনি আৰু সংখ্যালৈ হ্ৰাস পালে আমি তন্ত্ৰৰ ওপৰত আলোকপাত কৰিলো বস্তুগত আন্তঃগাঁথনি আৰু ব্যৱস্থা গঠন কৰিলো আৰু মানুহক মূল্যবোধৰ শিকনি দিয়া তত্ত্বক অৱজ্ঞা কৰিলো। আমাৰ আৰোগ্য আন্তঃগাঁথনিৰ প্ৰয়োজন আছে, আমাৰ আৰোগ্য মূল্যবোধ, আৰোগ্য তত্ত্বৰো প্ৰয়োজন। এইটো শিক্ষাৰ জৰিয়তে শিকাব পৰা যাব। গান্ধীয়ে আৰোগ্য শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল, ভাৰতৰ বেছিভাগ লোকৰে "শৌচাগাৰ প্ৰশিক্ষণ", আৰোগ্য আৰু স্বাস্থ্যবিধি শিক্ষাৰ প্ৰয়োজন আছে। গান্ধীয়ে আমাক হাতবাউল দিছে। ❒

---

[৭]এইটো মন কৰিবলগীয়া যে— "ছেন্‌ইটেশ্বন' শব্দটোৰ অৰ্থ বুজোৱা যথোপযুক্ত শব্দ কোনো ভাৰতীয় ভাষাতে আমি নাপালো। গান্ধীয়ে এই শব্দটোৰ প্ৰতিশব্দ হিচাপে 'আৰোগ্য' শব্দটো ব্যৱহাৰ কৰিছিল। এইটো গ্ৰহণযোগ্য হোৱা উচিত।

*পয়োভৰা ৰাইজৰ আলোচনী—*

***নিজে পঢ়ক, আনকো পঢ়ুৱাওক—***

***দেশ গঢ়াত নিজৰ মতামত আগবঢ়াওক—***

# তথ্য অৰ্থনীতিত অসংগঠিত শ্ৰমিক ঃ ভাৰতৰ কল্ ছে'নটৰৰ অসুৰক্ষিত কৰ্মসংস্থান

**বাবু পি ৰেমেশ***

নিয়োগ সংক্ৰান্তীয় অনিশ্চয়তা আৰু বিপদসংকুলতা আদি অসংগঠিত খণ্ডৰ কৰ্মসংস্থানৰ অন্যতম সাধাৰণ বৈশিষ্ট্য। বিশৃংখল কৰ্মস্থলী, অনানুষ্ঠানিক কামৰ চুক্তিৰ পয়োভৰ, নিয়োগকৰ্তা আৰু কৰ্মীৰ মাজৰ নিৰ্দিষ্ট সম্পৰ্কৰ অভাৱ, নিম্নমানৰ দৰমহা, দীঘলীয়া সময়ৰ বাবে কামত খটুওৱা, কৰ্মস্থলীৰ বিপজ্জনক অৱস্থা, অত্যধিক কামৰ হেঁচা আৰু শোষণ, আসোঁৱাহপূৰ্ণ সামাজিক সুৰক্ষা আৰু কল্যাণমূলক ব্যৱস্থা, শ্ৰমিকৰ মাজত সংহতিৰ অভাৱ, শ্ৰমিকৰ অধিকাৰ খৰ্ব হোৱা আদি বিভিন্ন দিশে অসংগঠিত খণ্ডৰ প্ৰতিকূল ধাৰাকে প্ৰকট কৰি তোলে। ইয়াৰে প্ৰায়বোৰ বৈশিষ্ট্য অসংগঠিত খণ্ডৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিছে। তাৰ বিপৰীতে এনে উপাদান নথকা খণ্ড হিচাপে সংগঠিত অৰ্থাৎ চৰকাৰী খণ্ডক জনা যায়। অৱশ্যে সংগঠিত আৰু অসংগঠিত খণ্ডক এনেদৰে পানী নসৰকা ধৰণৰ শ্ৰেণীবিভাজন কৰিব নোৱাৰি। কিয়নো কৰ্মসংস্থাপন ভেদে এনে বৈশিষ্ট্যৰ বঢ়া-টুটা ঘটে।

অসংগঠিত খণ্ডৰ উদ্যোগৰ ৰাষ্ট্ৰীয় আয়োগ (চমুকৈ এন চি ই ইউ এছ)-এ আগবঢ়োৱা ব্যাখ্যা অনুযায়ী 'সংগঠিত খণ্ডত অসংগঠিত নিয়োগ' আৰু 'অসংগঠিত খণ্ডত সংগঠিত নিয়োগ'ৰ নজিৰ থাকিব পাৰে (এন চি ই ইউ এছ, ২০০৯)। ঠিক তেনেদৰে কোনো কোনো জীৱিকা আপাততঃ সংগঠিত খণ্ডৰ যেন লাগিলেও তাত অসংগঠিত খণ্ডৰ বৈশিষ্ট্য দেখা যাব পাৰে। ইয়াৰ ওলোটা দিশটোও ইয়াত বিবেচনা কৰিব পাৰি। গতিকে এটা কথা স্পষ্ট যে বিভিন্ন জীৱিকাৰ সংগঠিত বা অসংগঠিত স্বৰূপ নিৰ্ণয় কৰাৰ ক্ষেত্ৰত সংগঠিত-কৰণৰ মাত্ৰা বুজি লোৱাটো খুবেই প্ৰয়োজনীয়। সেয়ে আপাততঃ সংগঠিত ক্ষেত্ৰ যেন পৰিলক্ষিত হোৱা খণ্ডৰ অসংগঠিত ধৰণৰ বৈশিষ্ট্যসমূহ ফঁহিয়াই চোৱাৰ প্ৰয়াস এই লেখাত কৰা হৈছে। ইয়াৰ বাবে ভাৰতৰ কল্ ছে'নটৰ্ উদ্যোগটোকে বাছি লোৱা হৈছে।

ভাৰতৰ আধুনিক সেৱা খণ্ডৰ নিয়োগৰ ক্ষেত্ৰত কল্ ছে'নটৰ্ উদ্যোগক একপ্ৰকাৰ ভোটাতৰা আখ্যা দিব পাৰি। চাক্ষুস অৰ্থত কল্ ছে'নটৰ্সমূহৰ কৰ্মস্থলীৰ ৰেহ-ৰূপ (অত্যাধুনিক প্ৰযুক্তি-সম্পন্ন সা-সুবিধা আৰু চকুত লগা অট্টালিকা) চাই তাক পোনচাটেই অৰ্থনীতিৰ সংগঠিত খণ্ডৰ ভিতৰত ধৰিব পাৰি। এনে উদ্যোগসমূহ কেন্দ্ৰ অথবা ৰাজ্য চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া কাৰ্যবিধি মতেই পৰিচালিত হয়। তদুপৰি এনেধৰণৰ কাৰ্যালয়সমূহ অধিক দৰমহা, পাৰ্ক-পেকেজ আদিৰ বাবে জনপ্ৰিয় আৰু এনে কৰ্মসংস্থানত পদোন্নতি, কৰ্তৃত্ব প্ৰদান আদি সাধাৰণ বৈশিষ্ট্য। ইয়াৰ মাজতো বাস্তৱ তথ্যভিত্তিক সূক্ষ্ম পৰ্যাবেক্ষণৰ পৰা দেখা গৈছে যে এই ধৰণৰ জীৱিকাতো কৰ্মসংস্থান আৰু কৰ্মচাৰী অসুৰক্ষিত হৈয়ে আছে। দেশখনৰ আউট-ছ'ৰ্চিং তথা কল্ ছে'নটৰ্ খণ্ডৰ বিকাশ, বিৱৰ্তন আৰু বিচ্যুতি আদিৰ ধাৰণা আৰু প্ৰাসংগিকতাৰ বিষয় সামৰি এই লেখাত উপৰুক্ত দিশসমূহ বহলাই আলোচনা কৰা হৈছে।

**আউট-ছ'ৰ্চিংৰ আঁতিগুৰি আৰু ভাৰতত ইয়াৰ বিকাশ তথা বিৱৰ্তন ঃ**

কল্ ছে'নটৰৰ কাৰ্যপ্ৰণালীৰ মূলমন্ত্ৰই হৈছে বিজনেছ প্ৰচেছ আউট ছ'ৰ্চিং অৰ্থাৎ বি পি অ'। কাৰ্যপ্ৰণালীৰ এই আৰ্হি অনুযায়ী শ্ৰমিকৰ ক্ষেত্ৰত হ'বলগা ব্যয় হ্ৰাস কৰাৰ উদ্দেশ্যে এটা প্ৰধান উদ্যোগৰ কেতবোৰ আনুসংগিক প্ৰক্ৰিয়া পূৰ্ব নিৰ্ধাৰিত অইন সৰু উদ্যোগলৈ স্থানান্তৰ কৰা হয়। যদিও আউট ছ'ৰ্চিং ধাৰণা খুবেই পুৰণি আৰু বহু আগৰে পৰাই ইয়াৰ মৌলিক নীতিৰ বাস্তৱ অনুশীলন হৈ আহিছে, তথাপি পাশ্চাত্যৰ উন্নত দেশৰ অৰ্থব্যৱস্থাত হোৱা ব্যৱসায়িক পৰ্যায়ৰ তীব্ৰ প্ৰতিযোগিতামূলক ধাৰাৰ পৰিপ্ৰেক্ষিতত বিগত শতিকাৰ আশীৰ দশকৰ পৰা এনেধৰণৰ কাৰ্যব্যৱস্থাৰ ওপৰত অত্যধিক নিৰ্ভৰশীলতাৰ প্ৰৱণতাই দেখা দিয়ে।

ব্যয় কমোৱাৰ বাবে চলা এই প্ৰতিযোগিতাৰ ফলত প্ৰায়ভাগ উদ্যোগেই নিজৰ আনুসংগিক

*বাবু পি ৰেমেশ ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ৰ অন্তৰ্গত 'স্কুল অব ইন্টাৰডিচিপ্লিনেৰী এণ্ড ট্ৰেন্সডিচিপ্লিনেৰী ষ্টাডিজ'ৰ সহযোগী অধ্যাপক

কৰ্মপ্ৰক্ৰিয়া সস্তীয়া শ্ৰমিক থকা পূৰ্বনিৰ্ধাৰিত সহায়ক উদ্যোগক গতাবলৈ লয়। মূল উদ্যোগে বিচৰা ধৰণে ব্যয় তথা প্ৰযুক্তিৰ ক্ষেত্ৰত প্ৰতিযোগিতামূলক আৰু দক্ষ ব্যৱস্থা থকাটো সহায়ক উদ্যোগৰ বাবে প্ৰয়োজনীয় হৈ পৰে, যাতে দূৰণিবটীয়া ঠাইতো আনুসংগিক প্ৰক্ৰিয়াৰ কাম পোৱাটো তেনে উদ্যোগৰ বাবে সহজ হৈ পৰে। এনেদৰেই উন্নত দেশসমূহৰ সৰু চহৰ আৰু গ্ৰামাঞ্চলত প্ৰথমলানি বি পি অ' উদ্যোগ গঢ় লৈ উঠে। গ্ৰামাঞ্চলৰ পাৰিশ্ৰমিকৰ তুলনাত নগৰাঞ্চলৰ পাৰিশ্ৰমিক আশ্চৰ্যজনক-ভাৱে অধিক হোৱা হেতুকে মূল উদ্যোগসমূহে কেইজনমানৰ খৰচতে বহুসংখ্যক কৰ্মচাৰী ৰাখিব পৰা হয়। পাশ্চাত্যৰ প্ৰাথমিক স্তৰৰ এইধৰণৰ আউট ছ'ৰ্চিঙক ঘৰুৱা খণ্ডৰ আউট ছ'ৰ্চিং বুলিব পাৰি, যিহেতুকে কাৰ্যপ্ৰক্ৰিয়া আৰু নিয়োগৰ হস্তান্তৰ এখন বিশেষ দেশৰ ভিতৰতে সীমাবদ্ধ ৰখা হয়।

নব্বৈৰ দশকৰ শেষৰ ভাগত আউট ছ'ৰ্চিং ধাৰা দ্বিতীয় পৰ্যায় বা স্তৰলৈ ত্বৰান্বিত হয়, য'ত আউট ছ'ৰ্চিঙৰ প্ৰক্ৰিয়া দেশীয় সীমা পাৰ হৈ আহি বিশ্বৰ দক্ষিণ প্ৰান্ত (ভাৰত, ফিলিপাইনছ আদি দেশ)ৰ পিনে গতি কৰে। ইয়াতো সস্তীয়া শ্ৰমিককে লক্ষ্য হিচাপে লোৱা হয়। উৎপাদন ব্যৱস্থাৰ এই দেশীয় সীমা পাৰ হোৱাত কৰ্মসংস্থান লাভ কৰা দেশসমূহৰ কেতবোৰ বিশেষ কাৰক আৰু প্ৰকৃতিয়ে অৰিহণা যোগালে। তথ্য আৰু যোগাযোগৰ প্ৰযুক্তিৰ উন্নয়নৰ সম্ভাৱনীয়তা, মান সময়ৰ ভিন্নতাৰ বাবে হোৱা সুবিধা, সস্তীয়া অথচ কৌশলী শ্ৰমিকৰ প্ৰাচুৰ্য ইত্যাদিক এনে কাৰকৰ ভিতৰত ধৰিব পাৰি।

এনেদৰেই নব্বৈৰ দশকৰ মাজভাগৰ পৰাই ভাৰতত নতুন প্ৰজন্মৰ জীৱিকাৰ ক্ষেত্ৰত বিশেষকৈ তথ্য প্ৰযুক্তি আৰু উক্ত প্ৰযুক্তিদ্বাৰা সম্ভৱপৰ হৈ উঠা সেৱা অথবা ব্যৱসায়িক প্ৰক্ৰিয়াৰ আউট ছ'ৰ্চিং (আই টি-আই টি ই এছ/বি পি অ') খণ্ডৰ স্পষ্ট উৰ্ধমুখী বিকাশ পৰিলক্ষিত হয়। সম্প্ৰতি ভাৰতবৰ্ষ আন্তৰাষ্ট্ৰীয় আউট ছ'ৰ্চিং উদ্যোগৰ মূল হোতা। তেনেদৰে আই টি-আই টি ই এছ/বি পি অ' হৈছে ভাৰতীয় অৰ্থ-ব্যৱস্থাৰ দ্ৰুত গতিত বিকাশৰ পথত থকা খণ্ড। ভাৰতৰ তথ্য প্ৰযুক্তি আৰু বি পি অ' উদ্যোগৰ অন্যতম বাণিজ্যিক সংস্থা-ৰূপে জনা ছফ্টৱেৰ আৰু সেৱা উদ্যোগসমূহৰ ৰাষ্ট্ৰীয় সংস্থা (চমুকৈ নেচকম)এ ধাৰ্য কৰা অনুযায়ী মুঠ ঘৰুৱা উৎপাদনত উক্ত খণ্ডৰ অংশ ১৯৯৮ বৰ্ষৰ ১.২ শতাংশৰ পৰা ২০১২ বৰ্ষত ৭.৫ শতাংশলৈ বৃদ্ধি পাইছে। অৰ্থনৈতিক সমীক্ষা, ২০১৩-১৪ৰ মতে আন্তঃৰাষ্ট্ৰীয় ছ'ৰ্চিং বজাৰখনৰ (অভিযান্ত্ৰিক সেৱা আৰু গৱেষণা আৰু উন্নয়নক লেখত নোলোৱাকৈ) ২০১২ বৰ্ষৰ ৫২ শতাংশৰ তুলনাত ২০১৩ বৰ্ষত ৫৫ শতাংশ ভাৰতে দখল কৰি আছে। উক্ত সমীক্ষা অনুযায়ী ২০১৩-১৪ বৰ্ষত তথ্য প্ৰযুক্তি আৰু ব্যৱসায়িক প্ৰক্ৰিয়া ব্যৱস্থাপনা খণ্ড (হাৰ্ডৱেৰ নধৰাকৈ)ৰ ১০.৩ শতাংশ বিকাশ ঘাটি ১০৫ বিলিয়ন মাৰ্কিন ডলাৰ হৈছেগৈ। তথ্য প্ৰযুক্তিৰ ৰাষ্ট্ৰীয় আইনৰ নীতি অনুযায়ী তথ্য প্ৰযুক্তি আৰু আই টি এছ উদ্যোগৰ ৰাজহৰ পৰিমাণ ২০১১-১২ বৰ্ষৰ ১০০ বিলিয়ন ডলাৰৰ পৰা ২০২০ বৰ্ষত ৩০০ বিলিয়ন ডলাৰ হোৱাৰ লগতে তাৰ ৰপ্তানি ২০১১-১২ বৰ্ষৰ ৬৯ বিলিয়ন ডলাৰৰ পৰা ২০২০ বৰ্ষত ২০০ বিলিয়ন ডলাৰ হোৱাৰ সম্ভাৱনা আছে। নিয়োগৰ ক্ষেত্ৰতো উক্ত খণ্ডৰ প্ৰদৰ্শন লেখত ল'বলগীয়া য'ত ২০১৩-১৪ বৰ্ষলৈ ৩১ লাখ লোক পোনপটীয়াভাৱে কৰ্মৰত হৈ থকাৰ বিপৰীতে ১ কোটি লোকে পৰোক্ষভাৱে কৰ্মসংস্থান লাভ কৰিছে।

ভাৰতত আই টি-আই টি ই এছ/বি পি অ' খণ্ডৰ বিকাশক দুটা পৰ্যায়ত ভগাব পাৰি। প্ৰথম পৰ্যায়ত (১৯৯০ৰ মাজৰ পৰা ২০০5 বৰ্ষলৈ) উক্ত খণ্ডৰ আন্তঃৰাষ্ট্ৰীয় শিতানতহে নিয়োগ সৃষ্টি হৈছিল। এই পৰ্যায়ত কৰ্মচাৰী আন্তঃৰাষ্ট্ৰীয় আউট ছ'ৰ্চিঙৰ ব্যৱসায়িক প্ৰক্ৰিয়াতহে মূলতঃ জড়িত আছিল। এই পৰ্যায়ৰ পিচতেই অৰ্থাৎ ২০০৫ বৰ্ষৰ পিচৰে পৰা আই টি-আই টি ই এছ/বি পি অ'-ৰ দেশীয় অৰ্থব্যৱস্থাত নিয়োগৰ মাত্ৰা ক্ৰমে ঊৰ্দ্ধমুখী হ'বলৈ ধৰে। ২০০৯ বৰ্ষলৈকে ঘৰুৱা খণ্ডত সৃষ্টি হোৱা নিয়োগৰ সংখ্যা আছিল প্ৰায় ৪,৫০,০০০ আৰু সামগ্ৰিক বিকাশৰ ধাৰাই এই কথাৰ ইংগিত বহন কৰে যে এনে দেশীয় নিয়োগৰ সম্ভাৱনীয়তাৰ হাৰ ঊৰ্দ্ধমুখী। নেচকমৰ প্ৰতিবেদন মতে ২০১২ বৰ্ষত আই টি বি পি অ'-ৰ বজাৰখনৰ বিকাশৰ হাৰ আছিল লক্ষ্যণীয় (২০.৭ শতাংশ)।

**কল্ ছে'নটৰৰ কামৰ ধাৰণা ঃ**

ভাৰতৰ আই টি-আই টি ই এছ/বি পি অ' খণ্ডৰ সকলোতকৈ দৰ্শনীয় আৰু গুৰুত্বপূৰ্ণ শিতান হৈছে কল্ ছে'নটৰ্ যদিওবা উক্ত খণ্ডই অন্যান্য কাম, যেনে হাৰ্ডৱেৰ আৰু ছফ্টৱেৰৰ বিকাশ, মেডিকেল প্ৰত্যালিপিকৰণ, ৰৰ্ড প্ৰচেছিং, ডেস্কটপ প্ৰিণ্টিং, আইনী আৰু বিত্তীয় প্ৰক্ৰিয়াৰ আউট ছ'ৰ্চিং, বেক অফিচৰ কাম-কাজ, ডিজাইন আৰু গ্ৰাফিক্স ডেভেলপমেণ্ট আদি সামৰি লয়। ইমানবোৰ দিশ থকাৰ পিচতো কল্ ছে'নটৰৰ আধিক্যৰ মূল কাৰণ কেৱল

মুঠ ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত ইয়াৰ অসামান্য বৰঙণিয়েই নহয়, উচ্চ হাৰৰ নিয়োগো ইয়াৰ অন্যতম কাৰণ।

কল্ ছে'নটৰ্— এই নামটোৰ পৰা সহজেই অনুমান কৰিব পাৰি যে এনে কাৰ্যালয়সমূহত ইন-বাউণ্ড আৰু আউট-বাউণ্ড ফোনকলৰ যোগেদি টেলি-বিপণন বা বিজ্ঞাপন আৰু গ্ৰাহকক সেৱা আগবঢ়োৱা বা সম্পৰ্ক ৰক্ষাৰ কাম কৰা হয়। তদুপৰি কিছুমান কল্ ছে'নটৰে বেক অফিচ সেৱাৰ লগত জড়িত কাম (যেনে বিলিং, দৰমহা ইত্যাদি)কে ধৰি গ্ৰাহকক সহায় আগবঢ়োৱা অন্যান্য কামো সম্পাদন কৰে। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ দৰে ভাৰততো অধিকাংশ কল্ ছে'নটৰেই ভইচ-বেছ্‌ড কামেই কৰে। অৱশ্যে ইয়াৰ অৰ্থ এনে নহয় যে সকলো কল্ ছে'নটৰেই ভইচ-বেছ্‌ড কামেই কৰে। কিছুমান নন-ভইচ-বেছ্‌ড কল্ ছে'নটৰো আছে যিবিলাকে মূলতঃ ইণ্টাৰনেটৰ যোগেদি (যেনে ই-মেইল আদি) কাম সমাধা কৰে।

গ্ৰাহকৰ ওপৰত ভিত্তি কৰি ভাৰতৰ কল্ ছে'নটৰ্‌সমূহক দুটা প্ৰধান ভাগত ভগাব পাৰি— সীমাৰদ্ধতা থকা আৰু নথকা (অথবা তৃতীয় পক্ষযুক্ত) কল্ ছে'নটৰ্। সীমাৰদ্ধতা থকা কল্ ছে'নটৰে কেৱলমাত্ৰ এজন গ্ৰাহকৰ আৱশ্যকতা পূৰণ কৰাৰ বাবে কাম কৰাৰ বিপৰীতে দ্বিতীয়বিধে ততোধিক গ্ৰাহকৰ বাবে কাম কৰে। ভাৰতত প্ৰাৰম্ভিক অৱস্থাত প্ৰায়ভাগ কল্ ছে'নটৰেই সীমাৰদ্ধতা থকা ধৰণৰ কাৰ্যব্যৱস্থা অনুসৰণ কৰিছিল যদিও সম্প্ৰতি অধিকাংশই তৃতীয় পক্ষযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ ধৰিছে। কাম আৰু কাম কৰা গোট সাধাৰণতে প্ৰক্ৰিয়াৰ ওপৰত ভিত্তি কৰি নিৰ্দ্ধাৰণ কৰা হয় আৰু এটা কল্ ছে'নটৰতে একাধিক প্ৰক্ৰিয়া (আৰু বিভিন্ন প্ৰকাৰৰ গোট) থাকিব পাৰে, যিটো তৃতীয় পক্ষ থকা ছে'নটৰৰ ক্ষেত্ৰত সাধাৰণতে দেখা যায়।

এই কথা মন কৰা উচিত যে সকলো কল্ ছে'নটৰেই একেধৰণৰ প্ৰকৃতিৰ নহয়। কল্ ছে'নটৰৰ আকাৰ, প্ৰকৃতি আৰু প্ৰক্ৰিয়া, কামৰ সময়, সাহায্যৰ পেকেজ, শাৰীৰিক কামৰ অৱস্থা, গ্ৰাহক আৰু কৰ্মচাৰীৰ আৰ্থ-সামাজিক অৱস্থা ইত্যাদি বিভিন্ন কাৰকৰ ওপৰত ভিত্তি কৰি কল ছে'নটৰ্‌ৰ প্ৰকৃতি ভিন্ন হোৱা দেখা যায়।

**দুটা ভাগ ঃ আন্তঃৰাষ্ট্ৰীয় আৰু দেশীয় কল্ ছে'নটৰ্**

আই টি— আই টি ই এছ/বি পি অ' খণ্ডৰ সামগ্ৰিক বিকাশৰ ধাৰাৰ আধাৰত ভাৰতত কল্ ছে'নটৰৰ প্ৰৱেশ আৰু ব্যাপ্তিৰ প্ৰক্ৰিয়াক দুটা স্তৰৰ ভিত্তিত ব্যাখ্যা কৰিব পাৰি। আন্তঃৰাষ্ট্ৰীয় কল্ ছে'নটৰৰ উৎপত্তি আৰু বিকাশৰ ১৯৯০ৰ দশকৰ মাজভাগক প্ৰথম স্তৰত ধৰা হয়। এই সময়ছোৱাৰ পৰাই কল্ ছে'নটৰৰ উদ্যোগে খোপনি পুতিবলৈ লয়। এই পৰ্যায়ত, ভাৰতৰ প্ৰায় আটাইবোৰ কল্ ছে'নটৰেই আন্তঃৰাষ্ট্ৰীয় আউট ছ'ৰ্চিং কৰা সেৱা খণ্ডৰ অংশ হিচাপে কাম কৰিছিল, য'ত ইংৰাজী ভাষাৰ প্ৰাধান্য (লাগিলে সেয়া ভইচ-বেছ্‌ড হওক বা নহওক) দেখা গৈছিল। কিন্তু পৰৱৰ্তী স্তৰত আৰু বৰ্তমান সময়ত অৰ্থাৎ ২১ শতিকাৰ প্ৰথমটো দশকৰ মাজভাগৰ পৰাই দেশীয় কল্ ছে'নটৰৰ বিকাশ স্পষ্ট দৃষ্টিগোচৰ হৈছে, য'ত মূলতঃ দেশৰ সীমাৰ ভিতৰতে গ্ৰাহকৰ বাবে কৰ্মচাৰীয়ে কাম কৰে। স্থানীয় গ্ৰাহকৰ প্ৰয়োজনীয়তাৰ ভিত্তিত এনে ছে'নটৰত যোগাযোগৰ মাধ্যম ব্যৱহাৰ কৰা হয়। এইদৰে ইংৰাজী, হিন্দী অথবা অইন স্থানীয় ভাষা যোগাযোগৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা হয়।

আন্তঃৰাষ্ট্ৰীয় আৰু দেশীয় কল্ ছে'নটৰৰ মাজত থকা পাৰ্থক্য কেৱল ভাষাৰ ব্যৱহাৰৰ মাত্ৰাৰ ক্ষেত্ৰতে নহয়, আন বহুতো ক্ষেত্ৰত এই পাৰ্থক্য পৰিলক্ষিত হয়। উদাহৰণ স্বৰূপে আন্তঃৰাষ্ট্ৰীয় কল্ ছে'নটৰ্‌সমূহৰ কৰ্মচাৰী দেশীয় কল্ ছে'নটৰৰ কৰ্মচাৰীৰ তুলনাত সাধাৰণতে উচ্চ শিক্ষিত হোৱাৰ লগতে আৰ্থিকভাৱে যথেষ্ট সবল। এনে কল্ ছে'নটৰৰ কৰ্মচাৰী নগৰৰ বাসিন্দা হোৱাৰ লগতে আৰ্থ-সামাজিকভাৱে তথা শৈক্ষিক দিশত যথেষ্ট আগবঢ়া। তাৰ সম্পূৰ্ণ বিপৰীতে দেশীয় কল্ ছে'নটৰ্‌সমূহৰ কৰ্মচাৰীৰ সৰহ-সংখ্যকেই গ্ৰামাঞ্চলৰ পৰা অথবা নগৰাঞ্চলৰ আৰ্থিকভাৱে বা সামাজিকভাৱে পিচপৰা শ্ৰেণীৰ পৰা অহা। উক্ত শ্ৰেণীৰ শৈক্ষিক অথবা কৌশলগত প্ৰতিভাৰ স্তৰ তুলনামূলকভাৱে নিম্নমানৰ হোৱা দেখা যায়। আন্তঃৰাষ্ট্ৰীয় আৰু দেশীয় কল্ ছে'নটৰৰ কামৰ প্ৰকৃতি আৰু কৰ্মচাৰীৰ মাজত থকা এনে বৃহৎ পাৰ্থক্যৰ পৰিপ্ৰেক্ষিতত দুয়োটা খণ্ডৰ কাম আৰু নিয়োগৰ নিৰাপত্তাহীনতাৰ বিষয়টো পৃথকে পৃথকে আলোচনা কৰাটোৱেই যুগুত হ'ব।

**আন্তঃৰাষ্ট্ৰীয় কল্ ছে'নটৰৰ নিৰাপত্তা-হীন নিয়োগ আৰু শ্ৰম ঃ**

ভাৰতত কল্ ছে'নটৰৰ বিস্তৃতি আৰু বিকাশৰ প্ৰাৰম্ভিক স্তৰৰ বিষয়ে চলোৱা অধ্যয়নৰ পৰা উক্ত খণ্ডৰ নিয়োগৰ দুৰ্বল ভেটিৰ কথা স্পষ্ট হৈ পৰে। এনে অধ্যয়নসমূহে এই কথা প্ৰমাণ কৰে যে অধিক দৰমহা আৰু চমকলগা কৰ্মস্থলী (দেশীয় অৰ্থনীতিৰ অন্যান্য খণ্ডৰ তুলনাত)ৰে সজ্জিত হোৱা সত্ত্বেও উক্ত

খণ্ডত নিয়োগৰ নিম্নমানৰ সুৰক্ষা, কঠোৰ নিয়ন্ত্ৰণযুক্ত শিথিল কৰ্মব্যৱস্থা, কেৰিয়াৰ অথবা কৌশল বিকাশৰ সুবিধা নথকা অৱস্থা, কৰ্মচাৰীৰ মাজত সমন্বয় নথকা, সামাজিক সুৰক্ষাৰ কোনো ব্যৱস্থা নথকা আদি কেৰোণ পৰিলক্ষিত হয়।

বি পি অ'ৰ ব্যৱস্থাৰ যোগেদি কৰা চুক্তি অথবা প্ৰকল্প ভিত্তিতহে কাম নিৰ্দ্ধাৰণ কৰা হেতুকে নিয়োগৰ ক্ষেত্ৰত এই খণ্ডত যথেষ্ট নিৰাপত্তাহীনতা দেখা যায়। যিহেতুকে এই খণ্ডৰ যোগেদি অৰ্থব্যৱস্থাত নিয়োগ সৃষ্টি কৰাৰ পৰিৱৰ্তে তাক আহৰণহে কৰা হয়, সেয়ে কৰ্মসংস্থান আৰু তাৰ আনুসংগিক সুৰক্ষাগত দিশসমূহৰ স্বতন্ত্ৰতা নাথাকে।

এই কথা সৰ্বজনবিদিত যে আন্তঃৰাষ্ট্ৰীয় উৎপাদন শৃংখলা আৰু ইয়াত অন্তৰ্নিহিত হৈ থকা ব্যয়-সংকোচনৰ যুক্তিৰ আধাৰতে কল্ ছে'নটৰ্সমূহে কামৰ সজ্জা, নিৰীক্ষণ আৰু নিয়ন্ত্ৰণৰ কঠোৰ পদ্ধতি অৱলম্বনৰ যোগেদি কাম আৰু ৱৰ্কফছ্‌ৰ সংশোধন কৰাৰ বাবে অহৰহ চেষ্টা কৰে। নতুন অৰ্থনীতিত এনেধৰণৰ ধাৰা কঠোৰভাৱে কাৰ্যকৰী কৰাৰ ফলত কামৰ হেঁচা বাঢ়ি গৈ এই খণ্ডৰ কৰ্মচাৰী 'ছাইবাৰ কুলী'ৰ দৰে হৈ পৰে। তদুপৰি কামৰ অস্বাভাৱিক সময় তালিকা আৰু নিয়ম-নীতি (স্থানভিত্তিক ছদ্মবেশ য'ত কৰ্মচাৰী এজনে ঠাইভেদে ছদ্মনাম লৈ কাম কৰিব লগা হয়) আদি গ্ৰাহকভিত্তিক খণ্ডত অত্যধিক প্ৰয়োগৰ ফলত কৰ্মচাৰীয়ে কোনো কোনো পৰিস্থিতিত নিজকে সামাজিকভাৱে বহিৰ্ভুক্তিকৃত আৰু অৱনমিত বুলি অনুভৱ কৰে।

একগোট হোৱাৰ স্বাধীনতাৰ ক্ষেত্ৰত থকা বাধাৰ পৰিপ্ৰেক্ষিতত শ্ৰমিকৰ মৌলিক অধিকাৰ খৰ্ব হোৱাৰ ফলত প্ৰতিনিধিত্ব কৰা বা মাত মতাৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হোৱাও সততে দেখা যায়। অতি সতৰ্কতাৰে তৈয়াৰ কৰা পৰিকল্পিত ব্যৱস্থাপনাৰ কাৰ্যনীতিত কৰ্মীসকলক 'একক ব্যক্তি' হিচাপে কাম কৰাৰ প্ৰশিক্ষণ দিয়া হয়, য'ত কৰ্মচাৰীজনৰ সামাজিক দিশটো কৌশলপূৰ্ণভাৱে কৰ্তৃপক্ষৰ প্ৰয়োজন অনুসাৰে সীমাৱদ্ধ কৰা হয়। কিছুমান সচেতন আৰু অনুভৱী পৰিচালকে আধুনিক মানৱ সম্পদ ব্যৱস্থাপনাৰ নীতি প্ৰয়োগ কৰিলেও পৰম্পৰাগত প্ৰক্ৰিয়াৰে কৰ্মচাৰীক একগোট হোৱাত বাধা আৰোপ কৰা সততে দেখা যায়।

মুঠৰ ওপৰত ভাৰতত কল্ ছে'নটৰ্ উদ্যোগৰ বিকাশৰ প্ৰথমটো পৰ্যায়তে অৰ্থাৎ ১৯৯০ বৰ্ষৰ মাজভাগৰ পৰা ২০০৫ বৰ্ষলৈ নিয়োগৰ গুণাগুণৰ গৱেষণাৰ বিষয়টো আন্তঃৰাষ্ট্ৰীয়ভাৱে আউট ছছ্ কৰা বিধৰ কামত অন্তৰ্নিহিত হৈ থকা বিপদসংকুলতাক বুজি উঠাটোৰ ওপৰতে কেন্দ্ৰীভূত হৈ আছিল। একেদৰে দেখা যায় যে নৱপ্ৰজন্মৰ জীৱিকাৰ মাজত নিৰাপত্তাহীনতা, বিপদসংকুলতা আদি অন্তৰ্নিহিত হৈ আছে।

**দেশীয় কল্ ছে'নটৰ্সমূহত নিৰাপত্তা-হীনতাৰ ঘনীভূতকৰণ ঃ**

ভাৰতত কল্ ছে'নটৰ্ উদ্যোগৰ বিকাশৰ দ্বিতীয় পৰ্যায়ত নিয়োগৰ গুণাগুণ ক্ৰমান্বয়ে নিম্নমুখী হৈ অহাৰ সময়তে দেশীয় খণ্ডত নিয়োগ লেখত ল'বলগীয়া ধৰণে বৃদ্ধি হোৱাটো পৰিলক্ষিত হয়।

দেশীয় কল্ ছে'নটৰৰ সন্দৰ্ভত কৰা এটা অধ্যয়ন অনুযায়ী এই কথা স্পষ্ট হৈ পৰিছে যে এনে উদ্যোগ কামৰ সজ্জা, চুক্তি, প্ৰকাৰ, সম্পৰ্ক আদি ক্ষেত্ৰত তাৰ আন্তঃৰাষ্ট্ৰীয় পক্ষৰ তুলনাত যথেষ্ট পৃথক হয়। কাম কৰাৰ সময় আৰু গ্ৰাহকৰ ৰুচি সলনি হ'লেও উক্ত খণ্ডৰ কামৰ অনিশ্চয়তা আৰু কৰ্মস্থলীৰ পৰিৱেশ উন্নত হোৱা নাই। নিম্নমানৰ দৰমহা, কামৰ আকৰ্ষণ নথকা সজ্জা, নিম্নমানৰ কৌশলৰ প্ৰয়োগ তথা প্ৰয়োজন আৰু কঠোৰ নিয়ন্ত্ৰণ ব্যৱস্থা আদি এই খণ্ডৰ প্ৰধান বৈশিষ্ট্য।

আন্তঃৰাষ্ট্ৰীয় কল্ ছে'নটৰৰ তুলনাত ভালেমান দেশীয় উদ্যোগে ন্যূনতম আন্তঃগাঁথনি, নিম্নমানৰ প্ৰযুক্তি আৰু কৰ্মস্থলীত নিম্নমানৰ সা-সুবিধাৰেই কাম কৰি আহিছে। ঠেক কৰ্মস্থলী আৰু কাম পৰিচালনাৰ বাবে পৰম্পৰাগত তদাৰকী ব্যৱস্থা থকা এনে ছে'নটৰ্সমূহক অসংগঠিত খণ্ডৰ একপ্ৰকাৰৰ কৰ্মচাৰীৰ হাড়ভঙা কাৰখানা আখ্যা দিব পাৰি, য'ত কৰ্মচাৰীক কঠোৰ নিয়ন্ত্ৰণ, কামৰ দীঘলীয়া সময় আৰু স্বেচ্ছাচাৰী ব্যৱস্থাপনাৰ নীতিৰে বান্ধি ৰখা হয়। শ্ৰমিকৰ সাংগঠনিক দিশ নথকাৰ বাবে এনে কেন্দ্ৰসমূহে শোষণৰ সীমা চেৰাই যায়। কৌশল উন্নতকৰণৰ যৎসামান্য সুবিধা থকা হেতুকে কামৰ পৰিমাণো কম হয় আৰু নিয়োগৰ নিৰাপত্তাহীনতা বাঢ়ি যায়। তদুপৰি সামাজিক সুৰক্ষা আৰু শ্ৰমিকৰ কল্যাণমূলক ব্যৱস্থা আদি অতিকে নিম্নমানৰ হোৱাটোও এনে খণ্ডৰ অন্যতম বৈশিষ্ট্য।

এতেকে এই কথা দৃঢ়তাৰে ক'ব পাৰি যে কল্ ছে'নটৰৰ আন্তঃৰাষ্ট্ৰীয় খণ্ডৰ তুলনাত দেশীয় তথ্য প্ৰযুক্তি আৰু আই টি ই এছ/বি পি অ' খণ্ডত নিয়োগৰ মান খুবেই নিম্ন।

**সামৰণি মন্তব্য**

ওপৰৰ আলোচনাৰ পৰা এই কথা স্পষ্ট হৈ পৰে যে কল্ ছে'নটৰৰ নিয়োগ সংগঠিত (সংগঠিত কৰ্মস্থলী, অধিনিয়ম পালন, কৰ্মস্থলীৰ উন্নত পৰিৱেশ আদি

বৈশিষ্ট্যৰ আধাৰত) যেন লাগিলেও উক্ত খণ্ডৰ প্ৰায়বোৰ লক্ষণেই তাক অসংগঠিত খণ্ড বুলিহে প্ৰমাণ কৰে। কল্ ছে'নটৰৰ কৰ্মচাৰীৰ কল্যাণ আৰু নিয়োগৰ পৰিস্থিতি সুস্থ-সবল কৰি তুলিবৰ বাবে আঁচনি, নীতি আৰু আইন অথবা অধিনিয়মৰ সংৰচনা অথবা ৰূপায়ণ কৰাৰ ক্ষেত্ৰত উক্ত খণ্ডৰ নিয়োগৰ অনিশ্চয়তা আৰু নিৰাপত্তাহীনতাৰ বিষয়টো গুৰুত্ব সহকাৰে লোৱা উচিত। তদুপৰি তথ্য অৰ্থনীতিৰ বিভিন্ন জীৱিকাত অন্তৰ্নিহিত হৈ থকা নিৰাপত্তাহীনতাৰ প্ৰণালীৱদ্ধ বিশ্লেষণ আৰু বুজ লোৱাৰ বাবেও এই লেখাৰ জৰিয়তে পৰামৰ্শ আগবঢ়োৱা হ'ল। ❐

---

**(৯ পৃষ্ঠাৰ পৰা)**

আমাৰ জৰীপটোত লাভ কৰা কিছুমান অসংগঠিত খণ্ডত পালন কৰা শেহতীয়া পৰিৱৰ্তন স্পষ্টভাৱে উদ্ধৃত কৰা হৈছে। উদাহৰণস্বৰূপে, অসংগঠিত খণ্ডৰ কৃতিত্ব আৰু কৰ্ম অভ্যাসৰ ওপৰত ঠিকা আৰু আনুষংগিককৰণে ইতিবাচক পৰিৱৰ্তন আৰু কল্যাণ হানি আঙুলিয়াই কেনেকৈ প্ৰভাৱ পেলাই সেইটো গুৰুত্বপূৰ্ণ দিশ। অসংগঠিত পণ্য উৎপাদন খণ্ডৰ নিয়োগ বিকাশ ২০০৫-০৬ আৰু ২০১০-১১ বৰ্ষৰ মাজৰ সময়ছোৱাত নেতিবাচক দেখা গৈছে। সম্ভৱতঃ অসংগঠিত খণ্ডত গোটসমূহ প্ৰতিযোগিতা কৰিবলৈ সমৰ্থ হোৱা নাই আৰু সেইবাবে শ্ৰম ব্যয় হ্ৰাস কৰাৰ কাৰণে নিযুক্ত লোকৰ সংখ্যা ব্যাপকভাৱে কমোৱা হৈছে। ভাৰতীয় পণ্য উৎপাদন ৰপ্তানিয়ে গা টঙাব নোৱাৰা আৰু অসংগঠিত খণ্ডত উৎপাদন কম মানৰ হোৱা বাবে বিশ্বায়নৰ নামত চীনৰ উদ্যোগে যিমান সুবিধা গ্ৰহণ কৰিছে তাৰ তুলনাত ভাৰতৰ বাবে এইটো এটা স্বপ্ন হৈ আছে।

উদ্যোগক বিকাশৰ চালিকা শক্তি হিচাপে গণ্য কৰি ভাৰত চৰকাৰে গ্ৰহণ কৰা শেহতীয়া প্ৰচেষ্টাসমূহ অসম্ভৱ যেন দেখা গৈছে কিয়নো অসংগঠিত বা অসংগঠিত পণ্য উৎপাদন বিকাশ আৰু নিয়োগৰ ক্ষেত্ৰলৈ উল্লেখযোগ্যভাৱে বৰঙণি যোগাব পৰা অৱস্থাত নাই। ইয়াৰ এটা ডাঙৰ প্ৰতিৰোধক হ'ল অসংগঠিত অৰ্থনীতি উদ্যোগ বস্তুগত আৰু বিত্তীয় মূলধনৰ অভাৱৰ সন্মুখীন হয় যাৰ ফল হ'ল শামুকীয়া গতিৰ শ্ৰম উৎপাদনশীলতা বিকাশ আৰু উপাৰ্জন। আনকি সামগ্ৰী বজাৰকৰণৰ ক্ষেত্ৰতো তেওঁলোক ঠিকাদাৰৰ ওপৰত নিৰ্ভৰশীল হয় আৰু এই প্ৰক্ৰিয়াই তেওঁলোকৰ মুনাফা উল্লেখযোগ্যভাৱে হ্ৰাস কৰে। কাৰ্যত নিয়োজিত শক্তি আৰু কামৰ চালান যদিও উৰ্দ্ধমুখী হৈছে, মধ্যভোগীৰ প্ৰভাৱ আৰু অংশ নিৰিখ ভিত্তিক আয়ৰ হেতু মুনাফা ন্যূনতম হোৱাৰ প্ৰৱণতা পৰিলক্ষিত হৈছে। এই সকলোবোৰ কাৰকে এটা অসংগঠিত খণ্ড নীতি প্ৰৱৰ্তন কৰাৰ সপক্ষে জোৰদাৰ যুক্তি প্ৰদৰ্শন কৰিছে যিটোৱে নিম্ন স্তৰত নিয়োজিত শ্ৰমিকৰ কল্যাণ হানিকৰ হোৱাৰ ক্ষেত্ৰত সহায় আগবঢ়াব পাৰে। ❐

উৎস ঃ ৰাষ্ট্ৰীয় নমুনা জৰীপ সংগঠনৰ (এন এছ এছ অ') নিয়োগ আৰু নিবনুৱা জৰীপ (২০০৯-১০) আৰু এই সংগঠনৰ অসংগঠিত পণ্য উৎপাদন উদ্যোগৰ (২০০৫-০৬, ২০১০-১১) সন্দৰ্ভত চলোৱা বিশেষ জৰীপ।

২০১৩ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ পৰা ৰোজগাৰ সমাচাৰ (উৰ্দু) ই-সংস্কৰণ আমাৰ হিন্দীৰ ৱেবচাইট www.rojgarsamachar.gov.in যোগে উপলব্ধ হৈছে। বৰঙণি দাতা/পাঠকসকলে ৱেবচাইট ই-সংস্কৰণ (উৰ্দু)ত click কৰি এই সংস্কৰণ পঢ়িব পাৰিব।

# ভাৰতত অসংগঠিত খণ্ডৰ কাম-কাজ আৰু জীৱিকা নিৰ্বাহৰ বিষয়

**ড° বি ভি ভোছলে***

**প্ৰস্তাৱনা**

বিশ্বৰ কৰ্মশক্তি বা কৰ্মবাহিনীৰ তুলনাত ভাৰতৰ অৰ্থনৈতিক ক্ষেত্ৰত আকাৰ আৰু পৰিসৰৰ দিশৰ পৰা সুকীয়া ধৰণৰ কৰ্মশক্তি পৰিলক্ষিত হয়। সংগঠিত আৰু অসংগঠিত উভয় খণ্ডতেই এনে কৰ্মশক্তি বিৰাজমান; আৰু এইবোৰে ভাৰতীয় অৰ্থনীতিৰ অগ্ৰগতি আৰু বিকাশত বৰঙণি যোগায়। যোৱা দশককেইটাত অসংগঠিত খণ্ডৰ তুলনাত সংগঠিত খণ্ডইহে ৰাজ্যৰ পৰা অধিক মনোযোগ আকৰ্ষণ কৰে আৰু ভালেখিনি সা-সুবিধাও পায়। ফলস্বৰূপে অসংগঠিত খণ্ড অবহেলিত অৱস্থাত থাকিব লগা হয়। পিচে ভাৰত চৰকাৰে তেনে অৱস্থাৰ পৰিৱৰ্তন সাধনৰ বাবে চিন্তা কৰে আৰু সেই মৰ্মে অলপতে অসংগঠিত খণ্ডৰ কৰ্মীসকলৰ কল্যাণৰ অৰ্থে এই খণ্ডক কিছু নীতিৰ পৰিসীমাৰ মাজলৈ আনিবলৈ প্ৰয়াস কৰিছে।

**অসংগঠিত খণ্ডৰ গাঁথনিৰ ধৰণ**

অসংগঠিত খণ্ড পঞ্জীয়নবিহীন ব্যক্তিগত উদ্যোগৰ দ্বাৰা গঠন কৰা হয় আৰু ইয়াক ব্যক্তিবিশেষ কিম্বা গৃহ প্ৰতিষ্ঠানৰ দ্বাৰা মালিকী স্বত্বৰ অধীনত ৰখা হয়। তেনে উদ্যোগ উৎপাদনৰ কামত ন্যস্ত হয় আৰু উৎপাদিত সামগ্ৰীসমূহো বিক্ৰী কৰা হয়। সেইবোৰ কাম মালিকানাধীন কিম্বা অংশীদাৰিত্বৰ ভিত্তিত কম শ্ৰমিকৰে সমাপন কৰা হয়। অসংগঠিত খণ্ডত বিধিৰহিত কৰ্মীসকলে কাম কৰে। নীতিগতভাৱে ন্যস্ত থকা কৰ্মীসকলে যি সামাজিক নিৰাপত্তাৰ লাভ উপভোগ কৰে সেইবোৰ তেওঁলোকে নাপায়। নিয়োগকৰ্তাই তেনে কৰ্মীসকলক কোনো ধৰণৰ নিয়োগৰ সা-সুবিধা প্ৰদান নকৰাকৈ কামত লগায়।

এনে কৰ্মধাৰাৰ দিশটোলৈ চাই আন্তৰ্জাতিক শ্ৰমিক সংগঠনে বিভিন্ন বিকাশশীল দেশত নিয়োগ সম্বন্ধে বুজ ল'বলৈ এটি অভিযান চলায়। ১৯৭২ চনত কেনিয়াত কৰা প্ৰথম অভিযানত এইটো পৰিলক্ষিত হয় যে পৰম্পৰাগত খণ্ড বাহাল আছে আৰু তাক লাভজনক তথা উপযুক্ত উদ্যোগসমূহক সামৰি ল'বলৈ সম্প্ৰসাৰিত কৰা হয়। লগতে সীমিত অৱস্থাৰ কাম-কাজকো ইয়াত ধৰা হয়। এই কেনিয়া অভিযানতেই ক্ষুদ্ৰ আকাৰ তথা অপঞ্জীকৃত অৰ্থনৈতিক কাম-কাজবোৰৰ কাৰণে 'অসংগঠিত খণ্ড' শব্দটো ব্যৱহাৰ কৰা হয়। এই শব্দ দুটা ব্ৰিটিছ অৰ্থনীতিবিদ তথা নৃতত্ত্ববিদ কেইথ হাৰ্থে ১৯৭১ চনত প্ৰয়োগ কৰে। হাৰ্থে ঘানাৰ চহৰ অঞ্চলত অৰ্থনৈতিক কাম-কাজৰ বিষয়ে সেই সময়ত অধ্যয়ন কৰিছিল।

**অসংগঠিত খণ্ডৰ সন্দৰ্ভত অধ্যয়ন**

এই খণ্ডটো সম্বন্ধে অধ্যয়ন কৰা সমাজ বিজ্ঞানীসকলৰ মাজত নতুন আগ্ৰহৰ উদ্ৰেক হোৱা হেতু বিষয়টোৱে গতি লাভ কৰে। পিচে ইয়াক লৈ পণ্ডিতসকলৰ মাজত তৰ্কৰো অৱতাৰণা নোহোৱা নহয়। অৰ্থনীতিৰ বিকাশ সাধনত এই খণ্ডটোৰ বৰঙণিৰ সম্ভাৱনাক তেওঁলোকে মানি ল'ব নোখোজে। প্ৰায় ৯২% শ্ৰমিক অসংগঠিত খণ্ডত আছে আৰু ৮% আছে সংগঠিত খণ্ডত। তথাপি এই খণ্ডটোৰ আকাৰৰ সন্দৰ্ভত সঠিক পৰিসংখ্যা আমাৰ নাই। অৱশ্যে কোনো কোনো অধ্যয়নত অসংগঠিত খণ্ডত ৯৪% শ্ৰমিক আছে বুলি উল্লেখ কৰে। অসংগঠিত খণ্ডৰ সন্দৰ্ভত নিয়মীয়া জৰীপ কৰা প্ৰয়োজন। এনেকি সংগঠিত খণ্ডৰ ভিতৰতেই ৫৮ শতাংশ কৰ্মশক্তি হ'ল বিধিৰহিত নিয়োগ লাভ কৰা লোক (ভাৰতৰ শ্ৰমিক আৰু নিয়োগ প্ৰতিবেদন, ২০১৪)। নতুন দিল্লীৰ ইণ্ডিয়ান ষ্টাফিং ফেডাৰেচনে কৰা অধ্যয়ন মতে কেন্দ্ৰীয় চৰকাৰৰ কাম-কাজত ন্যস্ত থকা ২.৮৮ কোটি বিধিগত খণ্ডৰ কৰ্মশক্তিৰ ভিতৰত ৪৩ শতাংশ (২০১৩ বৰ্ষৰ লেখত) ঠিকাভিত্তিক কিম্বা নৈমিত্তিক (কেজুৱেল) শ্ৰমিক আছে। অস্থায়ী চৰকাৰী কৰ্মী হ'ল ১.২৩ কোটি। ইয়াৰ ভিতৰত ১.০৫ কোটি হ'ল খণ্ডসমূহত কাম কৰা নৈমিত্তিক কৰ্মী আৰু তেনে খণ্ডৰ ভিতৰত উল্লেখ্য হ'ল— খনিজ তথা নিৰ্মাণ খণ্ড। এইবোৰত আনুষ্ঠানিকভাৱে কামৰ ঠিকা নিদিয়াকৈ কাম কৰিবলৈ দিয়া হয়। পঞ্চাছ আৰু যাঠিৰ দশকত এইটো

*ড° বি ভি ভোছলে মুম্বাই বিশ্ববিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ অধ্যাপক

বিশ্বাস কৰা হৈছিল যে মিশ্র অৰ্থনৈতিক নীতিৰ কালত পৰম্পৰাগত অৰ্থ ব্যৱস্থা গতিশীল আধুনিক অৰ্থনীতিলৈ ৰূপান্তৰ সাধন হ'ব। সৰু সৰু কাম, নৈমিত্তিক অৱস্থাৰ কাম-কাজ, ক্ষুদ্ৰ বাণিজ্য বিধিগত অৰ্থনীতিত মিলি যাব। পিচে সত্তৰৰ দশকত নিবনুৱাৰ সংখ্যা অধিক বৃদ্ধি হোৱাহে দেখা গ'ল।

আশীৰ দশকৰ প্ৰতিছবি হ'ল উত্তৰ আমেৰিকা আৰু ইউৰোপৰ আগশাৰীৰ পুঁজিবাদী অৰ্থনীতিত ঘটা পৰিৱৰ্তন। উৎপাদন ব্যৱস্থাত পুনৰ গঠন আকাৰে ৰূপ ধাৰণ কৰে; অৰ্থাৎ বিপুল পৰিমাণৰ উৎপাদনৰ পৰা কোনো কোনো ক্ষেত্ৰত বিশেষ গুৰুত্ব দি গঢ়ি তোলা দৃষ্টিভংগীৰ অৱলম্বন চকুত পৰে। এনে ধৰণৰ পুঁজিবাদী উৎপাদন নীতিয়ে অসংগঠিত খণ্ডত উৎপাদনৰ কাম আগুৱাই নিবলৈ সুবিধা পায়। নিয়োগৰ ক্ষেত্ৰত কোনো বিধি ব্যৱস্থা নাথাকে, উচিত মানৰ চাকৰি মানবিহীনলৈ গতি কৰে, নিয়োগকৰ্তা-সকলে চাকৰিৰ বাবদ কম বেতন দিবলৈ বিচাৰে আৰু যিবোৰ কাম-কাজত অধিক আশংকাৰ বিষয়টো জড়িত হৈ আছে তেনেবোৰ কামতো কৰ্মীসকলক অতি কম সা-সুবিধা দিয়া হয় আৰু তাত কোনো সামাজিক নিৰাপত্তা নাথাকে। ইয়াৰ পৰা সেই চাম নিয়োগকাৰী প্ৰতিষ্ঠান বা গোটৰ লাভ হয়। কাজেই অসংগঠিত খণ্ডৰ বিলুপ্তি ঘটাৰ খুব কম সুবিধাহে থাকে। ইপিনে পুঁজিবাদী অৰ্থনীতিৰ এয়া হ'ল এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য।

**গাঁথনিগত সুবিধাৰ কাৰ্যসূচী**

১৯৭০ৰ দশকত আফ্ৰিকা কিম্বা মেক্সিকোত গাঁথনিগত সুবিধাৰ কাৰ্যসূচীৰ আত্মপ্ৰকাশ ঘটে। এয়া এটি আচৰিত বিকাশ গতিৰ আৰম্ভণিয়েই বুলি ক'ব লাগিব। সেই গতিধাৰাত অৰ্থনীতিৰ বাট মুকলি হয়; বেপাৰ-বাণিজ্য আৰু উদাৰীকৰণৰ পথ প্ৰশস্ত হয়; ব্যক্তিগত উদ্যোগে সাৰ পায় আৰু বিদেশৰ বিনিয়োগ বৃদ্ধি হয়। মেক্সিকোত সংগঠিত খণ্ডৰ নিয়োগ ধাৰা কমি আহিবলৈ ধৰে। ধনী আৰু দুখীয়াৰ মাজত প্ৰভেদ বৃদ্ধি হয়। পূৰ্বৰ ছোভিয়েট ইউনিয়ন তথা মধ্য আৰু পূব ইউৰোপতো যি অৰ্থনৈতিক পৰিৱৰ্তনৰ গতিয়ে গা কৰি উঠে তাৰ ফলত অনানুষ্ঠানিক অৰ্থনীতি ব্যৱস্থাৰ সম্প্ৰসাৰণ ঘটে। ভাৰতৰ ক্ষেত্ৰত ১৯৯১ চনৰ পৰা নতুন অৰ্থনৈতিক সংস্কাৰ সাধনৰ পাচত একে কথাই খাটে। ৰাজহুৱা খণ্ড আৰু ব্যক্তিগত খণ্ড উভয়ৰে প্ৰতিষ্ঠানসমূহত কৰ্মীসকলক চাটাই কৰিবলৈ ধৰে। ফাৰ্ম বা গোটসমূহত কামৰ বাবে বাহিৰৰ পৰা শ্ৰমিক অনা আৰু ঠিকাভিত্তিক ব্যৱস্থাত উপ-ঠিকাৰো সুবিধা দিয়া হয়। এইবোৰ কাৰ্যৰ ফলত অসংগঠিত খণ্ডত নিয়োগৰ সংখ্যা বৃদ্ধি পায়।

পূৰ্বৰ চৰকাৰৰ উমৈহতীয়া ন্যূনতম কাৰ্যসূচীৰ অধীনত অসংগঠিত খণ্ডৰ কৰ্মীসকলৰ বাবে কিছু কল্যাণমূলক কাৰ্য হাতত ল'বলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। ভাৰত চৰকাৰে অসংগঠিত খণ্ডত উদ্যোগ বিষয়ক ৰাষ্ট্ৰীয় আয়োগ গঠন কৰে। ইয়াৰ উদ্দেশ্য আছিল অসংগঠিত খণ্ডত কাম কৰা লোকসকলৰ কামৰ গুণাগুণ বৃদ্ধি কৰা আৰু জীৱিকা নিৰ্বাহৰ ক্ষেত্ৰত উন্নতি সাধন কৰা। এই খণ্ডত উৎপাদনশীল ব্যৱস্থাক উন্নত কৰা, নিয়োগ সঞ্চাৰ, শ্ৰমিক আইন ৰূপায়ণ, শ্ৰমিক অধিকাৰক ঠাই দিয়া আৰু কৰ্মীসকলৰ বাবে সামাজিক নিৰাপত্তা ব্যৱস্থাৰ দিহা কৰাও আছিল ইয়াৰ উদ্দেশ্য।

আন এটা বিষয় হ'ল শ্ৰমিক বজাৰ। এই ক্ষেত্ৰত যিসকল শ্ৰমিকৰ ক্ষেত্ৰত বিভিন্ন পটভূমি, যেনে— জাতি, সম্প্ৰদায় আৰু অঞ্চলৰ বিষয়বোৰ জড়িত হৈ আছে সেই ক্ষেত্ৰত বৈষম্যমূলক ভাৱধাৰা গ্ৰহণ কৰা হয়। বিধিৰহিত কামে পুৰুষ আৰু মহিলাৰ ক্ষেত্ৰত কাম তথা উপাৰ্জনৰ মাজত সম্বন্ধ ছিন্ন কৰে; আৰু নিয়োগ-কৰ্তাসকলক শাস্তি বিহাৰ য'ত কোনো তেনে ধৰণৰ শক্তিশালী আইন নাই, সেইবোৰত বহু কৰ্মীৰ বাবে নিম্নতম বেতন লাভ কৰাটো হ'ল এটা সপোন। সেইবোৰ ঠাইত নিয়োগকৰ্তাই নিম্নতম বেতন আইন কাৰ্যকৰী নকৰে। তেওঁলোকে নিম্ন ধৰণৰ কাম-কাজবোৰ কৰিবৰ বাবে সীমিত বৰ্গৰ লোকৰ মাজৰ পৰা শ্ৰমিক আনে, কিন্তু দক্ষতামূলক চাকৰি, প্ৰাৰম্ভিক স্তৰৰ চাকৰিৰ বাবে উচ্চ বৰ্গৰ লোকক অগ্ৰাধিকাৰ দিয়ে। শ্ৰমিকৰ বজাৰত মহিলাসকল আটাইতকৈ অধিক বৈষম্যৰ বলি হয়। নিয়োগৰ যিবিলাক চাকৰি আছে তাৰ সৰহভাগেই কম উপাৰ্জনৰ। সৰহভাগ মহিলা অ-কৃষি-মূলক কাম-কাজত স্ব-নিয়োজিত হৈ থাকে আৰু তেনে কামবোৰ হ'ল ঘৰতেই থাকি কৰিব পৰা কাম। যদিও বিশ্বায়নৰ হেতু নতুন নতুন নিয়োগৰ সুবিধা ওলাইছে, তথাপি তেনে কামবোৰ তেনে ধৰণৰ মানসম্পন্ন কাম নহয়। সাজ-পোছাক খণ্ডৰ দৰে প্ৰতিষ্ঠানসমূহত সেই কামৰ সুবিধা থাকে।

ৰাষ্ট্ৰীয় আয়োগে অসংগঠিত খণ্ডৰ কৰ্মীসকলৰ কৰ্ম অৱস্থা বিধিবদ্ধ কৰিবলৈ দুখন খচৰা বিধেয়ক তৈয়াৰ কৰিছিল। এই ক্ষেত্ৰত কৃষি আৰু অ-কৃষি খণ্ডৰ কৰ্মশক্তিৰ গাঁথনিগত ব্যৱস্থাত ভিন্নতা আছে; আৰু সেয়ে আইন ৰূপায়ণৰ ক্ষেত্ৰতো ভিন্ন ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰতি গুৰুত্ব দিয়া হয়। বিশ্বৰ উন্নত আৰু বিকাশশীল কেইবাখনো দেশে সকলো

কৰ্মীৰেই কাম কৰাৰ নিম্নতম আদৰ্শজনক স্থিতি নিশ্চিত কৰিবৰ বাবে আন্তৰ্জাতিক সম্প্ৰদায়ে যি প্ৰতিশ্ৰুতি দিছিল, তাৰ প্ৰতি সেই দেশবোৰ বেচ সচেষ্ট আৰু সেই দিশত বহু দেশেই আইন বলবৎ কৰিছে। গোলকীয়কৰণৰ লগে লগে এনে দেশবোৰে স্বেচ্ছা-মূলকভাৱে আচৰণ বিধি তৈয়াৰ কৰিছে তথা তৃতীয় পক্ষৰ জৰিয়তে সেই কাম নিৰীক্ষণ কৰিবলৈ ব্যৱস্থা কৰিছে। ভাৰতৰ অসংগঠিত খণ্ডত এনে কৰ্ম অৱস্থা বিধিবদ্ধ কৰিবলৈ তেনে কোনো আইন নাই। কিছুমান কাম দৃষ্টিগোচৰ নহয়েই আৰু সেয়ে আইনৰ চকুৰ পৰা সাৰি যায়— যাৰ ফলত অসংগঠিত খণ্ডত শ্ৰমিকসকলক ভাল ব্যৱস্থা প্ৰদান কৰাৰ পৰা দূৰৈত ৰখা হয়। কাৰখানা, প্ৰতিষ্ঠান অথবা উদ্যোগ য'ত ১০ জন বা ততোধিক কৰ্মী আছে, তেনে সংগঠিত খণ্ডৰ কাৰণে আইনবোৰ বেচ ভালদৰে প্ৰয়োগ কৰা হয়। এনেকি কিছুমান ৰাজ্যত অসংগঠিত খণ্ডতো কৰ্ম অৱস্থা বিধিবদ্ধ কৰিবলৈ প্ৰয়াস কৰাৰ উদাহৰণ আছে। তাৰ ভিতৰত উল্লেখ কৰিব পাৰি— কেৰালা এগ্ৰিকালচাৰেল ৱৰ্কাৰ্ছ এক্ট ১৯৭৪, মহাৰাষ্ট্ৰ মাঠাদি, হামাল তথা অন্যান্য কায়িক শ্ৰমিক (নিয়োগ বিধিবদ্ধকৰণ তথা কল্যাণ) আইন, ১৯৬৯। অসংগঠিত খণ্ডৰ কৰ্মীসকলৰ অৱস্থা উন্নত কৰিবলৈ তামিলনাডু, মধ্য প্ৰদেশ, গুজৰাট আৰু পশ্চিম বঙ্গতো প্ৰয়াস অব্যাহত আছে। এই খণ্ডৰ বিভিন্ন শ্ৰেণীৰ কামসমূহ পৰীক্ষা কৰা আৰু কৰ্মীসকলকো চিনাক্ত কৰাটো গুৰুত্বপূৰ্ণ বিষয়— যাতে তেওঁলোকে কাম কৰা অৱস্থা আৰু জীৱিকা নিৰ্বাহৰ ধৰণ-কৰণৰ উন্নতি সাধিবলৈ উপযুক্ত আইনৰ ব্যৱস্থা কৰিব পাৰে। তেনে আইনবোৰ মানি নচলাসকলৰ ক্ষেত্ৰত কঠোৰ শাস্তিৰ বিহাৰ ব্যৱস্থাও থকা প্ৰয়োজন।

**আয়োগৰ আঠ ঘণ্টা কাম কৰা অনুমোদনাৱলী**

অসংগঠিত খণ্ডৰ উদ্যোগ বিষয়ত ৰাষ্ট্ৰীয় আয়োগে আঠ ঘণ্টা কাম কৰাৰ বিষয়ত অনুমোদন জনায়। তাৰ ভিতৰত কমেও আধা ঘণ্টা বিৰতি থাকিব লাগে। এদিনৰ দৰমহা সহ ছুটী (পেইদ লিভ), ৰাষ্ট্ৰীয় নিম্নতম বেতন, মহিলা নিয়োগ প্ৰমাণিকৃত বেতনৰ সমান অনুযায়ী কৰা ব্যৱস্থা, বেতন দিয়া দেৰি হ'লে শাস্তিৰ ৰূপত সুত দিয়া, বেতনৰ পৰা কোনো জৰিমনা কাটিব নালাগিব। অনুমোদনাৱলীত সংগঠন কৰাৰ অধিকাৰ, কৰ্মথলীত নিৰাপত্তা, দুৰ্ঘটনাত ক্ষতিপূৰণ, শিশু যতন ব্যৱস্থা আৰু যৌন নিপীড়নৰ পৰা মহিলা কৰ্মীক সুৰক্ষা দিয়াৰ লগতে লিঙ্গ, বৰ্ণ, ধৰ্মৰ আধাৰত কোনো বৈষম্য থাকিব নালাগিব বুলিও উল্লেখ আছে। ২০০৭ চনত দাখিল কৰা এই অনুমোদনাৱলী অসংগঠিত খণ্ডৰ বিভিন্ন ধৰণৰ কৰ্মীসকলৰ বাবে ৰূপায়ণ কৰাটো হ'ল প্ৰত্যাহ্বানৰ বিষয় আৰু ডাঙৰ কাম। ইয়াৰ বাবে বিভিন্ন ৰাজ্য চৰকাৰৰ ক্ষেত্ৰত প্ৰচেষ্টা আৰু দৃঢ়তাৰ প্ৰয়োজন হ'ব। লগতে ৰূপায়ণ কৰা সংস্থা কিম্বা কল্যাণমূলক বোৰ্ডে সেই কামবোৰ কেনেদৰে ৰূপায়ণ কৰা হয় তাক অবিৰতভাৱে পৰ্যবেক্ষণ কৰাৰো আৱশ্যক হ'ব।

কৰ্মী আৰু পৰিয়ালৰ বাবে চিকিৎসালয় সন্দৰ্ভত সহায়ক ধনৰাশিৰ পৰিমাণ প্ৰতি বছৰে কমেও ২৫,০০০ টকালৈ বৃদ্ধি কৰিব লাগিব। দৰিদ্ৰতা সীমাৰেখাৰ তলত বসবাস কৰা সকলো লোকলৈকে মাহিলি নিম্নতম ২৫০০ টকা পেঞ্চনৰ আকাৰত বৃদ্ধ বয়সৰ নিৰাপত্তামূলক ব্যৱস্থাৰ দিহা কৰিব লাগিব। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ উভয়তে ৬০ বছৰ বয়সৰ ওপৰৰ কৰ্মীসকলে নিজৰ গোটেই পৰিয়ালটোৰ কাৰণে যুটীয়াভাৱে স্বাস্থ্য বিষয়ৰ বীমা ল'ব পাৰে। ৩৯ আৰু ৪২ অনুচ্ছেদত কাম কৰাৰ ভাল অৱস্থাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। মূল নিৰ্দেশনা সূত্ৰৰ ৪৩ অনুচ্ছেদে সুন্দৰ জীৱন আৰু ব্যক্তি তথা সমবায় ভিত্তিত কুটীৰ শিল্পক উৎসাহিত কৰাৰ বিষয়ত জোৰ দিছে।

পৰম্পৰাগত উদ্যোগসমূহক সমৰ্থন আৰু ৰাষ্ট্ৰীয়কৃত বেংকৰ জৰিয়তে সহজ ঋণ প্ৰাপ্তিৰ ব্যৱস্থাই লোকসকলক ক্ষুদ্ৰ উদ্যোগ গঢ়ি তোলাত সহায় কৰিব। সমবায়সমূহৰ জৰিয়তেও তেনে ঋণৰ সুবিধা আছে। ৰাষ্ট্ৰীয় আয়োগৰ অনুমোদনাৱলীত বিশেষ সংস্থা সৃষ্টি কৰাৰ বিষয়টোও উল্লেখ আছে। সেই সংস্থাটো হ'ল— অসংগঠিত খণ্ডৰ ৰাষ্ট্ৰীয় পুঁজি (নেচনেল ফাণ্ড ফৰ দি আন-অৰ্গেনাইজেড ছেক্টৰ)। এটি বিধানিক সংস্থাৰূপে ১০০০ কোটি টকা পুঁজিৰে আৰম্ভ কৰা হ'ব আৰু এই পুঁজি আগবঢ়াব কেন্দ্ৰীয় চৰকাৰ, ৰাজহুৱা খণ্ডৰ বেংক, বিত্তীয় প্ৰতিষ্ঠান আৰু অন্যান্য চৰকাৰী সংস্থাই। এই ক্ষেত্ৰত মই এইটো ক'ব খোজো যে কেইটামান বিষয়ৰ অসংগঠিত খণ্ডৰ বিকাশৰ অৰ্থে কেন্দ্ৰীয় চৰকাৰে সুকীয়া বাজেটৰ দিহা কৰাৰ বিষয়ে ভাবিব পাৰে আৰু সেই বিষয়বোৰৰ ভিতৰত থাকিব পাৰে নিয়োগ, শিক্ষা, স্বাস্থ্য, বাসগৃহ ইত্যাদি। কৰ্পোৰেট খণ্ডক এই ৰাষ্ট্ৰীয় পুঁজিলৈ নিৰ্দিষ্ট হাৰত ধনৰাশি বৰঙণি দিবলৈ আহ্বান জনাব পাৰে। এনে ব্যৱস্থাই নিশ্চয় আৰ্থ-সামাজিক পৰিৱৰ্তন আৰু অসংগঠিত খণ্ডৰ কৰ্মীসকলৰ কল্যাণ সাধন কৰিব।

**অধিক বিকাশৰ বাবে ৰাজ্যৰ দায়িত্ব**

অধিক বৃদ্ধি আৰু বিকাশ সাধনৰ বাবে এই বৃহৎ খণ্ডটোক সমৰ্থন জনোৱাৰ

এতিয়াৰ দায়িত্ব হ'ল ৰাজ্যসমূহৰ। কাৰণ এই খণ্ডটোৰ অধিক বিকাশ লাভ কৰাৰ ক্ষমতা আছে। কিন্তু এই ক্ষেত্ৰত ইয়াৰ অভাৱ হ'ল শিক্ষা, দক্ষতা লাভৰ প্ৰশিক্ষণ আৰু সম্পদৰ। এই খণ্ডটো বিকাশৰ বাবে নীতি আৰম্ভ কৰিলে ৰাজ্য চৰকাৰে এইটো নিশ্চিত কৰিব লাগিব যে অসংগঠিত খণ্ডৰ কাম কৰা লোকসকলৰ কাম আৰু জীৱিকা নিৰ্বাহ যাতে নিশ্চিত থাকে সেইটো মন কৰিব লাগিব। তেওঁলোকক স্থানান্তৰ কৰিব নালাগিব আৰু যদি অগত্যা স্থানান্তৰ কৰিব লগা হয় তেনে ক্ষেত্ৰত তেওঁলোকলৈ ক্ষতিপূৰণ আৰু পুনৰসংস্থাপন পেকেজ আগবঢ়োৱাটো নিশ্চিত কৰিব লাগিব। বাস্তৱ ক্ষেত্ৰত এইটো দেখা যায় যে যেতিয়া বৃহৎ প্ৰকল্পৰ বাবে মাটি অধিগ্ৰহণ কৰা হয় তেতিয়া সেই মাটিত বসবাস কৰা লোকসকলক স্থানান্তৰিত কৰিব লগাত পৰে; আৰু সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ বিৰুদ্ধে খং গৈ কপালত উঠেগৈ। তেনে প্ৰকল্প হ'ল, যেনে— এক্সপ্ৰেছ ঘাইপথ, বিশেষ অৰ্থনৈতিক মণ্ডল, নতুন চহৰ, উদ্যোগ, বিমান বন্দৰ ইত্যাদি। এইবোৰ কাম হাতত লওঁতে দুখীয়া লোকসকলক উপযুক্ত-ভাৱে ক্ষতিপূৰণ দিয়া নহয় আৰু তেওঁলোকৰ পুনৰ সংস্থাপন ব্যৱস্থা কৰা নহয়। সৰু-সুৰা বেপাৰী, ৰিক্সাচালক, পথৰ দাঁতিৰ দোকানী, ঘৰৰ পৰা পৰিচালনা কৰা অন্যান্য সৰু সৰু অৰ্থনৈতিক কাম-কাজ কৰোঁতাসকলক লেখত লোৱা নহয়। কৰ্মথলীৰ পৰা তেনে লোকক আঁতৰাই পেলোৱা হয় আৰু তেওঁলোকৰ জীৱিকা নিৰ্বাহৰ পথো বন্ধ হৈ পৰে। তেনে লোকক হাৰাশাস্তি কৰা হয়। তেওঁলোকে জৰিমনা দিব লগা হয় কিম্বা জীৱিকা নিৰ্বাহ অব্যাহত ৰাখিবৰ বাবে উপঢৌকন দিব লগা হয়। তেওঁলোকক চহৰৰ বিকাশ সাধনৰ ক্ষেত্ৰত একোটা বাধাৰূপে গণ্য কৰা হয়। ভাৰতত চহৰ বিকাশ পৰিকল্পনাৰ সৰ্বাত্মক উন্নতি সাধনত এনে সকলো কাম-কাজক একোটা অংশস্বৰূপে গ্ৰহণ কৰি গঠনমূলক দৃষ্টিভঙ্গীৰে আগলৈ চোৱা প্ৰয়োজন।

**অৰ্থনৈতিক সংস্কাৰ সাধনৰ প্ৰভাৱ**

ভাৰতত ১৯৯১ চনত যি অৰ্থনৈতিক সংস্কাৰ সাধন কৰা হয় তাৰ পৰা বাণিজ্য আৰু ঔদ্যোগিক নীতিত বহুতো পৰিৱৰ্তন হোৱা দেখা যায়। এই পৰিৱৰ্তনে উৎপাদনৰ বাবে প্ৰতিযোগিতাৰ পথ প্ৰশস্ত কৰে। সুলভ শ্ৰমিকৰ সুবিধা প্ৰাপ্ত হোৱাৰ ফলত উৎপাদনৰ খৰচ হ্ৰাস পায়। আনপিনে বিশ্বত উৎপাদন ধাৰাৰো পৰিৱৰ্তন হয়— যিটোৱে শ্ৰমিকৰ ওপৰত প্ৰভাৱ পেলায়। অস্থায়ী কৰ্মী, নৈমিত্তিক কৰ্মী আৰু ঠিকাভিত্তিক শ্ৰমিকৰ বাবে অধিক চাহিদা বাঢ়ি যায়। ফলস্বৰূপে গোলকীয় উৎপাদন গতি চক্ৰত উৎসাহ বৃদ্ধি পায়। কাৰিকৰীগত বিকাশে উৎপাদন বিকেন্দ্ৰীকৰণ কৰাত গতি দান কৰে আৰু ইয়াৰদ্বাৰাই বিধিৰহিত ব্যৱস্থাৰ ক্ষেত্ৰত অধিক নিয়োগৰ পথ সূচনা কৰে। এইবোৰে ঘাইকৈ কাৰ্য সাধনৰ বাবে বহিঃ উৎসৰ জৰিয়তে তেনে পথ অৱলম্বন কৰাত সহায় কৰে।

নতুন অৰ্থনৈতিক সংস্কাৰ সাধনৰ পাচত দেশৰ ট্ৰেড ইউনিয়নসমূহে পূৰ্বৰ শক্তি হেৰুৱায়। কৰ্মীসকলৰ অধিকাৰ প্ৰতিপন্ন কৰাৰ বিপ্লৱাত্মক শক্তি লোপ পায়। তাৰ লগতে এই ইউনিয়নসমূহৰ আকাৰ হ্ৰাস পায় আৰু চৰকাৰৰ ওপৰত হেঁচা প্ৰয়োগ কৰাৰ গতি অব্যাহত ৰাখিব নোৱাৰা হয়। কেন্দ্ৰীয় ট্ৰেড ইউনিয়ন-সমূহে অসংগঠিত খণ্ডৰ কৰ্মী-সকলৰ বাবে উপযুক্ত ভূমিকা গ্ৰহণ নকৰে, বৰং সেই ইউনিয়নসমূহে তেনে কৰ্মীসকলক অৰ্থাৎ কাৰখানা বা উদ্যোগত কাম নকৰাসকলক কেতিয়াও কৰ্মীৰূপে বিবেচনা নকৰে। বৰ্তমানে সংগঠিত খণ্ডৰ কৰ্মীসকলেও তেওঁলোকৰ অধিকাৰ বৰ্তাই ৰাখিবলৈ সংগ্ৰাম কৰিছে। কেন্দ্ৰীয় ট্ৰেড ইউনিয়নে নিজৰ বৈশিষ্ট্য হেৰুৱাইছে। অৱশ্যে কোনো কোনো ট্ৰেড ইউনিয়নে তাৰ গুৰুত্ব উপলব্ধি কৰিছে আৰু সেয়ে সম্প্ৰতি অসংগঠিত খণ্ডৰ কৰ্মীসকলৰ সৈতে কাম কৰিবলৈ আৰম্ভ কৰিছে। বৰ্তমানে থলুৱা আৰু উদ্যোগ ইউনিয়নসমূহৰ 'স্বতন্ত্ৰতা' বৃদ্ধি পাইছে। ইয়াৰ বাহিৰেও স্বতন্ত্ৰীয়া ট্ৰেড ইউনিয়নৰ আত্মপ্ৰকাশ ঘটিছে— যিবোৰৰ সৰহভাগেই অসংগঠিত খণ্ডৰ নন-ট্ৰেড ইউনিয়ন আৰু অনা-চৰকাৰী সংগঠন। ঘাই সূঁতিৰ ট্ৰেড ইউনিয়নে অসংগঠিত খণ্ডৰ কৰ্মীসকলৰ অধিকাৰৰ কাৰণে কোনো উদ্বেগ প্ৰকাশ কৰা দেখা নাযায়। অৱশ্যে ইয়াত কোনো সন্দেহ নাই যে গোলকীয়কৰণে নিয়োগ বৃদ্ধিৰ পথ প্ৰশস্ত কৰে আৰু ভাৰতৰ বিকাশ দৃশ্যপটলৈকো অৰিহণা যোগায়। পিচে দকৈ ভাবি চালে এইটো দৃশ্যমান হ'ব যে নিয়োগৰ গুণগত দিশৰ মান ঠিক কৰা হোৱা নাই। নতুন নিয়োগ ব্যৱস্থাত সামাজিক নিৰাপত্তা আৰু চাকৰিৰ ৰক্ষণাবেক্ষণৰ ওপৰত গুৰুত্ব দিয়া হোৱা নাই। ২০০৪-০৫ বৰ্ষলৈকে এনে অৱস্থা অব্যাহত থকা পৰিলক্ষিত হয়। অৱশ্যে তাৰ পৰৱৰ্তী কালতো এই প্ৰক্ৰিয়া চলি থাকে। সৰহভাগ নিয়োগ সুবিধা অসংগঠিত খণ্ড কিম্বা সংগঠিত খণ্ডৰ বিধি বহিৰ্ভূত চাকৰিৰ ক্ষেত্ৰতহে কাৰ্যকৰী হৈ থাকে।

**সেৱা খণ্ডত প্ৰতিফলিত ছবি**

ভাৰতীয় অৰ্থনীতিয়ে সেৱা খণ্ডত বৃদ্ধিৰ গতি দেখা পায়। সেৱা খণ্ডৰ

**(৩৭ পৃষ্ঠাত চাওক)**

# অসংগঠিত খণ্ড ঃ নগৰৰ ভূমিৰ ভূমিকা

**ৰাজেশ ভট্টাচাৰ্য***

**পাতনি**

ভাৰতৰ অধিকাংশ শ্ৰমিকৰ জীৱিকাৰ মূল উৎস হ'ল অসংগঠিত খণ্ড। দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনা অনুসৰি সমুদায় শ্ৰমিক শক্তিৰ ৮৪ শতাংশই অসংগঠিত খণ্ডত নিয়োজিত (বিত্ত আয়োগ, ২০১৩)। স্বাধীনতা লাভৰ পৰা ১৯৮০ চনৰ মাজভাগলৈ ভাৰতত অৰ্থনৈতিক নিয়ন্ত্ৰণৰ আখৰা চলে আৰু তাৰ পাচৰ পৰা আৰ্থিক উদাৰীকৰণ। অসংগঠিত খণ্ডৰ উভয় ক্ষেত্ৰতে আহুকলীয়া বিষয়, যদিও সংগঠিত খণ্ড জড়িত থকা প্ৰসংগক লৈ হোৱা শৈক্ষিক বা নীতি সম্পৰ্কীয় আলোচনাত এনে বুলি গণ্য কৰা নহয়। বিত্ত আয়োগত থকা ক্ষুদ্ৰ আৰু কুটীৰ উদ্যোগৰ প্ৰতি ভূমিকা কেনে সেয়া মনত ৰখা বাঞ্ছনীয়। ১৯৬০ চনৰ শেষৰ ভাগত আৰু ১৯৭০ৰ দশকটোত থকা ক্ষুদ্ৰ খণ্ডৰ উদ্যোগৰ বাবে সামগ্ৰীৰ সংৰক্ষণৰ উল্লেখনীয় নীতি আৰু মহলানবিছৰ দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনা প্ৰাক-উদাৰীকৰণ যুগৰ নিয়োগ সমস্যা সমাধানৰ ক্ষেত্ৰত অসংগঠিত ক্ষেত্ৰৰ বাবে উল্লেখনীয়। একেদৰে, শেষৰ দশকটোত উদ্ভৱ হোৱা 'সৰ্বাংগীন বিকাশ'ৰ বিষয়টোৱে ১৯৮০ চনৰে পৰা উচ্চতৰ সামগ্ৰিক উন্নয়নৰ হাৰ সত্ত্বেও অসংগঠিত উৎপাদনৰ প্ৰচলনলৈ আঙুলিয়ায়।

দ্ৰুত নগৰীকৰণ আৰু কনিষ্ঠতৰ শ্ৰমিক শক্তিৰ বিকাশে অনাগত দশকত ভাৰতৰ অসংগঠিত খণ্ডত বাৰুকৈয়ে প্ৰভাৱ পেলাব। অহা তিনিটা দশকৰ ভিতৰত ভাৰতৰ আধা সংখ্যক জনসংখ্যাই নগৰীয়া হ'ব আৰু নগৰীকৰণৰ হাৰত বিশ্বৰ শীৰ্ষত থাকিব ভাৰত (ছুৱেৰ্টছ, ২০১৪)। এই একে সময়ছোৱাত দেশখন বিশ্বৰ বৃহত্তম আৰু কনিষ্ঠতম শ্ৰমিক শক্তিৰ এটাৰূপে চিহ্নিত হ'ব। ২০৩৫ চনৰ ভিতৰত মুঠ জনসংখ্যাৰ ৬৮ শতাংশ হ'ব ১৫ বছৰৰ পৰা ৬৮ বছৰৰ ভিতৰ শ্ৰমিক। নগৰীয়া অসংগঠিত খণ্ডত অদূৰ ভৱিষ্যতে বিস্ফোৰক বিকাশ পৰিলক্ষিত হ'ব। যদি অসংগঠিত শ্ৰমিক শক্তিৰ এই ধাৰা অব্যাহত থাকে, আমি দৰিদ্ৰতা আৰু পেটে-ভাতে খাই থকা লোকৰ চমকপ্ৰদ নগৰীকৰণ দেখা পাম। চৰকাৰী দাৰিদ্ৰ্য সীমাৰেখা অনুসৰি দাৰিদ্ৰ্যৰ চৰম অৱনমন দেখিলেও এই নগৰীকৰণ চলি থাকিব।

সংগঠিত আৰু অসংগঠিত ক্ষেত্ৰৰ প্ৰতিযোগিতামূলক চাহিদা অনুসৰি নগৰৰ ভূমিৰ বাবে অৰিয়াঅৰি চলিব আৰু নগৰীয়া সম্পত্তিৰ অধিকাৰ বিস্তৃত ৰাজনৈতিক আলোচনা আৰু খৰিয়ালৰ কেন্দ্ৰ হৈ পৰিব। এই নিবন্ধত মই নগৰীয়া অসংগঠিত খণ্ডৰ শ্ৰমিকৰ অৱস্থালৈ দৃষ্টিপাত কৰাৰ লগতে নগৰীয়া অসংগঠিত খণ্ডৰ কম-স্বীকৃত অথচ তাৎপৰ্যপূৰ্ণ দিশটোত অৱলোকন কৰিছোঁ— অসংগঠিত উৎপাদন আৰু জীৱিকা অব্যাহত ৰখা 'সাধাৰণ নগৰীয়া'ৰ গুৰুত্বৰ দিশটোত। দৰিদ্ৰ-সকলৰ সম্পত্তিৰ অধিকাৰৰ প্ৰশ্নটোৱে আমাক মুখামুখি কৰায় নগৰীয়া অঞ্চলত অসংগঠিত উৎপাদনে। একবিংশ শতিকাৰ নগৰীয়া নীতি এইক্ষেত্ৰত গুৰুত্বপূৰ্ণ হ'ব। নগৰীয়া শ্ৰমিক শক্তিৰ জীৱিকাত যদি অসংগঠিত ক্ষেত্ৰই আধিপত্য বিস্তাৰ কৰে তেন্তে অসংগঠিত সম্পত্তিৰ অধিকাৰ ভূমিৰ ওপৰত হ'বলৈ এই নগৰীয়া নীতি মানি চলিব লাগিব।

**ঘৰ আৰু কাৰখানা ঃ ধূসৰ সীমা**

বস্তি অঞ্চলসমূহ আছেই; বৰ্তমানৰ ধাৰা অব্যাহত থাকিলে নগৰীয়া অসংগঠিত শ্ৰমিক আৰু অসংগঠিত উৎপাদনৰ মূল সামাজিক অৱস্থান হ'ব এই বস্তি অঞ্চল। বস্তি অঞ্চলত পৌৰ, পাৰিপাৰ্শ্বিক আৰু সম্পত্তি আইনৰ নিয়মীয়া উলংঘনেৰে বৃহৎ পৰিমাণৰ অসংগঠিত উৎপাদন হয়। বস্তি অঞ্চল কেৱল থকা ঠাই নহয়; এইবোৰ প্ৰকৃতাৰ্থত দুখীয়া লোকৰ 'ঔদ্যোগিক উপনগৰী'। নগৰীয়া জনসংখ্যাৰ বিস্ফোৰণ ঘটা বাবে অসংগঠিত শ্ৰমিক শক্তিৰ বৃহৎ সংখ্যকে বস্তি অঞ্চলত অৱস্থিত ঘৰৰ চৌহদত কৰা উৎপাদনৰ ওপৰতে নিৰ্ভৰশীল হ'ব লগাত পৰিছে। এনে চি ই ইউ এছ (২০০৭)ৰ প্ৰতিবেদন অনুসৰি নগৰীয়া অসংগঠিত খণ্ডত

*ৰাজেশ ভট্টাচাৰ্য কলকাতাস্থিত ইণ্ডিয়ান ইনষ্টিটিউট অব মেনেজমেণ্টৰ ৰাজহুৱা নীতি আৰু ব্যৱস্থাপনা গোটত কৰ্মৰত

কেৱল পৰিয়ালৰ সদস্যই একোটা সৰু কুটীৰ উদ্যোগ গঢ়ি তোলে। অন্য কথাত, তেওঁলোকে কোনো মজুৰি দিয়া শ্ৰমিক অবিহনে সৰু ব্যৱসায় বা ক্ষুদ্ৰ উৎপাদন গোট গঢ়ি তোলে; তেওঁলোকে পৰিয়ালৰ লোকসকলক 'সহায়কাৰী'-ৰূপে কামত লগায়। বাসগৃহই হৈ পৰে উৎপাদনৰ থলী, ব্যৱহাৰোপযোগী ঘৰুৱা সামগ্ৰীয়েই হয় ব্যৱসায়ত নিৰ্দিষ্ট বিনিয়োগ। ঘৰুৱা ব্যয় আৰু উৎপাদন ব্যয়ৰ মাজত পাৰ্থক্য বিচাৰি পাবলৈ টান। অসংগঠিত উৎপাদনকাৰীয়ে ঘৰৰ চৌহদত উৎপাদন কৰিবলৈ আৱশ্যকীয় উৎস ঘৰুৱা সামগ্ৰীৰে পূৰণ কৰে (সান্যাল আৰু ভট্টাচাৰ্য, ২০০৯)। উৎপাদনৰ থলী ঘৰৰ ভিতৰতে হোৱাটো নিৰ্দিষ্ট বিনিয়োগৰ স্তৰ ইমান কম হোৱা সত্ত্বেও অসংগঠিত উৎপাদন গোট জীয়াই থাকিবলৈ সক্ষম হোৱাৰ অন্যতম কাৰণ। এয়া সাজি উলিওৱা উদ্যোগৰ ক্ষেত্ৰত বাস্তৱ। ১৯৯৯-২০০০ চনত, সাজি উলিওৱা সামগ্ৰীৰ একক প্ৰচেষ্টাত হোৱা গোটসমূহৰ ভিতৰত গাঁৱৰ ৭৬ শতাংশ গোট আৰু নগৰৰ ৬৩ শতাংশ গোট ঘৰৰ চৌহদত অৱস্থিত (এন চি ই ইউ এছ, ২০০৭)। গৃহ ভিত্তিক উৎপাদনে সূচায় যে দৰিদ্ৰৰ কেৱল ঘৰুৱা আৱশ্যকীয় বস্তুবোৰ চিহ্নিত কৰি তেওঁলোকৰ ব্যৱসায়িক কাৰ্যকলাপ যদি চিহ্নিত কৰা নহয়, বস্তি অঞ্চলৰ অসংগঠিত কাৰ্যকলাপ নিশ্চিহ্ন হৈ পৰিব। অৱশ্যে বস্তি অঞ্চলত হোৱা এনে কাৰ্যকলাপৰ অৱস্থাৰ সৈতে প্ৰচলিত পাৰিপাৰ্শ্বিক আৰু অন্য পৌৰ আইনৰ প্ৰায়েই বিৰোধ পৰিলক্ষিত হয়।

**নগৰীয়া**

অসংগঠিত উৎপাদন বৰ্তাই ৰাখিবলৈ বস্তিসমূহে 'ৰাজহুৱা পতিত মাটি'ৰ ভূমিকা উদাহৰণস্বৰূপে দাঙি ধৰে। অসংগঠিত অৰ্থনীতিৰ অন্তৰ্ভুক্ত পৰিয়ালসমূহৰ মৌলিক জীৱিকা অৰ্জন মূলতঃ পণ্য উৎপাদনৰ বাবে প্ৰয়োজনীয় পৰ্যাপ্ত উৎস তেওঁলোকৰ আছে নে নাই তাৰ ওপৰত নিৰ্ভৰ কৰে। অৱশ্যে আনুষ্ঠানিকভাৱে ঋণ লাভৰ ক্ষেত্ৰত অসুবিধা আৰু স্থায়ী পুঁজিৰ অভাৱৰ বাবে তেওঁলোকে বজাৰ-বহিৰ্ভূত উপায় উদ্ভাৱন কৰিবলৈ বাধ্য হয়। চৰকাৰী তথ্য অনুসৰি সাধাৰণ অসংগঠিত প্ৰাৰম্ভিক বিনিয়োগৰ ক্ষেত্ৰত অতি কম পৰিমাণৰ ব্যয় হয়। গতিকে এনে হোৱাৰ বাবে এই পৰিয়ালসমূহৰ জীৱিকা অৰ্জনৰ ক্ষেত্ৰত বিশেষ সমস্যাৰ সৃষ্টি নহয়। বিনিয়োগৰ ক্ষেত্ৰত সহায় কৰা উৎসবোৰ হ'ল— বেদখল, সংগঠিত খণ্ডলৈ ব্যক্তিগতভাৱে যোগান ধৰা সেৱাসমূহৰ অবৈধ অংশীদাৰ হোৱা (হাকোটাৰে বিদ্যুৎ চুৰি), অসংগঠিত অৰ্থনীতিৰ ভিতৰুৱা সাধাৰণ সম্পত্তিৰ অংশীদাৰ হোৱা (যেনে— বস্তিৰ দৰে বেদখলী মাটি), অসংগঠিত অৰ্থনীতিৰ সহ-উৎপাদনকাৰীৰ সম্পত্তিৰ পৰা সুতমুক্ত ঋণ, দক্ষতা আৰু বজাৰৰ বিষয়ে তথ্যৰ আদান-প্ৰদান আদি।

উদ্বৃত্ত জনসংখ্যাৰ জীৱিকা অৰ্জনৰ মৌলিক অৱস্থা হ'ল সুবিধা আহৰণৰ সামৰ্থ্য। প্ৰচলিত ব্যক্তিগত সম্পত্তিৰ অধিকাৰ খৰ্ব কৰি তেওঁলোকে সুবিধা আহৰণ কৰে। প্ৰশাসনৰ দৃষ্টিভংগীৰ পৰা অবৈধতা আৰু অসংগঠিত খণ্ডৰ ওপৰা-উপৰি যথেষ্ট উদ্বেগৰ বিষয়। কম পৰিমাণে চিহ্নিত হোৱা বিষয়টো হ'ল সুবিধা সৃষ্টিত ক্ৰিয়া কৰা অবৈধ কামসমূহ। এই অবৈধতা এটা দৃষ্টিকোণৰ পৰা সঠিক (ব্যক্তিগত সম্পত্তিৰ বেদখল) আৰু আন এটা দৃষ্টিকোণৰ পৰা উৎপাদনশীল যেন অনুভৱ হয় (ভট্টাচাৰ্য, ভট্টাচাৰ্য আৰু সান্যাল, ২০১৩)।

নগৰীয়া সুবিধাৰ অন্তৰ্ভুক্ত হ'ল তথাকথিত 'ৰাজহুৱা সম্পত্তি'— আমি উশাহ লোৱা বতাহ, ৰাজহুৱা উদ্যান আৰু পথাৰ, ৰাজহুৱা পৰিবহণ, ৰাজহুৱা অনাময় ব্যৱস্থা, ৰাজহুৱা বিদ্যালয়, ৰাজহুৱা জলপথ ইত্যাদি। কিন্তু কেতবোৰ কম স্পষ্ট বিষয়ো ইয়াৰ অন্তৰ্ভুক্ত, যেনে পৌৰ আৱৰ্জনা যি জাবৰ-খুঁচৰি জীৱিকা নিৰ্বাহ কৰাসকলৰ বাবে সুবিধাজনক, জলাহ, জলভূমি, মাছমৰীয়াৰ জীৱিকা অৰ্জনৰ বাবে নদী, ধুবুনী আৰু নগৰীয়া কৃষক, পথসমূহ যাতায়াতৰ বাবে থাকে যদিও এইসকল লোকে য'ত কাম কৰে, থাকে, ভাল পায়, সপোন দেখে; আৰু স্থানীয় বজাৰসমূহ, যিবোৰ বাণিজ্য আৰু সাংস্কৃতিক উদ্ভাৱনৰ থলী (গিড্ৱানী আৰু বাৰিছকাৰ, ২০১১-১৩)।

জীৱন আৰু জীৱিকা সৃষ্টিৰে সুবিধা আহৰণ কৰা হয়; 'সাধাৰণ লোকৰ নীৰৱ বেদখল' প্ৰক্ৰিয়াৰ জৰিয়তে প্ৰায়েই সুবিধা উলিয়াই লোৱা হয় (বায়াট, ১৯৭৭)। মহানগৰসমূহৰ ৰাজহুৱা স্থান আৰু সম্পদৰ ন্যায়িক মালিকানাৰ অধিকাৰৰ ওপৰত অসংগঠিত সম্প্ৰদায়ৰ 'ব্যৱহাৰৰ অধিকাৰ' আৰোপ কৰি অসংগঠিত শ্ৰমিক শক্তিয়ে কাৰ্যতঃ নগৰীয়া সম্পদসমূহ তেওঁলোকৰ উৎপাদন আৰু ব্যৱসায়িক কামত ব্যৱহাৰ কৰে। পাৰ্থসাৰথি (২০১১)য়ে উদাহৰণ দাঙি ধৰিছে যে মুম্বাইত কাৰুশিল্পী আৰু ক্ষুদ্ৰ উৎপাদনকাৰী-সকলে খাদ্য অন্বেষণ, চিকাৰ আৰু সংগ্ৰহৰ জৰিয়তে ব্যক্তিগত আৰু ৰাজহুৱা প্ৰাকৃতিক সম্পদসমূহ (যেনে খাল-বিল-নদী, উদ্যান, ঘাঁহনি আদি) কেনেদৰে ব্যৱহাৰ কৰি আহিছে।

কলকাতা ভ্ৰমণ কৰিলে দেখা যায় যে পুৰণি ব্যৱসায়, বজাৰ আৰু বিনোদনৰ জিলা এছপ্লেনেড হকাৰ আৰু বিক্ৰেতাই দখল কৰি লৈছে। বিখ্যাত অ'বেৰয় গ্ৰেণ্ড হোটেলৰ চৌপাশে পদপথসমূহ দখল কৰি লৈছে এইসকল ক্ষুদ্ৰ ব্যৱসায়ীয়ে।

**দৰিদ্ৰৰ বাবে সম্পত্তিৰ অধিকাৰ**

অষ্ট্ৰম (১৯৯০)ৰ লগতে অষ্ট্ৰম আৰু অন্যান্য (১৯৯৯)ৰ মতে অসংগঠিত সম্প্ৰদায়ে ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত আমি সম্পত্তিৰ অধিকাৰ অধিক জটিল কৰি তুলিব লাগে। স্থানীয় আৰু অনানুষ্ঠানিক প্ৰশাসনৰ গৱেষণাই দেখুৱায় যে আনুষ্ঠানিক মালিকীস্বত্ব অবিহনেও ভূমিখণ্ডক অসংগঠিত সম্প্ৰদায়ে উৎপাদনশীলৰূপে ব্যৱহাৰ কৰি থাকে। এয়া নগৰীয়া সম্পদসমূহৰ ক্ষেত্ৰতো প্ৰযোজ্য। ন্যায়িক মালিকী-স্বত্বসহ সম্পত্তিৰ অধিকাৰ চিহ্নিতকৰণ সত্বেও এই সম্প্ৰদায়সমূহে অধিকাৰ কৰা ভূমিত 'প্ৰৱেশ', 'প্ৰত্যাহাৰ', 'ব্যৱস্থাপনা' আৰু 'বৰ্জন'ৰ অধিকাৰ নাথাকে। এই ধৰণৰ এটা উদাহৰণ হ'ল কলকাতাৰ নিৰ্দিষ্ট পথসমূহত অট'ৰিক্সাবোৰৰ সংগঠন। কলকাতাৰ অৰ্ধেক সংখ্যক অট'ৰিক্সা অবৈধ হ'লেও এই 'উদ্যোগ' অট'চালকসকলৰ সংগঠনে অনানুষ্ঠানিকভাৱে নিয়ন্ত্ৰণ কৰে (প্ৰায়েই আনুষ্ঠানিক শ্ৰমিক সংগঠনৰ বেনাৰত ৰাজনৈতিকভাৱে সংগঠিত)। এই সংগঠনসমূহে প্ৰতিটো পথতে অট'ৰিক্সাৰ সংখ্যা সীমাবদ্ধ কৰে আৰু নিৰ্দিষ্ট ঠাইৰ বাহিৰত যাত্ৰী উঠোৱাৰ ক্ষেত্ৰত সংগঠিতভাৱে বাধা দিয়ে। এনেদৰে 'প্ৰৱেশ' আৰু 'প্ৰত্যাহাৰ' অধিকাৰ অবৈধভাৱে হ'লেও অনানুষ্ঠানিকভাৱে কাৰ্যকৰী কৰা হয়। বস্তি অঞ্চলত বিভিন্ন ধৰণে ঠাই অধিকাৰ কৰি 'ব্যৱস্থাপনা' আৰু 'বহিৰ্ভূত' অধিকাৰ সাব্যস্ত কৰা হয়— ৰে'ল কলনিৰ ঘৰসমূহত ব্যক্তিগত বিনিয়োগ আৰু অনাময় আৰু বৈদ্যুতিকীকৰণত পৌৰ বিনিয়োগৰ জৰিয়তে। ধাৰাভি বস্তি অঞ্চলতো এনে ধৰণে বিশেষ জনগোষ্ঠী বা ধৰ্মীয় সম্প্ৰদায়ৰ নিৰ্দিষ্ট উৎপাদন প্ৰক্ৰিয়া চলোৱা হয়। অসংগঠিত শ্ৰমিক শক্তিৰ সম্পত্তিৰ ন্যায়িক অধিকাৰ নথকা বাবে তেওঁলোকে ৰাজহুৱা আনকি ব্যক্তিগত সম্পত্তিকো সুবিধাৰূপে গণ্য কৰে। এনে হোৱাৰ ফলত সম্পদসমূহৰ ওপৰত তেওঁলোকৰ অধিকাৰ অনানুষ্ঠানিক 'মালিকীস্বত্ব'ৰ দৰে হয়গৈ (যেনে— অষ্ট্ৰম (১৯৯৯)ৰ মতে তেওঁলোকে 'প্ৰৱেশ', 'প্ৰত্যাহাৰ', 'বহিৰ্ভূত' আৰু 'ব্যৱস্থাপনা'ৰ অধিকাৰ ভোগ কৰে)।

নগৰীয়া অসংগঠিত ক্ষেত্ৰত দুটা ভিন্ন সমাধান উলিওৱা হৈছে। প্ৰচলিত নগৰীয়া নৱীকৰণ নীতি অনুসৰি, উদাহৰণ স্বৰূপে, বস্তি অঞ্চলৰ পুনৰ উন্নয়নত গুৰুত্ব দিয়া হৈছে; কিন্তু ব্যৱসায়িক দিশত নিমাত। এইটো প্ৰায়েই মানি লোৱা দেখা নাযায় যে জীৱন আৰু জীৱিকা কেৱল ঘৰৰ চৌহদতে সীমাবদ্ধ নাথাকে, ই সমগ্ৰ বস্তি অঞ্চলতে বিয়পি পৰে। গতিকে ঘৰৰ লগতে ব্যৱসায়ৰ সুৰক্ষাও সমানেই প্ৰয়োজনীয় (সান্যাল আৰু ভট্টাচাৰ্য, ২০০৯)। পৰিয়ালসমূহে ঘৰৰ চাল, চোতাল আৰু ঘৰসমূহৰ মাজৰ খালী ঠাইসমূহ উৎপাদিত দ্ৰব্য উৎপাদন, জমা আৰু বিক্ৰীৰ বাবে ব্যৱহাৰ কৰে।

নগৰীয়া খালী ঠাইৰ ক্ৰমবৰ্দ্ধমান চাহিদা আৰু মহানগৰীত ঊৰ্দ্ধগামী নিৰ্মাণৰ হেঁচাৰ বাবে বস্তি পুনৰ উন্নয়ন আঁচনি অনুসৰি বস্তিৰ ঠাইত অট্টালিকা নিৰ্মাণ কৰা হ'ব, য'ত বস্তিবাসীয়ে বিনামূলীয়াকৈ অথবা বৰ কম মূল্যত থাকিবলৈ পাব। ধাৰাভি পুনৰ উন্নয়ন আঁচনিত এই কথা ব্যাখ্যা কৰা হৈছে। কিন্তু সৰু সৰু ফ্লেটসমূহত উৎপাদন কৰিব পৰা নাযাব আৰু গৃহভিত্তিক উৎপাদন ক্ৰিয়া বন্ধ হৈ যাব।

হাৰনাণ্ডো ডি ছ'ট' (১৯৯৩, ২০০৩)ৰ মতে ন্যায়িক ব্যৱস্থাই ভূমি খণ্ডৰ ওপৰত প্ৰচলিত সম্পত্তিৰ অধিকাৰ সন্দৰ্ভত চিন্তা-চৰ্চা কৰি দৰিদ্ৰজনৰ সম্পত্তিৰ অধিকাৰ আনুষ্ঠানিক কৰিব লাগে।

ডি ছ'ট'ৰ মতে (২০০৩) দৰিদ্ৰ অনানুষ্ঠানিক উৎপাদনকাৰীৰ দৰিদ্ৰতা মোচন নোহোৱাৰ কাৰণ হ'ল তেওঁলোকে সম্পত্তি স্থানান্তৰ কৰিব নোৱাৰে। তেওঁলোকৰ সম্পত্তি 'মৃত মূলধন'ৰ দৰে গেঁথেলা লাগি থাকে। তেওঁলোকে নিজস্ব সম্পত্তিসমূহৰ বিপৰীতে ঋণ ল'ব নোৱাৰে বা বিক্ৰী কৰিব নোৱাৰে। পট্টা অবিহনে তেওঁলোকে কথমপি জীৱন ধাৰণহে কৰিব পাৰে; ন্যায়িকভাৱে গতিশীল ক্ষুদ্ৰ উদ্যোগী হোৱাত বাধা আহি পৰে।

ডি ছ'ট'ৰ ধাৰণা আকৰ্ষণীয় হ'লেও ভালদৰে লক্ষ্য কৰিলে দেখা যায় যে ই জটিলো। অসংগঠিত শ্ৰমিকসকল সৰু উৎপাদনকাৰীৰ লগতে ক্ষুদ্ৰ পামৰো গৰাকী, তেওঁলোকে আত্মসংস্থাপনৰ বাট মুকলি কৰি লৈছে যদিও নিয়োগকৰ্তাও। তেওঁলোকে জীৱিকাৰ বাবে ব্যৱসায় চলাইছে যদিও ই লাভদায়কো। এই বৈষম্য অসংগঠিত শ্ৰমিক খণ্ডত দৃষ্টিগোচৰ হয়।

সম্পত্তিৰ অধিকাৰ আনুষ্ঠানিক কৰিলে অসংগঠিত উদ্যোগীৰ বাবে বজাৰত প্ৰৱেশ কৰাটো সহজ হ'ব, কিন্তু তেওঁলোকৰ লাভ নামমাত্ৰ থাকিব।

দৰমহাভিত্তিক চাকৰিৰ অভাৱৰ বাবে অসংগঠিত শ্ৰমিকসকলে এনেদৰে আত্মসংস্থাপনৰ বাট বিচাৰি লয় কেৱল পেটৰ ভাতমুঠি মোকলাবৰ বাবেই (সান্যাল, ২০০৭)। বেনাৰ্জী আৰু ডাফ্ল'ৰ মতে (২০১১) অধিক সংখ্যক অসংগঠিত উদ্যোগীয়েই বাধ্য হৈ উদ্যোগীৰ ৰূপ ধাৰণ কৰিব লগা হয়।

**সামৰণি**

অসংগঠিত খণ্ড হ'ল ভিন্নধৰ্মী অথবা মিশ্ৰিত খণ্ড, য'ত বিকাশ-ভিত্তিক আৰু জীৱিকা ভিত্তিক উদ্যোগ দুয়োটা পৰিলক্ষিত হয়। ইয়াৰ পিচৰটো বেছিকৈ দেখা যায়। এই ভিন্নধৰ্মিতা সত্ত্বেও ভাৰতৰ অসংগঠিত খণ্ডৰ আকাৰ তেতিয়াহে ব্যাখ্যা কৰাটো সম্ভৱ যেতিয়া আমি উদ্বৃত্ত শ্ৰমিক শক্তিৰ অস্তিত্ব গ্ৰহণ কৰো। বৰ্ধিত সংগঠিত খণ্ডৰ প্ৰয়োজনতকৈ অধিক শ্ৰমিকৰ সংখ্যাক স্বীকৃতি দিলেহে আমি এই সংখ্যা অনুধাৱন কৰিব পাৰিম। এই শ্ৰমিকসকলৰ জীৱিকা কেৱল কৃষিয়ে পূৰাব নোৱাৰে। উদ্বৃত্ত অথবা অতিৰিক্ত আৰু অসংগঠিত শ্ৰমিক শক্তিৰ মূল অৱস্থান অপৰিহাৰ্য-ৰূপে হৈ পৰে মহানগৰসমূহ। অসংগঠিত শ্ৰমিকে মহানগৰীত উৎপাদন আৰম্ভ কৰি বৰ্তি থাকে। অধিক সংখ্যক শ্ৰমিক শক্তিৰ উৎপাদনৰ থলীৰূপে অসংগঠিত খণ্ডসমূহ বৰ্তি থকালৈকে ভাৰতত নগৰীয়া ভূমি নগৰীয়া ৰাজনৈতিক অৰ্থনীতিৰ কেন্দ্ৰ হৈ থাকিব। জীৱিকা, বিকাশ আৰু নগৰীকৰণ সম্পৰ্কীয় নীতিয়ে অৰ্থনীতিৰ অনন্যতাৰ ধাৰণা বৰ্জন কৰাৰ লগতে ভাৰতীয় অৰ্থনীতিৰ অবিৰাম (সংগঠিত/ অসংগঠিত) দ্বৈধতা চিনাক্ত কৰিবই। নগৰীয়া সম্পদৰ ওপৰত বহুমুখী অধিকাৰৰ বহিঃপ্ৰকাশ ঘটাটো স্বাভাৱিক। ❐

**(৩৩ পৃষ্ঠাৰ পৰা)**

ভিতৰত বিত্তীয় সেৱাৰ দৰে কিছুমান সেৱা ব্যৱস্থাত সৰ্বাধিক বিকাশ লাভ কৰা পৰিলক্ষিত হয় আৰু ২০১১-১২ বৰ্ষৰ কালছোৱাত নিয়োগ বৃদ্ধিৰ হাৰ আছিল প্ৰায় ৮ শতাংশ। সেৱা খণ্ডৰ অন্তৰ্গত প্ৰায়ভাগ খণ্ডতেই বিধিৰহিত ব্যৱস্থাৰ কৰ্মীসকলৰ নিয়োগ বৃদ্ধি পোৱা দেখা যায়· আৰু এইবোৰত কোনো ট্ৰেড ইউনিয়ন নাই। তেনে খণ্ডবোৰ হ'ল, বিত্তীয় সেৱা, শিক্ষা, স্বাস্থ্য, ভূ-সম্পত্তি আদি। চহৰ অঞ্চললৈ নতুনকৈ যিসকল লোকৰ প্ৰব্ৰজন ঘটিছে সেইসকলে প্ৰধানতঃ অসংগঠিত খণ্ডত কাম কৰে আৰু এওঁলোক ঘাইকৈ দুখীয়া আৰু স্পৰ্শকাতৰ শ্ৰেণীৰ লোক। মহিলা প্ৰব্ৰজনকাৰী-সকলেও এই খণ্ডতেই ঘৰুৱা কৰ্মীৰূপে কাম কৰে। বাসগৃহ আৰু অনাময় ব্যৱস্থাৰ অভাৱে অসংগঠিত খণ্ডৰ উদ্যোগবোৰত কাম-কাজ কৰা অৱস্থাৰ অৱনতি ঘটাত অৰিহণা যোগাইছে আৰু আনকি ঘৰক আধাৰ কৰি গঢ়ি উঠা কামতো তেনে অৱস্থাই গা কৰি উঠিছে। স্ব-নিয়োজিতভাৱে কাম কৰা লোক তথা বাট-পথ আৰু কাষৰীয়া ঠাইত কাম কৰা সকলৰ অৱস্থা এতিয়াও শোচনীয় হৈ আছে। এওঁলোক আৰক্ষীৰ লোক আৰু পৌৰ নিগমৰ সহজ লক্ষ্য হৈ পৰে। এয়াই হ'ল প্ৰকৃততে সংগ্ৰামৰত কৰ্মশীল ভাৰত— য'ত কোনো আইনেই নাই। তদুপৰি অসংগঠিত কৰ্মীসকলক সংগঠিত খণ্ডৰ পৰিসীমাৰ ভিতৰলৈ অনাৰ প্ৰত্যাহ্বান এতিয়াও বিৰাজমান হৈ আছে। এই ক্ষেত্ৰত কোনো কোনো অনা-চৰকাৰী সংগঠন, স্ব-নিয়োজিত কৰ্মী সংগঠন তথা কোনো কোনো ট্ৰেড ইউনিয়নে তেনে প্ৰত্যাহ্বানৰ আগত থিয় দিবলৈ প্ৰয়াস কৰিছে। চৰকাৰৰ নীতি আৰু অনা-চৰকাৰী সংগঠনৰ প্ৰয়াস তথা ট্ৰেড ইউনিয়নসমূহে অসংগঠিত খণ্ডৰ কৰ্মীসকলক সংগঠিত ব্যৱস্থাৰ পৰিসৰৰ ভিতৰলৈ অনাৰ কৌশলৰ বিষয়ে চিন্তা কৰিব পাৰে আৰু তেনে খণ্ডত কাম কৰা বিভিন্ন গোট তথা সম্প্ৰদায়ৰ লোকৰ কল্যাণ সাধন তথা সবলীকৰণৰ বিষয়েও চিন্তা কৰা একান্তই বাঞ্চনীয়।

ভাৰতৰ সৰ্বাত্মক ৰূপৰ অৰ্থনৈতিক বিকাশৰ অৰ্থে নতুন লক্ষ্য সাধনৰ ক্ষেত্ৰত ল'ব লগা ব্যৱস্থা অসংগঠিত খণ্ডৰ শক্তিৰ আধাৰত থিৰাং কৰিব লাগে। পৰৱৰ্তী বছৰবোৰত এনে নীতি অৱলম্বনৰ বাবে বৰ্তমান চৰকাৰৰ পৰা ইতিবাচকভাৱে মই আগলৈ চাই থাকিম। ❐

# নীতি নিৰ্দ্ধাৰকসকলৰ বাবে অনানুষ্ঠানিক ব্যৱস্থাৰ অভিলাষী ব্যাখ্যা

**সুপ্ৰিয়া ৰাউত***

**ভূমিকা**

যোৱা দশকটোৰ পৰা শিক্ষাবিদ আৰু নীতি তৈয়াৰ কৰোঁতাসকলে সমানেই বিধি অৱলম্বন নকৰা অৰ্থ ব্যৱস্থা সন্দৰ্ভত (১৯৭০ দশকৰ পাচত) আগ্ৰহ প্ৰকাশ কৰা দেখা যায়। এই নতুনকৈ আগ্ৰহ প্ৰকাশ কৰা সকলৰ ভিতৰত আগশাৰীত আছে আন্তৰ্জাতিক শ্ৰমিক সংগঠন আৰু ভাৰত চৰকাৰ। অনানুষ্ঠানিক অৰ্থনৈতিক কাম-কাজৰ ক্ষেত্ৰত আন্তৰ্জাতিক শ্ৰমিক সংগঠনে সত্তৰৰ দশকৰ আগভাগত যথেষ্ট উৎসাহ দেখুৱায়; কিন্তু ২০০০ দশকৰ প্ৰাৰম্ভিক কালছোৱাত সংগঠনটোৱে অধিক সতৰ্কতাৰ দৃষ্টিভংগী অৱলম্বন কৰে। আনপিনে ভাৰত চৰকাৰে এই বিষয়টোৰ ক্ষেত্ৰত পলমকৈ আত্মপ্ৰকাশ কৰে। সেই আত্মপ্ৰকাশ ২০০৪ চনত অসংগঠিত খণ্ডত উদ্যোগ বিষয়ক ৰাষ্ট্ৰীয় আয়োগ গঠনৰ জৰিয়তে কৰা হয়।

পলমকৈ আৰম্ভণি কৰা হ'লেও ভাৰতীয় সংসদে দেশৰ সৰহভাগ কৰ্মবাহিনীৰ বাবে সামাজিক নিৰাপত্তা আইন প্ৰণয়ন কৰে। এই সকল শ্ৰমিক হ'ল দেশখনৰ অনানুষ্ঠানিক খণ্ডৰ। অসংগঠিত কৰ্মী সামাজিক নিৰাপত্তা আইন, ২০০৮ৰ লক্ষ্য হ'ল দেশখনৰ অনানুষ্ঠানিক খণ্ডত কাম কৰা শ্ৰমিকসকলৰ জীৱন ধাৰণৰ অৱস্থা উন্নত কৰা। ইতিমধ্যে আন্তৰ্জাতিক শ্ৰমিক সংগঠনেও অনানুষ্ঠানিক অৱস্থাৰ পৰা বিধিসন্মত অৰ্থ ব্যৱস্থালৈ যাবৰ কাৰণে নীতি তৈয়াৰ প্ৰক্ৰিয়াত ব্যস্ত হৈ পৰে। ইয়াত সমগ্ৰ বিশ্বৰেই অধিকাংশ শ্ৰমিকৰ বিষয়ে চিন্তা কৰা হয় আৰু ভাৰতৰ ক্ষেত্ৰত ৯০ শতাংশতকৈও অধিক শ্ৰমিকক সামৰি ল'বলৈ বিচৰা হয়। এনে কৰিবলৈ লওঁতে নিজ দেশৰ প্ৰসংগ আৰু উদ্দেশ্যৰ প্ৰতি মন দিয়াটোক গুৰুত্বপূৰ্ণ বিষয়ৰূপে ধৰা হয়।

এই দিশৰ আৰম্ভণিৰ বিষয়টো এটা অনানুষ্ঠানিক ভাৰধাৰাৰ হ'ব পাৰে। এই ছুটি প্ৰবন্ধটোত মই অনানুষ্ঠানিক ভাৰধাৰাৰ প্ৰতিপাদ্য দিশ তথা নীতি সম্পৰ্কিত উপকাৰিতা সম্বন্ধে বিশ্লেষণ কৰিছো আৰু তেনে ভাৰধাৰাৰ শ্ৰমিক-কেন্দ্ৰিক বুজাপৰাৰ বিষয়েও যুক্তি আগবঢ়াইছো। অনানুষ্ঠানিক ভাৱৰ সীমা ঠেলি মই সামাজিকভাৱে মূল্যবান পাৰিশ্ৰমিক নোপোৱা কামৰ স্বীকৃতি প্ৰদান তথা অনানুষ্ঠানিক কামৰ এটা শ্ৰেণীৰ বিষয়েও প্ৰস্তাৱ কৰিছো। অৱশ্যে নীতি আৰু উদ্দেশ্যৰ বাবে বিধিহীন কামৰ প্ৰতিটো নিৰ্দিষ্ট শ্ৰেণীৰ ওপৰত আলোকপাত কৰা দৰকাৰ বুলিও ক'বলৈ লৈছো তথা নীতি প্ৰস্তুতকৰণ প্ৰক্ৰিয়াৰ কেন্দ্ৰবিন্দুত শ্ৰমিকসকলক ৰাখিবৰ বাবেও যুক্তি দৰ্শাইছো।

**আনুষ্ঠানিক আৰু অনানুষ্ঠানিক ভাব**

আন্তৰ্জাতিক শ্ৰমিক সংগঠনে অনানুষ্ঠানিক খণ্ড সম্বন্ধে বিশেষকৈ ভাৰধাৰাক বিবেচনাৰ বাবে লয়। সেই ভাৰধাৰা হ'ল ব্ৰিটিছ নৃতত্ববিদ কেইথ হাৰ্টে ঘানাত কৰা অধ্যয়নৰ পৰা উপলব্ধ অভিজ্ঞতা (১৯৭৩ চন)। ব্ৰিটেইনত উদ্যোগক আমোলাতান্ত্ৰিকভাৱে নিয়ন্ত্ৰণ কৰা হয় আৰু সু-পৰিকল্পিত ন্যায়িক তথা প্ৰতিষ্ঠানমূলক পৰিকাঠামোৰ ভিতৰত কাম-কাজবোৰ সম্পাদন কৰা হৈছে নে নাই তাক চোৱা হয়। কিন্তু ঘানাত যিবোৰ অৰ্থনৈতিক কাম-কাজ হাতত লোৱা হয় সেইবোৰ কেইথ হাৰ্টৰ বাবে নতুন। ঘানাৰ চহৰবোৰত দেখা তেনে কাম-কাজবোৰ ব্ৰিটেইন আৰু অন্যান্য ঔদ্যোগিক পুঁজিবাদী দেশবোৰৰ দৰে নহয় আৰু সেয়ে কেইথ হাৰ্টে তেনে কামবোৰক অনানুষ্ঠানিক বিষয় ৰূপে বিবেচনা কৰে। তাৰ ভিতৰত উল্লেখনীয় হ'ল পথৰ দাঁতিত ব্যৱসায় কৰা দোকানী, কায়িকভাৱে শ্ৰম কৰা কৰ্মী আৰু তেনে ধৰণৰ কাম-কাজত ব্যস্ত হৈ থকা ক্ষুদ্ৰ ক্ষুদ্ৰ ব্যৱসায়ী। হাৰ্টৰ মতে ব্ৰিটেইনৰ উদ্যোগসমূহত যি আৰ্হি অৱলম্বন কৰা হয় তাৰ সৈতে ঘানাৰ অৰ্থনৈতিক দিশৰ কাম-কাজৰ মুঠেই মিল নাই; আৰু সেয়ে এনে কাম-কাজ হ'ল অনানুষ্ঠানিক।

এনেদৰেই অনানুষ্ঠানিক ভাৰধাৰা এটা নিৰ্দিষ্ট আকাৰ ধাৰণ ক্ৰমে গজালি

***সুপ্ৰিয়া ৰাউত কানাডাৰ 'ইণ্টাৰ-ইউনিভাৰ্ছিটি ৰিছাৰ্চ চেণ্টাৰ অন গ্লোবেলাইজেচন এণ্ড ৱৰ্ক' প্ৰতিষ্ঠানৰ এগৰাকী গৱেষক। পূৰ্বতে তেওঁ কলকাতাৰ ডব্লিউ বি নেচনেল ইউনিভাৰ্ছিটি অব জুৰিদিকেল চায়েন্সত সহকাৰী অধ্যাপিকাৰূপে সেৱা আগবঢ়াইছিল।**

মেলে আৰু ইয়াৰ ওপৰত গঢ় লৈ উঠা সেই নিৰ্দিষ্ট আকাৰ হ'ল এটা আৰ্হি বিশেষ। এই আৰ্হি নিৰ্দিষ্ট সময়ত অৰ্থনৈতিক ব্যৱস্থাৰে গা-কৰি উঠে। তেনে ব্যৱস্থা হ'ল নিয়োগকৰ্তা আৰু নিয়োগ লাভ কৰাসকলৰ মাজত গঢ়ি উঠা সম্পৰ্ক, নিৰ্দিষ্ট কৰ্মস্থানত তাৰ গুৰুত্ব লাভ, অধিকাৰ আৰু কামৰ জৰিয়তে বিধিবদ্ধ-কৰণ আৰু মূৰকত চৰকাৰৰ তদাৰকী ব্যৱস্থা। এই আৰ্হিয়ে নিৰ্দিষ্ট সমাজ ব্যৱস্থাৰ প্ৰসঙ্গত বিকাশ লাভ কৰে। কিন্তু যথেষ্ট সংখ্যক অৰ্থনৈতিক কাম-কাজ তেতিয়া আৰু এতিয়াও কামৰ সংগঠন আৰ্হিৰ লগত ৰজিতা নাখায়। এতিয়াৰ বিশ্বৰ সৰহভাগ শ্ৰমিকৰ অভিজ্ঞতাৰ সৈতে সেই আৰ্হি খাপ নাখায় (আন্তৰ্জাতিক শ্ৰমিক সংগঠন, ২০১৩ৰ মতে)। তেনেহ'লে আমি এইটো ক'ব লাগিব নেকি যে অনানুষ্ঠানিক ভাৱধাৰাই কোনো প্ৰতিস্থাপিত নীতিৰ উদ্দেশ্য সাধন নকৰে?

উল্লিখিত ভাৱধাৰাত আগতীয়াকৈ পোষণ কৰা পৰিপন্থীমূলক তথা নেতিবাচক দৃষ্টিভঙ্গীয়ে (অৰ্থাৎ সেয়া আনুষ্ঠানিক নহয়) গা-কৰি উঠা সত্ত্বেও শৈক্ষিক কিম্বা নীতিৰ প্ৰতি সচেষ্ট চক্ৰৰ পৰা অনানুষ্ঠানিক ভাৱধাৰাক পৰিহাৰ কৰাটো সমীচিন নহ'ব। অনানুষ্ঠানিক পোষিত ভাৱধাৰাই ভাল উদ্দেশ্য সাধন কৰে। এনে এটা মন কৰিবলগা উদ্দেশ্য হ'ল নেতিবাচক বিষয়ৰ সন্দৰ্ভত ইয়াৰ প্ৰভাৱ। যেতিয়া কোনো এটা বিষয়ক নীতিসন্মত ৰূপে থিয় কৰোৱা নহয় কিম্বা অস্বাভাৱিক বুলি ভবা হয়, তেতিয়া ই তাৰ সপক্ষে একত্ৰীকৰণৰ ক্ষেত্ৰত ভীষণ ধৰণে শক্তি আগবঢ়ায়। ভাৰতত শ্ৰমিক শ্ৰেণীৰ ৯০ শতাংশতকৈও অধিক জনসংখ্যা অনানুষ্ঠানিক খণ্ডৰ লোক বুলিলে আচৰিত কথা যেন লাগে। কিন্তু এনে ইঙ্গিতসূচক কথাই তাৎক্ষণিকভাৱে সঁহাৰি লাভ কৰে। এই সন্দৰ্ভত অনানুষ্ঠানিক ভাৱধাৰা অতি উপকাৰী হয়। দ্বিতীয়তঃ অনানুষ্ঠানিক ভাৱধাৰাই সুবিধা-বাদী আৰু শোচনীয় অৱস্থাত জীৱন নিৰ্বাহ কৰা কৰ্মীসকলৰ প্ৰভেদকো উদঙাই দেখুৱায়। তৃতীয়তঃ এই ভাৱধাৰাই এটা আদৰ্শকো প্ৰেক্ষাপণ কৰে (যদিও এই ক্ষেত্ৰত পুনৰ চিন্তা কৰাৰ প্ৰয়োজন আছে)। চতুৰ্থতে ই এটা আন্দোলনৰ ভাষা সূচায়; আৰু তেনে গতিময়তাক শৈক্ষিক দিশ তথা সক্ৰিয় কৰ্মীৰ ভাৰত প্ৰতিফলিত কৰে। সদৌ শেহত অনানুষ্ঠানিক ভাৱধাৰাই বহল পৰিসৰৰ নীতিৰ কাৰ্যসূচী তৈয়াৰ কৰাত সহায় কৰে।

পিচে নীতি নিৰ্ণয়কাৰীৰূপে অনানুষ্ঠানিক ভাৱধাৰাক গ্ৰহণ কৰাৰ সমস্যাও আছে আৰু সেয়া হ'ল ই যিমানেই প্ৰকাশমান হৈ উঠে সিমানেই লুকুৱাই ৰাখে। বিধি ব্যতিৰেকে কৰা কাম-কাজবোৰ হ'ল ব্যাপক আৰু বিভিন্ন ধৰণৰ। ভাৰতৰ দৰে দেশ এখনৰ বাবে বিশেষকৈ এয়া প্ৰযোজ্য। অনানুষ্ঠানিকতাৰ বাহিৰত থাকি কৰা কাম-কাজৰ ভিন্নমুখিতাৰ অন্ত নাই। অনানুষ্ঠানিক ভাৱধাৰাৰ জৰিয়তে অনানুষ্ঠানিক কাম-কাজৰ ভিন্নতা কিমান তাক ঠাৱৰ কৰাৰ সমস্যা নথকা নহয়; আৰু ইয়াক অধিক জটিল কৰি তুলিছে আন কিছুমান কাৰ্য ব্যৱস্থাই। সেয়া হ'ল ভাৰতত আনুষ্ঠানিকভাৱে হাতত লোৱা কাম-কাজবোৰ অনানুষ্ঠানিক লেন-দেন আৰু সম্পৰ্ক ৰক্ষাত ন্যস্ত হৈ পৰে। সেয়ে নীতি তৈয়াৰ কৰাৰ উদ্দেশ্য অনানুষ্ঠানিকতাৰ ওৰণিখন উঠাই দিয়া আৱশ্যক আৰু কাম-কাজৰ পৰিসৰৰ বিভিন্নতাক চিহ্নিত কৰা প্ৰয়োজন। পিচে অনানুষ্ঠানিক ভাৱধাৰা সেই ভিন্নমুখিতাক চিহ্নিত কৰাৰ বাবে উপযুক্ত নহয়।

অনানুষ্ঠানিক ভাৱধাৰাৰ সৈতে জড়িত দ্বিতীয় সমস্যাটো হ'ল ইয়াৰ প্ৰকৃতিক বুজি উঠাটো। যেতিয়া অনানুষ্ঠানিক বুলি কোৱা হয় তেতিয়া এজন লোকে কি বুলি বুজে? এয়া এটা খণ্ড নে, অৰ্থনৈতিক ব্যৱস্থানে কিম্বা নিয়োগ? দীৰ্ঘ কালৰ বাবে আন্তৰ্জাতিক শ্ৰমিক সংগঠনে অনানুষ্ঠানিকতাক খণ্ড ভাৱধাৰাৰ দ্বাৰা গঢ় দিছিল। যাৰ অৰ্থ হ'ল বিধিবহিৰ্ভূত উদ্যোগ। বছৰৰ পাচত বছৰ ধৰি উক্ত শ্ৰমিক সংগঠনে অনানুষ্ঠানিক অৰ্থনীতি আৰু অনানুষ্ঠানিক নিয়োগৰ পৰিসৰ বিকাশ কৰে। অৰ্থনীতিৰ অনানুষ্ঠানিক অংশৰ উৎপাদনশীলতাক নিশ্চিত কৰিবৰ বাবে বিধি আধাৰিত অৰ্থনীতিৰ সৈতে অনানুষ্ঠানিকৰ বোজা জাপি দিয়া হয়। এখন দেশৰ অৰ্থনৈতিক বিকাশ সাধনৰ প্ৰতি বৰঙণি নিৰ্দ্ধাৰণ কৰিবলৈও তেনে কৰা হয় আৰু সেয়ে অনানুষ্ঠানিক নিয়োগ ভাৱধাৰাক আনুষ্ঠানিক তথা অনানুষ্ঠানিক খণ্ড আৰু অৰ্থনীতি উভয়তে সংযোগ ঘটিবলৈ দিয়া হয়।

অনানুষ্ঠানিক নিয়োগৰ ভাৱধাৰা উদ্ভাৱন কৰা হয়, যাতে কৰ্মীসকলে সমাপন কৰা অৰ্থনৈতিক কাম-কাজৰ বিভিন্ন পৰিসৰক বুজিব পৰা যায়। সেয়া হ'ল আনুষ্ঠানিক কিম্বা অনানুষ্ঠানিক খণ্ডৰ য'তেই তেওঁলোকে কাম নকৰক লাগে তাৰ সম্যক পৰিচয় প্ৰদান কৰা। নীতিগত দৃষ্টিকোণৰ পৰা ভাৰতত বিশ্লেষণাত্মক আলোকপাতৰ বিষয় অনানুষ্ঠানিক ক্ষেত্ৰৰ শ্ৰমিক আৰু তেওঁলোকৰ কামৰ অৱস্থা হোৱা উচিত— যদিহে আমি আমাৰ সংবিধানৰ প্ৰতি সচেষ্ট হৈ থাকিব বিচাৰো আৰু ইয়াৰ প্ৰতিস্থাপিত সূত্ৰসমূহৰ প্ৰতিও একাগ্ৰ ভাৱক অটুট ৰাখিব খোজো। শ্ৰমিকসকলৰ সামগ্ৰিক

বিকাশৰ প্ৰতি গুৰুত্ব দিয়া প্ৰয়োজন আৰু সেয়ে যিবোৰ নীতি ব্যৱস্থা হাতত লোৱা হয়, সেইবোৰত এই বিষয়টোক সামৰি লোৱা উচিত। এই শ্ৰমিক বা কৰ্মীসকলৰ সামগ্ৰিক বিকাশৰ বিষয়সমূহৰ ভিতৰত এইকেইটা বিষয় বিশেষভাৱে উল্লেখযোগ্য— তেওঁলোকৰ কৰ্ম অৱস্থা, স্বাস্থ্য, শিক্ষা, নিৰাপত্তা, পৌষ্টিকতা আৰু উপাৰ্জন। এনে দৃষ্টিকোণৰ পৰা অনানুষ্ঠানিক ক্ষেত্ৰৰ নিয়োগ ভাৱাধাৰা গুৰুত্বপূৰ্ণ হৈ পৰে। পিচে এনে নিয়োগ ভাৰধাৰা সীমাৱদ্ধ। বিভিন্ন ধৰণৰ অৰ্থনৈতিক কাম-কাজ আনুষ্ঠানিক খণ্ডৰ নহয়, সেইটোক বুজালেও গুৰুত্ব প্ৰদানৰ বিষয়টো হ'ল অৰ্থনৈতিক দৃষ্টিকোণৰ। এনে উপলব্ধিয়ে এটা কথাক মোলান কৰে; আৰু সেয়া হ'ল অনানুষ্ঠানিক ব্যৱস্থা অৰ্থনীতিৰেই কেৱল সমস্যা নহয়, ই হ'ল সমাজৰ এটা বেচ গুৰুত্বপূৰ্ণ সমস্যা।

**অনানুষ্ঠানিকতা ঃ এটা বেচ গুৰুত্বপূৰ্ণ সামাজিক সমস্যা**

এটা নিৰ্দিষ্ট আকাৰৰ বিপৰীত স্থিতিৰ আধাৰত অনানুষ্ঠানিক ভাৱধাৰাই গঢ় লয়। ঔদ্যোগিক বিপ্লৱ (অথবা শিল্প বিপ্লৱ) আৰু উদ্যোগৰ ওপৰত থকা আমোলা-তান্ত্ৰিক নিয়ন্ত্ৰণৰ ফলতেই এই আকাৰৰ সূত্ৰপাত; আৰু সেয়ে লাভজনক অৰ্থনৈতিক কাম-কাজৰ সৈতে ইয়াৰ সম্পৰ্ক আছে। এনেকি এইটো কোৱাও অযুক্তিকৰ নহয় যে অনানুষ্ঠানিক ভাৱধাৰা উৎপাদনমূলক (কিম্বা লাভজনক) অৰ্থনৈতিক কাম-কাজৰ লগত জড়িত হৈ পৰে। পিচে যদি অনানুষ্ঠানিক ক্ষেত্ৰৰ কৰ্মীসকলৰ কাম-কাজ আমাৰ মনোযোগৰ কেন্দ্ৰস্বৰূপ হয় তেনেহ'লে সততে এইটো ক'ব পৰা নাযায় যে তেওঁলোকৰ কাম-কাজবোৰ অৰ্থনৈতিক দৃষ্টিকোণৰ। কিয়নো কিছুমান এনে জনাজাত অৰ্থনৈতিক বিষয়ৰ সৈতে সম্পৰ্ক নথকা (নন্ ইকনমিক) কাম-কাজ আছে যিবোৰ হ'ল তাৰ সাক্ষী। সেয়া, যেনে— তত্বাৱধান বা যতনমূলক কাম, নিজে জীয়াই থাকিবৰ বাবে কৰা কৃষি, কিছুমান ঘৰুৱা কাম আৰু পৰিয়ালৰ কাম যাৰ ক্ষেত্ৰত ধনৰ প্ৰশ্ন নুঠে। এই কাম-কাজবোৰ অনানুষ্ঠানিক কামৰ ভিতৰত পৰে নে নপৰে সেই সম্পৰ্কে তৰ্কৰ অৱতাৰণা কৰা হয়, কিন্তু ঘাই নীতি ব্যৱস্থাসমূহত সাধাৰণতে এইবোৰ কামক ধৰা নহয়। অনানুষ্ঠানিক নিয়োগ কাৰ্যৰূপে বিবেচনা কৰি তালিকাৰ বাহিৰত ৰখা হয়।

ইয়াৰ ভাল প্ৰতিশব্দৰ অনুপস্থিতিত আৰু সহজে বুজি পাবৰ কাৰণে যদিও মই অনানুষ্ঠানিক অৰ্থনৈতিক কাম-কাজ শব্দকেইটা ব্যৱহাৰ কৰিছো, তথাপি ক'ব লাগিব যে অনানুষ্ঠানিক ভাৱধাৰা অৰ্থনীতিতেই সীমাৱদ্ধ নহয়। ই হ'ল সমাজৰ বৃহৎ পৰিদৃশ্যমান কাৰ্যাৱলী। অৰ্থনীতিৰ দিশটোও ইয়াত সংপৃক্ত হৈ আছে। সমাজৰ ভাবাৰ্থক অৰ্থনীতিৰ ভাৱধাৰা বুলি কৰি পেলাব নালাগিব আৰু তাৰ বাবে আমি সতৰ্কতা অৱলম্বন কৰা দৰকাৰ; কিয়নো সমাজৰ ক্ষেত্ৰখন ভালেখিনি ব্যাপক। অৰ্থনীতি ইয়াৰ এটা উপাদানহে আৰু যদি অৰ্থনীতি কিম্বা বজাৰ সকলো সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক আৰু পৰিৱেশমূলক বিষয়ৰ কাৰণে একমাত্ৰ প্ৰাসঙ্গিক বিষয় হৈ পৰে, তেনেহ'লে আমি তৈয়াৰ কৰা নীতি বহু পৰিমাণে ঠেক গণ্ডীৰ হৈ পৰিব। বিশ্লেষণাত্মকভাৱেও তাৰ পৰা বহুখিনি লাভ কৰা যায় আৰু বৃহৎ নীতিৰ পৰিসৰো সৃষ্টি কৰিব পাৰি, যদিহে অৰ্থনীতিক সমাজৰ এবিধ উপাদানৰূপে চাওঁ আৰু ইয়াক কেৱল আলাপ-আলোচনাৰ বাবে প্ৰাসঙ্গিক বিষয় বুলি ধৰি লওঁ।

এনে ধৰণৰ বিশ্লেষণাত্মক দৃষ্টিভঙ্গী যদি আমি অৱলম্বন কৰিবলৈ সমৰ্থ হওঁ তেনেহ'লে তত্বাৱধানমূলক কাম আৰু বিনা পইচাৰ ঘৰুৱা কামৰ দৰে কাম-কাজবোৰক গুৰুত্বপূৰ্ণ অনানুষ্ঠানিক কাৰ্যৰূপে কিয় আমি স্বীকৃতি দিব লাগে তাক বুজি উঠাত সহজ হ'ব। এই প্ৰসঙ্গত দুটা বিষয় জড়িত আছে, যাৰ উত্তৰ দিয়াটো প্ৰয়োজন। প্ৰথমটো হ'ল এই বিনা পইচাৰ কাম-কাজবোৰক কিয় অনানুষ্ঠানিক বুলি চিহ্নিত কৰিব লাগে? আৰু দ্বিতীয়তে এই কাম-কাজবোৰক কিয় কামৰূপে স্বীকৃতি দিব লাগে? কেৰী হাৰ্টৰ ক্ষেত্ৰত অনানুষ্ঠানিক খণ্ডৰ শব্দটো ৰূপ দিওঁতে অনানুষ্ঠানিক ভাৱধাৰা কেনেকৈ তেওঁৰ মনলৈ আহিল সেইটো কল্পনা কৰিবলৈও কঠিন হয়। পিচে তেওঁৰ অনানুষ্ঠানিক ভাৱধাৰা নিৰ্দিষ্ট আকাৰৰ বিপৰীত আৰু যদি সেই নিৰ্দিষ্ট আকাৰৰ অস্তিত্ব নাই তেনেহ'লে এটা কামক বোধহয় অনানুষ্ঠানিক বুলি ক'ব পৰা যায়। এই অৰ্থত এনে যুক্তি দৰ্শোৱাও সম্ভৱ হ'ব পাৰে যদিহে সম্প্ৰতি স্বীকৃতি নিদিয়া বিনামূলীয়া কাম-কাজ অন্যান্য শ্ৰেণীৰ অনানুষ্ঠানিক কাম হ'ব পাৰে।

অনানুষ্ঠানিক ভাৱধাৰাৰ সৈতে মজুৰি নিদিয়া কাম-কাজবোৰক সাঙুৰি লোৱা আৱশ্যক নহয়, কিন্তু সেইবোৰক সাঙুৰি ল'লে তেনে কিছুমান কামৰ প্ৰতি দৃষ্টি আৰোপ কৰাত সহায়ক হ'ব— যাৰ বাবে প্ৰয়োজন নিৰ্দিষ্ট নীতিৰ আৱেষ্টনীলৈ অনাটো। কিন্তু নীতিসন্মত কামৰ বাবে যিবোৰ বিষয়ৰ প্ৰয়োজন হয় সেই মতে সাইলাখ একে ধৰণৰ নহ'লেও তেনে উপলব্ধিত উপনীত হোৱাত অসুবিধা নহয়। আনকি যদি মজুৰি নিদিয়া কামবোৰক অনানুষ্ঠানিকৰূপে শ্ৰেণীভুক্ত কৰা হয় তেনেহ'লে তেনে কামবোৰৰ

প্ৰকৃতি কেনে তাৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰিবলৈ পাহৰিব নালাগিব; আৰু সেই অনুযায়ী নীতি ব্যৱস্থা যুগুতোৱা উচিত হ'ব। অনানুষ্ঠানিক শ্ৰেণী হ'ল একমাত্ৰ অনুমানত ধৰি লোৱা ভাৱধাৰা। এই শ্ৰেণীৰ কামবোৰকো সামাজিকভাৱে মূল্যবান কৰ্ম গোটৰ মাজত লোৱা উচিত; কাৰণ তেনে কৰ্মগোট আনুষ্ঠানিক পুনৰীক্ষণ ব্যৱস্থা আৰু নিয়ামক পৰিকাঠামোৰ বাহিৰত পৰে।

এই কথাটোৱে আমাক পৰৱৰ্তী প্ৰশ্নটোলৈ লৈ আনে— কিয় মজুৰি নিদিয়া কামবোৰক কৰ্মৰূপে স্বীকৃতি দিব লাগে? যতনমূলক ব্যৱস্থাৰ কাম আৰু ঘৰুৱা কামৰ দৰে মজুৰি নিদিয়া কামবোৰেও ইতিবাচকৰূপে সমাজলৈ অৰিহণা যোগায়। ইয়াক প্ৰত্যক্ষ অৰ্থনৈতিক বৰঙণিৰ লেখত জুখিব পৰা নাযায় আৰু জোখাৰো প্ৰয়োজন নাথাকে। ধনবিহীন কামবোৰে (অৰ্থাৎ কামৰ বাবদ মজুৰি নিদিয়া) সামাজিক ব্যৱস্থা বজাই ৰখা আৰু বিৱৰ্তন সাধনৰ প্ৰতি বৰঙণি যোগায় আৰু সমাজৰ এই ভাৱাদৰ্শই একত্ৰীকৰণ আৰু একতাৰ বান্ধোনৰ বৈশিষ্ট্য বহন কৰে— যিটো কৰি আছে— তেনেহ'লে সমূহীয়াভাৱে এইটো চোৱা সমাজৰ দায়িত্ব, যাতে বেতন প্ৰদান নকৰা বৰঙণি যোগাওঁতা-সকল অস্বীকৃত হৈ নাথাকে। এনে মজুৰিবিহীন কামৰ স্বীকৃতি সামাজিক-ভাৱে বৰঙণি যোগাওঁতা তথা সমাজৰ মাজত পাৰস্পৰিক বুজা-পৰাৰ ওপৰত আধাৰিত হয়।

আমাৰ সংবিধান প্ৰদত্ত ৰাজনৈতিক ব্যৱস্থাই মজুৰি প্ৰদান নকৰা কৰ্মীসকলে সমাজলৈ যি মূল্যবান বৰঙণি যোগাইছে তাক স্বীকৃতি দিবলৈ পথ উলিওৱা উচিত। এনে স্বীকৃতি প্ৰদানৰ আধাৰ হিচাপে এলেইন ছুপিয়ট আৰু তেওঁৰ সহকৰ্মীসকলে আগবঢ়োৱা প্ৰস্তাৱ বিচাৰ্য বিষয় হ'ব পাৰে। ছুপিয়টে উল্লেখ কৰাৰ দৰে যদি এটা কাম বাধ্যবাধকতাৰূপে সম্পাদন কৰা হয়, তেনেহ'লে সেইটোক কামৰূপে স্বীকৃতি দিয়া উচিত। এনে এটা অৰ্থবহ দৃষ্টিভংগী ভাৰতীয় স্থিতিত সমানেই উপযুক্ত। অৱশ্যে নীতিৰ ক্ষেত্ৰত আহি পৰা প্ৰত্যাহ্বানৰ বিষয়টো হ'ল এনে কামক কেনেকৈ স্বীকৃতি দিব তথা তেনে কৰ্মীসকলৰ স্বাৰ্থক কেনেদৰে উৎসাহিত কৰিব।

### বিধিৰ বাহিৰৰ কাম আৰু মজুৰি

বিধিৰ বাহিৰৰ অৰ্থনৈতিক কাম-কাজ আৰু অনা-অৰ্থনৈতিক কাম-কাজ উভয়কে আমি স্বীকৃতি দিওঁ; কিয়নো কাম হ'ল এটা আদৰ্শগত বিষয়— তেহেলৈ সেয়া যি আদৰ্শৰেই নহওক আৰু সেই বাবে এই বিষয়টো ৰাজনৈতিক দিশৰ পৰা প্ৰত্যাহ্বান-স্বৰূপ। এই দুই শ্ৰেণীৰ কামেই সামাজিকভাৱে মূল্যবান। পিচে সামাজিকভাৱে উৎপাদনমূলক অথবা অৰ্থনৈতিকভাৱে অৰিহণা যোগোৱা কামৰ সৈতে সামাজিকভাৱে মূল্য থকা কাম জাপি নিদিবৰ কাৰণে আমি সতৰ্কতা অৱলম্বন কৰিব লাগিব। বেতনহীন শ্ৰেণীৰ অনানুষ্ঠানিক কামক স্বীকৃতি দিয়াৰ ক্ষেত্ৰত যি আদৰ্শগত প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হয় তাক এবাৰ সমাধান কৰিলে সেই কামবোৰৰ কাৰ্যকাৰিতাৰ পথ নিৰ্দিষ্ট কৰাৰ বাবে বহুতো উপায়ৰ পথ আগত আহি দেখা দিয়ে। তাৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য হ'ল তত্বাৱধানমূলক তথা ঘৰুৱা কাম-কাজৰ ক্ষেত্ৰত মজুৰি প্ৰদান কৰা বিষয়টো। এই ক্ষেত্ৰত পৰিয়াল এটাৰ অৰ্থনৈতিক কিম্বা নিয়োগৰ সা-সুবিধা যিয়েই নাথাকক লাগে, তেনে পৰিয়ালৰ বাবে মূল উপাৰ্জনৰ ব্যৱস্থা কৰাটো প্ৰণিধানযোগ্যৰূপে বিবেচনা কৰা উচিত।

অৱশ্যে যুক্তি দৰ্শোৱাৰ বাবে আন এটা কাৰণো আছে। সেয়া হ'ল টকা আদায় দিয়া অথবা অৰ্থনৈতিক লাভ প্ৰদান কৰাটোৱেই কেৱল আধাৰ হ'ব নালাগে, যাৰ জৰিয়তে বেতনহীন অনানুষ্ঠানিক কামক স্বীকৃতি দিব পাৰি। তাৰ বাবে আন কাৰ্যকৰী পথ অৱলম্বন কৰা সম্ভৱ হ'ব পাৰে। বিভিন্ন শ্ৰেণীৰ বিধিৰ বাহিৰৰ কাম-কাজক স্বীকৃতি প্ৰদানৰ অৰ্থে ভিন্ন নীতি আধাৰিত ব্যৱস্থাসমূহৰ প্ৰায়োগিক অৰ্থ প্ৰদানৰ ক্ষেত্ৰত কৰ্মীসকলৰ অভিজ্ঞতা আৰু আশা-আকাঙ্খাসমূহৰ বিষয়ে বিবেচনা কৰা আৱশ্যক। কৰ্মীসকলৰ নিজৰ অভিজ্ঞতাই তেওঁলোকে যি কাম কৰিবলৈ হাতত লৈছে তাৰ গতি-প্ৰকৃতি আৰু প্ৰত্যাহ্বানসমূহ চিহ্নিত কৰাত সহায়ক হ'ব পাৰে, যাৰদ্বাৰা সেইবোৰ মূল্যবান নীতি নিৰ্দ্ধাৰণৰ সম্পদস্বৰূপ হ'ব পাৰে। আনহাতে তেনে কৰ্মীসকলৰ আশা-আকাঙ্খাই নীতি তৈয়াৰ কৰিবৰ কাৰণে গুৰুত্বপূৰ্ণ দিশৰো সূচনা কৰিব পাৰে আৰু সেইবোৰক উপযুক্ত-ভাৱে বুজি উঠিলে অনানুষ্ঠানিক ক্ষেত্ৰত কাম কৰা কৰ্মীসকলৰ বিভিন্ন শ্ৰেণী জনাত তথা তেওঁলোকৰ কল্যাণ সাধনৰ বিষয় সন্দৰ্ভতে আশাপ্ৰদ ছবি এখন দাঙি ধৰাত সহায়ক হ'ব পাৰে। পৰৱৰ্তী পৰ্যায়ত নীতি তৈয়াৰ কৰা সন্দৰ্ভত কিছু দৃষ্টিভংগী দাঙি ধৰা হৈছে। সামাজিক-ভাৱে ভিন ভিন ধৰণে যি বহুমূলীয়া কাম-কাজ কৰা হয় তাৰ পৰিচয় প্ৰদানৰ দিশত এই দৃষ্টিভংগীক এটা ভাল আৰম্ভণি বুলি ক'ব লাগিব।

### অনানুষ্ঠানিক আৰু ৰাজহুৱা নীতি

যদি আদৰ্শমূলক দিশত থকা প্ৰত্যাহ্বানসমূহ আৰু ৰাজনৈতিক সংৰক্ষণ-

**(৫৪ পৃষ্ঠাত চাওক)**

# অসংগঠিত খণ্ডৰ ধাৰণা আৰু প্ৰকৃতি ঃ গোলকীয় দৃষ্টিকোণৰ পৰা

**ড° অসীমা মজুমদাৰ***

উন্নয়নশীল দেশসমূহৰ এবিধ চাৰিত্ৰিক বৈশিষ্ট্য হিচাপে 'দ্বৈতবাদ' অথবা 'দ্বৈত অৰ্থনীতি'ৰ উপস্থিতিত গুৰুত্ব আৰোপ কৰা বিগত শতিকাটোৰ পঞ্চাছ আৰু ষাঠিৰ দশকৰ ভালেমান অধ্যয়নৰ আধাৰতেই অসংগঠিত খণ্ড বোলা ধাৰণাটোৰ তত্ত্বগত ভেটিটো গঢ় লৈ উঠিছিল। এনে সমীক্ষা চলাওঁতাসকলৰ মাজৰ উল্লেখনীয় কেইগৰাকীমান আছিল লিৱিছ, ফেই-ৰেনিছ আৰু হেৰিছ-টডেৰ'। লিৱিছ আৰু ফেই-ৰেনিছে উন্নয়নশীল অৰ্থনীতিক গ্ৰাম্য আৰু নগৰীয়া খণ্ড হিচাপে সুকীয়াকৈ বিভক্ত কৰাৰ পোষকতা কৰাৰ বিপৰীতে হেৰিছ-টডেৰ'-ৰে ইয়াক নগৰীয়া খণ্ডৰ ভিতৰতেই দুটা ভাগত বিভক্ত কৰি ৰখাৰ বিষয়ে বিবেচনা কৰিছিল। অতীত কালৰ দ্বৈতবাদৰ তত্ত্বকেই আধুনিক নগৰীয়া অৰ্থনীতিৰ ক্ষেত্ৰত নিৰ্দিষ্টভাৱে প্ৰয়োগ কৰিব পৰা যায় বুলি গভীৰভাৱে অনুধাৱন কৰিব পৰাৰ পৰিপ্ৰেক্ষিতত এই দ্বৈতবাদৰ তত্ত্বই সত্তৰৰ দশকৰ আগভাগত নতুনকৈ গুৰুত্ব পাবলৈ আৰম্ভ কৰে। বিশেষকৈ উন্নয়নশীল দেশসমূহত জনসংখ্যা বৃদ্ধি আৰু গাঁৱৰ পৰা নগৰলৈ হোৱা প্ৰব্ৰজনৰ ফলত আধুনিক খণ্ডটোত নতুনকৈ সোমাব-লগীয়া মানুহখিনিক চামিল কৰাটো অসম্ভৱ হৈ পৰা বাবেই এনে পৰিস্থিতিৰ উদ্ভৱ হৈছিল। কেনিয়া, কলম্বিয়া, শ্ৰীলংকা, ফিলিপাইন্‌ছ আদিৰ দৰে উন্নয়নশীল দেশসমূহৰ বাবে আই এল অ'-ৰে গ্ৰহণ কৰা 'নিযুক্তি অভিযান'ৰ সময়ত এই কথা বুজিব পৰা গ'ল যে অৰ্থনৈতিক কাৰ্যকলাপৰ এটা বৃহৎ সংখ্যাগৰিষ্ঠ অংশ সংগঠিত নিয়ন্ত্ৰক প্ৰক্ৰিয়াৰ বাহিৰতেই সম্পন্ন হয়। কেনিয়া অভিযানেই আছিল এনে ধৰণৰ প্ৰথমটো অভিযান, য'ত এই কথা পোহৰলৈ আহিছিল যে অৰ্থনীতিৰ ক্ষেত্ৰত পৰম্পৰাগত ক্ষেত্ৰ এখনৰ অস্তিত্ব থকা বা বৰ্তি থকাই নহয়, লাভ আহৰণৰ পথ সন্নিৱিষ্ট কৰা তথা সামান্য পৰিমাণৰ লাভ আহৰণ কৰিব পৰা কাৰ্যকলাপৰ স্বাৰ্থত সময়বিশেষে ইয়াৰ সম্প্ৰসাৰণো ঘটে (আই এল অ' ২০০২এ)। ক্ষুদ্ৰ পৰিসৰৰ আৰু অ-পঞ্জীয়নভুক্ত কাম-কাজসমূহৰ ব্যাপকতাক গুৰুত্ব প্ৰদান কৰাৰ উদ্দেশ্যে এই অভিযানৰ সময়ছোৱাত 'পৰম্পৰাগত খণ্ড'ৰ পৰিৱৰ্তে 'অসংগঠিত খণ্ড' বা অনানুষ্ঠানিক খণ্ড বোলা সূত্ৰটো ব্যৱহাৰ কৰাৰ পোষকতা কৰা হয়। ক্ৰমবৰ্ধমান শ্ৰমিক শক্তিক উপাৰ্জন আৰু কৰ্ম সংস্থাপনৰ সুবিধা আগবঢ়াবৰ বাবে এহাতে কৃষি আৰু আন গ্ৰাম্য অৰ্থনৈতিক কাৰ্যকলাপসমূহৰ অসমৰ্থতা আৰু আনহাতে আধুনিক উদ্যোগ তথা সেৱা খণ্ডৰ উত্থানকেই অসংগঠিত খণ্ডটোৰ উৎপত্তিৰ মূল কাৰণ হিচাপে চিহ্নিত কৰা হৈছিল। 'অসংগঠিত খণ্ড' বোলা ধাৰণাটো প্ৰথমবাৰৰ বাবে ব্যৱহাৰ কৰোঁতাজন আছিল হাৰ্ট। ঘানাৰ আক্ৰাত কৰ্মৰত নগৰীয়া কৰ্মীসকলৰ সৈতে জড়িত অৰ্থনৈতিক কাম-কাজৰ বিষয়ে চলোৱা অধ্যয়নৰ প্ৰসংগত তেওঁ এনে ধৰণৰ দুটা ভাগৰ বিভাজিতকৰণৰ পৰামৰ্শ আগবঢ়ায়। হাৰ্টে 'আনুষ্ঠানিক খণ্ড' বোলা সূত্ৰটো নগৰীয়া আধুনিক খণ্ডৰ সৈতে কম-বেছি পৰিমাণে প্ৰায় একে ধৰণৰ অৰ্থ বুজাবৰ বাবে ব্যৱহাৰ কৰাৰ বিপৰীতে 'অসংগঠিত খণ্ড' বুলি অভিহিত কৰি নগৰীয়া পৰম্পৰাগত খণ্ডটোৰ ধাৰণাৰ এটা সম্প্ৰসাৰিত ৰূপৰ কথা বুজাবলৈ বিচাৰিছিল। এই দিশৰ পৰা চাবলৈ হ'লে দুটা ভাগত বিভক্ত কৰাৰ এই প্ৰক্ৰিয়াটো পূৰ্বতকৈ পৃথক হৈ পৰে। কিয়নো এই ক্ষেত্ৰত দুয়োটা খণ্ডই স্বাভাৱিক দিশৰ পৰাই আধুনিক আৰু উভয়েই হ'ল পৰম্পৰাগত গ্ৰাম্য অৰ্থনীতিৰ পৰা আধুনিক ঔদ্যোগিক অৰ্থনীতিলৈ ঘটা ৰূপান্তৰৰ সূচক হিচাপে কাম কৰা তৃতীয় বিশ্বৰ দেশসমূহৰ নগৰীকৰণ প্ৰক্ৰিয়াৰ পৰিণতি। এনে অধ্যয়নসমূহে আনুষ্ঠানিক আৰু অনানুষ্ঠানিক খণ্ডৰ মাজৰ দ্বৈতবাদৰ বিশ্লেষণক ফঁহিয়াই দেখুৱায় আৰু এই ক্ষেত্ৰত বিশেষকৈ উন্নয়নশীল দেশ-সমূহৰ নগৰীয়া অসংগঠিত খণ্ডৰ বিষয়ে কৰা বিশ্লেষণে অধিক পৰিমাণে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

*ড° অসীমা মজুমদাৰ অসমৰ নৰ্থ গুৱাহাটী কলেজৰ সহকাৰী অধ্যাপিকা। তেওঁৰ গৱেষণাই অসাংগঠনিক ক্ষেত্ৰৰ অসাংগঠনিক শ্ৰম বজাৰ, বাণিজ্য খণ্ড, সামাজিক সুৰক্ষা আদি বিষয়বোৰ সামৰি লৈছে।

এনেদৰে, অসংগঠিত খণ্ডৰ প্ৰতিষ্ঠানগত ইতিহাসৰ আঁত বিচাৰি চাৰিটা পৰ্যায়ত উপনীত হ'ব পৰা যায়; সেইকেইটা হ'ল— ১৯৭০-ৰ দশক ঃ জন্মৰ প্ৰস্তুতি বা বিকাশ সাধনৰ বছৰবোৰ, যেতিয়া অসংগঠিত খণ্ডৰ ধাৰণাটো ক্ৰমান্বয়ে গঢ় লৈ উঠিছিল আৰু দ-কৈ শিপাবলৈ লৈছিল; ১৯৮০-ৰ দশক ঃ প্ৰক্ষেপণৰ সময়, যিকেইটা বছৰত এই ধাৰণাটো ক্ৰমান্বয়ে বিয়পিবলৈ লৈছিল আৰু বিভিন্ন পক্ষই ইয়াক গ্ৰহণ কৰিবলৈ আৰম্ভ কৰাৰ লগতে তেওঁলোকৰ নিজ নিজ আঁচনি আৰু পৰিকল্পনাত ইয়াত অন্তৰ্ভুক্ত কৰিবলৈ লৈছিল; ১৯৯০-ৰ দশক ঃ অনুমোদন লাভৰ সময়, যিকেইটা বছৰত অসংগঠিত খণ্ডৰ ধাৰণাটোৱে আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰিছিল আৰু লাহে লাহে আনুষ্ঠানিক আন্তঃৰাষ্ট্ৰীয় কাৰ্য খচৰাত ই চামিল হ'বলৈ লৈছিল আৰু ২০০০ চন তথা ইয়াৰ পৰৱৰ্তী সম্প্ৰসাৰিত বছৰবোৰ, যিখিনি সময়ত অসংগঠিত খণ্ডৰ বিষয়ে অধ্যয়ন-গৱেষণাৰ ক্ষেত্ৰখনত নতুন আৰু বৰ্ধিত আগ্ৰহৰ সৃষ্টি হোৱাটো পৰিলক্ষিত হয়।

উন্নয়নশীল বিশ্ব আৰু অৱস্থান্তৰৰ সন্মুখীন হোৱা দেশসমূহৰ ক্ষেত্ৰত অসংগঠিত খণ্ডই দ্ৰুত গতিত উন্নয়ন সাধন কৰিবলৈ সক্ষম হৈছে। এনেবোৰ দেশত দৰিদ্ৰ শ্ৰেণীৰ লোকসকলৰ বাবে উপাৰ্জনৰ পথ আৰু কৰ্ম সংস্থাপন সৃষ্টিৰ ক্ষেত্ৰত এইটো খণ্ডৰ গুৰুত্বক লৈ কোনো ধৰণৰ বিতৰ্কৰ অৱকাশ নাই বুলিবই পাৰি। অসংগঠিত খণ্ডৰ বিষয়ে অধ্যয়ন কৰাৰ ক্ৰমবৰ্ধমান আৱশ্যকতাৰ বিষয়টো আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সন্মিলনৰ বিষয়ে আই এল অ'-ৱে ইয়াৰ প্ৰতিবেদনত ভালদৰে ব্যাখ্যা কৰিছে। ইয়াত কোৱা হৈছে, "...শেহতীয়া বছৰবোৰত, বিশেষকৈ উন্নয়নশীল আৰু অৱস্থান্তৰৰ মাজেৰে পাৰ হোৱা দেশসমূহত বুজন সংখ্যক নতুন কৰ্ম সংস্থাপন সৃষ্টি হৈছে অসংগঠিত অৰ্থনীতিত— যিহেতু আনুষ্ঠানিক অৰ্থনীতিত অধিকাংশ লোকেই নিযুক্তি লাভ কৰিবলৈ সক্ষম নহয় অথবা নতুনকৈ এটা ব্যৱসায় আৰম্ভ কৰিব নোৱাৰে।" (আই এল অ', ২০০২এ)

এই দেশসমূহৰ উন্নয়নৰ প্ৰক্ৰিয়াৰ মাজৰ এটা অস্থায়ী অধ্যায় হিচাপে বিবেচিত অসংগঠিত খণ্ডটোৰ অস্তিত্ব উন্নয়নৰ প্ৰক্ৰিয়াটোৱে গতি লোৱা সময়ত দেখিবলৈ পোৱাৰ লগে লগে ইও ক্ৰমান্বয়ে প্ৰসাৰিত হোৱা দেখিবলৈ পোৱা যায়। লাহে লাহে এই খণ্ডটোকেই উন্নয়নশীল দেশসমূহ সন্মুখীন হৈ অহা বৃহৎ সংখ্যক অতিৰিক্ত শ্ৰমিকৰ সমস্যা সমাধানৰ উপায় হিচাপেও বিবেচনা কৰিব পৰা হৈ আহিল। তদুপৰি, গাঁথনিগত সমন্বয় আঁচনি (এছ এ পি)ৰ আৰম্ভণিয়ে এই উন্নয়নশীল দেশশমূহত কৰ্ম সংস্থাপনহীন উন্নয়নৰ পৰিৱেশৰ সূচনা কৰে। প্ৰতিযোগিতাৰ মাজত তিষ্ঠি থাকিবলৈ আৰু ব্যয়ৰ পৰিমাণ নিয়ন্ত্ৰণত ৰখাৰ স্বাৰ্থত ৰাজহুৱা আৰু ব্যক্তিগত খণ্ড উভয়ে তেওঁলোকৰ নিযুক্তি হ্ৰাস কৰিবলগীয়া হোৱা বাবেই এনে পৰিস্থিতিৰ সৃষ্টি হয়। ইয়াৰ ফলস্বৰূপে এনেবোৰ অৰ্থনীতিত অসংগঠিত খণ্ডৰ অস্তিত্ব তথা সম্প্ৰসাৰণ আৰম্ভ হোৱাৰ লগতে এই খণ্ডৰ কাৰ্যকলাপ ক্ৰমান্বয়ে দীৰ্ঘস্থায়ী হৈ পৰে। এইটো কাৰণতেই এই ধাৰণাটো পোনতে উন্নয়নশীল দেশসমূহৰ প্ৰেক্ষাপটত পৰিলক্ষিত হোৱাৰ লগতে ইয়াৰ অধ্যয়ন আৰম্ভ হয় আৰু পাচলৈ উন্নত দেশসমূহত অসংগঠিত খণ্ডক লৈ অধ্যয়নৰ বিষয়টোৰ প্ৰতি আগ্ৰহ ক্ৰমান্বয়ে বৃদ্ধি পায়। উল্লেখযোগ্য যে উন্নত দেশসমূহতো ইয়াৰ অস্তিত্ব পৰিলক্ষিত হ'লেও এনে প্ৰতিষ্ঠানসমূহৰ কাম-কাজৰ ক্ষেত্ৰত কেতবোৰ মৌলিক পাৰ্থক্য দেখিবলৈ পোৱা যায়। কামত জড়িত হ'ব পৰাকৈ কোনো বিকল্প কৰ্ম সংস্থাপনৰ ব্যৱস্থা নথকা উন্নয়নশীল দেশসমূহত ইয়াক দৰিদ্ৰ লোকৰ বাবে 'বৰ্তি থকাৰ উপায়' হিচাপে বিবেচনা কৰা হয়; আনহাতে উন্নত দেশৰ লোকসকল এনে ধৰণৰ প্ৰতিষ্ঠানৰ সৈতে জড়িত হোৱাৰ কাৰণ হ'ল আনুষ্ঠানিক খণ্ডৰ তুলনাত এই খণ্ডৰ প্ৰতিষ্ঠানসমূহত লাভ কৰা অধিক পৰিমাণৰ স্বায়ত্বতা, এৰা-ধৰাৰ ব্যৱস্থা বা নমনীয়তা আৰু স্বতন্ত্ৰতা। উন্নত দেশসমূহৰ পৰিস্থিতিৰ বিপৰীতে কম উন্নত দেশসমূহত বৰ্তি থাকিব পৰা কাৰ্যকলাপ হিচাপে অসংগঠিত খণ্ড অধিক পৰিমাণে শ্ৰমিক অনুকূল হোৱাৰ লগতে ই কম উপাৰ্জন দিয়ে আৰু কম পৰিমাণৰ মূলধন ব্যৱহাৰ কৰে। অৱশ্যে এই কথা সত্য হয় নে নহয় তাক লৈ সম্প্ৰতি বিতৰ্কৰ অৱকাশ সৃষ্টি হৈছে। কাৰণ অসংগঠিত খণ্ডক সামৰি চলোৱা শেহতীয়া অধ্যয়নসমূহৰ জৰিয়তে এই কথা প্ৰতীয়মান হৈছে যে অসংগঠিত খণ্ডৰ এটা বৃহৎ অংশ কেৱল সমৰ্থবানেই নহয়, ই লাভ অৰ্জনকাৰী হিচাপেও পৰিগণিত হৈছে (ইউ এন চি এইচ এছ ২০০৬)। এই কথা এতিয়া বুজিব পৰা হৈছে যে পাৰ হৈ অহা বছৰবোৰত এনেবোৰ দেশত কেৱল সামগ্ৰিক কৰ্ম সংস্থাপনৰ ক্ষেত্ৰতহে যে অসংগঠিত খণ্ডৰ অংশীদাৰিত্ব বৃদ্ধি পাইছে, এনে নহয়— মুঠ ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰতো ইয়াৰ অংশ ক্ৰমান্বয়ে বৃদ্ধি পাইছে। উদাহৰণস্বৰূপে উত্তৰ আফ্ৰিকাত অনা-কৃষি খণ্ডৰ মুঠ ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত

অসংগঠিত প্ৰতিষ্ঠান খণ্ডৰ গড় অংশ মাত্ৰ ২৭ শতাংশৰ আশে-পাশে থকাৰ বিপৰীতে ছাহাৰা অঞ্চলক সামৰি লোৱা 'ছাব-ছাহাৰান' আফ্ৰিকাত এই হাৰ ৪১ শতাংশ পৰ্যন্ত বৃদ্ধি পোৱা দেখা যায়। লেটিন আমেৰিকাৰ মুঠ ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত অসংগঠিত খণ্ডৰ বৰঙণি ২৯ শতাংশ হোৱাৰ বিপৰীতে এছিয়া মহাদেশৰ ক্ষেত্ৰত এই হাৰ ৪১ শতাংশ। আনহাতে কম্বোডিয়াত অনা-কৃষি খণ্ডৰ মুঠ ঘৰুৱা উৎপাদনৰ প্ৰায় ৮০ শতাংশই অসংগঠিত খণ্ডৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ পৰা আহে। এই তথ্যসমূহে এই কথা প্ৰতীয়মান কৰে যে অনা-কৃষি খণ্ডৰ মুঠ ঘৰুৱা উৎপাদনলৈ অসংগঠিত খণ্ডই উল্লেখনীয় পৰিমাণৰ বৰঙণি আগবঢ়ায়। এই পৰিস্থিতিয়ে আঁচনি প্ৰস্তুত কৰোঁতা আৰু গৱেষকসকলৰ মাজত উন্নয়নশীল দেশসমূহত অসংগঠিত খণ্ডৰ উন্নয়নৰ প্ৰেক্ষাপটৰ বিষয়ে অধ্যয়নৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰে। বিশেষকৈ এই খণ্ডত ব্যুৎপত্তিবিহীন শ্ৰমিক অধিক পৰিমাণে ব্যৱহাৰ হোৱা আৰু স্থানীয়ভাৱে পোৱা সম্পদক বেছিকৈ কামত লগোৱাৰ পৰিপ্ৰেক্ষিততেই এই বিষয়টোৰ প্ৰতি আগ্ৰহ বৃদ্ধি পায়। কৰ্ম সংস্থাপন সৃষ্টি, উৎপাদন আৰু উপাৰ্জন বৃদ্ধিৰ ক্ষেত্ৰত অসংগঠিত খণ্ডই পালন কৰি অহা গুৰুত্বপূৰ্ণ ভূমিকাৰ বাবে এইবোৰ দেশত এই খণ্ডটোক অৰ্থনীতিৰ এটি অতি প্ৰয়োজনীয় অংশ হিচাপে বিবেচনা কৰা হয়।

লাভ অৰ্জনকাৰী আধুনিক প্ৰয়াসৰ পৰম্পৰাগতভাৱে তিষ্ঠি থাকিব পৰা কাৰ্য-কলাপ হিচাপে অসংগঠিত খণ্ডৰ কল্পনাপ্ৰসূত যাত্ৰাই এই খণ্ডৰ সংজ্ঞা আৰু চৰিত্ৰ অংকনৰ ক্ষেত্ৰত ভিন ভিন ভাৱধাৰাৰ সৃষ্টি কৰে। ইয়াৰ সংজ্ঞা, ইয়াৰ সৈতে ভিন ভিন পৰ্যায়ত জড়িত ব্যক্তিবিশেষ, ইয়াৰ কাৰ্যকলাপ আৰু সৰ্বোপৰি ই সামৰি লোৱা বিষয়ৰ ক্ষেত্ৰত দেখা দিয়া ভিন্নমুখী ভাৱধাৰাই এনে পৰিস্থিতিৰ সৃষ্টি কৰে, যাৰ বাবে গৱেষক আৰু নীতি নিৰ্ধাৰণ কৰোঁতাসকলে এই তত্ত্ব আৰু ইয়াৰ অন্তৰ্নিহিত ধাৰণাক এনে ধৰণে প্ৰয়োগ কৰে যে ইয়াৰ ফলত ইয়াৰ কেইবাটাও অৰ্থৰ সৃষ্টি হয়। ভিন ভিন দেশ, অৰ্থনীতি তথা সংস্কৃতি আৰু আনকি একেখন মহানগৰীৰে ভিন ভিন অংশৰ মাজত এই খণ্ডৰ ক্ষেত্ৰত পাৰ্থক্য পৰিলক্ষিত হয়। ৰাষ্ট্ৰসংঘৰ অৰ্থনৈতিক আৰু সামাজিক পৰিষদ, চমুকৈ ইউনেস্ক'ছক-ৰ দ্বাৰা অনুমোদিত আন্তৰ্জাতিক সংজ্ঞা অনুসৰি, অসংগঠিত খণ্ড বোলা ধাৰণাটোৰ অৰ্থ হ'ল ঃ (ক) সামগ্ৰী আৰু সেৱাৰ উৎপাদন আৰু বিক্ৰীৰ সৈতে জড়িত প্ৰতিটো ব্যক্তিগত তথা একক সংস্থাভুক্ত প্ৰতিষ্ঠান (অসংগঠিত প্ৰতিষ্ঠান) অথবা গৃহ/পৰিয়ালবিশেষ আৰু (খ) পূৰ্ব-নিৰ্ধাৰিত আৰম্ভণি (এন চি ই ইউ এছ - ২০০৬)-ৰ তুলনাত কম সংখ্যক কৰ্ম সংস্থাপনৰ ব্যৱস্থা থকা প্ৰতিষ্ঠান। গ্ৰাম্য অঞ্চলসমূহত অসংগঠিত খণ্ডই মূলতঃ ভূমিহীন কৃষি শ্ৰমিক, ক্ষুদ্ৰ আৰু উপান্ত খেতিয়ক, আধিখোৱা খেতিয়ক আদিৰ লগতে পশুপালন, মীন পালন আৰু মাছ ধৰা কাৰ্যৰ সৈতে জড়িত লোকসকল, গ্ৰাম্য হস্তশিল্পী, বনাঞ্চলৰ খৰি আদি সংগ্ৰহ কৰি জীৱিকা নিৰ্বাহ কৰা লোক, খেজুৰ গছৰ ৰস উলিওৱা লোক আদিক সামৰি লয়। আনহাতে নগৰীয়া অঞ্চলত অসংগঠিত খণ্ডই সামৰি লোৱা লোকসকল হ'ল নিৰ্মাণ কাৰ্য, কাঠৰ কাম, ব্যৱসায়-বাণিজ্য, পৰিবহন, যোগাযোগ আদি বৃত্তিৰ সৈতে জড়িত শ্ৰেণীৰ লোক। এইবোৰৰ বাহিৰেও বাটে বাটে সামগ্ৰী বিক্ৰী কৰি ঘূৰি ফুৰা লোক, হকাৰ, বোজা কঢ়িওৱা কৰ্মী, সাজ-পোছাক নিৰ্মাতা আদি লোককো এই খণ্ডটোৱে সামৰি লয়। আই এল অ'ৰ সূত্ৰ অনুসৰি অসংগঠিত খণ্ডই সামৰি লোৱা কাম-কাজবোৰ হ'ল চৰকাৰী কৰ্তৃপক্ষসমূহে স্বীকৃতি নিদিয়া, তথ্যভুক্ত নকৰা, সুৰক্ষাৰ দায়িত্ব নোলোৱা অথবা নিয়ন্ত্ৰণৰ আওতাৰ ভিতৰলৈ আনিব নোৱাৰা কঠোৰ পৰিশ্ৰমেৰে জীৱন নিৰ্বাহ কৰা শ্ৰমিক শ্ৰেণীৰদ্বাৰা সম্পাদিত সকলো ধৰণৰ কাৰ্য-কলাপ। এনে কাম-কাজসমূহৰ বৈশিষ্ট্যবোৰৰ ভিতৰৰ কেতবোৰ হ'ল সহজতে প্ৰৱেশ কৰাৰ সুবিধা, থলুৱা সম্পদৰ ওপৰত নিৰ্ভৰশীলতা, পৰিয়ালৰ হাতত থকা সংশ্লিষ্ট প্ৰতিষ্ঠানৰ মালিকীস্বত্ব, কাম-কাজ তথা কৰ্মক্ষেত্ৰৰ ক্ষুদ্ৰ পৰিসৰ, শ্ৰমিক-ভিত্তিক আৰু শ্ৰমিকে নিজে শিকি লৈ ব্যৱহাৰ কৰিব পৰা প্ৰযুক্তি, আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ বাহিৰত আহৰণ কৰিব পৰা ব্যুৎপত্তি আৰু অনিয়ন্ত্ৰিত তথা প্ৰতিযোগিতামূলক বজাৰ ব্যৱস্থা (আই এল অ'-১৯৭২)। 'অসংগঠিত শ্ৰমিক' বোলা শ্ৰেণীটোৱে সেইসকল লোকক বুজায়, যাৰ কৰ্মসংস্থাপনৰ বিষয়টোৰ সৈতে শ্ৰম আইন, সামাজিক সুৰক্ষা অথবা নিৰ্দিষ্ট কিছুমান নিয়োগ সম্পৰ্কীয় সা-সুবিধাৰ দৰে বিষয়ৰ কোনো সম্পৰ্ক নাথাকে। 'অসংগঠিত অৰ্থনীতি' বোলা তত্ত্বটো 'অসংগঠিত শ্ৰমিক' আৰু 'অসংগঠিত খণ্ড'ক সামৰি লৈ গঠিত হয় (আই এল অ'-২০০২)। 'দা আডাৰ পাথ' শীৰ্ষক লেখাত ডে ছট'ৱে (১৯৮৯) এই বুলি বৰ্ণনা কৰিছে যে ৰাষ্ট্ৰৰ হস্তক্ষেপ আৰু নিয়ন্ত্ৰণে নতুনকৈ গঢ়ি উঠিবলৈ লোৱা প্ৰতিষ্ঠানৰ উন্নয়ন বাধাগ্ৰস্ত কৰে আৰু

সেই দিশৰ পৰা তেওঁ অসংগঠিত খণ্ডক 'যিসকল লোকে বৈধ অৰ্থনৈতিক লক্ষ্যসমূহ পূৰণৰ উদ্দেশ্যে প্ৰণয়ন কৰা প্ৰচলিত আইনী ব্যৱস্থাক মানি চলাৰ বিনিময়ত হোৱা ব্যয়ে লাভৰ পৰিমাণক চেৰাই যায় বুলি অনুভৱ কৰে, তেনে লোকসকলৰ আশ্ৰয়স্থল' হিচাপে অভিহিত কৰিছে। আনহাতে শ্লেইডাৰৰ সূত্ৰত (২০০৪) আকৌ 'অসংগঠিত খণ্ড'ৰ এটা অধিক অৰ্থপূৰ্ণ ধাৰণা প্ৰতিফলিত হয়। তেওঁ অসংগঠিত খণ্ডৰ ব্যাখ্যা আগবঢ়াবলৈ গৈ ইয়াক বজাৰ-ভিত্তিক এনে সকলো সামগ্ৰী আৰু সেৱাক লৈ গঠিত বুলি অভিহিত কৰে, যিবোৰৰ ক্ষেত্ৰত আয়কৰ, মূল্য সংযোজিত কৰ আৰু আন সকলো ধৰণৰ কৰ-কাটল আদায় দিয়াৰ পৰা বিৰত থকা, সামাজিক সুৰক্ষাৰ ক্ষেত্ৰখনলৈ আগবঢ়াব লগা বৰঙণি আদায় নিদিয়াকৈ থকা, শ্ৰমৰ ক্ষেত্ৰত প্ৰচলিত নিৰ্দিষ্ট মান— যেনে ন্যূনতম মজুৰি, সৰ্বাধিক কাম কৰা সময় আৰু সুৰক্ষাৰ নিৰ্দিষ্ট ব্যৱস্থাৰ দৰে আইনগত নিৰ্ধাৰিত মান ৰক্ষাৰ দায়বদ্ধতা মানি নচলাকৈ থকাৰ লগতে নিৰ্দিষ্ট কিছুমান প্ৰশাসনিক ব্যৱস্থা সামৰি চলাৰ পৰা আঁতৰি থাকিব পৰাৰ স্বাৰ্থত চৰকাৰী কৰ্তৃপক্ষৰ পৰা গোপনীয়তা অৱলম্বন কৰা হয়। তেওঁ আগবঢ়োৱা এই সূত্ৰৰ অন্তৰ্নিহিত ধাৰণাটোৱে অসংগঠিত খণ্ডৰ অধীনত সম্পাদিত কাৰ্য-কলাপৰ বাবে এটা আইনগত স্থিতি নিৰ্দিষ্ট কৰি দিয়ে আৰু একে সময়তে কিছুমান বিশেষ ধৰণৰ শ্ৰম আৰু বজাৰ মানৰ অনুপস্থিতিৰ বিষয়লৈ আঙুলিয়াই দিয়ে। এনেবোৰ প্ৰতিষ্ঠানে সম্পন্ন কৰা পঞ্জীয়ন মূলতঃ তেওঁলোকৰ কাম-কাজক বৈধ বুলি স্বীকৃতি দিয়া অনুজ্ঞা বা অনুমোদন আদায়, ব্যৱসায়ৰ নাম বা প্ৰতিষ্ঠা আৰু প্ৰতিষ্ঠানৰ পঞ্জীয়নৰ দৰে বাণিজ্যিক সক্ৰিয়তা সম্পাদনাৰ স্বাৰ্থতেই কৰা দেখা যায়। এনেদৰেই, এনে প্ৰতিষ্ঠানবোৰে যদিও চৰকাৰী বিধি ব্যৱস্থাৰ অধীনতেই কাম-কাজ সম্পাদন কৰে, তথাপিতো এনে বিধি ব্যৱস্থাই এইবোৰক কাম-কাজৰ পৰা হোৱা লাভ অথবা উৎপাদনৰ প্ৰক্ৰিয়া সন্দৰ্ভত কোনো ধৰণৰ তথ্য অথবা দেনা দাখিলৰ বাবে বাধ্য কৰিব নোৱাৰে।

অসংগঠিত অৰ্থনীতি হ'ল 'পৰ্যবেক্ষণত নৰখা অৰ্থনীতি' (এন অ' ই)-ৰ এটা অংশ (অ' চি ই ডি-২০০২)। ১৯৯৩ চনৰ এছ এন এ (ৰাষ্ট্ৰীয় হিচাপ পদ্ধতি)ত এই 'পৰ্যবেক্ষণত নৰখা অৰ্থনীতি'ক গোপন, অবৈধ, অনানুষ্ঠানিক খণ্ড, নিজাববীয়াকৈ উপভোগ বা ব্যৱহাৰৰ বাবে কৰা ঘৰুৱা উৎপাদন আৰু মৌলিক তথ্য সংগ্ৰহ আঁচনিৰ অভাৱৰ ফলত ঢুকি নোপোৱা কাম-কাজ হিচাপে শ্ৰেণীভুক্ত কৰে। শ্ৰম পৰিসংখ্যাৰ পঞ্চদশ আন্তঃৰাষ্ট্ৰীয় সন্মিলন (আই চি এল চি)ত গৃহীত প্ৰস্তাৱ অনুসৰি অসংগঠিত খণ্ডক এনেদৰে ব্যাখ্যা কৰা হয়— "... বহল অৰ্থত সংশ্লিষ্ট লোকসকলৰ বাবে কৰ্ম সংস্থাপন আৰু উপাৰ্জনৰ পথ সৃষ্টি কৰাৰ প্ৰাথমিক লক্ষ্যৰে সামগ্ৰী আৰু সেৱাৰ উপায় উদ্ভাৱনৰ সৈতে জড়িত কিছুমান গোটৰ সমষ্টি হিচাপে এই গোটৰ চৰিত্ৰ অংকন কৰা হয়। এনে গোটসমূহে বৈশিষ্ট্যপূৰ্ণভাৱে নিম্ন পৰ্যায়ৰ সংগঠনৰ সৈতে জড়িত হৈ আৰু তেনেই ক্ষুদ্ৰ পৰিসৰত কাৰ্যনিৰ্বাহ কৰে, য'ত উৎপাদনৰ সৈতে জড়িত একোটা কাৰক হিচাপে শ্ৰমিক আৰু মূলধনৰ মাজত পাৰ্থক্য সমূলি নাথাকে বা থাকিলেও সেয়া তেনেই সামান্য পৰিমাণৰহে হয়। যিবোৰ গোটৰ ক্ষেত্ৰত শ্ৰমিক জড়িত হ'বলগীয়া হয়, সেইবোৰতো এনে শ্ৰমিকসকলক আনুষ্ঠানিক নিশ্চিতিৰে সৈতে ঠিকা চুক্তিৰ ব্যৱস্থাৰে নিয়োগ কৰাৰ পৰিৱৰ্তে সাধাৰণতে অস্থায়ী নিযুক্তিৰ ভিত্তিত, অঙহী-বঙহীৰ মাজৰ পৰা, নহ'লে বা ব্যক্তিগত অথবা সামাজিক সম্পৰ্কৰ ভিত্তিত নিযুক্তি দিয়া হয়' (অ' ই ডি ডি-২০০২)। এই সন্মিলনৰ উদ্দেশ্য আছিল অসংগঠিত খণ্ডৰ ভিতৰত অন্তৰ্ভুক্ত কৰিবলগীয়া কাম-কাজবোৰৰ লগতে এইবোৰৰ অৰ্থনৈতিক চৰিত্ৰ আৰু সিহঁতৰ বিশ্লেষণৰ বাবে প্ৰয়োজন হোৱা তথ্য-পাতিৰ বিষয়ত সমন্বয় সাধন কৰা। এই উদ্দেশ্য পূৰণ কৰাৰ বাবে ইয়াত কিছুমান বিষয় অন্তৰ্ভুক্ত কৰা হ'ল। সেইবোৰৰ ভিতৰত আছিল— (১) একোটা প্ৰতিষ্ঠানৰ কিছু পৰিমাণে হ'লেও বজাৰ ব্যৱস্থাৰ সৈতে সম্পৰ্ক থকাটো অতিশয় আৱশ্যকীয়। এনেদৰেই কেৱল নিজৰ ব্যৱহাৰ তথা উপভাগৰ বাবেহে সামগ্ৰী অথবা সেৱাৰ উৎপাদনত জড়িত হোৱা আৰু পাৰিশ্ৰমিক বা মূল্য আদায় নিদিয়াকৈ ঘৰুৱাভাৱে আদায় কৰা কামৰ লগত জড়িত অসংগঠিত গোটসমূহক স্বীকৃতিৰ বাহিৰত ৰখা হয় (আই এল অ'-২০০২বি), (২) একোটা প্ৰতিষ্ঠানে ইয়াৰ এটা বা একাধিক বৈশিষ্ট্য পূৰণ কৰিবই লাগিব; প্ৰতিষ্ঠানটোৰ সৈতে অবিৰতভাৱে জড়িত লোক অথবা নিযুক্তি লাভ কৰা কৰ্মচাৰীৰ সংখ্যাৰ দিশৰ পৰা নিৰ্দিষ্ট জোখৰ তুলনাত ইয়াত এই সংখ্যাটো কম, ফেক্টৰী অথবা বাণিজ্যিক আইন, কৰ বা সামাজিক সুৰক্ষা বিষয়ৰ আইন, বৃত্তিগত গোট নিয়ন্ত্ৰক আইন অথবা ৰাষ্ট্ৰীয় বিধান গোটসমূহে প্ৰৱৰ্তন কৰা এনে ধৰণৰ আন কোনো আইন-কানুনৰ লেখিয়া কোনো নিৰ্ধাৰিত ৰাষ্ট্ৰীয় বিধি ব্যৱস্থাৰ অধীনত

সংশ্লিষ্ট প্ৰতিষ্ঠানটো পঞ্জীয়নভুক্ত নহয় আৰু (৩) নিযুক্ত কৰ্মচাৰীসকলৰ হৈ সংশ্লিষ্ট বিভিন্ন কৰ আদায় দিয়া আৰু সামাজিক সুৰক্ষা সম্পৰ্কীয় বৰঙণি দাখিল কৰাৰ প্ৰতিশ্ৰুতিৰে নিয়োগকাৰীৰ সৈতে সম্পাদন কৰা চুক্তি অথবা নিযুক্তিৰ প্ৰক্ৰিয়াটো মানবিশিষ্ট শ্ৰম বিধি ব্যৱস্থাৰ প্ৰতি দায়বদ্ধ হোৱা সম্পৰ্কীয় কোনো ধৰণৰ নিযুক্তি অথবা ন-শিকাৰু চুক্তিৰ অবিহনে সংশ্লিষ্ট প্ৰতিষ্ঠানটোৰ কৰ্মচাৰীসকল পঞ্জীয়নভুক্ত নহয়। অসংগঠিত খণ্ডৰ উৎপাদন গোটসমূহৰ হিচাপ ৰক্ষাৰ সম্পূৰ্ণ আনুষ্ঠানিক ব্যৱস্থা নাথাকে আৰু এনেবোৰ গোট ঘৰুৱা প্ৰতিষ্ঠানৰ চাৰিত্ৰিক বৈশিষ্ট্যৰেহে পৰিচিত হয়। এই ক্ষেত্ৰত হিচাপলৈ অহা স্থায়ী আৰু অন্যান্য সম্পত্তিবোৰ উৎপাদন গোটসমূহৰ হোৱাৰ পৰিৱৰ্তে সেইবোৰৰ গৰাকীসকলৰ সম্পত্তি হিচাপেহে পৰিগণিত হয়। এনে প্ৰেক্ষাপটত এই ধৰণৰ গোটসমূহে আন গোটৰ সৈতে লেনদেন কৰিব নোৱাৰাৰ লগতে কোনো ধৰণৰ চুক্তিত উপনীত হ'ব নোৱাৰে। একেদৰে এইবোৰে নিজাববীয়াকৈ কোনো ধৰণৰ দেনাৰ দায়িত্বও গ্ৰহণ কৰিব নোৱাৰে। ইয়াৰ পৰিৱৰ্তে উৎপাদন গোটসমূহৰ গৰাকীয়েহে তেওঁৰ নিজৰ দায়িত্বত প্ৰয়োজনীয় বিনিয়োগৰ পৰিমাণ বৃদ্ধি কৰিব পাৰে আৰু উৎপাদনী প্ৰক্ৰিয়াৰ ক্ষেত্ৰত হোৱা বা হ'বলগীয়া সকলো ধৰণৰ দেনা, ঋণ আৰু দায়বদ্ধতাৰ প্ৰতি তেওঁ নিজে ব্যক্তিগতভাৱে জবাবদিহি হ'বলগীয়া হয়। ঘৰুৱা খৰচ-পাতিৰ মাজৰ পৰা উৎপাদনৰ নামত হোৱা ব্যয়ৰ পৰিমাণ নিলগাই উলিওৱাটো কিছুমান সময়ত জটিল হৈ পৰে। ঠিক একেদৰে, গৃহ আৰু যান-বাহনৰ লেখিয়া মূলধনী সম্পদসমূহো কোনো কোনো সময়ত ঘৰুৱা আৰু ব্যৱসায়িক উভয়বিধ কামতে ব্যৱহাৰ কৰিবলগীয়া হয়, যিটো সুকীয়াকৈ দেখুওৱা সম্ভৱ নহয়। আনহাতে কিছুমান কৃষিকাৰ্য কেৱল নিজৰ তথা পৰিয়ালৰ সদস্যসকলৰ পোষণৰ বাবে সম্পাদন কৰা হয় আৰু ইয়াৰ বিপৰীতে আন কিছু খেতি কৰা হয় উৎপাদিত সামগ্ৰীসমূহ বজাৰত বিক্ৰী কৰাৰ উদ্দেশ্যে। সেই বাবেই আই চি এল এছ-এ অসংগঠিত খণ্ডৰ হিচাপ-নিকাচৰ ব্যৱস্থাৰ পৰা কৃষিকাৰ্যক বাহিৰত ৰখাৰ পৰামৰ্শ আগবঢ়াইছিল, যদিও বৃহৎ পৰিমাণৰ অসংগঠিত খণ্ডৰ প্ৰতিষ্ঠানেৰে সমৃদ্ধ অধিকাংশ দেশৰ ক্ষেত্ৰতেই এইটো এটা অতি উল্লেখনীয় বিষয় হিচাপে পৰিগণিত হ'ব (ইউ এন— ই এছ চি ডব্লিউ এ, ২০০৮)। যিকোনো এখন দেশত অসংগঠিত খণ্ডৰ প্ৰকৃত সংজ্ঞা নিৰূপণ কৰাৰ বাবে এই বিষয়বোৰে প্ৰয়োজনীয় আধাৰ আগবঢ়াব পাৰিব। স্বাভাৱিকতেই এইবোৰৰ ফলত সকলো দেশৰ বাবেই অসংগঠিত খণ্ডৰ একেটা সংজ্ঞা নিৰূপিত হোৱাৰো কোনো প্ৰয়োজন নাথাকিব। উল্লিখিত বিষয়সমূহক ভিন ভিন দেশত ভিন ভিন সংযোজনৰ জৰিয়তে প্ৰয়োগ কৰা হ'ব; দেশবিশেষে ৰাষ্ট্ৰীয় বিধি-বিধানৰ তাৰতম্য থাকিব পাৰে অথবা কৰ্ম সংস্থাপনৰ সংখ্যাৰ সীমাবদ্ধতা ভিন ভিন হ'ব পাৰে, তাৰ হিচাপ কেনেদৰে নিৰ্ধাৰণ কৰা হয় সেই পন্থাও সুকীয়া সুকীয়া হ'ব পাৰে— ইত্যাদি।

পঞ্চদশ শ্ৰম সন্মিলনত গৃহীত প্ৰস্তাৱে দেশসমূহক অসংগঠিত খণ্ডৰ সংজ্ঞা নিৰূপণ আৰু ইয়াৰ বাবে প্ৰয়োজনীয় হিচাপ উলিওৱাৰ ক্ষেত্ৰত ভালেখিনি নমনীয়তা প্ৰদান কৰিলে (অ' ই চি ডি-২০০২)। পিচে এই নমনীয়তাই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত পৰস্পৰৰ তুলনাৰ পৰিসৰো হ্ৰাস কৰে। এনে পাৰস্পৰিক তুলনাযোগ্যতাৰ বাবে সাময়িকভাৱে ব্যৱহৃত হৈ থকা ৰাষ্ট্ৰীয় সংজ্ঞাসমূহ নিৰূপণৰ ক্ষেত্ৰত গ্ৰহণ কৰা অধিকতৰ উমৈহতীয়া বিষয়কেইটাৰ আধাৰত এটা কম-বেছি পৰিমাণে উমৈহতীয়া ধৰণৰ সংজ্ঞা গ্ৰহণ কৰাটো প্ৰয়োজনীয় হৈ পৰে (ইউনেস্কেপ্-২০০৭)। এই সমস্যাৰ সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ভাৰতত পৰিসংখ্যা আৰু আঁচনি ৰূপায়ণ সম্পৰ্কীয় মন্ত্ৰালয় (এম অ' এছ পি আই)ৰ অধ্যক্ষতাৰে গঠিত, 'ডেল্হি গ্ৰুপ' হিচাপে পৰিচিত অসংগঠিত খণ্ডৰ পৰিসংখ্যা বিষয়ৰ এটা আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞ গোটক দায়িত্ব অৰ্পণ কৰা হয়। এই উদ্দেশ্যৰে ৰাষ্ট্ৰসংঘৰ পৰিসাংখ্যিক শাখাক নিজৰ নিজৰ প্ৰতিবেদন দাখিল কৰাৰ বাবে সমগ্ৰ বিশ্বজুৰি গঠন কৰা 'চিটি গ্ৰুপ'সমূহৰ অংশ হিচাপে ১৯৯৭ চনত ভাৰতবৰ্ষত এই বিশেষজ্ঞ গোটটো গঠন কৰা হয়। সেই সময়ৰ পৰাই এই গোটে অসংগঠিত খণ্ডৰ সৈতে জড়িত হিচাপ-নিকাচ সম্পন্ন কৰা, সদস্য ৰাষ্ট্ৰসমূহে ব্যৱহাৰ কৰি অহা সংজ্ঞা পদ্ধতি আৰু সমীক্ষাৰ প্ৰক্ৰিয়াকে ধৰি তথ্য সংগ্ৰহৰ সকলো ধৰণৰ ব্যৱস্থা নথিভুক্ত কৰা আদি বিষয়ৰ অভিজ্ঞতাৰ আদান-প্ৰদান কৰাৰ উদ্দেশ্যে নিয়মীয়া বৈঠকৰ আয়োজন কৰি আহিছে। তদুপৰি অসংগঠিত খণ্ডৰ বিভিন্ন পৰিসংখ্যাৰ মান আৰু তুলনাত্মক অধ্যয়নৰ ব্যৱস্থা উন্নত কৰাৰ হকে এই গোটে সময়ে সময়ে বিভিন্ন পৰামৰ্শও আগবঢ়াই আহিছে। অসংগঠিত খণ্ডৰ বাবে যুগুতোৱা আন্তঃৰাষ্ট্ৰীয় সংজ্ঞাৰ আধাৰৰ ভিত্তিত বিভিন্ন ৰাষ্ট্ৰৰ সংশ্লিষ্ট সংজ্ঞাসমূহৰ মাজত সামঞ্জস্য স্থাপনৰ বাবে 'ডেল্হি গ্ৰুপে' চেষ্টা চলাই আছে।

এই গোটৰ তৃতীয়খন বৈঠকত বিষয়টো ফঁহিয়াই আলোচনা কৰা হয় আৰু ইয়াৰ পিচত এই পৰামৰ্শটো গ্ৰহণ কৰা হয় ঃ

"যিহেতু বিভিন্ন দেশত অসংগঠিত খণ্ড ভিন ভিন ৰূপত পৰিচিত হৈ আহিছে, সেয়েহে সম্প্ৰতি অসংগঠিত অৰ্থনীতিৰ ৰাষ্ট্ৰীয় সংজ্ঞাসমূহৰ মাজত সম্পূৰ্ণৰূপে সমন্বয় সাধন কৰাটো সম্ভৱ নহয়। আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহে ভিন ভিন দেশে ব্যৱহাৰ কৰা সুকীয়া সংজ্ঞাসমূহৰ আধাৰতেই অসংগঠিত অৰ্থনীতিৰ তথ্য-পাতিসমূহ প্ৰসাৰিত কৰা উচিত। অসংগঠিত অৰ্থনীতিৰ পৰিসংখ্যাসমূহক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত তুলনা কৰাৰ ব্যৱস্থা ত্বৰান্বিত কৰাৰ উদ্দেশ্যে তেওঁলোকে সমভাৱে বৰ্ণনা কৰিব পৰা অসংগঠিত অৰ্থনীতিৰ উপজোঁটৰ বাবে তথ্য-পাতিসমূহো সম্প্ৰসাৰিত কৰা উচিত। অৱশ্যে এই পৰ্যায়ত উপনীত হ'বৰ বাবে গোটটোৱে গ্ৰহণ কৰা সংশ্লিষ্ট প্ৰস্তাৱটোৱে অসংগঠিত খণ্ডৰ কেৱল তুলনামূলক-ভাৱে তেনেই ক্ষুদ্ৰ অংশ এটাকহে সামৰি লয়। ভৱিষ্যতে ইয়াক অধিক সম্প্ৰসাৰিত কৰাৰ বাবে পুনৰ প্ৰচেষ্টা চলাব লগিব বুলিও গোটটোৱে মত প্ৰকাশ কৰে" (অ' ই চি ডি-২০০২)। এই গোটে এই বুলি পৰামৰ্শ আগবঢ়ায় যে অতিৰিক্ত নীতি-সমূহৰ বাহিৰেও তিনিটা অত্যাৱশ্যকীয় নীতি একে সময়তে মানি চলিব লাগিব। অসংগঠিত খণ্ডৰ ক্ষেত্ৰত এটা সৰ্বাত্মক সংজ্ঞাত উপনীত হ'বৰ বাবে বিবেচনালৈ আহিবলগীয়া এই বিষয়-কেইটা হ'ল— পাঁচজনতকৈ কমসংখ্যক কৰ্মচাৰীক লৈ গঠন কৰা উৎপাদন গোট, পঞ্জীয়নভুক্ত নোহোৱা উৎপাদন গোট আৰু ঘৰুৱা কামৰ বাবে ধনৰ বিনিময়ত কৰ্মী নিয়োগ কৰা গৃহবিশেষক আওতালৈ ননাকৈ ৰখা।

অসংগঠিত খণ্ড সম্পৰ্কীয় বিভিন্ন পৰিসংখ্যাৰ বিকাশৰ বাবে বিভিন্ন দেশক পথ নিৰ্দেশনা দিব পৰাকৈ এখন কাৰিকৰী হাতপুথি প্ৰস্তুত কৰি উলিওৱাৰ ক্ষেত্ৰতো 'ডেল্‌হি গ্ৰুপে' এটি বাটকটীয়া সংস্থা হিচাপে কাম কৰিছে। অসংগঠিত খণ্ডৰ পৰিসংখ্যা সংগ্ৰহৰ বিষয়টোত পূৰ্বে বৰ বেছি গুৰুত্ব দিয়া হোৱা নাছিল। পিচে ক্ৰমান্বয়ে গুৰুত্ব বৃদ্ধি পাই অহাৰ লগে লগে বিগত চাৰিটা দশকত অসংগঠিত খণ্ডৰ ধাৰণাৰ বিকাশ সাধনৰ সমান্তৰালভাৱে এই খণ্ডৰ বাবে ভালেমান গৱেষণা সম্পন্ন হোৱাৰ লগতে বৃহৎ পৰিমাণৰ তথ্য-পাতিও সংগৃহীত হৈছে। ২০০৫ চনত 'ডেল্‌হি গ্ৰুপ' আৰু আই এল অ'-ই অসংগঠিত খণ্ডৰ পৰিসংখ্যাৰ বিষয়ত এখন হাতপুথি প্ৰস্তুত কৰি উলিওৱাৰ ক্ষেত্ৰত পৰস্পৰৰ সৈতে সহযোগিতাৰে কাম কৰাৰ বাবে সন্মত হয়, য'ত অসংগঠিত খণ্ডৰ বাহিৰত সম্পন্ন হোৱা অসংগঠিত নিযুক্তিৰ বিষয়টোকো অন্তৰ্ভুক্ত কৰা হয়। পিচে ইয়াৰ পিচতো অসংগঠিত খণ্ড সম্পৰ্কীয় তথ্য-পাতিৰ ক্ষেত্ৰত অসম্পূৰ্ণতা ৰৈ যায়। ইয়াৰ আংশিক কাৰণ অসংগঠিত খণ্ডৰ গোলকীয় সংজ্ঞাৰ অভাৱ হোৱাৰ বিপৰীতে সহজাতভাৱে এই খণ্ডই বিভিন্ন ধৰণৰ বিষয়ক সামৰি লোৱাটোও ইয়াৰ আন এটা কাৰণ। উল্লেখযোগ্য যে ই ভিন ভিন ধৰণৰ কাম-কাজ আৰু ভিন ভিন ধৰণৰ প্ৰতিষ্ঠানক অন্তৰ্ভুক্ত কৰাৰ লগতে ইয়াৰ সৈতে অংশগ্ৰহণৰ বাবে বিভিন্ন ধৰণৰ উদ্দেশ্যও সাঙোৰ খাই পৰে আৰু এই সকলোখিনি মিলি তথ্য সংগ্ৰহৰ সামগ্ৰিক প্ৰক্ৰিয়াটোক অধিক জটিল কৰি তোলে। উন্নয়নশীল দেশসমূহে অসংগঠিত খণ্ডক উপাৰ্জন আৰু কৰ্ম সংস্থাপন সৃষ্টিৰ বাবে এটা প্ৰয়োজনীয় উৎস হিচাপে বিবেচনা কৰাৰ পৰিপ্ৰেক্ষিতত তেনে দেশসমূহৰ বাবে এই খণ্ডৰ পৰিসংখ্যাৰ উন্নয়ন সাধন বিশেষভাৱে প্ৰয়োজনীয় বিষয়। অসংগঠিত প্ৰতিষ্ঠান আৰু অসংগঠিত কৰ্মীৰ তুলনাৰে সংগ্ৰহ কৰা তথ্যৰ ক্ষেত্ৰত ৰৈ যোৱা পাৰ্থক্য আঙুলিয়াই দিয়াৰ বাবে আৰু মানসম্পন্ন ধাৰণা, সংজ্ঞা তথা ব্যক্তিৰ লগতে সময় আৰু স্থানৰ মাজৰ তুলনাৰে অসংগঠিত খণ্ডৰ বাবে পৰিসাংখ্যিক তথ্যৰ ভাণ্ডাৰ উন্নত কৰি তোলাৰ উদ্দেশ্যে বিভিন্ন পন্থা তথ্য ব্যৱস্থাৰ বিষয়ে পৰামৰ্শ আগবঢ়াব পৰাকৈ ভাৰতৰ ৰাষ্ট্ৰীয় পৰিসংখ্যা বিষয়ক আয়োগ (এন এছ চি)-এ ২০১০ বৰ্ষত অসংগঠিত খণ্ডৰ পৰিসংখ্যা সম্পৰ্কীয় এখন সমিতি গঠন কৰি দিয়ে (এন এছ চি-২০১২)। এই সমিতিয়ে আঙুলিয়াই দিয়ে যে ভাৰতবৰ্ষৰ অসংগঠিত খণ্ডত প্ৰতিষ্ঠান আৰু কৰ্ম সংস্থাপন বিষয়ৰ পৰিসংখ্যাৰ ক্ষেত্ৰত ভালেমান পাৰ্থক্য ৰৈ গৈছে। আই এল অ'-ৰ আধাৰ নীতি অনুসৰি কাৰ্যকৰী তথ্য যুগুতাই উলিওৱাৰ প্ৰক্ৰিয়া সম্পন্ন কৰাৰ বাবে প্ৰয়োজন হোৱা ধাৰণা, সংজ্ঞা আৰু ব্যাপ্তিৰ বিষয়ক লৈ প্ৰচলিত তথ্য সংগ্ৰহৰ ব্যৱস্থাৰ ক্ষেত্ৰত থকা বৈচিত্ৰ্যৰ বাবেই মূলতঃ এনে পাৰ্থক্য পৰিলক্ষিত হয় বুলি এই সমিতিয়ে প্ৰকাশ কৰে। অৰ্থনীতিৰ এই অতি গুৰুত্বপূৰ্ণ অংশটোৰ কাম-কাজ তথা ভূমিকাৰ বিষয়ে ভালদৰে বুজি পাবৰ বাবে এনে পাৰ্থক্যসমূহ নাইকিয়া কৰাৰ লগতে এই খণ্ডৰ সৈতে জড়িত বিভিন্ন বিষয়ৰ পৰ্যাপ্ত, সম্পূৰ্ণ, তুলনামূলক আৰু একে সময়তে নিৰ্ভৰযোগ্য পৰিসংখ্যাসমূহ গোট খুওৱাটো বৰ্তমান সময়ৰ অতিশয় প্ৰয়োজনীয় বিষয়। এই কাৰ্যই ভৱিষ্যতে অসংগঠিত খণ্ডৰ সৈতে সম্পৰ্কিত বিভিন্ন নীতি যুগুতাই উলিওৱা আৰু এইবোৰ ৰূপায়ণ কৰাৰ ক্ষেত্ৰত সহায় কৰিব। ❒

# অসমৰ অৰ্থনীতিত অসংগঠিত উদ্যোগ খণ্ডৰ ভূমিকা

**দিলীপ শইকীয়া***

অসংগঠিত উদ্যোগ খণ্ডই বিশ্বৰ বহুতো দেশৰ অৰ্থনীতিত, বিশেষকৈ ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশৰ অৰ্থনীতিত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এই অসংগঠিত উদ্যোগ খণ্ডটো সমগ্ৰ বিশ্বতে আটাইতকৈ বেছি বিকাশ লাভ কৰা ঔদ্যোগিক খণ্ড আৰু বহুতো উন্নয়নশীল দেশত ই উন্নয়নৰ ইন্ধন হিচাপে পৰিগণিত হৈছে। প্ৰধানতঃ ভাৰতবৰ্ষৰ দৰে জনবহুল আৰু সীমিত মূলধনৰ উন্নয়নশীল দেশত বৃহৎ পৰিমাণৰ নিয়োগ সুবিধা সৃষ্টি কৰাৰ ক্ষেত্ৰত এই খণ্ডটিৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। লগতে উৎপাদন, আয় সৃষ্টি, ৰপ্তানি বাণিজ্য, মূলধন গঠন, উদ্যোগপতি সৃষ্টি আৰু গ্ৰাম্য আৰু পিচপৰা অঞ্চলসমূহত ঔদ্যোগীকৰণৰ বিকাশৰ ক্ষেত্ৰত অসংগঠিত উদ্যোগ খণ্ডই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

অসংগঠিত উদ্যোগ বুলিলে সেইবোৰ উদ্যোগকে বুজা যায়, যিবোৰত ১০ জনতকৈ কম শ্ৰমিক নিয়োজিত কৰা হয়। অৱশ্যে দেশ বিশেষে অসংগঠিত উদ্যোগ খণ্ডৰ সংজ্ঞা পৃথক হোৱা দেখা যায়। ভাৰতবৰ্ষত বিভিন্ন সংস্থাই পৃথক সংজ্ঞা ব্যৱহাৰ কৰা দেখা যায়। জাতীয় নমুনা সমীক্ষা সংস্থাই আগবঢ়োৱা সংজ্ঞা অনুসৰি যিবোৰ ঔদ্যোগিক গোট বাৰ্ষিক ঔদ্যোগিক সমীক্ষাৰ অন্তৰ্ভুক্ত নহয় সেইবোৰেই অসংগঠিত উদ্যোগ। অন্যাৰ্থত যিবোৰ ঔদ্যোগিক গোট ১৯৪৮ চনৰ কাৰখানা আইন (Factories Act, 1948)ৰ 2m(i) আৰু 2m(ii) খণ্ড আৰু ১৯৬৬ চনৰ বিড়ী আৰু চিগাৰ শ্ৰমিক আইনৰ অন্তৰ্ভুক্ত নহয়, তেনেবোৰ ঔদ্যোগিক গোটেই অসংগঠিত উদ্যোগ খণ্ডৰ অন্তৰ্গত।

ভাৰতবৰ্ষৰ উদ্যোগ খণ্ডলৈ লক্ষ্য কৰিলে দেখা যায় যে ক্ষুদ্ৰ আৰু অসংগঠিত উদ্যোগ খণ্ডই মুঠ উদ্যোগ খণ্ডৰ বৃহৎ অংশ অধিকাৰ কৰিছে। ১৯৯৪-৯৫ চনৰ পৰা ২০০৫-০৬ চনৰ সময়ছোৱাত প্ৰায় ৯৯.৫ শতাংশ ঔদ্যোগিক গোটেই অসংগঠিত উদ্যোগ, য'ত মুঠ উদ্যোগ খণ্ডৰ শ্ৰমিকৰ প্ৰায় ৮০ শতাংশ নিয়োজিত হৈ আছে আৰু মুঠ উদ্যোগ খণ্ডৰ উৎপাদনৰ প্ৰায় ২৫ শতাংশ উৎপাদিত হয়। অৰ্থনৈতিক উন্নয়নত অসংগঠিত উদ্যোগ খণ্ডৰ গুৰুত্ব উপলব্ধি কৰি একাদশ আৰু দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাই নিয়োগ সংস্থান সৃষ্টিৰ বাবে এই খণ্ডটোৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে।

ভাৰতবৰ্ষত বিগত তিনিটা দশকত, বিশেষকৈ ১৯৯১ চনৰ অৰ্থনৈতিক সংস্কাৰ সাধনৰ পাচৰ সময়ছোৱাত অসংগঠিত উদ্যোগ খণ্ডই দ্ৰুতগতিত প্ৰসাৰতা লাভ কৰিছে। অৱশ্যে অৰ্থনৈতিক সংস্কাৰ নীতিয়ে অসংগঠিত উদ্যোগ খণ্ডত ইতিবাচক আৰু নেতিবাচক দুইধৰণৰে প্ৰভাৱ পেলাইছে। প্ৰতিযোগিতামূলক ব্যৱসায় পৰিৱেশ আৰু থলুৱা বজাৰত বহুজাতিক বিদেশী কোম্পানীৰ উন্নত মানৰ সা-সামগ্ৰীৰ পয়োভৰে দেশীয় ক্ষুদ্ৰ উদ্যোগসমূহলৈ বৃহৎ প্ৰত্যাহ্বান কঢ়িয়াই আনিছে। বিশ্বায়ন আৰু অৰ্থনৈতিক সংস্কাৰ সাধনৰ ফলত দেশৰ ৰাজ্যসমূহো এনেবোৰ প্ৰত্যাহ্বানৰপৰা মুক্ত নহয়। এই পটভূমিতে অসমৰ দৰে অৰ্থনৈতিকভাৱে অনুন্নত আৰু বিভিন্ন আৰ্থ-সামাজিক সমস্যাৰে জৰ্জৰিত ৰাজ্যৰ অসংগঠিত উদ্যোগ খণ্ডৰ উন্নয়নৰ পৰ্যালোচনা কৰাৰ প্ৰয়োজনীয়তা আছে।

### অসংগঠিত উদ্যোগ খণ্ডৰ গুৰুত্ব

অসম এখন ঔদ্যোগিকভাৱে পিচপৰা ৰাজ্য। ২০১০-১১ চনত অসমৰ মুঠ ৰাজ্যিক উৎপাদনৰ মাত্ৰ ৭ শতাংশ উদ্যোগ খণ্ডই অৰিহণা যোগাইছে আৰু ঔদ্যোগিক উৎপাদনৰ বৃদ্ধিৰ হাৰ মাত্ৰ ৩.৮ শতাংশ (অৰ্থনৈতিক জৰীপ, অসম ২০১১-১২)। অৱশ্যে নিয়োগ সংস্থানৰ সৃষ্টিৰ ক্ষেত্ৰত এই খণ্ডটিৰ গুৰুত্ব তাৎপৰ্যপূৰ্ণ।

সমগ্ৰ দেশৰ দৰেই অসমৰ উদ্যোগ খণ্ডতো অসংগঠিত খণ্ডই প্ৰাধান্য বিস্তাৰ কৰা দেখিবলৈ পোৱা যায়। বিশেষকৈ ঔদ্যোগিক গোট আৰু শ্ৰমিকৰ সংখ্যাৰ ফালৰ পৰা অসংগঠিত উদ্যোগ খণ্ডটো বৃহৎ কলেবৰ। তালিকা-১ৰ পৰা এইটো স্পষ্টকৈ প্ৰতীয়মান হয় যে ১৯৯৪-৯৫ চনৰ পৰা ২০০৫-০৬ চনৰ সময়ছোৱাত

*দিলীপ শইকীয়া তেজপুৰত থকা দৰং মহাবিদ্যালয়ৰ বাণিজ্য বিভাগৰ অৰ্থনীতি বিষয়ৰ সহকাৰী অধ্যাপক

ৰাজ্যখনৰ মুঠ ঔদ্যোগিক গোটৰ ৯৯.৫ শতাংশ আৰু মুঠ ঔদ্যোগিক শ্ৰমিকৰ ৮৩ শতাংশই অসংগঠিত উদ্যোগ খণ্ডৰ।

১৯৯৪-৯৫ চনত প্ৰায় ৩০৭.২ হাজাৰ ঔদ্যোগিক গোটেৰে অসংগঠিত খণ্ডই মুঠ ঔদ্যোগিক গোটৰ ৯৯.৫৩ শতাংশ দখল কৰে। ১৯৯৪-৯৫ চনৰ পৰা ২০০০-০১ চনৰ সময়ছোৱাত প্ৰায় ২৮ হাজাৰ ৬৫০ ঔদ্যোগিক গোট বন্ধ হৈ পৰে। ইয়াৰ ফলত ২০০০-০১ চনত অসংগঠিত ঔদ্যোগিক গোটৰ সংখ্যা হ্ৰাস পাই হয়গৈ ২ লাখ ৭৮ হাজাৰ ৪৫০। অৱশ্যে ২০০০-০১ চনৰ পৰা ২০০৫-০৬ চনৰ সময়ছোৱাত প্ৰায় ৯২ হাজাৰ ৩৩০ নতুন ঔদ্যোগিক গোটৰ সৃষ্টি হয়, যাৰ ফলস্বৰূপে ২০০৫-০৬ চনত অসংগঠিত ঔদ্যোগিক গোটৰ সংখ্যা বৃদ্ধি পাই হয়গৈ ৩ লাখ ৭০ হাজাৰ ৭৮০।

নিয়োগ সংস্থান সৃষ্টিৰ ক্ষেত্ৰতো অসংগঠিত উদ্যোগ খণ্ডৰ অধিপত্য দেখিবলৈ পোৱা যায়। ১৯৯৪-৯৫ চনত অসংগঠিত উদ্যোগ খণ্ডত মুঠ ৬ লাখ ২২ হাজাৰ ৮১০ গৰাকী শ্ৰমিক নিয়োজিত আছিল, যিটো ৰাজ্যখনৰ মুঠ উদ্যোগ খণ্ডৰ শ্ৰমিকৰ প্ৰায় ৮৩.৩৩ শতাংশ। ১৯৯৪-৯৫ চনৰ পৰা ২০০০-০১ চনৰ সময়ছোৱাত প্ৰায় ১ লাখ ২৩ হাজাৰ ৯৭০ গৰাকী শ্ৰমিকে নিয়োগ সুবিধা হেৰুৱায়। ইয়াৰ ফলস্বৰূপে ২০০০-০১ চনত শ্ৰমিকৰ সংখ্যা ৪৯ হাজাৰ ৮৮০লৈ হ্ৰাস পায়। এই সময়ছোৱাত বৃহৎ সংখ্যক ঔদ্যোগিক গোট বন্ধ হোৱাটোৱেই নিয়োগ হ্ৰাস হোৱাৰ মূল কাৰণ বুলি ক'ব পাৰি। অৱশ্যে ২০০০-০১ চনৰ পৰা ২০০৫-০৬ চনৰ সময়ছোৱাত যথেষ্ট সংখ্যক নতুন ঔদ্যোগিক গোট গঢ়ি উঠাৰ ফলত প্ৰায় ১ লাখ ৩৩ হাজাৰ ৬৫০ নতুন নিয়োগৰ সৃষ্টি হয়। ইয়াৰ ফলস্বৰূপে ২০০৫-০৬ চনত মুঠ শ্ৰমিকৰ সংখ্যা ৬ লাখ ৩২ হাজাৰ ৪৮০লৈ বৃদ্ধি হয়, যিটো মুঠ উদ্যোগ খণ্ডৰ শ্ৰমিকৰ প্ৰায় ৮৩.১০ শতাংশ।

পূৰ্বৰ আলোচনাৰ পৰা এইটো প্ৰতীয়মান হয় যে ঔদ্যোগিক গোটৰ সংখ্যা আৰু শ্ৰমিকৰ সংখ্যাৰ ফলৰ পৰা অসংগঠিত উদ্যোগ খণ্ডই অসমৰ মুঠ উদ্যোগ খণ্ডক প্ৰতিফলিত কৰে। অন্যাৰ্থত, অসমৰ সংগঠিত উদ্যোগ খণ্ডৰ আকাৰ তেনেই সূক্ষ্ম। ১৯৯৪-৯৫ চনৰ পৰা ২০০৫-০৬ চনৰ সময়ছোৱাত ৰাজ্যখনৰ মুঠ ঔদ্যোগিক গোটৰ মাত্ৰ ০.৫ শতাংশ আৰু ঔদ্যোগিক শ্ৰমিকৰ ২০ শতাংশতকৈ কম সংগঠিত উদ্যোগ খণ্ডৰ।

তালিকা নং-১ ঃ **অসমৰ অসংগঠিত উদ্যোগ খণ্ডৰ আকাৰ**

| | ১৯৯৪-৯৫ | ২০০০-০১ | ২০০৫-০৬ |
|---|---|---|---|
| উদ্যোগৰ সংখ্যা | ৩০৭২০০ (৯৯.৫৩) | ২৭৮৪৪৯ (৯৯.৫০) | ৩৭০৭৮১ (৯৯.৫২) |
| শ্ৰমিকৰ সংখ্যা | ৬২২৮১৪ (৮৩.৩০) | ৪৯৮৮০০ (৮১.৫৯) | ৬৩২৪৮১ (৮৩.১০) |
| উৎপাদন মূল্য সংযোজন (লাখ টকা)* | ৩৬৫৮৩ (২৬.১৭) | ৪৩৯৩৭ (৩৩.৭৬) | ৬৪৭১২ (২৪.৮৯) |
| মূলধন (লাখ টকা)* | ২৬০৩৩ (১২.৯৮) | ২৮৩৭১ (৮.৬৯) | ৫০৮৪৯ (১২.৪৬) |

টোকা ঃ ব্ৰেকেটৰ ভিতৰৰ সংখ্যাই মুঠ উদ্যোগ খণ্ডৰ শতকৰা অংশক বুজাইছে।
*১৯৯৩-৯৪ চনৰ স্থিৰ দৰ ভিত্তিত।

**উৎস ঃ** NSSO, Report No. 433 (51st Round), Report No. 477 (56th Round) and Report No. 525 (62nd Round)

অন্যহাতে, উৎপাদন আৰু মূলধনৰ ফালৰ পৰা অসংগঠিত উদ্যোগ খণ্ডৰ আকাৰ তুলনামূলকভাৱে সূক্ষ্ম। মুঠ ঔদ্যোগিক উৎপাদনলৈ অসংগঠিত উদ্যোগ খণ্ডই ১৯৯৪-৯৫ চনত ২৬.১৭ শতাংশ অৰিহণা যোগাইছিল, যিটো ২০০০-০১ চনত ৩৩.৮ শতাংশলৈ বৃদ্ধি পায় আৰু ২০০৫-০৬ চনত ২৪.৬ শতাংশলৈ হ্ৰাস পায়। ১৯৯৩-৯৪ চনৰ স্থিৰ দৰ ভিত্তিত অসংগঠিত উদ্যোগ খণ্ডৰ উৎপাদন মূল্য সংযোজনৰ পৰিমাণ ১৯৯৪-৯৫ চনত ৩৬৫৮৩ লাখ টকা, ২০০০-০১ চনত ৪৩৯৩৭ লাখ টকা আৰু ২০০৫-০৬ চনত ৬৪৭১২ লাখ টকা আছিল। একেদৰে, ১৯৯৪-৯৫ চনত মুঠ উদ্যোগ খণ্ডৰ মূলধনৰ কেৱল ১৩ শতাংশ অসংগঠিত উদ্যোগ খণ্ডৰ, যিটো ২০০০-০১ চনত ৮.৭ শতাংশলৈ হ্ৰাস হয় আৰু ২০০৫-০৬ চনত ১২.৫ শতাংশলৈ বৃদ্ধি হয়।

গতিকে দেখা যায় যে অসংগঠিত উদ্যোগে অসমৰ মুঠ উদ্যোগ খণ্ডৰ সামগ্ৰিক ছবিখনকে পৰিস্ফুট কৰে। বিশেষকৈ নতুন উদ্যোগ আৰু নিয়োগ সংস্থান সৃষ্টিৰ ক্ষেত্ৰত অসংগঠিত উদ্যোগ খণ্ডৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।

**অসংগঠিত উদ্যোগ খণ্ডৰ উন্নয়নৰ হাৰ**

তালিকা-২ত অসমৰ অসংগঠিত উদ্যোগ খণ্ডৰ বৃদ্ধিৰ হাৰ দেখুওৱা হৈছে। ১৯৯৪-৯৫ চনৰ পৰা ২০০০-০১ চনৰ

সময়ছোৱাত অসংগঠিত ঔদ্যোগিক গোটৰ বাৰ্ষিক বৃদ্ধিৰ হাৰ ঋণাত্মক আছিল (-১.৬২ শতাংশ)। আনহাতে ২০০০-০১ চনৰ পৰা ২০০৫-০৬ চনৰ সময়ছোৱাত অসংগঠিত ঔদ্যোগিক গোটৰ সংখ্যা বাৰ্ষিক ৫.৮৯ শতাংশ হাৰত বৃদ্ধি পায়। এই উচ্চ হাৰত বৃদ্ধিৰ ফলস্বৰূপে ১৯৯৪-৯৫ চনৰ পৰা ২০০৫-০৬ চনলৈ গোটেই সময়ছোৱাত অসংগঠিত ঔদ্যোগিক গোটৰ সংখ্যা বাৰ্ষিক ১.৭০ শতাংশ হাৰত বৃদ্ধি হয়।

একেদৰেই অসংগঠিত উদ্যোগ খণ্ডৰ শ্ৰমিকৰ সংখ্যা ১৯৯৪-৯৫ চনৰ পৰা ২০০০-০১ চনৰ সময়ছোৱাত বাৰ্ষিক ৩.৬৩ শতাংশ হাৰত হ্ৰাস পায়। অৱশ্যে, ২০০০-০১ চনৰ পৰা ২০০৫-০৬ চনৰ সময়ছোৱাত শ্ৰমিকৰ সংখ্যা ৪.৮৬ শতাংশ হাৰত বৃদ্ধি পায়। অৰ্থনৈতিক সংস্কাৰ সাধনৰ পাচৰ গোটেই সময়ছোৱাত (১৯৯৪-৯৫ চনৰ পৰা ২০০৫-০৬ চনলৈ) শ্ৰমিকৰ বাৰ্ষিক বৃদ্ধিৰ হাৰ মাত্ৰ ০.১৪ শতাংশ।

ঔদ্যোগিক গোট আৰু শ্ৰমিকৰ বৃদ্ধিৰ ক্ষেত্ৰত দেখা দিয়া নিৰাশাজনক ছবিখনৰ বিপৰীতে উৎপাদন আৰু বিনিয়োগৰ ক্ষেত্ৰত অসংগঠিত উদ্যোগ খণ্ডই যথেষ্ট সফলতা অৰ্জন কৰা পৰিলক্ষিত হয়। অসংগঠিত উদ্যোগ খণ্ডৰ উৎপাদনৰ বাৰ্ষিক বৃদ্ধিৰ হাৰ ১৯৯৪-৯৫ চনৰ পৰা ২০০০-০১ চনৰ সময়ছোৱাত ৩.১ শতাংশ, ২০০০-০১ চনৰ পৰা ২০০৫-০৬ চনৰ সময়ছোৱাত ৮.০৫ শতাংশ আৰু ১৯৯৪-৯৫ চনৰ পৰা ২০০৫-০৬ চনৰ সময়ছোৱাত ৫.৩২ শতাংশ আছিল। একেদৰে, এই সময়ছোৱাত বিনিয়োগৰ বাৰ্ষিক বৃদ্ধিৰ হাৰ যথাক্ৰমে ১.৪৪ শতাংশ, ১২.৩৮ শতাংশ আৰু ৬.২৮ শতাংশ আছিল।

তালিকা নং-২ ঃ **অসমৰ অসংগঠিত উদ্যোগ খণ্ডৰ আকাৰ**

| | ১৯৯৪-৯৫/ ২০০০-০১ | ২০০০-০১/ ২০০৫-০৬ | ১৯৯৪-৯৫/ ২০০৫-০৬ |
|---|---|---|---|
| উদ্যোগৰ সংখ্যা | -১.৬২ | ৫.৮৯ | ১.৭৩ |
| শ্ৰমিকৰ সংখ্যা | -৩.৬৩ | ৪.৮৬ | ০.১৪ |
| উৎপাদন মূল্য সংযোজন | ৩.১০ | ৮.০৫ | ৫.৩২ |
| মূলধন | ১.৪৪ | ১২.৩৮ | ৬.২৮ |

**উৎস ঃ** NSSO, Report No. 433 (51st Round), Report No. 477 (56th Round) and Report No. 525 (62nd Round)

**অসংগঠিত উদ্যোগ খণ্ডৰ উৎপাদনশীলতা**

এইখিনিতে উল্লেখ কৰা প্ৰয়োজনীয় যে অসংগঠিত উদ্যোগসমূহে অতি নিম্ন পৰ্যায়ৰ প্ৰযুক্তিবিদ্যা প্ৰয়োগ কৰে। ইয়াৰ ফলত এই উদ্যোগসমূহৰ উৎপাদন-শীলতা নিম্ন পৰ্যায়ৰ। উৎপাদনৰ উপাদানৰ প্ৰয়োগৰ অনুপাত আৰু শ্ৰমিকৰ উৎপাদনশীলতালৈ লক্ষ্য কৰিলেই এই কথা সুন্দৰভাৱে বুজিব পাৰি।

তালিকা-৩ৰ পৰা এইটো প্ৰতীয়মান হয় যে অসমৰ অসংগঠিত উদ্যোগ খণ্ডৰ মূলধন আৰু শ্ৰমিকৰ অনুপাত অতি নিম্নমানৰ। এই অনুপাত (১৯৯৩-৯৪ চনৰ স্থিৰ দৰ ভিত্তিত) ১৯৯৪-৯৫ চনত ৪১৮০ টকা, ২০০০-০১ চনত ৫৬৮৮ টকা আৰু ২০০৫-০৬ চনত ৮০৪০ টকা আছিল। মূলধন আৰু শ্ৰমিকৰ অনুপাতৰ বাৰ্ষিক বৃদ্ধিৰ হাৰ ১৯৯৪-৯৫ চনৰ পৰা ২০০০-০১ চনৰ সময়ছোৱাত ৫.২৭ শতাংশ, ২০০০-০১ চনৰ পৰা ২০০৫-০৬ চনৰ সময়ছোৱাত ৭.১৭ শতাংশ আৰু ১৯৯৪-৯৫ চনৰ পৰা ২০০৫-০৬ চনৰ সময়ছোৱাত ৬.১৩ শতাংশ আছিল।

অসংগঠিত উদ্যোগ খণ্ডৰ শ্ৰমিকৰ উৎপাদনশীলতাও অতি নিম্ন পৰ্যায়ৰ। তালিকা-৩ৰ পৰা দেখা যায় যে শ্ৰমিকৰ উৎপাদনশীলতা (১৯৯৩-৯৪ চনৰ স্থিৰ দৰ ভিত্তিত) ১৯৯৪-৯৫ চনত ৫৮৭৪ টকা, ২০০০-০১ চনত ৮৮০৮ টকা আৰু ২০০৫-০৬ চনত ১০২৩১ টকা আছিল। শ্ৰমিকৰ উৎপাদনশীলতাৰ বাৰ্ষিক বৃদ্ধিৰ হাৰ ১৯৯৪-৯৫ চনৰ পৰা ২০০০-০১ চনৰ সময়ছোৱাৰ ৬.৯৯ শতাংশৰ পৰা ২০০০-০১ চনৰ পৰা ২০০৫-০৬ চনৰ সময়ছোৱাত ৩.০৪ শতাংশলৈ হ্ৰাস পায়। ১৯৯৪-৯৫ চনৰ পৰা ২০০৫-০৬ চনৰ গোটেই সময়ছোৱাত শ্ৰমিকৰ উৎপাদনশীলতা বাৰ্ষিক ৫.১৭ শতাংশ হাৰত বৃদ্ধি পায়।

**উপসংহাৰ**

এই প্ৰবন্ধটিত অসমৰ অসংগঠিত উদ্যোগ খণ্ডৰ উন্নয়ন আৰু উৎপাদনশীলতাৰ ওপৰত আলোকপাত কৰা হৈছে। আলোচনাটোত ঘাইকৈ ১৯৯১ চনৰ অৰ্থনৈতিক সংস্কাৰ সাধনৰ পাচৰ পৰা ২০০৫-০৬ চনলৈকে সময়ছোৱা সামৰি লোৱা হৈছে। ওপৰৰ আলোচনাৰ পৰা এইটো প্ৰতীয়মান হয় যে অসংগঠিত উদ্যোগ খণ্ডই অসমৰ মুঠ উদ্যোগ খণ্ডৰ সামগ্ৰিক ছবিখনকে পৰিস্ফূট কৰে। বিশেষকৈ নতুন উদ্যোগৰ সৃষ্টি আৰু নিয়োগ সুবিধাৰ সৃষ্টিৰ ক্ষেত্ৰত এই উদ্যোগ খণ্ডৰ গুৰুত্ব

তালিকা নং-৩ ঃ **অসংগঠিত ক্ষুদ্ৰ উদ্যোগ খণ্ডৰ প্ৰযুক্তি উৎস**

| | মূলধন-শ্ৰমিকৰ অনুপাত | শ্ৰমিকৰ উৎপাদনশীলতা |
|---|---|---|
| ১৯৯৪-৯৫ | ৪১৮০ | ৫৮৭৪ |
| ২০০০-০১ | ৫৬৮৮ | ৮৮০৮ |
| ২০০৫-০৬ | ৮০৪০ | ১০২০১ |
| | বাৰ্ষিক বৃদ্ধিৰ হাৰ (শতাংশত) | |
| ১৯৯৪-৯৫/২০০০-০১ | ৫.২৭ | ৬.৯৯ |
| ২০০১-০১/২০০৫-০৬ | ৭.১৭ | ৩.০৪ |
| ১৯৯৪-৯৫/২০০৫-০৬ | ৬.১৩ | ৫.১৭ |

**উৎস ঃ** NSSO, Report No. 433 (51st Round), Report No. 477 (56th Round) and Report No. 525 (62nd Round)

আটাইতকৈ অধিক। অসংগঠিত উদ্যোগ খণ্ডৰ উন্নয়নৰ অবিহনে অসমৰ ঔদ্যোগিক উন্নয়ন তথা সামগ্ৰিক অৰ্থনৈতিক উন্নয়নৰ লক্ষ্যত উপনীত হোৱাটো সম্ভৱপৰ নহয়। সেয়েহে অসমৰ ঔদ্যোগিক উন্নয়নৰ বাবে গ্ৰহণ কৰা যিকোনো আঁচনিয়ে অসংগঠিত উদ্যোগ খণ্ডৰ উন্নয়নৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰাটো জৰুৰী।

বিগত সময়ছোৱাত অসমৰ অসংগঠিত উদ্যোগ খণ্ডৰ উন্নয়নৰ ছবিখন অৱশ্যে সন্তোষজনক নহয়। ১৯৯৪-৯৫ চনৰ পৰা ২০০০-০১ চনৰ সময়ছোৱাত বহুতো ঔদ্যোগিক গোট বন্ধ হৈ পৰে। লগতে বহু শ্ৰমিকে নিয়োগ সুবিধা হেৰুৱায়। ইয়াৰ বিপৰীতে ২০০০-০১ চনৰ পৰা ২০০৫-০৬ চনৰ সময়ছোৱাত যথেষ্ট সংখ্যক নতুন ঔদ্যোগিক গোটৰ সৃষ্টি হয় আৰু নিয়োগ সুবিধাও বৃদ্ধি পায়। তৎসত্ত্বেও অৰ্থনৈতিক সংস্কাৰ সাধনৰ পাচৰ গোটেই সময়ছোৱালৈ (১৯৯৪-৯৫ চনৰ পৰা ২০০৫-০৬ চনলৈ) মন কৰিলে দেখা যায় যে ঔদ্যোগিক গোট আৰু নিয়োগ সংস্থান সৃষ্টি দুয়ো ক্ষেত্ৰতে বৃদ্ধিৰ হাৰ তেনেই লেহেমীয়া। অৱশ্যে উৎপাদন আৰু বিনিয়োগৰ বৃদ্ধিৰ হাৰ কিছুপৰিমাণে সন্তোষজনক।

উল্লেখ কৰা প্ৰয়োজনীয় যে অসংগঠিত উদ্যোগ খণ্ড অতি নিম্ন পৰ্যায়ৰ উৎপাদনশীলতাত ভুগিছে। কিন্তু উৎপাদনশীলতাৰ বৃদ্ধি অবিহনে কোনো এটি খণ্ডৰ যথাযথ উন্নয়নৰ আশা কৰিব নোৱাৰি। সেয়েহে নিয়োগ সংস্থান সৃষ্টিৰ অপৰ্যাপ্ত সুযোগ থকা সত্ত্বেও অসমৰ বৰ্দ্ধিত জনসংখ্যা অনুপাতে যথেষ্ট পৰিমাণৰ নিয়োগ সুবিধাৰ সৃষ্টি কৰাৰ ক্ষেত্ৰত অসংগঠিত উদ্যোগ খণ্ড বিশেষভাৱে সফল হ'ব পৰা নাই। এনে পৰিস্থিতিত উৎপাদনশীলতাৰ উত্তৰোত্তৰ বৃদ্ধিৰ কাৰণে বিশেষ আঁচনি যুগুত কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছে। লগতে প্ৰযুক্তিবিদ্যাৰ উন্নীতকৰণ আৰু আধুনিকীকৰণ তথা উৎপাদনৰ উপাদানসমূহৰ কাৰ্যদক্ষতা বৃদ্ধি কাৰণে ব্যৱস্থা গ্ৰহণ কৰাটোও বিশেষ জৰুৰী।

অসম যিহেতু এখন কৃষিভিত্তিক ৰাজ্য আৰু প্ৰাকৃতিক সম্পদত যথেষ্ট চহকী, সেয়েহে কৃষিভিত্তিক উদ্যোগ স্থাপন আৰু বিকাশৰ ওপৰত গুৰুত্ব দিয়াৰ লগতে যিবোৰ সম্পদ এতিয়ালৈকে আৱিষ্কৃত নোহোৱাকৈ আছে সেইবোৰ উদ্ভাৱন কৰি যথোপযুক্ত ব্যৱহাৰৰ ব্যৱস্থা কৰাটোও আৱশ্যকীয়।

অসম চৰকাৰে পৰিকল্পনাৰ সময়ছোৱাত ক্ষুদ্ৰ উদ্যোগ খণ্ডৰ উন্নয়নৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। ১৯৯৭ চনৰ অসম ঔদ্যোগিক নীতিত ঔদ্যোগিক পাম, উন্নয়ন কেন্দ্ৰ আৰু ৰপ্তানিকেন্দ্ৰিক মণ্ডলৰ বিকাশ আৰু প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ বৃদ্ধিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। ২০০৮ চনৰ অসম ঔদ্যোগিক নীতিত চৰকাৰে বিভিন্ন প্ৰকাৰৰ উদগনি আৰু সাহায্য ঘোষণা কৰাৰ লগতে উদ্যোগৰ পঞ্জীয়নকৰণ পদ্ধতিৰ সবলীকৰণ কৰিছে। একেদৰে ২০০৭ চনৰ উত্তৰ-পূব ঔদ্যোগিক আৰু বিনিয়োগৰ নীতিত কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলত ঔদ্যোগিক বিনিয়োগৰ পৰিমাণ বৃদ্ধিৰ কাৰণে বিনিয়োগকাৰীসকললৈ বহুতো বিত্তীয় সাহায্য আগবঢ়াইছে।

এনেবোৰ প্ৰচেষ্টাৰ পাচতো অসমৰ ঔদ্যোগিক খণ্ডত বিনিয়োগৰ পৰিমাণ মুঠেই আশানুৰূপ হোৱা নাই। বিশেষকৈ মৌলিক সা-সুবিধা যেনে শক্তিৰ যোগান, পৰিবহণ আৰু যোগাযোগ ব্যৱস্থা, বিত্তীয় প্ৰতিষ্ঠান, সুনিপুণ মানৱ সম্পদ ইত্যাদিৰ অভাৱেই ৰাজ্যখনত ঔদ্যোগিক উন্নয়নৰ ক্ষেত্ৰত প্ৰধান অন্তৰায় হিচাপে থিয় দিছে। সেয়েহে এনধৰণৰ মৌলিক সা-সুবিধা-সমূহৰ অভাৱ দূৰ কৰি ৰাজ্যখনক ঔদ্যোগিক বিনিয়োগৰ আকৰ্ষণীয় ঠাই হিচাপে গঢ়ি তুলিবলৈ ৰাজ্যিক তথা কেন্দ্ৰীয় চৰকাৰে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰাটো জৰুৰী। ❐

# অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ সম্প্ৰসাৰিত স্বৰূপ

**ড° অনিল কুমাৰ শইকীয়া***

বিগত বৰ্ষবোৰত বৃহৎ উদ্যোগৰ পৰা প্ৰত্যাশিত সুফল লাভ কৰিব নোৱাৰাৰ প্ৰেক্ষাপটত দেশখনত দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাই বৃহৎ উদ্যোগৰ পৰিপূৰক আৰু উন্নয়নৰ সহায়ক হোৱাকৈ, বিশেষকৈ গ্ৰামাঞ্চলৰ আৰ্থিক বিকাশ আৰু নিযুক্তি বৃদ্ধিৰ উপৰি কৃষি আৰু অনা-কৃষিখণ্ডৰ উন্নয়ন অৰ্থবহ কৰি তুলিবলৈ দেশখনৰ অতিকৈ সম্ভাৱনাপূৰ্ণ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া ঔদ্যোগিক খণ্ডত অশেষ গুৰুত্ব প্ৰদান কৰিছে। যোৱা কেইটামান দশকৰ পৰা এই খণ্ডটো ভাৰতীয় অৰ্থনীতিলৈ যথেষ্ট বৰঙণি আগবঢ়াই অতি উচ্চ ক্ষমতাসম্পন্ন আৰু গতিশীল খণ্ড হিচাপে পৰিচিত হৈছে। পঞ্চবাৰ্ষিক পৰিকল্পনাৰ গণনা অনুযায়ী, এই খণ্ডটোৱে নিৰ্মাণজাত সামগ্ৰী উৎপাদনত অৰ্থনীতিলৈ প্ৰায় ৪৫ শতাংশ অৱদান আগবঢ়োৱাৰ উপৰি ২.৯ কোটিতকৈ অধিক ঔদ্যোগিক গোটত প্ৰায় ৬.৯ কোটি লোকক নিযুক্তি দিবলৈ সক্ষম হৈছে।

দেশখনত পঞ্জীয়নভুক্ত হোৱা অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া ঔদ্যোগিক খণ্ডৰ নিৰ্মাণ সামগ্ৰী উৎপাদন কাৰ্যত কৰ্মক্ষম হৈ আছে অতিক্ষুদ্ৰৰ ৯৪.৯ শতাংশ, ক্ষুদ্ৰত আছে ৪.৯ শতাংশ আৰু মজলীয়া উদ্যোগত আছে ০.২ শতাংশ উদ্যোগ। সেইদৰে নিযুক্তিৰ ক্ষেত্ৰত অতিক্ষুদ্ৰ ঔদ্যোগিক গোটত ৬৯.২ শতাংশ, ক্ষুদ্ৰ খণ্ডত ২৬ শতাংশ আৰু মজলীয়া ঔদ্যোগিক খণ্ডত ৪.৮ শতাংশ লোক জড়িত হৈ আছে।

অৱদানৰ স্বীকৃতি আৰু সম্ভাৱনাময় খণ্ড হিচাপে ইয়াৰ সংজ্ঞা আৰু পৰিসৰৰ সম্প্ৰসাৰণ ঘটাই অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া ঔদ্যোগিক উন্নয়ন আইন, ২০০৬ চনত প্ৰণয়ন কৰা হয়। সাম্প্ৰতিক সময়ত সেৱা খণ্ডটো গুৰুত্বপূৰ্ণ বিকাশশীল খণ্ড হিচাপে বিবেচিত হোৱা বাবে এই খণ্ডটো অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া ঔদ্যোগিক খণ্ডটোত অন্তৰ্ভুক্ত কৰা হয়। প্ৰকল্প আৰু যন্ত্ৰপাতিৰ ক্ষেত্ৰত হোৱা বিনিয়োগক আধাৰ কৰি এই খণ্ডটোক বিবেচনা কৰা হৈছে। নতুন সংজ্ঞা অনুযায়ী অতি ক্ষুদ্ৰ খণ্ডত বিনিয়োগৰ পৰিমাণ বৃদ্ধি কৰা হৈছে আৰু ইয়াত কৰা বিনিয়োগৰ বাবে কৰ ৰেহাইৰ পৰামৰ্শও আগবঢ়োৱা হৈছে।

অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া ঔদ্যোগিক প্ৰতিষ্ঠানৰ প্ৰধান লক্ষ্যসমূহ হৈছে— এই খণ্ডটোত প্ৰতিযোগিতা আৰু উৎপাদনশীলতাক উৎসাহিত কৰা, উদ্ভাৱনৰ দ্বাৰা উন্নয়ন কৌশল প্ৰয়োগ কৰা, সামৰ্থ্যজনিত পৰিৱেশ আৰু উন্নয়নৰ ওপৰত গুৰুত্ব দিয়া, ৰপ্তানিৰ ক্ষেত্ৰত শক্তিশালী খণ্ড হিচাপে প্ৰতিষ্ঠা কৰা আৰু এই খণ্ডটোৰ পৰিচালনা প্ৰক্ৰিয়া উন্নত কৰা। তাৎপৰ্যপূৰ্ণ দিশটো হৈছে যে ঔদ্যোগিক খণ্ডৰ সামগ্ৰিক বিকাশৰ তুলনাত এই খণ্ডটোৱে উচ্চ হাৰত বিকাশ বৃদ্ধি কৰিবলৈ সক্ষম হৈছে।

একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ প্ৰথম চাৰিটা বছৰত অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া ঔদ্যোগিক প্ৰতিষ্ঠানৰ গড় বিকাশ হাৰ আছিল ১৩ শতাংশ। খণ্ডটোৱে কিছুমান পৰম্পৰাগত প্ৰত্যাহ্বান অতিক্ৰম কৰিলে বিকাশৰ ক্ষেত্ৰত গভীৰ প্ৰভাৱ পেলাব পাৰিব বুলি বিশ্বাস কৰিব পৰা হৈছে। এনে প্ৰত্যাহ্বানৰ লগত জড়িত হৈ আছে ঋণ আৰু প্ৰতিষ্ঠানগত বিত্তীয় সুবিধা, পুৰণি কৌশল আৰু উন্নয়ন, দক্ষতা উন্নয়ন আৰু প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা, অনুপযুক্ত ঔদ্যোগিক আন্তঃগাঁথনি আৰু বজাৰৰ উপৰি সংগ্ৰহ কাৰ্য আদি।

দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাই অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া ঔদ্যোগিক খণ্ডৰ বিভিন্ন দিশ উদ্‌ঘাটন কৰি ইয়াক মূল বিকাশধাৰাৰ সৈতে জড়িত কৰিবলৈ বিচাৰিছে। খাদী আৰু গ্ৰাম্য উদ্যোগ আৰু কয়ৰ উদ্যোগৰ সম্ভাৱনাময় বিকাশৰ বাবে এই খণ্ডটোত অন্তৰ্ভুক্ত কৰা হৈছে। এই উদ্যোগত বিনিয়োগৰ বাবে যিহেতুকে ঋণৰ প্ৰয়োজন হ'ব, সেয়ে বিত্তৰ বিকল্প ব্যৱস্থা হিচাপে ঋণ নিশ্চয়তা আঁচনিখনৰ ওপৰত অধিক গুৰুত্ব দিবলৈ বিচৰা হৈছে, যাতে এই আঁচনিৰ বাবদ বাজেটত পুঁজি আবণ্টন কৰিব পৰা যায়। এই খণ্ডৰ উদ্যোগীসকলে বেংকৰ সুবিধা পাবৰ

*ড° অনিল কুমাৰ শইকীয়া কাকজান মহাবিদ্যালয়ৰ জ্যেষ্ঠ সহযোগী অধ্যাপক

বাবে প্ৰয়োজন অনুপাতে বেংক শাখাৰ সম্প্ৰসাৰণ ঘটোৱা হৈছে। তাৎপৰ্যপূৰ্ণভাৱে বিকল্প পুঁজি আহৰণৰ বেলিকা বে-চৰকাৰী খণ্ডৰ সবল ভূমিকাক স্বীকাৰ কৰি লোৱা হৈছে। সেয়ে জ্ঞানভিত্তিক ঔদ্যোগিক বিকাশৰ উচ্চ সম্ভাৱনাক গুৰুত্ব দি নেন' প্ৰযুক্তি, বায়'প্ৰযুক্তি, এৰ'স্পেচ আৰু প্ৰতিৰক্ষাৰ ক্ষেত্ৰখনকো এই খণ্ডটোত অন্তৰ্ভুক্ত কৰা হৈছে।

অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া ঔদ্যোগিক প্ৰতিষ্ঠানত উৎপাদিত সামগ্ৰীৰ বজাৰৰ ক্ষেত্ৰত যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হয়। বজাৰৰ প্ৰকৃত তথ্যৰ অভাৱৰ বাবে কেঁচামাল আহৰণত জটিলতাৰ সৃষ্টি হয়। সচেতনতাৰ অভাৱ, বিত্তীয় অসুবিধা, বিস্তৃত হৈ থকা সামগ্ৰীৰ আচল তথ্য সংগ্ৰহৰ সমস্যা আদিবোৰে এই খণ্ডটোৰ বজাৰ সম্প্ৰসাৰণ ঘটোৱাত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰি আহিছে। এনে উদ্যোগৰ উৎপাদিত সামগ্ৰীৰ বজাৰ যিহেতুকে নিৰ্ভৰ কৰে বজাৰ শক্তি আৰু উদ্যোক্তাৰ ব্যক্তিগত প্ৰচেষ্টাৰ ওপৰত, সেয়ে চৰকাৰ আৰু ইয়াৰ লগত জড়িত সংগঠনসমূহে উৎপাদিত সামগ্ৰীৰ বজাৰ লাভৰ ক্ষেত্ৰত অতি সহায়কাৰী ভূমিকা পালন কৰিব পাৰে। চৰকাৰী-বেচৰকাৰী যৌথ সংগঠন, ৰাষ্ট্ৰীয় ক্ষুদ্ৰ ঔদ্যোগিক নিগম আদিয়ে বজাৰ সৃষ্টিত অৰিহণা যোগাব পাৰে। সাম্প্ৰতিক সময়ত চৰকাৰে ৰাজহুৱা সংগ্ৰহ নীতি প্ৰৱৰ্তন কৰি এই উদ্যোগৰ উৎপাদিত সামগ্ৰী ক্ৰয়ৰ ব্যৱস্থাটো অব্যাহত ৰাখিছে যদিও সময়ৰ প্ৰয়োজনীয়তাত ইয়াক অধিক গতিশীল কৰি তোলাটো উচিত হ'ব।

অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া ঔদ্যোগিক খণ্ডটোৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য উভয়তে প্ৰতিষ্ঠান স্থাপন আৰু আইনগত গাঁথনিৰ আধাৰত উন্নয়ন আৰু সম্প্ৰসাৰণৰ প্ৰচেষ্টা অব্যাহত আছে। অসংগঠিত খণ্ডত সম্প্ৰতি চলি থকা অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগবোৰৰ যদিহে বিকাশ সাধন কৰিব পৰা নাযায়, তেনেহ'লে এই খণ্ডটোৰ বিকাশ অৰ্থহীন হ'ব। কিয়নো ৯৪ শতাংশতকৈ অধিক প্ৰতিষ্ঠান এই পৰ্যন্ত অনানুষ্ঠানিক বা অসংগঠিত খণ্ডত প্ৰতিষ্ঠা হৈ আছে। এনে প্ৰতিষ্ঠানসমূহক ৰাষ্ট্ৰীয় নীতি আৰু কাৰ্যকাৰিতাৰ ভিতৰত অন্তৰ্ভুক্ত কৰিবলৈ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে।

উল্লেখনীয়ভাৱে দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত এই কথা কোৱা হৈছে, যে Programme for the micro and small enterprises in the unorganised sector need to address similar issues for improving their productivity and competitiveness। তদুপৰি এই খণ্ডটোৰ শ্ৰমিকসকলৰ বাবে প্ৰয়োজনীয় সুৰক্ষা প্ৰদানৰ বাবেও পৰামৰ্শ আগবঢ়াইছে। সম্প্ৰতি কেন্দ্ৰীয় বাজেটখনত অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া ঔদ্যোগিক প্ৰতিষ্ঠানসমূহ সমৃদ্ধিশালী কৰি নিযুক্তি সৃষ্টিৰে দেশৰ আৰ্থিক বিকাশত অৰিহণা যোগাব বুলি আশা কৰি ভালেমান পদক্ষেপ আগবঢ়োৱা হৈছে। বাজেটখনত এই খণ্ডটোক অৰ্থনীতিৰ ৰাজহাড় বুলি উল্লেখ কৰি কোৱা হৈছে, যে— They account for a large portion of our industrial output and employment... Most of these SMEs are own account enterprises। এনে বহুসংখ্যক উদ্যোগ নিজাববীয়াকৈ অথবা অনুসূচিত জাতি, জনজাতি আৰু পিচপৰা শ্ৰেণীৰ লোকৰ দ্বাৰা পৰিচালিত হৈ আছে। এই খণ্ডটোৰ দুৰ্বল শ্ৰেণীটোক উপকৃত কৰিব পৰাকৈ বিত্তীয় দিশটোৰ প্ৰতি বাজেটখনে মনোনিৱেশ কৰিছে আৰু বিত্ত মন্ত্ৰণালয়ৰ প্ৰতিনিধিৰে এখন কমিটী গঠনৰ প্ৰস্তাৱো আগবঢ়োৱা হৈছে।

উদ্যোক্তাক উৎসাহিত কৰা আৰু বিভিন্ন প্ৰতিষ্ঠান আৰম্ভ কৰিবলৈ বিচৰাটোক বাজেটখনে প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰি ১০ হাজাৰ কোটি টকাৰ এটা পুঁজি গঠনৰ প্ৰস্তাৱ দিছে, য'ত বেচৰকাৰী মূলধনক আকৰ্ষণ কৰিবলৈ বিচৰা হৈছে। প্ৰযুক্তিগত কেন্দ্ৰৰ নেটৱৰ্কৰ যোগেদি উদ্ভাৱন, উদ্যোক্তা আৰু কৃষিভিত্তিক উদ্যোগক উৎসাহিত কৰিবলৈ বিচাৰিছে আৰু ইয়াৰ বাবে কৰপাছ পুঁজিৰ বাবদ ২০০ কোটি টকা আৱণ্টন দিছে।

দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ পৰামৰ্শ অনুযায়ী বাজেটখনত অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া ঔদ্যোগিক খণ্ডটোৰ সংজ্ঞা পুনৰ বিবেচনা কৰাৰ কথা ঘোষণা কৰা হৈছে আৰু ৰাষ্ট্ৰজুৰি "District Level Incubation and Accelerator Programme" গ্ৰহণ কৰি ঔদ্যোগিক প্ৰতিষ্ঠানক ত্বৰান্বিত কৰিবৰ বাবে সমৰ্থন আগবঢ়োৱাৰ কথা অৱগত কৰোৱা হৈছে। উল্লেখযোগ্য যে অসমৰ নিচিনা কৃষিপ্ৰধান ৰাজ্যখনত গ্ৰাম্য অৰ্থনীতি সবল কৰি ৰাজ্যখনৰ দ্ৰুত ঔদ্যোগিক উন্নয়ন সম্ভৱ কৰি তুলিব পৰাৰ থল আছে। কৃষিৰ লগত জড়িত ক্ষুদ্ৰ উদ্যোগ, বাঁহ-বেতৰ শিল্প, কমাৰ-কুমাৰ শিল্প, মৰাপাটৰ পৰা উৎপাদিত সামগ্ৰীৰ শিল্প, খাদ্য প্ৰস্তুতকৰণৰ লগত জড়িত বিভিন্ন অতি ক্ষুদ্ৰ ঔদ্যোগিক গোট, আত্মসহায়ক গোটসমূহে প্ৰস্তুত আৰু উৎপাদন কৰা সামগ্ৰীৰ বিবিধ উদ্যোগ, ক্ষুদ্ৰ ক্ষুদ্ৰ চাহ কাৰখানা, আটা-ময়দাৰ কাৰখানা, বিস্কুট নিৰ্মাণ উদ্যোগ,

চাইকেল-মটৰ গাড়ী মেৰামতি কৰা উদ্যোগ, মমবাতি-চাবোন-ধূপকাঠি, জুইশলা আদি অজস্র উদ্যোগৰ ক্ষেত্র আছে আৰু সেইবোৰ উদ্যোগ স্থাপন হৈ আছে যদিও সমগ্র অসম তথা গ্রামাঞ্চলত সবল হৈ উঠা নাই। গ্রামাঞ্চলৰ উদ্যোগী যুৱকৰ প্রশিক্ষণ আৰু বিত্তীয় সুবিধাবোৰো পর্যাপ্ত হৈ উঠা নাই। সেইদৰে এনেবোৰ উদ্যোগৰ প্রায়বোৰেই অসংগঠিত খণ্ডত নিজাববীয়াকৈ চলাই থকা হৈছে। অধিক উৎপাদন আৰু উন্নতমানৰ সামগ্রী উৎপাদনৰ বাবে প্রয়োজন হোৱা কাৰিকৰী জ্ঞানৰ বাবে চৰকাৰে গ্রহণ কৰা দক্ষতা উন্নয়ন আৰু প্রশিক্ষণ আঁচনিৰ দ্বাৰা এনে উদ্যোগীসকল উপকৃত হ'ব পাৰিব বুলি ভবা হৈছে। এই আঁচনিখন তিনিটা পর্যায়ত— জিলা, আঞ্চলিক আৰু গাঁও পঞ্চায়ত স্তৰত গ্রহণ কৰিলে অধিক সুফল আশা কৰিব পাৰি। আনহাতে উদ্যোগ স্থাপনৰ বেলিকা বেংক ঋণৰ সুবিধা সহজলভ্য কৰি তুলিব লাগিব। প্রশিক্ষণ লাভ কৰা উদ্যোক্তাসকলে আঁচনি প্রস্তুত কৰি বেংকত জমা দিয়াৰ লগে লগেই ঋণদানৰ প্রক্রিয়া আৰম্ভ কৰিব লাগে। স্বাভাৱিকতে বেংকবিলাকে আগবঢ়োৱা ঋণৰ প্রক্রিয়া যথেষ্ট জটিল আৰু সময় খৰচী। আনহাতে, সামগ্রী বিক্রীৰ ক্ষেত্রত উদ্ভৱ হোৱা বজাৰৰ বেলিকা চৰকাৰীভাৱে ক্রয় কার্যটো খৰতকীয়া কৰা আৰু উচিত মূল্য প্রদান কৰা প্রয়োজন। বেচৰকাৰী খণ্ডবোৰৰ উগ্র লাভজনিত চিন্তাটোক গ্রাম্য উন্নয়নমুখী চিন্তালৈ পৰিৱর্তন ঘটোৱাত অগ্রাধিকাৰ দিব লাগে।

অসমৰ বহুবোৰ ক্ষুদ্র উদ্যোগজাত সামগ্রী ৰপ্তানি কৰাৰ সম্ভাৱনা আছে। তেনে ক্ষেত্রত কৰ ৰেহাই, বিত্তীয় সাহায্য আদি উৎসাহী ব্যৱস্থাবোৰ চৰকাৰে সঠিক সময়ত গ্রহণ কৰিলে ৰাজ্যৰ অর্থনীতি সবল হ'ব। সুখৰ বিষয় যে ২০১৪-১৫ বিত্তীয় বর্ষৰ অসম চৰকাৰৰ বাজেটখনতো অতি ক্ষুদ্র, ক্ষুদ্র আৰু মজলীয়া উদ্যোগক গুৰুত্ব প্রদান কৰি ইয়াৰ বিকাশ আৰু প্রসাৰৰ বাবে বলিষ্ঠ পদক্ষেপ আগবঢ়োৱাটো পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে অসম চৰকাৰে গ্রহণ কৰা দক্ষতা উন্নয়ন আৰু প্রশিক্ষণৰ ব্যৱস্থাটো কেন্দ্রীয় চৰকাৰৰ পদক্ষেপবোৰে অধিক ফলপ্রসূ কৰি তোলাত সহায় কৰিব বুলি ভাবিব পাৰি। ইয়াৰ বাবে প্রয়োজন হ'ব কেন্দ্র আৰু ৰাজ্য চৰকাৰৰ মাজত পূর্ণ সহযোগিতাৰ আদান-প্রদান। ❐

---

**(৯ পৃষ্ঠাৰ পৰা)**

শীলতাক অতিক্রম কৰা হয় তেনেহ'লে আমাৰ নীতি তৈয়াৰ কৰোঁতাসকলৰ প্রধান কাম হোৱা উচিত নীতি তৈয়াৰ প্রক্রিয়া কালত অনানুষ্ঠানিক ক্ষেত্রৰ কর্মীসকলক চিহ্নিত কৰাটো। সেই কর্মীসকলে নীতি তৈয়াৰ প্রক্রিয়াত অংশগ্রহণ কৰাৰ সুবিধা পোৱা উচিত। সামাজিক আলাপ-আলোচনাৰ প্রক্রিয়া কালতো তেওঁলোকক জড়িত কৰাৰ আৱশ্যক। কামৰ শ্রেণীৰ ওপৰত নির্ভৰ কৰি আৰু তেনে কামত নিয়োজিত কর্মীসকলৰ গতি-প্রকৃতিলৈ চাই সামাজিক আলোচনা প্রক্রিয়া এনে ধৰণে উদ্ভাৱন কৰা দৰকাৰ, যিটোৱে কর্মীসকলক অর্থপূর্ণভাৱে সর্বাধিক অংশগ্রহণৰ সুবিধা দিব পাৰে।

আৰু এটা প্রত্যাহ্বানৰ বিষয় আছে। সেয়া হ'ল সামাজিক আলোচনা প্রক্রিয়াত অনানুষ্ঠানিক ক্ষেত্রৰ কর্মী-সকলক সমন্বিতকৰণ কৰা। পূর্বতে মই উল্লেখ কৰাৰ দৰে অনানুষ্ঠানিক কর্মী ভাৱধাৰাটো হ'ল কেৱল এটা আৱৰণ-মূলক ভাৱধাৰাহে; বাস্তৱ ক্ষেত্রত বিভিন্ন শ্রেণীৰ কর্মীসকলক যিবোৰ কামত ন্যস্ত কৰা হয় সেইবোৰ প্রতিষ্ঠিত অনানুষ্ঠানিক ভাবধাৰাত খাপ নাখায়। সেয়ে কাম আৰু কর্মীসকলৰ নির্দিষ্ট শ্রেণী বুজি উঠিবৰ বাবে সেই নির্দিষ্ট শ্রেণীৰ প্রত্যেককে এটা সাধাৰণ পৰিসৰৰ ভিতৰত থকা হিচাপে গণ্য কৰিব লাগে। অনানুষ্ঠানিক কামৰ বিভিন্ন ধৰণৰ গতি-প্রকৃতিয়ে এই বিষয়ৰ পোষকতা কৰে যে নীতি তৈয়াৰ প্রক্রিয়া এঠাইতে থূপ খুৱাই নাৰাখি বিকেন্দ্রীকৃত কৰিব লাগে। আমাৰ সংবিধানত থকা বিধানিক ক্ষমতাৰ ভাৰসাম্যৰ কথাটো যদি বিবেচনা কৰো, তেনেহ'লে বিকেন্দ্রীকৃত (বিধানিক বা কার্যবাহী) নীতি তৈয়াৰ কৰা ভাৱধাৰা আমাৰ প্রশাসন পদ্ধতিৰ বিপৰীত নহয়।

এই প্রবন্ধটোত অনানুষ্ঠানিক ভাৱ-ধাৰাক বিশ্লেষণ কৰোতে মই যুক্তি দর্শাব খোজো যে এই ভাৱধাৰা ব্যাপক অর্থত উপকাৰী। অনানুষ্ঠানিক ক্ষেত্রৰ বিভিন্ন শ্রেণীৰ কর্মীসকলৰ অৱস্থাৰ উন্নতি সাধিবলৈ হ'লে পৰিব্যাপ্ত হৈ থকা ভাৱ-বিচাৰৰ আৱৰণখন খুলি পেলাব লাগিব আৰু প্রত্যেক শ্রেণীৰ কাম-কাজতেই নীতিৰ ক্ষেত্রত প্রত্যাহ্বানৰূপে থিয় দিয়া বাধাসমূহ দূৰ কৰিব লাগিব। এনে কৰিবলৈ যাওঁতে নির্দিষ্ট ক্ষেত্রৰ অনানুষ্ঠানিক কর্মী-সকলক সামাজিক আলোচনাৰ প্রক্রিয়াত জড়িত কৰা আৱশ্যক— যাতে কর্মীসকলে তেওঁলোকৰ উত্তৰোত্তৰ বিকাশ সাধনৰ দিশত আগবাঢ়ি যাবৰ কাৰণে প্রশাসন প্রক্রিয়াৰ অংশস্বৰূপ হ'ব পাৰে। আমাৰ সংবিধানৰ উচ্চ আদর্শৰাজিয়ে তেনে ধৰণৰ প্রশাসনৰ কথাকেই সূচায়। ❐

# প্ৰদূষিত পৰিৱেশ আৰু মহাত্মা গান্ধীৰ আদৰ্শ

ড° দেৱজিৎ শইকীয়া*

বৰ্তমান পৰিৱেশ অৱনতিৰ সমস্যাত বিশ্ববাসী ইমানেই ত্ৰস্ত হৈ পৰিছে যে পৰিৱেশ প্ৰদূষণ প্ৰতিহত কৰাটো প্ৰায় সকলোৱে সময়ৰ আহ্বান বুলি উপলব্ধি কৰিবলৈ লৈছে আৰু সুস্থ পাৰিপাৰ্শ্বিক অৱস্থাৰ প্ৰত্যাশাই হৈ পৰিছে সাম্প্ৰতিক সময়ৰ মূল বিষয়বস্তু। ইতিমধ্যে নানা সময়ত পৰিৱেশৰ ভয়াৱহ দৃশ্যটিৰ বিভিন্ন দিশ সম্পৰ্কে বিশদভাৱে আলোচনা-বিলোচনা হৈছে।

এই কথাৰ দ্বিৰোক্তি নিষ্প্ৰয়োজন যে প্ৰকৃতি প্ৰদূষিত হোৱাৰ ফলতেই সৃষ্টি হৈছে গোলকীয় উত্তাপ বৃদ্ধি, সেউজ-গৃহৰ প্ৰভাৱ, জলবায়ৱীয় পৰিৱৰ্তন, অল্পবৃষ্টি, অ'জন স্তৰত আপদীয়া ছিদ্ৰ, জৈৱ-বিচিত্ৰতা হনন আদি দুৰ্যোগ সঞ্চাৰকাৰী সমস্যাসমূহৰ। বিশেষকৈ, গোলকীয় উত্তাপ বৃদ্ধিৰ ফলস্বৰূপে মেৰু অঞ্চলৰ বৰফ স্তূপ, তুষাৰপুঞ্জ আৰু হিমবাহ গলিবলৈ আৰম্ভ কৰাৰ ফলত সাগৰ, মহাসাগৰত পানীৰ পৰিমাণ বৃদ্ধি হৈ সমুদ্ৰপৃষ্ঠৰ উচ্চতা ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰিছে। যোৱাটো শতিকাত সমুদ্ৰপৃষ্ঠৰ গড় উচ্চতা ১২ চেণ্টিমিটাৰৰ পৰা ১৩ চেণ্টিমিটাৰ পৰ্যন্ত বৃদ্ধি হৈছে বুলি প্ৰকাশ পাইছে। এনেদৰে অপ্ৰত্যাশিত বন্যাৰ প্ৰকোপ বৃদ্ধি হৈ মালদ্বীপ, বাংলাদেশৰ একাংশ, ভাৰত মহাসাগৰ আৰু প্ৰশান্ত মহাসাগৰৰ বুকুৰ কেতবোৰ দ্বীপ পৃথিৱীৰ মানচিত্ৰৰ পৰা বিলুপ্ত হোৱাৰ উপক্ৰম হৈছে। দক্ষিণ এছিয়াৰ ব-দ্বীপ, গোদাবৰী, নৰ্মদাৰ ব-দ্বীপ অঞ্চল আৰু বাংলাদেশৰ ব-দ্বীপ অঞ্চল সমুদ্ৰপৃষ্ঠৰ নিম্ন উচ্চতাত অৱস্থিত হোৱা হেতুকে অস্তিত্ব ৰক্ষাৰ শংকাত ধৰাশায়ী হ'ব লগাত পৰিছে। ১৯৮৬ চনত বিশ্ব বতৰ বিজ্ঞান সংস্থাই ভৱিষ্যদ্বাণী কৰিছিল যে একৈশ শতিকাত সমুদ্ৰপৃষ্ঠৰ উচ্চতা ২০ চেণ্টিমিটাৰৰ পৰা ১৪০ চেণ্টিমিটাৰ পৰ্যন্ত বৃদ্ধি হ'ব পাৰে। যুক্তৰাষ্ট্ৰীয় পৰিৱেশ নিয়ন্ত্ৰণ সন্থাই অনুমান কৰে যে ২০২৫ চনৰ ভিতৰত বিশ্বব্যাপী হোৱা পৰিৱেশ প্ৰদূষণৰ উপহাৰস্বৰূপে সমুদ্ৰপৃষ্ঠৰ ১১ চেণ্টিমিটাৰৰ পৰা ২১ চেণ্টিমিটাৰ বৰ্ধন লাভ কৰিবলৈ আমি সাজু থাকিব লাগিব। শেহতীয়াভাৱে বতৰ বিজ্ঞানীসকলে ভৱিষ্যদ্বাণী কৰিছে যে ২১০০ চনমানত পৃথিৱীৰ স্থলভাগৰ প্ৰায় এক-তৃতীয়াংশ খৰাঙৰ কবলত পৰিব আৰু গ্ৰীণহাউছ গেছৰ প্ৰভাৱৰ পৰা যদি পৃথিৱীক মুক্ত কৰিব পৰা নাযায়, তেন্তে ভৱিষ্যতে তীব্ৰ অৰ্থনৈতিক সমস্যাৰ মুখামুখি হ'বলৈ আমি সাজু হ'বৰ সময় হ'ল। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে খৰাং পৰিস্থিতি বৃহৎ মাত্ৰাত সংক্ৰমিত হোৱাৰ ফলত উৰ্বৰ ভূমিৰ সন্ধানত ধাৱিত হোৱা লোকে পৰিৱেশ শৰণাৰ্থীৰ সমস্যা তীব্ৰতৰ কৰি তুলিব। মানৱ উন্নয়ন আৰু ঔদ্যোগিকৰণৰ ফলত মানৱ জাতি সন্ধিক্ষণৰ সন্মুখীন হ'ব লগা হৈছে। কেৱল মানৱ জাতিয়েই কিয়, সকলো জীৱ জগতেই এই জটিলতাৰ বলি হ'ব লগা হৈছে। পৰীক্ষা-নিৰীক্ষাৰ পৰা এই কথা প্ৰমাণিত হৈছে যে মানৱ জীৱনত ত্ৰাসৰ সৃষ্টি কৰা কৰ্কট ৰোগ ৬০ শতাংশৰ পৰা ৮০ শতাংশই বায়ু, পানী আৰু খাদ্যত মিহলি হোৱা ৰাসায়নিক পদাৰ্থ, মূলতঃ প্ৰদূষণৰ প্ৰত্যক্ষ ফল। বিশ্ব স্বাস্থ্য সংস্থাৰ সমীক্ষা মতে, পৃথিৱীত সৃষ্টি হোৱা এক-তৃতীয়াংশ বেমাৰ-আজাৰেই পাৰিপাৰ্শ্বিক সমস্যা-জনিত। ইয়াৰে ৪০ শতাংশতকৈ অধিক বেমাৰৰ দ্বাৰা আক্ৰান্ত হৈছে ৫ বছৰৰ তলৰ শিশু, যাৰ সংখ্যা পৃথিৱীৰ মুঠ জনসংখ্যাৰ ১০ শতাংশতকৈ কম। পৰিৱেশ প্ৰদূষণৰ সমস্যাত আটাইতকৈ গুৰুতৰভাৱে ক্ষতিগ্ৰস্ত হ'ব খুজিছে মানৱ জাতিৰ ভৱিষ্যতৰ ধৰণীস্বৰূপ ফুল-কুমলীয়া শিশুসকল বিশ্বৰ বিভিন্ন ঠাইত শিশুৰ উন্নয়ন সম্পৰ্কীয় বিবিধ নিত্য নতুন কাৰ্যসূচী গ্ৰহণ কৰি থকা সত্ত্বেও বায়ু আৰু জল প্ৰদূষণৰ ফলস্বৰূপে বৃদ্ধি পোৱা ডায়েৰিয়া আৰু শ্বাসজনিত ৰোগৰ প্ৰাদুৰ্ভাৱ শিশুসকলৰ মাজত অত্যন্ত বেছি হোৱা বুলি প্ৰমাণিত হৈছে। ডায়েৰিয়াই শিশুৰ পৰিপাক প্ৰক্ৰিয়া দুৰ্বল কৰাৰ বাবে পুষ্টিহীনতাৰ সমস্যাই গা-কৰি উঠে, যি শিশুসকলৰ ৰোগ প্ৰতিৰোধৰ ক্ষমতা নোহোৱা কৰে। তেনেদৰেই সভ্যতাৰ বিকাশৰ সৈতে খোজ মিলাই আমি পৰৱৰ্তী দিনবোৰলৈ এমুঠি ৰোগাক্ৰান্ত আৰু দুৰ্বল স্বাস্থ্যৰ

*ড° দেৱজিৎ শইকীয়া কমলাবাৰীস্থিত মাজুলী মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহযোগী প্ৰাধ্যাপক আৰু মুৰব্বী

উত্তৰাধিকাৰীক লগত লৈ আগবাঢ়িব খুজিছো। উপযুক্ত বাতানুকূল প্ৰযুক্তি কৌশল অৱলম্বন আৰু সম্পদৰ বহনযোগ্য ব্যৱহাৰ বৃদ্ধিৰ যোগেদি আমি নিজেই নিজক এই বিষম পৰিস্থিতিৰ পৰা উদ্ধাৰ কৰাৰ বাহিৰে নিশ্চয় গত্যন্তৰ নাই। সৰ্বসাধাৰণৰ অকুণ্ঠ সহযোগিতা অবিহনে বৰ্তমান সকলোকে সন্ত্ৰস্ত কৰা প্ৰদূষণৰ পৰা প্ৰকৃতিক উদ্ধাৰ কৰা সম্ভৱপৰ নহয়।

প্ৰকৃতি ৰাজ্যত ত্ৰাস সৃষ্টিকাৰী পৰিৱেশ অৱনতিৰ সমস্যাৰ পৰা উদ্ধাৰ কৰাৰ আখৰা কৰা এজন উল্লেখযোগ্য আৰু ভৱিষ্যদৰ্শী, নীৰৱ প্ৰকৃতি কৰ্মী আছিল আমাৰ জাতিৰ জনক মহামানৱ মহাত্মা গান্ধী। প্ৰকৃত অৰ্থত গান্ধীজীয়ে প্ৰদূষণজনিত সমস্যা নিয়ন্ত্ৰণৰ কাৰণে প্ৰত্যক্ষভাৱে কোনো বৰঙণি যোগোৱা নাছিল অথবা লাস্যময়ী প্ৰকৃতিৰ অপৰূপ ৰূপ-লাৱণ্যত মন্ত্ৰমুগ্ধ কোনো প্ৰকৃতি-বিদো তেওঁ নাছিল। অথচ জীৱনৰ আদৰ্শ তথা দৰ্শনত তেওঁ পাৰিপাৰ্শ্বিক পৰিচ্ছন্নতাৰ যি মহান বাণী যুক্ত কৰি থৈছিল তাৰ পৰাই এই কথা উপলব্ধি হয় যে তেওঁৰ তেনে ভাৱধাৰাক বিচাৰ নকৰিলে ভাৰতীয় পাৰিপাৰ্শ্বিক সুৰক্ষা সম্পৰ্কীয় দৰ্শন নিতান্তই আধৰুৱা হ'ব। গান্ধীজীয়ে প্ৰদূষিত পৰিস্থিতি নিৰাময়ত কোনো বিশেষ ভূমিকা গ্ৰহণ নকৰিলে বুলি কোনো কোনো লোকে অভিযোগ কৰে। গান্ধীজীৰ প্ৰকৃতি প্ৰেমৰ দীনতা সম্পৰ্কে অনা অভিযোগ খণ্ডন কৰি অৱশ্যে যুক্তি প্ৰদৰ্শন কৰা শুনা যায় যে গান্ধীজীয়ে সঁচা অৰ্থত পৰিৱেশ সচেতনতা আনিব পৰা আন্দোলন এটিৰ নেতৃত্ব বহন নকৰিব পাৰে, কিন্তু তেওঁৰ জীৱন আৰু দৰ্শনৰ যোগেদি পৰিৱেশ চিন্তাৰ বীজ ভৱিষ্যৎ প্ৰজন্মৰ মনত ৰোপণ কৰি সজাগতা আনিবলৈ সমৰ্থবান হৈছিল আৰু বহুকেইজন পৰিৱেশবিদ তেওঁৰ লেখাৰ দ্বাৰা অনুপ্ৰাণিত হৈছে। এতেকে, তেওঁক পৰিৱেশ তত্ববিদসকৰ মাজৰ পৰা এঘৰীয়া কৰিবলৈ যত্ন কৰিলে নিশ্চয় তেওঁৰ প্ৰতি অবিচাৰ কৰা হ'ব। গান্ধীজীৰ ভাৱধাৰা পৰিৱেশ প্ৰদূষণ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ইমানেই প্ৰভাৱশালী যে সেই হেতুকেই তেওঁ সাম্প্ৰতিক সময়ৰ পাৰিপাৰ্শ্বিকতা আন্দোলনৰ এজন বিশিষ্ট নেতৃস্থানীয় ব্যক্তি হিচাপে পৰিগণিত হয়। কোনো কোনোৱে সেয়ে তেওঁক এজন পৰিস্থিতিতন্ত্ৰী যোগসম্ৰাট বুলি ক'বলৈও সুযোগ বিচাৰি ফুৰে। এইখিনিতে এটা কথা উল্লেখ কৰা উচিত হ'ব যে গান্ধীজীয়ে সামাজিক আৰু ৰাজনৈতিকভাৱে জীৰ্ণ সেই সময়ৰ সমাজখনৰ পৰা সৰ্বসাধাৰণ লোকক উদ্ধাৰ কৰিবলৈ অহোপুৰুষাৰ্থ কৰিব লগা হোৱা হেতুকে আৰু লগতে সেই সময়ত পৰিৱেশজনিত সমস্যা ৰাজিৰ দৰে ভয়াবহ হৈ নুঠাৰ কাৰণেই হয়তো পৰিৱেশ বিষয়ত গান্ধীজীৰ মনোভাৱ বিশেষভাৱে নিবদ্ধ হ'বলৈ সুযোগ পোৱা নাছিল। তৎসত্বেও তেওঁৰ অহিংস নীতি, আত্মসংযমী, ত্যাগসৰ্বস্ব ভাৱধাৰা, অন্তৰ্মুখী দৃষ্টিভঙ্গী, ন্যূনতম প্ৰয়োজনীয়তাৰ আদৰ্শ আৰু 'ভূঞ্জিথা ত্যক্তেন'ৰ দৰ্শন আদিৰ যোগেদি সাম্প্ৰতিক সময়ৰ বহল আলোচিত 'বহনযোগ্য উন্নয়ন'ক তেতিয়াই নিজৰ আদৰ্শৰে গঢ় দিছিল। সভ্যতাৰ শিখৰত আৰোহণ কৰিবলৈ গৈ অনিয়ন্ত্ৰিত উদ্যোগিকৰণ আৰু বৃহৎ মাত্ৰাৰ নগৰীকৰণৰ গুৰুত্ব বৃদ্ধি পোৱাৰ ফলত সৃষ্ট পাৰিপাৰ্শ্বিক অৱক্ষয়ৰ 'হিন্দু স্বৰাজ'ত গান্ধীয়ে তীব্ৰ বিৰোধিতা কৰিছিল আৰু কৈছিল— সভ্যতাই মানুহক চিৰৰুগ্ন কৰি তুলি এদিন ধ্বংসৰ পথলৈ ঠেলি দিব। সেইদৰেই বৃহৎ আৰু গুৰু উদ্যোগ স্থাপনৰ পৰিৱৰ্তে বাতানুকূল ক্ষুদ্ৰ আৰু কুটীৰ শিল্প স্থাপনৰ ওপৰত অধিক গুৰুত্ব প্ৰদানৰ জৰিয়তে পৰিৱেশ সুৰক্ষাৰ দিশটোৰ প্ৰতি তেওঁ জনসাধাৰণক সজাগ কৰি তুলিছিল। গান্ধীজীৰ সপোনৰ গ্ৰামাঞ্চল আছিল গছ-গছনিৰে ভৰা, বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থাৰে সমৃদ্ধ, ময়লা নিষ্কাষণৰ পৰ্যাপ্ত সুবিধাৰে পূৰ্ণ আৰু উচিত অনাময় ব্যৱস্থা বিশিষ্ট সেউজী সমৃদ্ধ স্থান। কৃষি নিৰ্ভৰশীল ভাৰতবৰ্ষত কৃষিৰ উৎপাদন বৃদ্ধিৰ বাবে খেতিপথাৰত পাৰিপাৰ্শ্বিক উপযোগী সাৰ আৰু কীটনাশক প্ৰয়োগৰ ওপৰত গান্ধীজীয়ে গুৰুত্ব দিছিল। এনে দৃষ্টিভংগীয়ে গান্ধীৰ অন্তৰ্জগতত পুঞ্জীভূত হৈ থকা পৰিৱেশ সচেতনতাৰ ইংগিতকে নিতান্তই বহন কৰে। যিহেতু মুকলি-মুৰীয়াকৈ প্ৰচাৰ কৰাতকৈ আদৰ্শৰ যোগেদি শিক্ষাদানৰ ওপৰতহে গান্ধীজীয়ে গুৰুত্ব আৰোপ কৰিছিল, গতিকে তেওঁৰ জীৱন-ধাৰণৰ প্ৰণালীতেই পৰিৱেশ সুৰক্ষাৰ সপক্ষে সমস্ত উপাদান নিহিত হৈ আছিল। সেই দিশৰ পৰা বিচাৰ কৰিয়েই কোৱা শুনা যায় যে গান্ধীজী আছিল উত্তৰ-ৰক্ষণশীল আৰু প্ৰাক্-আধুনিক কালৰ এগৰাকী সফল পৰিৱেশবিদ, যি অতীত আৰু বৰ্তমানৰ মাজৰ ভাৱধাৰাৰ গোপন যোগসূত্ৰ প্ৰতিষ্ঠা কৰি দিছে। পৰিৱেশৰ অৱনতি সম্পৰ্কে সজাগতা অৱলম্বন কৰা গান্ধীজীৰ তেনে দৃষ্টিভংগী নিৰীক্ষণ কৰি এই কথা ক'বই লাগিব যে সংগ্ৰামী, ত্যাগী, নেতৃত্ব প্ৰদানত সুদক্ষতা আদি দিশবোৰত গ্ৰহণ কৰা তেজস্বী ভূমিকাৰ দৰেই পৰিৱেশ প্ৰদূষণ প্ৰতিৰোধ কল্পেও তেনে বিশিষ্ট ভূমিকাত অৱতীৰ্ণ নহ'লেও পাৰিপাৰ্শ্বিক অৱক্ষয়ৰ সমস্যা নিৰাময়ৰ হকে তেওঁ যি ভূমিকা গ্ৰহণ কৰিলে সেই সন্দৰ্ভত অধিক মূল্যায়নৰ প্ৰয়োজন আছে। ❐

# অসমৰ গাঁও-চহৰৰ বৈষম্য দূৰীকৰণত খাদ্য প্ৰস্তুতকৰণ উদ্যোগৰ ভূমিকা ঃ এক গাণিতিক বিশ্লেষণ

**ড° ইৰা দাস***

অসংখ্য গাঁও আৰু কিছুসংখ্যক চহৰক লৈয়েই গঠিত হয় মানৱ সভ্যতাৰ উন্নয়নৰ সোপান। ৰাষ্ট্ৰসংঘৰ ২০০1 চনৰ মে' মাহত অনুষ্ঠিত মহাসভাৰ প্ৰধান আলোচ্য বিষয় আছিল "এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ গাঁও আৰু চহৰৰ সমবিকাশৰ বাবে গাঁও আৰু চহৰৰ বৈষম্য দূৰীকৰণ।" বিশ্বৰ প্ৰায় সকলো দেশতেই গাঁও-চহৰৰ বৈষম্য পূৰ্বৰে পৰাই আছিল যদিও কেৱল ৫০ বছৰমান আগৰ পৰাহে এই বিষয়টোৰে প্ৰাধান্য পাবলৈ ধৰিছে। ১৯50 আৰু ১৯৬০ৰ দশকত বহুসংখ্যক উন্নয়নশীল দেশৰ চৰকাৰে গাঁও আৰু চহৰৰ সমবিকাশ তথা কৃষি আৰু উদ্যোগৰ সমবিকাশেহে এখন দেশৰ সৰ্বাংগীন বিকাশ সম্ভৱপৰ কৰিব পাৰে বুলি দৃঢ়ভাৱে মতপোষণ কৰিছে। আমাৰ সম্পদ সীমিত, গতিকে যিকোনো দেশৰ সমতাপূৰ্ণ আৰু বহনক্ষম বা অবিৰত উন্নয়নৰ বাবে সীমিত সম্পদৰ যাতে গাঁও-চহৰ নিৰ্বিশেষে সকলো শ্ৰেণীৰ মানুহৰ উন্নয়নৰ অৰ্থে সু-ব্যৱহাৰ তথা পূৰ্ণ ব্যৱহাৰ হয়, তাৰ বাবে সকলো যত্নপৰ হোৱা উচিত।

প্ৰকৃততে গাঁও আৰু চহৰৰ সীমাৰেখা নিৰূপণ সহজসাধ্য নহয়। একোটা সংলগ্ন জাতীয়, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ভূ-ভাগক গাঁও আৰু চহৰত বিভক্ত কৰি নাম দিয়া হয় যদিও দুয়ো ভূ-ভাগেই জটিল অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক তথা পাৰিপাৰ্শ্বিক উপাদানেৰে সংপৃক্ত হৈ থাকে। ভূ-ভাগৰ আকাৰ, জনবসতিৰ ঘনত্ব, আন্তঃগাঁথনি, প্ৰশাসনিক কাৰ্যাৱলী, অৰ্থনৈতিক কাৰ্যাৱলী আদি বিভিন্ন মাপকাঠিৰে গাঁও-চহৰক বিভাজিত কৰা হয়। দৰাচলতে বিভিন্ন অৰ্থনৈতিক কাৰ্যাৱলীৰ বাবে বেলেগ বেলেগ বাতাবৰণ বা পৰিৱেশৰ দৰকাৰ। উদাহৰণস্বৰূপে, কৃষিকাৰ্যৰ বাবে প্ৰয়োজনীয় বিশাল ভূমিভাগ; বায়ু, পানীৰ উৎস বা প্ৰাকৃতিক উপাদানসমূহ গাঁৱত পাবলৈ সহজ বাবে গাঁওসমূহ কৃষিকাৰ্যৰ বাবে উপযোগী বুলি ভবা হয়। তেনেকৈ উদ্যোগ গঢ়ি উঠাৰ বাবে প্ৰয়োজনীয় আন্তঃগাঁথনি যেনে— বিদ্যুৎ, পৰিবহণ ব্যৱস্থা, যোগাযোগ ব্যৱস্থা আদিৰ সুবিধা থকা বাবে চহৰত উদ্যোগ গঢ়ি উঠে। সেয়ে পৰিৱেশ অনুকূল যিবোৰ অৰ্থনৈতিক কাৰ্যাৱলী গাঁও-চহৰত গঢ়ি উঠে সেয়া পাৰস্পৰিক উন্নয়নৰ বাবে পৰিপূৰকহে হোৱাটো বাঞ্চনীয়। সেয়ে গাঁও অঞ্চলতেই হওক বা চহৰাঞ্চলতেই হওক বসবাস কৰা মানুহে নিজৰ জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় সা-সুবিধাসমূহ সমানে পোৱা উচিত। কিন্তু বাস্তৱিকতে চহৰাঞ্চলৰ উন্নয়ন বা সা-সুবিধাসমূহ গাঁও অঞ্চলসমূহত দেখা নাযায় আৰু গাঁও-চহৰৰ পাৰ্থক্য বাঢ়ি গৈ থাকে।

ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম ৰাজ্য অসমতো গাঁও-চহৰৰ যথেষ্ট বৈষম্য দেখিবলৈ পোৱা যায়। কেন্দ্ৰীয় পৰিকল্পনা আয়োগৰ ২০১২ চনৰ প্ৰতিবেদন মতে অসমৰ গাঁৱৰ দৰিদ্ৰতাৰ হাৰ ২০০৯-১০ চনত ৩৯.৯ শতাংশৰ বিপৰীতে চহৰাঞ্চলৰ দৰিদ্ৰতাৰ হাৰ ২৬.১ শতাংশ। তেনেকৈ ৰাষ্ট্ৰীয় প্ৰতিদৰ্শ সংগ্ৰহকাৰী সংস্থা (এন এছ এছ অ')ৰ ২০০৮ চনৰ প্ৰতিবেদন মতে চহৰাঞ্চলৰ মানুহৰ মাহিলি গড় ব্যয় ২০০৫-০৬ বৰ্ষত ১৩৫২ টকা হোৱাৰ বিপৰীতে গাঁও অঞ্চলৰ মানুহৰ মাহিলি গড় ব্যয় আছিল মাত্ৰ ৬২৬ টকা। অসমৰ মানৱ উন্নয়নৰ শেহতীয়া প্ৰতিবেদন (২০০৩)ৰ মতে উন্নয়নৰ নামত ৰাজ্যখনত কিছুসংখ্যক ঔদ্যোগিক আৰু বাণিজ্যিক চহৰ গঢ় লৈ উঠিছে যদিও এই চহৰসমূহৰ উন্নয়নৰ প্ৰভাৱ চৌপাশৰ গাঁওবোৰলৈ মুঠেও সম্প্ৰসাৰিত হ'ব পৰা নাই। উদাহৰণ হিচাপে, তৈলনগৰী ডিগবৈ, দুলীয়াজান, নাহৰকটীয়া, বঙাইগাঁও আদিৰ চৌপাশৰ গাঁও অঞ্চললৈ চালেই অৱস্থাটো বুজিব পাৰি। বৃহৎ উদ্যোগসমূহত কিছুসংখ্যক অসমীয়াই চাকৰি পোৱাৰ বাহিৰে এই উদ্যোগ-সমূহৰ লগত স্থানীয় বজাৰ, উৎপাদন ব্যৱস্থা, মূলধন আদিৰ কোনো বিশেষ ধৰণৰ পূৰ্বৱৰ্তী বা পশ্চাদৱৰ্তী যোগসূত্ৰ বৰ কম বা নগণ্যাৰ্থক।

কিন্তু অসমৰ দৰে কৃষিপ্ৰধান ৰাজ্য, য'ত প্ৰচুৰ ফল-মূল, শাক-পাচলি আদি উৎপন্ন হয় আৰু অধিক উৎপাদনৰ পূৰ্ণ

*ড° ইৰা দাস গুৱাহাটীৰ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা

সম্ভাৱনা আছে তেনে ঠাইত খাদ্য প্ৰস্তুতকৰণ উদ্যোগ গঢ়ি উঠাৰ প্ৰচুৰ সম্ভাৱনা থাকে। অসমৰ ২০১২-১৩ চনৰ অৰ্থনৈতিক পৰিসংখ্যা মতে অসমত বছৰি প্ৰায় ১৭.১৪ লাখ টন ফল-মূল আৰু প্ৰায় ৪৬.২০ লাখ টন শাক-পাচলি উৎপাদন হয়। ২০০৬ চনৰ চেণ্টাৰ ফৰ মণিটৰিং ইণ্ডিয়ান ইক'নমিৰ তথ্যমতে অসমে মাটিকালি, উৎপাদন আৰু উৎপাদনশীলতাৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ ৰাজ্যসমূহৰ ক্ষেত্ৰত উল্লেখ-যোগ্য স্থান পাবলৈ সমৰ্থ হৈছে। কিন্তু অসমৰ কেৱল ১৫ শতাংশ মাটি-কালিতহে উদ্যানশস্য উৎপাদন হয় আৰু ৩০ শতাংশতকৈও কম উৎপাদনৰহে মূল সংযোজন ঘটে। গতিকে অসমত মূল্য সংযোজন ঘটাব পৰা খাদ্য প্ৰস্তুকৰণ উদ্যোগৰ পূৰ্ণ সম্ভাৱনা আছে। এনেধৰণৰ উদ্যোগৰ বাবে প্ৰয়োজনীয় কেঁচামাল স্থানীয় গাঁওসমূহে যোগান ধৰিব পাৰে আৰু ইয়াৰদ্বাৰা উদ্যোগৰ লগত কৃষিৰ তথা চহৰৰ লগত গাঁও অঞ্চলৰ অৰ্থবহ যোগসূত্ৰ গঢ়ি উঠিব পাৰে।

অসম এখন কৃষিপ্ৰধান ৰাজ্য যদিও বৰ্ধিত জনসংখ্যাৰ বাবে মানুহে প্ৰতি মাটিৰ পৰিমাণ কমি আহিছে। আকৌ অসমৰ কৃষিখণ্ডত প্ৰয়োজনতকৈ বেছি মানুহ নিয়োজিত হৈ থকাৰ বাবে আৰু নতুনকৈ মানুহে কৰ্মসংস্থাপন পোৱাৰ সম্ভাৱনাও ক্ৰমে ক্ষীণ হৈ পৰিছে। আনহাতে কৃষিকাৰ্যত কৃষকে ন্যায্য প্ৰাপ্য নাপায় বৰঞ্চ মধ্যভোগীয়েহে লাভ অৰ্জন কৰে বুলিও অভিযোগ উত্থাপিত হয়। কাৰণ যেতিয়া প্ৰতি কিলোগ্ৰাম বিলাহীৰ দাম গুৱাহাটীৰ বজাৰত ৩০-৪০ টকা হয় তেতিয়াও বৰপেটা বা খাৰুপেটীয়াৰ কৃষকে প্ৰতি কিলোগ্ৰাম বিলাহী ২ টকা-৫ টকাত বিক্ৰী কৰে অথবা বিক্ৰী নোযোৱা বিলাহী পৰিবহন ব্যয় বহন কৰিব নোৱাৰি কুইণ্টলে কুইণ্টলে ৰাস্তাত পেলাই যাবলগীয়া হয়। মধ্যভোগী বেপাৰীৰ মতে তেওঁলোকে গুৱাহাটীৰ বজাৰত দামত বিক্ৰী কৰিব লগা হোৱাৰ কাৰণ এয়ে যে বৰপেটা বা খাৰুপেটীয়াৰ পৰা সামগ্ৰী লৈ আহোঁতে বহুকেইটা স্থানত অবৈধভাৱে টকা দিব লগা হয়। গতিকে গুৱাহাটীৰ বজাৰত দাম বৃদ্ধি হোৱাটোৱেই স্বাভাৱিক। চৰকাৰে উৎপাদিত সামগ্ৰীৰ বাবে ন্যূনতম সহায়কাৰী মূল্য প্ৰদান নকৰাৰ বাবে আৰু শীতলীকৰণ ব্যৱস্থা নথকাৰ বাবে অসমৰ কৃষক উৎপাদিত সামগ্ৰীৰ উপযুক্ত মূল্য পাবলৈ সক্ষম নহয়। গতিকে কৃষিকে উৎপাদিত সামগ্ৰীৰ ন্যায্য মূল্য পাবলৈ কৃষিজাত দ্ৰব্যসমূহৰ মূল্য সংযোজন ঘটোৱাৰ অতিকে প্ৰয়োজন আৰু তাৰ বাবে ৰাজ্যত খাদ্য প্ৰস্তুতকৰণ উদ্যোগৰ অতি প্ৰয়োজন। উদাহৰণস্বৰূপে বৰপেটা অথবা খাৰুপেটীয়াৰ বিলাহী, নেমু, আম, ৰঙালাউ, আলু, গাজৰ আদিৰ পৰা যদি আচাৰ, চচ, চৰবত, জাম-জেলী আদি প্ৰস্তুত কৰিব পৰা যায়, তেতিয়া যিবোৰ সামগ্ৰী বিক্ৰী নহ'লে পেলাই দিব লগা হৈছিল বা পানীৰ দৰত বিক্ৰী কৰিব লগা হৈছিল সেইবোৰৰ ন্যায্যমূল্য কৃষকে পাবলৈ সমৰ্থ হ'ব।

এই উদ্দেশ্য আগত ৰাখিয়েই মহাৰাষ্ট্ৰৰ নিলনৃছ এণ্টাৰপ্ৰাইজেছ প্ৰাইভেট লিমিটেড নামৰ এটা কোম্পানীয়ে দৰং জিলাৰ খাৰুপেটীয়াৰ ওচৰৰ দলগাঁৱত এটা খাদ্য প্ৰস্তুতকৰণ উদ্যোগ স্থাপন কৰে ২০০৬ চনত। অসমৰ ভিতৰত সংগঠিত খণ্ডত স্থাপন হোৱা এই উদ্যোগটো হৈছে খাদ্য প্ৰস্তুতকৰণৰ প্ৰথম উদ্যোগ। উদ্যোগটোত আচাৰ তৈয়াৰী আৰু চচ তৈয়াৰী দুটা গোট আছে। এই উদ্যোগটোলৈ ওচৰৰ গাঁওসমূহৰ পৰা গাজৰ, বিলাহী, আম, আদা, জলকীয়া, নেমু, ৰঙালাউ, অমিতা, পানীলাউ, ফুলকবি আদি যোগান ধৰা হয়। এই উদ্যোগটো স্থাপন হোৱাৰ পাচত চৌপাশৰ গাঁওসমূহৰ মাজত উদ্যোগটোৰ কেনেধৰণৰ যোগসূত্ৰ স্থাপন হৈছে আৰু গাঁওসমূহ কেনেধৰণে লাভান্বিত হৈছে তাক জনাৰ বাবে ২০০৮ চনৰ মাৰ্চৰ পৰা ২০০৯ চনৰ ফেব্ৰুৱাৰীৰ কালছোৱা সামৰি এটি ক্ষেত্ৰভিত্তিক অধ্যয়ন চলোৱা হৈছিল। এনেধৰণৰ প্ৰভাৱ অধ্যয়নৰ বাবে জনাজাত 'ছ'চিয়েল একাউণ্টিং মেট্ৰিক্স' (৩৯ শাৰী × ৩৯ স্তম্ভৰ) গঠন কৰি এই ফলাফলসমূহ পোৱা গৈছিল (মেট্ৰিক্সটো 'বাতাবাৰী' নামৰ গাঁওখনৰ অৰ্থনীতিৰ আধাৰত গঠন কৰা হৈছিল) ঃ

(১) **উদ্যোগটোৰ দৈনিক বৰঙণি ঃ** চৰকাৰে নিলনৃছৰ উদ্যোগটো স্থাপন কৰিবলৈ দিয়া ৰাজসাহায্যৰ পৰিমাণৰ পৰা হিচাপ কৰি পোৱা গৈছিল যে প্ৰতিদিনৰ ৰাজসাহায্য ১.৮৪ টকাৰ বিপৰীতে উদ্যোগটোৱে প্ৰতিঘৰলৈ (যদি ওচৰ-পাঁজৰৰ ৫০ খন গাঁৱৰ বাবে উদ্যোগটো স্থাপন কৰা বুলি ধৰা হয়) প্ৰতিদিনে ৫.৫০ টকাৰ বৰঙণি আগবঢ়াবলৈ সক্ষম হৈছে।

(২) **অধিক উদ্যোগ গঢ়াৰ সম্ভাৱনা ঃ** দৰং জিলাৰ দলগাঁও অঞ্চলটোৰ পৰা পাচলিৰ দৈনিক ৰপ্তানি হ'ল ৪২৭ টন অথচ উদ্যোগটোৰ বাবে প্ৰয়োজনীয় কেঁচামালৰ পৰিমাণ মাত্ৰ ৬.৮৯৬ টন অৰ্থাৎ মাত্ৰ ১.৬১৫ শতাংশ। গতিকে সেই অঞ্চলটোত অধিকসংখ্যক খাদ্য প্ৰস্তুতকৰণ উদ্যোগ গঢ়ি উঠাৰ পূৰ্ণ সম্ভাৱনা আছে।

**তালিকা-১ ঃ উৎপাদন, আয় আৰু নিয়োগ গুণকৰ পৰিমাণ**

| ক্র. নং | উৎপাদনৰ খণ্ড | | উৎপাদন গুণক | আয় গুণক | নিয়োগ গুণক |
|---|---|---|---|---|---|
| ১. | কৃষি | ঃ | ১.৬৪ | ১.৩২ | ০.৮৩ |
| ২. | পশুপালন আদি | ঃ | ২.০৫ | ১.৬৬ | ০.৩৪ |
| ৩. | বাণিজ্য আৰু খুচুৰা ব্যৱসায় | ঃ | ১.৭৫ | ১.৬০ | ০.১০ |
| ৪. | চৰকাৰী সেৱা | ঃ | ১.৫৬ | ১.৪৭ | ০.০০ |
| ৫. | যাতায়াত | ঃ | ১.৬৪ | ০.৯৬ | ০.৯০ |
| ৬. | নিৰ্মাণ খণ্ড | ঃ | ১.৮১ | ১.৬৫ | ০.০০ |
| ৭. | অন্যান্য কাৰ্যাৱলী | ঃ | ১.৮১ | ১.৬১ | ০.০২ |

**উৎস ঃ** ক্ষেত্ৰ অধ্যয়নৰ পৰা কৰা গণনা

(৩) **উৎপাদন, আয় আৰু নিয়োগ গুণকৰ পৰিমাণ ঃ** যেতিয়া গাঁৱৰ পাচলি বা ফলমূলৰ চাহিদা খাদ্য প্ৰস্তুতকৰণ উদ্যোগৰ দ্বাৰা বৃদ্ধি হয় তেতিয়া গাঁৱৰ পাচলি বা ফলমূলৰ উৎপাদনো কেইবাগুণো বৃদ্ধি হয়— এয়া হৈছে উৎপাদন গুণক। গাঁৱৰ উৎপাদিত সামগ্ৰীৰ উৎপাদন বৃদ্ধিৰ ফলত গাঁৱৰ মানুহৰ আয় কেইবাগুণো বৃদ্ধি পায়— যাক কোৱা হয় আয় গুণক। আকৌ আয় বাঢ়িলে নিয়োগ বৃদ্ধি হয়— সেয়া হ'ল নিয়োগ গুণক।

কেনেকৈ উদ্যোগটোৱে গাঁওখনৰ মানুহৰ উৎপাদন, আয় আৰু নিয়োগ কেইবাগুণলৈ বৃদ্ধি কৰিবলৈ সমৰ্থ হৈছে সেয়া 'তালিকা-১'ৰ পৰা দেখা যায়।

তালিকাৰ পৰা দেখা গৈছে যে যদি উদ্যোগটোৰ দ্বাৰা গাঁওখনৰ পাচলি বা ফলমূলৰ চাহিদা বৃদ্ধি ১ টকা হয় তেনেহ'লে কৃষিখণ্ডৰ উৎপাদন ১.৬৪ টকাকৈ (১ টকা × ১.৬৪) বৃদ্ধি পায়, ১.৩২ টকাকৈ (১ টকা × ১.৩২) আয় বৃদ্ধি পায় আৰু ০.৮৩ লৈ (অৰ্থাৎ ১ টকা × ০.৮৩) নিয়োগ বৃদ্ধি হয়।

**তালিকা ২ ঃ পশ্চাদৱৰ্তী আৰু পূৰ্বৱৰ্তী যোগসূত্ৰৰ পৰিমাণ**

| ক্র. নং | খণ্ডসমূহ | | পশ্চাদৱৰ্তী যোগসূত্ৰ | পূৰ্বৱৰ্তী যোগসূত্ৰ |
|---|---|---|---|---|
| ১. | কৃষি | ঃ | ০.৬৫ | ৪.৮২ |
| ২. | পশুপালন আদি | ঃ | ০.৯০ | ২.০১ |
| ৩. | বাণিজ্য আৰু খুচুৰা ব্যৱসায় | ঃ | ০.৬৩ | ১.০২ |
| ৪. | চৰকাৰী সেৱা | ঃ | ০.৬৩ | ০.৬৭ |
| ৫. | যাতায়াত | ঃ | ০.৮৩ | ০.৭৩ |
| ৬. | নিৰ্মাণ খণ্ড | ঃ | ০.৬৩ | ০.৬৮ |
| ৭. | অন্যান্য কাৰ্যাৱলী | ঃ | ০.৭০ | ০.৯৯ |

**উৎস ঃ** ক্ষেত্ৰ অধ্যয়নৰ পৰা কৰা গণনা

(৪) **পশ্চাদৱৰ্তী আৰু পূৰ্বৱৰ্তী যোগসূত্ৰ ঃ** এটা উদ্যোগ বা খণ্ড কেঁচামালৰ বাবে কেনেকৈ আন খণ্ড বা উদ্যোগৰ ওপৰত নিৰ্ভৰশীল হয় সেয়াই হৈছে পশ্চাদৱৰ্তী যোগসূত্ৰ আৰু কেনেকৈ এটা খণ্ড বা উদ্যোগে তাৰ উৎপাদন বা উৎপাদিত সামগ্ৰী আন আন খণ্ড বা উদ্যোগলৈ যোগান ধৰে সেয়াই হৈছে এটা উদ্যোগ বা খণ্ডৰ পূৰ্বৱৰ্তী যোগসূত্ৰ। 'তালিকা-২'ৰ পৰা দেখা গৈছে যে কৃষিখণ্ডৰ পূৰ্বৱৰ্তী যোগসূত্ৰ অধিক, গতিকে কৃষিখণ্ডৰ পৰা খাদ্য প্ৰস্তুতকৰণ উদ্যোগৰ সম্ভাৱনা তথা অৰ্থনৈতিক লাভ যথেষ্ট থাকে।

**তালিকা-৩ ঃ উৎপাদন গুণকৰ প্ৰত্যক্ষ, পৰোক্ষ আৰু উদ্ভুত প্ৰভাৱ (শতাংশৰ হিচাপত)**

| ক্র. নং | খণ্ডসমূহ | | প্ৰত্যক্ষ প্ৰভাৱ (%) | পৰোক্ষ প্ৰভাৱ (%) | উদ্ভুত প্ৰভাৱ (%) |
|---|---|---|---|---|---|
| ১. | কৃষি | ঃ | ৬১.০৪ | ০.৯৯ | ৩৭.৯৭ |
| ২. | পশুপালন আদি | ঃ | ৪৮.৮৭ | ১০.৪৭ | ৪০.৬৬ |
| ৩. | বাণিজ্য আৰু খুচুৰা ব্যৱসায় | ঃ | ৫৭.০৪ | ০.০০ | ৪২.৯৬ |
| ৪. | চৰকাৰী সেৱা | ঃ | ৬৩.৯৫ | ০.০০ | ৩৬.০৫ |
| ৫. | যাতায়াত | ঃ | ৬১.১৬ | ৯.৭ | ২৯.১৫ |
| ৬. | নিৰ্মাণ | ঃ | ৫৫.৩৪ | ০.০০ | ৪৪.৬৬ |
| ৭. | অন্যান্য কাৰ্যাৱলী | ঃ | ৫৫.১৬ | ৩.২৫ | ৪১.৫৯ |

**উৎস ঃ** ক্ষেত্ৰ অধ্যয়নৰ পৰা কৰা গণনা

(৫) **উৎপাদন গুণকৰ প্ৰত্যক্ষ, পৰোক্ষ আৰু উদ্ভুত প্ৰভাৱ ঃ** যেতিয়া গাঁৱত উৎপাদিত দ্ৰব্যৰ চাহিদা বৃদ্ধি হয় তেতিয়া গাঁৱত দ্ৰব্যবোৰৰ উৎপাদন বৃদ্ধি হয়— এয়া হৈছে প্ৰত্যক্ষ প্ৰভাৱ। যেতিয়া উৎপাদনকাৰীয়ে দ্ৰব্যৰ উৎপাদন বৃদ্ধি কৰে। তেতিয়া দ্ৰব্যৰ

উৎপাদনত জড়িত কেঁচামাল বা উপাদান যোগানকাৰীৰ দ্ৰব্যৰ চাহিদাও বৃদ্ধি পায়— এয়া হৈছে পৰোক্ষ প্ৰভাৱ। আকৌ যেতিয়া প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰভাৱৰ ফলত পৰিয়ালৰ আয় বাঢ়ে তেতিয়া নিয়োগ বৃদ্ধি হয় আৰু বৰ্দ্ধিত আয়ৰ এটা অংশ মানুহে ভোগ্য দ্ৰব্য আৰু সেৱাৰ বাবে ব্যয় কৰে যাক উদ্ভূত প্ৰভাৱ বোলা হয়।

ওপৰৰ তালিকাত বিভিন্ন খণ্ড-সমূহৰ উৎপাদন গুণকৰ প্ৰত্যক্ষ, পৰোক্ষ আৰু উদ্ভূত প্ৰভাৱ দেখুওৱা হৈছে।

(৬) **আয়ৰ বৈষম্য দূৰীকৰণ তথা আয়ৰ সম বিতৰণ ঃ** খাদ্য প্ৰস্তুতকৰণ উদ্যোগটোৰ বাবে বৃদ্ধি হোৱা পাচলি তথা ফলমূলৰ চাহিদাৰ বাবে কৃষকৰ আয় বৃদ্ধি হয় আৰু গণনা কৰি পোৱা গৈছিল যে ক্ষুদ্ৰ কৃষকৰ বৰ্দ্ধিত আয়ৰ জৰিয়তে গাঁওখনত সকলো শ্ৰেণীৰ মানুহলৈ আয়ৰ সম বিতৰণ বেছিকৈ হৈছিল আৰু আয়ৰ বৈষম্য দূৰীকৰণত কিছুপৰিমাণে সহায়ক হৈছিল।

(৭) **দৰিদ্ৰতা দূৰীকৰণ ঃ** উদ্যোগটোৰ দ্বাৰা বৰ্দ্ধিত চাহিদাই গাঁৱৰ দৰিদ্ৰতা দূৰীকৰণতো সহায় কৰে।

**সামৰণি ঃ**

ওপৰৰ আলোচনাৰ পৰা স্পষ্ট হৈছে যে খাদ্য প্ৰস্তুতকৰণ উদ্যোগৰ বহু ধনাত্মক প্ৰভাৱ গাঁৱৰ অৰ্থনীতিত পৰে। গতিকে তলত উল্লেখ কৰা বিষয়টো গাঁও-চহৰৰ বৈষম্য দূৰীকৰণ তথা গাঁও-চহৰৰ মাজত অৰ্থপূৰ্ণ যোগসূত্ৰ স্থাপনৰ বাবে সহায়ক হ'ব পাৰে—

যিহেতু খাদ্য প্ৰস্তুতকৰণ সম্পৰ্কীয় উদ্যোগ কৃষিৰ ওপৰত নিৰ্ভৰ কৰিয়েই কৃষিকেন্দ্ৰিক অঞ্চল অৰ্থাৎ গাঁওসমূহৰ ওচৰে-পাঁজৰেই গঢ়ি উঠে, গতিকে এই ধৰণৰ উদ্যোগে বিভিন্ন খণ্ডৰ মাজত যোগসূত্ৰ স্থাপন কৰি গাঁও-চহৰৰ বৈষম্য হ্ৰাস কৰাত সহায় কৰিব পাৰে। চৰকাৰে ২০০৮ চনৰ নতুন ঔদ্যোগিক নীতিত খাদ্য প্ৰস্তুতকৰণ উদ্যোগৰ ওপৰত গুৰুত্ব দিছে যদিও অধিক সুনিৰ্দিষ্ট নীতিৰ প্ৰয়োজন। অৰ্থনীতিৰ বিভিন্ন খণ্ডসমূহৰ মাজৰ যোগসূত্ৰ বুজাত যিহেতু ছ'চিয়েল একাউণ্টিং মেট্ৰিক্স (SAM)ৰ গুৰুত্ব সৰ্বগ্ৰহণযোগ্য, গতিকে চৰকাৰে ৰাজ্যিক ভিত্তিক SAM গঠন কৰাটো অতি জৰুৰী।

অসমৰ অন্যান্য অঞ্চলতো এই ধৰণৰ মূল্য সংযোজনকাৰী খাদ্য প্ৰস্তুতকৰণ উদ্যোগ গঢ়ি উঠিলে উদ্যোগ আৰু কৃষিৰ মাজত প্ৰত্যক্ষ যোগসূত্ৰ গঢ়ি উঠিব যিয়ে গাঁও আৰু চহৰৰ মাজৰ সু-সম্পৰ্ক বৃদ্ধি কৰি গাঁও-চহৰৰ বৈষম্য দূৰীকৰণত সহায় কৰিব। ❐

**পয়োভৰাৰ পৰৱৰ্তী সংখ্যাৰ**

## বিষয় সম্ভাৰ

নৱেম্বৰ ২০১৪ — **প্ৰযুক্তি বিজ্ঞান, অভিযোজন আৰু জ্ঞান অৰ্থনীতি**

ডিচেম্বৰ' ২০১৪ — **বিদেশী প্ৰত্যক্ষ বিনিয়োগ আৰু আন্তৰ্জাতিক বাণিজ্য**

উপৰোক্ত বিষয়সমূহৰ বাবে অভিজ্ঞ ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচৰা হ'ল। বিষয়সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ তথ্যপাতিৰে সমৃদ্ধ হ'ব লাগিব। উপযুক্ত বিবেচিত হ'লে যথা সংখ্যাত প্ৰকাশ কৰা হ'ব। লগতে বিভিন্ন পুথি, আলোচনী বিক্ৰেতা সকলকো তেওঁলোকৰ প্ৰয়োজনীয় কপিৰ বাবে আমাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।

সম্পাদক, **পয়োভৰা**
কে.কে.বি. পথ, নিউ কলনি, গৃহ নং-৭
চেনিকুঠি, গুৱাহাটী-৭৮১০০৩
ফোন নং-২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

# জৈৱিক কৃষি ঃ উত্তৰ-পূৰ্বাঞ্চলত ইয়াৰ সম্ভাৱনা

**পংকজ দাস***

বহনক্ষম উপায়েৰে বিশ্বৰ খাদ্য সংকট দূৰ কৰাৰ সম্ভাৱনা থকা জৈৱিক কৃষিয়ে বিশ্বজুৰি ব্যাপক সমাদৰ লাভ কৰিছে। ৰাসায়নিক দ্ৰব্য প্ৰয়োগৰ যোগেদি সূত্ৰপাত হোৱা সেউজ বিপ্লৱৰ পাৰ্শ্বক্ৰিয়াৰ পৰিপ্ৰেক্ষিতত বিগত দশকত জৈৱিক কৃষি পদ্ধতিয়ে ফলপ্ৰসূ বিকল্প হিচাপে থিয় দিছে। নিউৰেমবাৰ্গত অনুষ্ঠিত বায়'ফেক-২০১০ত উন্মোচিত প্ৰতিবেদনৰ তথ্য অনুযায়ী ২০০৭ বৰ্ষৰ তুলনাত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত জৈৱিক কৃষিক্ষেত্ৰৰ পৰিমাণ প্ৰায় ৩ নিযুত হেক্টৰ (৯%) বৃদ্ধি পাইছে। জৈৱিক কৃষি পদ্ধতি ভাৰতৰ কৃষিভূমিত অতীজৰে পৰা প্ৰয়োগ হৈ আহিছে। ইতিমধ্যেই দেশখনে 'অনুজ্ঞাপ্ৰাপ্ত জৈৱিক কৃষি'ৰ ক্ষেত্ৰত লক্ষ্যণীয় বিকাশ লাভ কৰিছে। ২০০৩-০৪ বৰ্ষৰ অনুজ্ঞাপ্ৰাপ্ত জৈৱিক কৃষিভূমি ৪২ হাজাৰ হেক্টৰৰ পৰা যোৱা পাঁচ বছৰত ২৯ গুণ বৃদ্ধি পাইছে। ২০১০ বৰ্ষৰ মাৰ্চ মাহলৈ অনুজ্ঞাপ্ৰাপ্ত জৈৱিক কৃষিভূমি ৪.৪৮ নিযুত হেক্টৰ হৈছে বুলি জৈৱিক কৃষিৰ ৰাষ্ট্ৰীয় কেন্দ্ৰৰ সঞ্চালক এ কে যাদৱে এখন প্ৰতিবেদনত প্ৰকাশ কৰিছে। দেশখনৰ উত্তৰ-পূৰ্বাঞ্চলত জৈৱিক কৃষিৰ সম্ভাৱনা সম্পৰ্কে আলোচনা কৰাৰ পূৰ্বে জৈৱিক কৃষি পদ্ধতিৰ ধাৰণাৰ বিষয়ে সামান্য বুজ লোৱা যাওক।

**কি এই জৈৱিক কৃষি?**

জৈৱিক কৃষি বুলিলে শস্যাৱৰ্তন, শস্যাকৰণ, সেউজ সাৰৰ ব্যৱহাৰ, ভূ-আচ্ছাদন আদিৰ যোগেদি কৰা কৃষিকৰ্মকে বুজোৱা হয়। এনে কৃষি পদ্ধতিত জীৱাণু সাৰ, জৈৱ কীটনাশক আদিৰ ব্যৱহাৰ কৰা হয়। এনে কৃষিকৰ্মত ব্যৱহৃত সাৰ, কীটনাশক, অপতৃণনাশক আদিৰ উপাদান প্ৰাকৃতিক হোৱাটো এই কৃষি পদ্ধতিৰ প্ৰাথমিক চৰ্ত। দ্বিতীয়তে, ৰাসায়নিক সাৰ আৰু কীটনাশক, শস্যৰ বৃদ্ধি খৰতকীয়া কৰা বিভিন্ন কাৰক যেনে হৰম'ন, এণ্টিবায়'টিক আদিৰ ব্যৱহাৰ এই পদ্ধতিত কৰা নহয়। একেষাৰে ক'বলৈ হ'লে সংশ্লেষিত ৰাসায়নিক ব্যৱহাৰ নকৰাকৈ কৰা কৃষিয়েই জৈৱিক।

**ক'ৰ পৰা এই জৈৱিক কৃষিৰ সূত্ৰপাত?**

পূৰ্বতে খেতিপথাৰত জৈৱিক উপায়েৰেই খেতি কৰা হৈছিল যদিও বৰ্দ্ধিত জনসংখ্যাৰ চাহিদা এনে পদ্ধতিয়ে পূৰণ কৰিব নোৱাৰা হোৱাত বিজ্ঞানীসকলে ইয়াৰ বিকল্প পদ্ধতি আৱিষ্কাৰত মনোনিৱেশ কৰে। এনে তাগিদাতে ১৮শ শতিকাতে ৰাসায়নিক সাৰৰ আৱিষ্কাৰ হয়। প্ৰাৰম্ভিক পৰ্যায়ত ছুপাৰ ফছফেট আৰু পিছলৈ এম'নিয়া মিশ্ৰিত সাৰ প্ৰয়োগ কৰা হয়। সস্তীয়া অথচ অধিক কাৰ্যক্ষম হোৱা বাবে এনে ৰাসায়নিক দ্ৰব্যৰ ব্যৱহাৰ ব্যাপক ৰূপত হ'বলৈ ধৰে। আকৌ ১৯৪০ৰ দশকত ৰাসায়নিক কীটনাশক দ্ৰব্যৰ আৱিষ্কাৰে খেতিপথাৰত ৰাসায়নিক উপাদানৰ ব্যৱহাৰ তীব্ৰতৰ কৰি তোলে। এনে কৃষিপদ্ধতি আপাততঃ লাভজনক আছিল যদিও ইয়াৰ পাৰ্শ্বক্ৰিয়া আছিল অতি ভয়াৱহ। এনে পদ্ধতিৰ প্ৰয়োগৰ পৰিণতিস্বৰূপে ক্ষতিকৰ ৰাসায়নিক দ্ৰব্যই খাদ্যশস্যৰ মাধ্যমেদি মানুহ, জীৱ-জন্তু, চৰাই-চিৰিকতি আদিকে ধৰি সমগ্ৰ পৰিৱেশতেই বিৰূপ প্ৰভাৱ পেলাবলৈ ধৰে। তদুপৰি কৃষিভূমিৰ উৰ্বৰতাকে ধৰি সাধাৰণ গুণাগুণ আদিৰো অৱক্ষয় ঘটে। এনেধৰণৰ পাৰ্শ্বক্ৰিয়াবিহীন অথচ উৎপাদনক্ষম বিকল্প কৃষি পদ্ধতিৰ চিন্তা-চৰ্চা চলি থকাৰ সময়তে ৰুডলফ ষ্টেইনাৰ নামৰ কৃষি বিশেষজ্ঞগৰাকীয়ে 'বায়'ডাইনেমিক্স' কৃষি পদ্ধতি আৱিষ্কাৰ কৰে। ১৯২৫ চনত প্ৰকাশিত 'লে'ক্‌চৰচ অন্ এগ্ৰিকাল্‌চাৰ' শীৰ্ষক গ্ৰন্থত তেওঁ এই পদ্ধতিৰ কথা বিস্তৰভাৱে উল্লেখ কৰে। আধুনিক জৈৱিক কৃষি পদ্ধতিৰ সূচনা ইয়াৰ পৰাই হয় বুলি ক'ব পাৰি।

ভাৰতীয় পৰম্পৰাগত কৃষি পদ্ধতি আৰু ষ্টেইনাৰৰ বায়'ডাইনেমিক্স কৃষি পদ্ধতিৰ আধাৰতে ব্ৰিটিছ বিজ্ঞানী ছাৰ এলাবাৰ্ট হাবাৰ্ড আৰু তেওঁৰ পত্নী গেব্ৰিয়েল হাবাৰ্ডে আধুনিক জৈৱিক কৃষিৰ বাট মুকলি কৰে। বিহাৰৰ পুছাস্থিত ইম্পেৰিয়েল এগ্ৰিকাল্‌চাৰেল ৰিছাৰ্চ ইনষ্টিটিউটত কৃষি উপদেষ্টাৰূপে কাৰ্যনিৰ্বাহ কৰি থকা সময়ছোৱাতে (১৯০৫-২৪) তেওঁ এই কথা উপলব্ধি কৰে যে ভাৰতীয় পৰম্পৰাগত কৃষি পদ্ধতি সমগ্ৰ ইউৰোপৰ নব্য কৃষি পদ্ধতিতকৈ কেবাগুণে উন্নত। এই কথা

*পংকজ দাস অসম বিজ্ঞান সমিতিৰ প্ৰকল্প সহকাৰী

১৯৪০ চনত প্ৰকাশিত হাবাৰ্ডৰ 'এন এগ্ৰিকাল্‌চ্চাৰেল টেষ্টামেণ্ট'ত উল্লেখ আছে।

**জৈৱিক কৃষি পদ্ধতিৰ জনপ্ৰিয়তাৰ কাৰণ কি?**

মানুহ, জীৱ-জন্তুকে ধৰি ভূমিৰ পৰিস্থিতিতন্ত্ৰ দীৰ্ঘম্যাদী ৰূপত সুস্থ ৰখা একমাত্ৰ পদ্ধতি হ'ল জৈৱ কৃষি। আমি আৰু আমাৰ পৰিৱেশৰ লাভৰ বাবে পৰম্পৰা, নতুনত্ব আৰু বিজ্ঞানৰ সংযোজন এই জৈৱ কৃষি পদ্ধতি। জৈৱিক কৃষিয়ে বিশ্বৰ কৃষিখণ্ডত নতুন মাত্ৰা লাভ কৰিছে। তলত এনে কৃষিৰ উপকাৰিতাৰ বিষয়ে উল্লেখ কৰা হৈছে ঃ

★ কোনো ধৰণৰ ৰাসায়নিক সাৰ অথবা কীটনাশকৰ ব্যৱহাৰ নকৰাকৈ কৰা খাদ্য শস্যত কোনো ধৰণৰ বিষাক্ত ৰাসায়নিক উপাদান নথকা বাবে ই স্বাস্থ্যৰ ওপৰত হানিকাৰক প্ৰভাৱ নেপেলায়।

★ পৰিৱেশৰ সৈতে বন্ধুভাৱাপন্ন এই কৃষি পদ্ধতি। উৎপাদন প্ৰক্ৰিয়াত সম্পূৰ্ণ জৈৱিক উপায় অৱলম্বন কৰা হেতুকে মাটি-পানী-বায়ুত কোনো প্ৰকাৰৰ অনিষ্টকাৰী ৰাসায়নিক উপাদানৰ প্ৰৱেশ নঘটে। ফলত পৰিৱেশৰ স্বাভাৱিক গুণাগুণ অটুট থকাৰ লগতে পৰিস্থিতিতন্ত্ৰৰ ভাৰসাম্যও অটুট থাকে।

★ জৈৱিকভাৱে উৎপাদিত খাদ্য শস্য দেখিবলৈ কেতিয়াবা শুৱনি নহ'বও পাৰে, কিন্তু তেনে হ'লেও ই সতেজ আৰু সুস্বাদু হয়।

★ সতেজ, সুস্বাদু আৰু স্বাস্থ্যৰ বাবে উপকাৰী হোৱা বাবে ৰাসায়নিক এনে পদ্ধতিৰে উৎপাদিত খাদ্য শস্যৰ বজাৰমূল্য অধিক, গতিকে উৎপাদনকৰ্তা লাভৱান হ'ব পাৰে।

**ভাৰতীয় প্ৰেক্ষাপটত জৈৱিক কৃষি ঃ**

(ক) **চৰকাৰী পদক্ষেপ ঃ** ভাৰতবৰ্ষত জৈৱিক কৃষি পদ্ধতিৰ লগত জড়িত প্ৰায়ভাগ কৃষকেই ক্ষুদ্ৰ আৰু উপান্ত। সেয়ে ব্যক্তিগত আৰু চৰকাৰী খণ্ডৰ যৌথ প্ৰচেষ্টাৰ ওপৰতে ভাৰতৰ দৰে উন্নয়নশীল দেশৰ জৈৱিক কৃষিৰ বিকাশ নিৰ্ভৰশীল। ২০০০ চনত ভাৰত চৰকাৰে আৰম্ভ কৰা জৈৱিক উৎপাদনৰ ৰাষ্ট্ৰীয় কাৰ্যসূচী (নেচনেল প্ৰগ্ৰাম ফৰ অৰ্গেনিক প্ৰডাকচন চমুকৈ এন পি অ' পি)ক দেশখনৰ জৈৱিক কৃষিৰ দিশত প্ৰথমটো গুৰুত্বপূৰ্ণ পদক্ষেপ বুলিব পাৰি। এই কাৰ্যসূচীয়ে ভাৰতবৰ্ষত স্বীকৃতিপ্ৰাপ্ত জৈৱিক কৃষিৰ ভেঁটি স্থাপন কৰে। ৰাষ্ট্ৰীয় মূল্যায়ন নীতি আৰু কাৰ্যসূচী (নেচনেল এক্ৰেডিচন পলিচী এণ্ড প্ৰ'গ্ৰাম চমুকৈ এন এ পি পি)ৰ যোগেদি জৈৱিক উৎপাদনৰ ৰাষ্ট্ৰীয় মান (নেচনেল ষ্টেণ্ডাৰ্ড ফৰ অৰ্গেনিক প্ৰডাকচন চমুকৈ এন এচ অ' পি)ৰ কাৰ্যকৰীকৰণৰ বাবে আনুষ্ঠানিক কাৰ্যনীতি নিৰ্দ্ধাৰণ কৰাটো উক্ত কাৰ্যসূচীৰ প্ৰধান উদ্দেশ্য। আমদানি, ৰপ্তানি আৰু ঘৰুৱা বজাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ স্বীকৃতিৰ উদ্দেশ্যে উক্ত কাৰ্যসূচীৰ আধাৰত ৰপ্তানি আৰু ঘৰুৱা বজাৰৰ বাবে দুখনকৈ আইন প্ৰণয়ন কৰা হৈছে, (ক) বৈদেশিক বাণিজ্য বিকাশ আৰু নিয়ন্ত্ৰণ আইন (চমুকৈ এফ টি ডি আৰ) আৰু (খ) এগ্ৰিকাল্‌চ্চাৰ প্ৰডিউচ গ্ৰেডিং, মাৰ্কিং এণ্ড চাৰ্টিফিকেচন এক্ট (চমুকৈ এ পি জি এম চি)। জৈৱিক কৃষিজাত সামগ্ৰীৰ স্বীকৃতি প্ৰদান আৰু উক্ত প্ৰক্ৰিয়া চলোৱাৰ বাবে স্বীকৃতি আৰু অনুসন্ধান সংস্থাৰ মূল্যায়ন (চমুকৈ এ আই চি এ)ক অনুদান অগবঢ়োৱাৰ বাবে ৰাষ্ট্ৰীয় মূল্যায়ন সমিতি গঠন কৰা হয়। এই সমিতিৰ অধীনত ২০১০ বৰ্ষলৈ জৈৱিক কৃষিজাত সামগ্ৰীৰ স্বীকৃতি প্ৰদান কৰা ১৮টা সংস্থা ভাৰতবৰ্ষত আছে আৰু ইয়াৰ ৪টা চৰকাৰী আৰু বাকী ১৪টা ব্যক্তিগত খণ্ডৰ। ২০০৪ বৰ্ষত জৈৱিক কৃষিৰ উৎকৰ্ষ সাধনৰ বাবে ভাৰত চৰকাৰে ৫৭.০৪ কোটি টকাৰ ৰাষ্ট্ৰীয় প্ৰকল্পৰ অনুমোদন দিয়ে। এই প্ৰকল্পৰ বাবে একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত ১০১ কোটি টকা ধাৰ্য কৰা হয়। উল্লেখযোগ্য যে শেহতীয়া বাজেটতো জৈৱিক কৃষিৰ বাবে ১০০ কোটি টকা ধাৰ্য কৰা হৈছে।

(খ) **কৃষকৰ ভূমিকা ঃ** জৈৱিক কৃষি কাৰ্যত নিয়োজিত কৃষকৰ সংখ্যা সমগ্ৰ বিশ্বৰ ভিতৰত ভাৰততেই সৰ্বাধিক। ২০০৮-০৯ বৰ্ষত ধাৰ্য কৰা অনুসৰি দেশখনত ৫,৯৭,৮৭৩ জন কৃষক জৈৱিক স্বীকৃতি প্ৰাপ্তিৰ প্ৰক্ৰিয়াত আছে। ইয়াৰ প্ৰায়ভাগ কৃষকেই ক্ষুদ্ৰ আৰু উপান্ত, যিসকল ৯১৯টা উৎপাদনক গোটৰ অধীনত আছে। দেশখনৰ ১.০৮ নিযুত হেক্টৰ ভূমিত জৈৱিক পদ্ধতিত কৃষি কাৰ্য কৰা হয়। ভাৰতীয় কৃষকে জৈৱিক কৃষি পদ্ধতি আদৰি লোৱাৰ প্ৰধান কাৰণ তিনিটা এ কে যাদৱে উল্লেখ কৰিছে এনেদৰে ঃ

★ ৰাসায়নিক দ্ৰব্যৰ উপলব্ধতাৰ অভাৱৰ বাবেই হওক বা আন কিবা পৰিৱেশগত কাৰণতেই হওক, পৰম্পৰাগতভাৱে জৈৱিক কৃষিৰ লগত হাড়ে-হিমজুৰে জড়িত কৃষকসকলে এই প্ৰক্ৰিয়াত হাত উজান দিছে।

★ ৰাসায়নিক উপাদান ব্যৱহাৰৰ ফলত মাটিৰ উৰ্বৰতা হ্ৰাস পোৱা, উৎপাদন ক্ষমতা কমি অহা আদি কু-ফলৰ পৰিপ্ৰেক্ষিতত এচাম সচেতন কৃষকে জৈৱিক পদ্ধতিকে

বিকল্প হিচাপে অৱলম্বন কৰিছে।

★ আন এচাম উদ্যোগী আৰু দূৰদৰ্শী কৃষক আৰু কৃষিজাত সংস্থাই জৈৱিক কৃষিৰ বিকশিত বজাৰখনত খোপনি পোতাৰ বাবে জৈৱিক কৃষিৰ বাণিজ্যিক দিশত মনোনিৱেশ কৰি এই প্ৰক্ৰিয়াত জড়িত হৈ পৰিছে।

**উত্তৰ-পূৰ্বাঞ্চলত জৈৱিক কৃষিৰ সম্ভাৱনা আৰু বৰ্তমানৰ স্থিতি ঃ**

ভাৰতৰ নৱ নিৰ্বাচিত প্ৰধানমন্ত্ৰী-গৰাকীয়ে সংসদত চলিত বছৰৰ ১১ জুনত দিয়া ভাষণত দেশখনৰ উত্তৰ-পূৰ্বাঞ্চলক জৈৱিক ক্ষেত্ৰ কৰি গঢ়ি তোলাৰ কথা উল্লেখ কৰিছে। আন্তঃৰাষ্ট্ৰীয় বজাৰত জৈৱিক পণ্যদ্ৰব্যৰ বৰ্দ্ধিত চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি জৈৱিক কৃষি পদ্ধতিত মনোনিৱেশ কৰি উত্তৰ-পূৰ্বাঞ্চলে আন্তঃৰাষ্ট্ৰীয় বজাৰত খোপনি পুতিব পাৰিব বুলি আশা কৰিব পাৰি। অতীজৰে পৰা জৈৱিক পদ্ধতি অৱলম্বন কৰি অহা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ই সুৱৰ্ণ সুযোগ।

নাগালেণ্ডৰ কেন্দ্ৰীয় উদ্যানশস্য প্ৰতিষ্ঠানৰ সঞ্চালক ড° আকালি চেমাই উত্তৰ-পূৰ্বাঞ্চলত জৈৱিক কৃষিৰ উপযোগিতাৰ বাবে প্ৰচুৰ প্ৰাকৃতিক সম্পদ থকা বুলি মন্তব্য কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ পৰম্পৰাগত কৃষি পদ্ধতি, জৈৱ খাদ্যশস্যৰ পয়োভৰ, জৈৱিক কৃষিভূমি, প্ৰচুৰ বৃষ্টিপাত, অসংখ্য জলভাণ্ডাৰ, নদ-নদীৰ পলস আদিৰ পৰিপ্ৰেক্ষিতত জৈৱিক কৃষিৰ সম্ভাৱনা যে উজ্জ্বল সেয়া সহজেই অনুমেয়। এইখিনিতে উল্লেখযোগ্য যে ভাৰতীয় কৃষি গৱেষণা পৰিষদ (উত্তৰ-পূৰ্বাঞ্চল)ৰ অধ্যক্ষ কে এম বুজৰবৰুৱাই উল্লেখ কৰা মতে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায় ২০ লাখ হেক্টৰ ভূমিক জৈৱিক কৃষিভূমিলৈ ৰূপান্তৰ কৰিব পৰা সামৰ্থ্য আছে।

অৱশ্যে বাস্তৱিক ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলে ইয়াৰ সম্পদ আৰু সুযোগৰ সঠিক ব্যৱহাৰ কৰিবলৈ এতিয়াও বহুদূৰ বাকী। চিকিমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ আঠখন ৰাজ্য মিলি জৈৱিক স্বীকৃতিৰ প্ৰক্ৰিয়াত থকা কৃষিভূমিৰ পৰিমাণ দেশখনৰ মুঠ জৈৱিক কৃষিভূমিৰ মাত্ৰ ৩.৩ শতাংশহে। ২০১০ চনলৈ জৈৱিক কৃষিভূমি হিচাপে স্বীকৃতি লাভ কৰাৰ প্ৰক্ৰিয়াৰ অন্তৰ্গত ভূমিৰ পৰিমাণ মাত্ৰ ০.৫৮ লাখ হেক্টৰ।

তাৎপৰ্যপূৰ্ণ যে দূৰদৰ্শী চিকিমে ৰাজ্যখনক জৈৱিক ৰাজ্যৰূপে গঢ়ি তোলাৰ বাবে ২০০৩ বৰ্ষতে সিদ্ধান্ত লৈছিল। জৈৱিক কৃষি ৰাজ্য হিচাপে চিকিমক গঢ়ি তোলাৰ বাবে চিকিম চৰকাৰে বিধানসভাত উত্থাপন কৰা বিধেয়কৰ উদ্দেশ্য অনুযায়ী ইতিমধ্যে ৰাজ্যখনৰ অন্তৰ্গত কৃষিভূমিৰ প্ৰায় ৪০ শতাংশ ভূমি জৈৱিক কৰি তোলা হৈছে। ২০১৫ চনৰ ভিতৰত ৫০ হাজাৰ হেক্টৰ ভূমি জৈৱিক কৃষিৰ উপযোগী কৰি ৰাজ্যখনক এশ শতাংশই জৈৱিক কৰি তোলাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। এই পৰিকল্পনাৰ আধাৰত সৃষ্টি কৰা ব্যৱসায়ত আগৰ কৃষকচামকে ধৰি শিক্ষিত নিবনুৱাসকলেও স্ব-নিয়োজনৰ পথ বিচাৰি পাইছে। ‘চিকিম ব্ৰেণ্ড অব অৰ্গেনিক কম'ডিটিজ’ সম্প্ৰতি জৈৱিক পণ্য দ্ৰব্যৰ ৰাষ্ট্ৰ-আন্তঃৰাষ্ট্ৰীয় বজাৰৰ নিৰ্ভৰযোগ্য আৰু চিনাকি নাম হৈ পৰিছে। চিকিমৰ পিছতে মিজোৰামো একে পথত অগ্ৰসৰ হৈছে। মিজোৰামৰ স্বীকৃতিপ্ৰাপ্ত জৈৱিক কৃষিভূমিৰ পৰিমাণ বৰ্তমান ০.২৮ লাখ হেক্টৰ। উল্লেখযোগ্য যে ৰাজ্যখনৰ কৃষিভূমিৰ অৰ্ধশতাংশই স্বীকৃতিপ্ৰাপ্ত জৈৱিক কৃষিভূমি। উত্তৰ-পূৰ্বাঞ্চলৰ জৈৱিক কৃষিভূমি আৰু তাৰ লগত জড়িত কৃষকৰ এটা আভাস তালিকা-১ত দিয়া হৈছে।

উত্তৰ-পূৰ্বাঞ্চলত জৈৱিক কৃষিৰ অভিযান আগবঢ়াই নিবৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় উদ্যানশস্য অভিযান, উত্তৰ-পূৰ্বাঞ্চল প্ৰযুক্তি অভিযান আৰু ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ অধীনত পুঁজি মোকলাই দিছে। জৈৱিক কৃষিৰ ৰাষ্ট্ৰীয় প্ৰকল্পতো উত্তৰ-পূৰ্বাঞ্চলে বিশেষ গুৰুত্ব লাভ কৰিছে। ২০১২ বৰ্ষৰ ১৩ মাৰ্চত চেচইমব্ৰ্ অব কম্‌ৰ্ছ-এ কৃষি আৰু গ্ৰামোন্নয়নৰ ৰাষ্ট্ৰীয় বেংক (নাবাৰ্ড)ৰ সহযোগত আয়োজন কৰা বৈঠকত উত্তৰ-পূৰ্বাঞ্চলত জৈৱিক কৃষিৰ আন্তঃগাঁথনি নিৰ্মাণৰ ক্ষেত্ৰত আগবঢ়োৱা পৰামৰ্শসমূহ আছিল এনেধৰণৰ ঃ

★ উত্তৰ-পূৰ্বাঞ্চলৰ জৈৱিক নীতি নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰক পৰামৰ্শ দিবলৈ ৰাজ্যিক পৰ্যায়ৰ সমিতি গঠন কৰা।

★ উত্তৰ-পূৰ্বাঞ্চলৰ নিবনুৱা অথচ উদ্যোগী যুৱচামক লৈ বিভিন্ন দিশ সামৰি জৈৱিক কৃষি উপযোগী বৈঠক অনুষ্ঠিত কৰা।

★ স্থানীয় বজাৰৰ উৎপাদিত সামগ্ৰীৰ ক্ষেত্ৰত জৈৱিক মান্যতা প্ৰদানৰ বাবে উচিত ব্যৱস্থা লোৱা।

জৈৱিক কৃষিৰ সন্দৰ্ভত গৱেষণা-মূলক তথ্য লাভ কৰাৰ উদ্দেশ্যে অসম চৰকাৰৰ কৃষি বিভাগে ৰাষ্ট্ৰীয় উদ্যানশস্য অভিযান আৰু ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ অধীনত অসমৰ শালি ধানৰ খেতিপথাৰত ৭৮৫টা প্ৰদৰ্শনীমূলক কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ লৈছে। তদুপৰি গোলাঘাট জিলাৰ ১০০ হেক্টৰ কৃষিভূমিক জৈৱিক স্বীকৃতি দিয়াৰ বাবেও চৰকাৰে ব্যৱস্থা হাতত লৈছে। ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ অধীনত ২০১২-১৩

তালিকা - ১ ঃ **উত্তৰ-পূৰ্বাঞ্চলৰ জৈৱিক স্বীকৃতি প্ৰাপ্তিৰ প্ৰক্ৰিয়াত থকা মুঠ কৃষিভূমি আৰু কৃষকৰ সংখ্যা**

| ক্ৰমিক নং | ৰাজ্য | মুঠ কৃষিভূমি (হেক্টৰ) | | | কৃষকৰ মুঠ সংখ্যা | | |
|---|---|---|---|---|---|---|---|
| | | জৈৱিক | অৱস্থান্তৰমুখী | মুঠ | জৈৱিক | অৱস্থান্তৰমুখী | মুঠ |
| ১ | অসম | ১৫৯৮.১৮ | ৩৫১০.৭৪ | ৫১০৮.৯২ | ৪৭৯ | ২৭৬৮ | ৩২৪৭ |
| ২ | অৰুণাচল প্ৰদেশ | ৫২৩.১৭ | ১৩৭৪.৩৩ | ১৮৯৭.৫০ | ১১৬ | ৫৯০ | ৭০৬ |
| ৩ | নাগালেণ্ড | ৩০৯১.৩০ | ৬৫৫৪.৩৯ | ৯৬৪৫.৬৯ | ৩৪৫৯ | ১৫৬৩৯ | ১৯০৯৮ |
| ৪ | মণিপুৰ | ১২৪৭.১৬ | ১৯২৪.১৫ | ৩১৭১.৩১ | ২০৬৬ | ২৯০১ | ৪৯৬৭ |
| ৫ | মিজোৰাম | ১৮০০২.২৭ | ৯৮৫৭.৫৫ | ২৭৮৫৯.৮২ | ১৪১৭৭ | ১৩৮৭৮ | ২৮০৫৫ |
| ৬ | মেঘালয় | ১৩৬৬.০১ | ১৬৭৭.১০ | ৩০৪৩.১১ | ৮২৩ | ২৬৮৫ | ৩৫০৮ |
| ৭ | ত্ৰিপুৰা | ২০৩.৫৬ | ৭৭.৫০ | ২৮১.০৬ | ১ | ২৯৫ | ২৯৬ |
| ৮ | চিকিম | ২৮৭২.৭৩ | ৪৫২১.৪৯ | ৭৩৯৪.২২ | ৩১৩০ | ৪৬৯৭ | ৭৮২৭ |
| উত্তৰ-পূৰ্বাঞ্চলত মুঠ | | ২৮৯০৪.৩৮ | ২৯৪৯৭.২৫ | ৫৮৪০১.৬৩ | ২৪২৫১ | ৪৩৪৫৩ | ৬৭৭০৪ |
| ভাৰতবৰ্ষত মুঠ | | ৭৫৭৯৭৮.৭১ | ৩২৭৬৬৯.৭৪৯ | ১০৮৫৬৪৮.৪৫৯ | ৩৫১২৯৭ | ২৪৬৫৭৬ | ৫৯৭৮৭৩ |

**উৎস ঃ** জৈৱিক কৃষিৰ ৰাষ্ট্ৰীয় প্ৰকল্প, কৃষি আৰু সহযোগিতা বিভাগ, ভাৰত চৰকাৰ (২০০৯-১০)

বৰ্ষত অসমৰ ৩০টা সমষ্টিৰ ৬৩০০ হেক্টৰ ভূমি জৈৱিক কৃষিৰ বাবে উপযোগী বুলি চিনাক্ত কৰা হৈছে। তদুপৰি জৈৱিক ক্ষেত্ৰৰ পৰিচালন আৰু নিৰীক্ষণৰ বাবে তথা কৃষকক প্ৰযুক্তিগত দিশ বুজাই দিয়া, তথ্য নথিভুক্ত কৰা আদিৰ বাবে ৩৪ জন প্ৰশিক্ষিত সেৱা যোগানকৰ্তা নিয়োগ কৰা হৈছে। ৩০ খন কৃষি পামক জৈৱিক স্বীকৃতি দিয়াৰ বাবে দুটাকৈ সংস্থা চাৰ্ট এছিয়া প্ৰাইভেট লিমিটেড (জয়পুৰ) আৰু এছ জি এছ ইণ্ডিয়া প্ৰাইভেট লিমিটেড (গুড়গাঁও)ক দায়িত্ব দিয়া হৈছে। জৈৱিক কৃষিজাত উৎপাদিত সামগ্ৰীৰ বজাৰক উৎসাহ যোগোৱাৰ বাবে গুৱাহাটীৰ পাঞ্জাবাৰীত এখন জৈৱিক পণ্য দ্ৰব্যৰ বজাৰ স্থাপন কৰা হৈছে।

জৈৱিক উৰ্বৰ কৃষিভূমি আৰু জলসম্পদেৰে সমৃদ্ধ অসম তথা উত্তৰ-পূৰ্বাঞ্চলত জৈৱিক কৃষিৰ সম্ভাৱনা আশাপ্ৰদ। তদুপৰি জৈৱ-বৈচিত্ৰ্যৰ সমাহাৰ ঘটা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰাকৃতিক সৌন্দৰ্য অটুট ৰখাৰ ক্ষেত্ৰতো এই পদ্ধতি ফলপ্ৰসূ হ'ব। ২০১২ বৰ্ষৰ ১৫ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰপতি ভৱনৰ দ্বাৰা অসমত আয়োজিত এখন কৰ্মশালাত অসমৰ ৰাজ্যপালগৰাকীয়ে জৈৱ-কৃষিৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চল দেশখনৰ প্ৰাণকেন্দ্ৰ হোৱাৰ পূৰামাত্ৰাই সম্ভাৱনা আছে বুলি নিজৰ ভাষণত প্ৰকাশ কৰিছিল। যথাৰ্থ চৰকাৰী নীতি আৰু উদ্যোগ, জনসজাগতা আৰু উপযুক্ত বজাৰে এই সম্ভাৱনাক সফল ৰূপ দিব বুলি আশা কৰিব পাৰি। ❐


## 'পয়োভৰা'ৰ গ্ৰাহক হোৱা নিয়মাৱলী

▯ ▯ গ্ৰাহক বছৰৰ যিকোনো সময়তে হ'ব পাৰি। ▯ গ্ৰাহক মূল্য এবছৰৰ ১০০.০০ টকা, দুবছৰৰ ১৮০.০০ টকা আৰু তিনি বছৰৰ বাবে ২৫০.০০ টকা। ▯ গ্ৰন্থাগাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ১০ শতাংশ ৰেহাই দিয়া হয় (তাৰ বাবে উপযুক্ত প্ৰমাণ-পত্ৰৰ প্ৰয়োজন)। ▯ গ্ৰাহক মূল্য ব্যক্তিগতভাৱে 'পয়োভৰা'ৰ গুৱাহাটী কাৰ্য্যালয়লৈ আহি, প্ৰতিনিধি পঠাই বা মণি-অৰ্ডাৰযোগে জমা দিব পাৰি। ▯ মণি-অৰ্ডাৰ পঠোৱা ঠিকনা ঃ সম্পাদক, পয়োভৰা, প্ৰকাশন বিভাগ, তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়, কে কে বি পথ, নিউ কলনি, গৃহ নং-৭, চেনিকুঠী, গুৱাহাটী-৭৮১০০৩। ▯ আলোচনীখন সাধাৰণ ডাকত পঠোৱা হয়।

# অসমৰ দেউৰী জনগোষ্ঠীৰ জনগাঁথনি ঃ এটি অৱলোকন

সূৰ্য চুতীয়া*

বৈচিত্ৰ্যতাৰ মাজত একতাই হৈছে অসমৰ সংস্কৃতিৰ মূল বৈশিষ্ট্য। এই বৈচিত্ৰ্য অসমৰ বিভিন্ন জনগোষ্ঠী-সমূহৰ সমাজ জীৱন, ঘৰুৱা জীৱন, সাজপাৰ, খাদ্যাভ্যাস, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান, পূজা-পাতল, বিবাহ, ভাষা আদি দিশত পৰিলক্ষিত হয়। অষ্ট্ৰিক, মংগোলীয়, আৰ্য, দ্ৰাবিড় আদি জনগোষ্ঠীৰ প্ৰজাতীয় উপাদানেৰে অসমীয়া জাতি-সংস্কৃতি গঠন হৈছে যদিও অসমত বসবাস কৰি থকা বিভিন্ন জনগোষ্ঠীয়সমূহৰ মাজত সুকীয়া সুকীয়া বৈশিষ্ট্য দেখিবলৈ পোৱা যায়।

অসমত বাস কৰা জনগোষ্ঠীসমূহৰ সামাজিক, সাংস্কৃতিক দিশৰ লগতে জন-গাঁথনিৰ বিভিন্ন সূচকসমূহৰ ক্ষেত্ৰতো পাৰ্থক্য পৰিলক্ষিত হয়। ৰাজ্যখনত মুঠ ২৩টা স্বীকৃতিপ্ৰাপ্ত অনুসূচিত জনজাতি বা জনগোষ্ঠী আছে। ইয়াৰ ৯টা অনুসূচিত জনগোষ্ঠী ভৈয়াম অঞ্চলত আৰু বাকী ১৪টা ৰাজ্যখনৰ দুখন পাহাৰীয়া জিলা— কাৰ্বি আংলং আৰু উত্তৰ কাছাৰত আছে। ২০০১ চনৰ লোকপিয়লৰ মতে, ৰাজ্যখনৰ মুঠ জনসংখ্যা ২,৬৬,৫৫,৫২৮ জন আছে। ইয়াৰে ৩৩,০৮,৫৭০ জন অনুসূচিত জনজাতি লোক। এই তথ্য অনুসৰি ৰাজ্যখনৰ মুঠ জনসংখ্যাৰ ১২.৪২ শতাংশ জনজাতি লোক।

জনগোষ্ঠীসমূহৰ বিষয়ে পুংখানুপুংখভাৱে জানিবলৈ হ'লে প্ৰতিটো জনগোষ্ঠীৰেই সামাজিক-সাংস্কৃতিক দিশবিলাক অধ্যয়ন কৰাৰ উপৰিও জনগাঁথনিৰ দিশসমূহৰ বিষয়ে অধ্যয়ন কৰাৰ প্ৰয়োজন আছে।

**০.১ দেউৰী জনগোষ্ঠী ঃ**

অসমত বসবাস কৰা জনগোষ্ঠী-সমূহৰ ভিতৰত দেউৰী জনগোষ্ঠীও অন্যতম। নৃতাত্ত্বিক বিচাৰত দেউৰীসকল মংগোলীয় গোষ্ঠীৰ আৰু ভাষাতাত্ত্বিক বিচাৰত চীন-তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বতবৰ্মী শাখাৰ অন্তৰ্গত। দেউৰী-সকলৰ মাজত বৰ্তমান তিনিটা ফৈদ পোৱা যায়। এইকেইটা হৈছে— দিবঙীয়া, টেঙাপনীয়া, বৰগঞা। ইতিহাস ঢুকি নোপোৱা কালতেই এই জনগোষ্ঠীৰ লোকসকল অসমৰ ভৈয়াম অঞ্চললৈ আহে আৰু ব্ৰহ্মপুত্ৰ নদৰ পাৰতে বসতি স্থাপন কৰি নিজা ভাষা-সংস্কৃতিৰ পাতনি মেলিছিল। দেউৰী-সকল শদিয়াত বসবাস কৰি থকাৰ সময়ৰ পৰাই তেওঁলোকৰ বিষয়ে দুই-এজন ইংৰাজ লেখকৰ লেখনিত কিছু তথ্য পোৱা যায়। এচাম লেখকৰ মতে, শদিয়াত ১১৯৮-১৫২৪ খ্ৰীষ্টাব্দলৈ কুণ্ডিল ৰাজ্যত ৰাজশাসন চলোৱা চুতীয়াসকলৰ পুৰোহিত শ্ৰেণীটোক 'দেউৰী' বুলি কোৱা হৈছিল।

এই প্ৰবন্ধটোত অসমৰ দেউৰী জনগোষ্ঠীৰ জনগাঁথনিৰ দিশসমূহৰ বিষয়ে এটি আলোকপাত কৰিবলৈ চেষ্টা কৰা হৈছে। জনগোষ্ঠীটোৰ জনগাঁথনিৰ দিশসমূহৰ অধ্যয়নৰ বাবে প্ৰতিদৰ্শ হিচাপে বাছি লোৱা জিলা তিনিখন (লখিমপুৰ, ধেমাজি আৰু যোৰহাট)ৰ মুঠ ২১ খন দেউৰী গাঁৱত ২০১০ চনত ক্ষেত্ৰ অধ্যয়ন কৰা হৈছিল। গাঁওসমূহত জনগোষ্ঠীটোৰ জনগাঁথনিৰ বিভিন্ন দিশ সামৰি প্ৰস্তুত কৰা এখন প্ৰশ্ন তালিকাৰ সহায়ত প্ৰত্যক্ষ সাক্ষাৎকাৰ পদ্ধতিৰে মুঠ ১০৭৭ ঘৰ দেউৰী লোকৰ পৰা সংগ্ৰহ কৰা তথ্যৰ ওপৰত ভিত্তি কৰি মূলত প্ৰবন্ধটো প্ৰস্তুত কৰা হৈছে। ইয়াৰ উপৰিও লোকপিয়লৰ তথ্যৰো সহায় লোৱা হৈছে।

**অসমৰ দেউৰী লোকৰ জনসংখ্যা ঃ**

২০০১ চনৰ লোকপিয়লৰ মতে, অসমৰ মুঠ দেউৰী লোকৰ জনসংখ্যা ৪১,১৬১ জন। ইয়াৰে ২০,৮০৯ জন পুৰুষ আৰু ২০৩৫২ গৰাকী মহিলা। জনগোষ্ঠীটোৰ লোকসকল অসমৰ মুঠ ১৯ খন জিলাত সিঁচৰতি হৈ আছে। তালিকা-১ত জিলাভিত্তিক দেউৰী জনগোষ্ঠীৰ লোকৰ তথ্য দাঙি ধৰা হ'ল।

তালিকা-১ত স্পষ্ট হৈছে যে, বৰ্তমান অসমৰ মুঠ ১৯খন জিলাত দেউৰী লোক বসবাস কৰে যদিও লখিমপুৰ, ধেমাজি, যোৰহাট, তিনিচুকীয়া আদি জিলাতহে জনগোষ্ঠীটোৰ লোকসকল বেছিকৈ কেন্দ্ৰীভূত হৈ আছে।

*সূৰ্য চুতীয়া তিনিচুকীয়া মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক

তালিকা নং-১

**অসমৰ জিলাভিত্তিক দেউৰী জনগোষ্ঠীৰ লোক - ২০০১ লোকপিয়ল**

| জিলা | পুৰুষ | মহিলা | মুঠ |
|---|---|---|---|
| কোকৰাঝাৰ | ৩ | ৩ | ৬ |
| ধুবুৰী | ১০ | ১০ | ২০ |
| গোৱালপাৰা | ৩ | ১ | ৪ |
| বঙাইগাঁও | ৩৪ | ৩০ | ৬৪ |
| বৰপেটা | ৩২ | ৩৯ | ৭১ |
| কামৰূপ | ৪৪৮ | ৩৭৮ | ৮২৬ |
| নলবাৰী | ২৫ | ৩৩ | ৫৮ |
| দৰং | ১৫ | ১৩ | ২৮ |
| মৰিগাঁও | ২২৪ | ২৩০ | ৪৫৪ |
| নগাঁও | ২৬২ | ২৭৩ | ৫৩৫ |
| শোণিতপুৰ | ৪১৬ | ৪১০ | ৮২৬ |
| লখিমপুৰ | ৬৮২২ | ৬৭১২ | ১৩,৫৩৪ |
| ধেমাজি | ৪০১৮ | ৩৯০৬ | ৭৯২৪ |
| তিনিচুকীয়া | ৩৪৯৬ | ৩৩৬৫ | ৬৮৬১ |
| ডিব্ৰুগড় | ৯২৫ | ৮৯০ | ১৮১৫ |
| শিৱসাগৰ | ১৯২৬ | ১৯৩৪ | ৩৮৬০ |
| যোৰহাট | ২০৯৯ | ২০৮০ | ৪১৭৯ |
| গোলাঘাট | ৩৮ | ৩৯ | ৭৭ |
| কাছাৰ | ১৩ | ৬ | ১৯ |
| মুঠ | ২০,৮০৯ | ২০,৩৫২ | ৪১,১৬১ |

**উৎস ঃ** লোকপিয়লৰ প্ৰতিবেদন, ২০০১, অংশ ১৯, লোকপিয়ল সঞ্চালকালয়, গুৱাহাটী, অসম

**১.২ শিক্ষা ঃ**

শিক্ষা হৈছে এক সামাজিক ব্যৱস্থা, যাৰ জৰিয়তে মানুহৰ বৌদ্ধিক আৰু মানসিক উৎকৰ্ষ সাধন হয়। এটা জনগোষ্ঠীৰ সামগ্ৰিক উন্নয়ন জনগোষ্ঠীটোৰ শিক্ষিত লোকৰ সংখ্যাৰ ওপৰত বহুখিনি নিৰ্ভৰ কৰে। আমাৰ দেশৰ প্ৰতি দহ বছৰৰ মূৰে মূৰে হৈ থকা লোকপিয়লত সাক্ষৰ আৰু নিৰক্ষৰ অনুপাত বিচাৰ কৰা হয়। ২০০১ চনৰ লোকপিয়লৰ মতে অসমৰ দেউৰী জনগোষ্ঠীৰ সাক্ষৰতাৰ হাৰ আছিল ৭৬.২ শতাংশ। পুৰুষ আৰু মহিলা সাক্ষৰতাৰ হাৰ আছিল ক্ৰমে ৮৪.৮ শতাংশ আৰু ৬৭.৫ শতাংশ। তুলনামূলকভাৱে অসমৰ মুঠ জনসংখ্যাৰ সাক্ষৰতাৰ হাৰ (৬৩.৩ শতাংশ)তকৈ দেউৰী জনগোষ্ঠীৰ সাক্ষৰতাৰ হাৰ বেছি হৈছে যদিও জনগোষ্ঠীটোৰ উচ্চ শিক্ষিত লোকৰ সংখ্যা অতি সীমিত।

ক্ষেত্ৰ অধ্যয়ন কৰি পোৱা তথ্যত শিক্ষাৰ ক্ষেত্ৰত অসমৰ সামগ্ৰিক হাৰ দেউৰী জনগোষ্ঠীৰ লগত বিশেষ পাৰ্থক্য পৰিলক্ষিত নহ'ল। তথাপিও লখিমপুৰ জিলাৰ দেউৰী লোকৰ পুৰুষ-মহিলা উভয়ৰে সাক্ষৰতাৰ হাৰ তুলনামূলকভাৱে আন দুখন জিলাতকৈ অধিক পোৱা গৈছে। তথ্য অনুসৰি লখিমপুৰ জিলাত দেউৰী লোকৰ সাক্ষৰতাৰ হাৰ ৭৯.৮ শতাংশ। পুৰুষ হাৰ হ'ল ৮৮.৪ শতাংশ আৰু মহিলাৰ হাৰ ৭২ শতাংশ। একেদৰে যোৰহাট জিলাত সাক্ষৰতাৰ হাৰ ৭৪ শতাংশ পোৱা গৈছে। ৮৩.৫ শতাংশ পুৰুষ আৰু ৬৫.২ শতাংশ মহিলা। আনহাতে, ধেমাজি জিলাত দেউৰী লোকৰ সাক্ষৰতাৰ হাৰ ৭২ শতাংশ। ইয়াৰে ৮২.৩ শতাংশ পুৰুষ আৰু ৬৩ শতাংশ মহিলা। লখিমপুৰ জিলাত তুলনামূলক-ভাৱে সাক্ষৰতাৰ হাৰ বেছি হোৱাৰ মুখ্য কাৰণ হিচাপে ক'ব পাৰি যে, জিলাখনৰ দেউৰী লোকসকল প্ৰধানকৈ নাৰায়ণপুৰ আৰু বিহপুৰীয়া টাউনৰ আশে-পাশে বাস কৰে। সেইবাবে তেওঁলোকৰ গাঁওসমূহত নগৰীয়া পৰিৱেশৰ প্ৰভাৱ পৰিছে আৰু শিক্ষাৰ সা-সুবিধাও বৃদ্ধি পাইছে। আনহাতে, ধেমাজি জিলাত দেউৰী লোকৰ গাঁওসমূহ অতি ভিতৰুৱা বানপীড়িত অঞ্চলত অৱস্থিত আৰু যোৰহাট জিলাৰ অধিকাংশ দেউৰী লোক মাজুলী মহকুমাৰ ভিতৰুৱা অঞ্চলত থকাৰ কাৰণে শৈক্ষিক বাতাবৰণ নগৰাঞ্চলসমূহৰ দৰে এতিয়াও সুচল হোৱা নাই।

দেউৰী লোকসকলৰ মাজত উচ্চ শিক্ষা গ্ৰহণ কৰা লোকৰ অনুপাত অতি কম। ইয়াৰ প্ৰধান কাৰণ হ'ল দেউৰী বসতিপ্ৰধান অঞ্চলত উচ্চ শিক্ষানুষ্ঠানৰ সংখ্যা পৰ্যাপ্ত নহয়। আৰ্থিকভাৱে স্বচ্ছল

নোহোৱাৰ বাবে তেওঁলোকৰ বহুলোকে বাহিৰলৈ গৈ উচ্চ শিক্ষা লাভ কৰিবলৈ অসমৰ্থ। তদুপৰি, বানপানী আক্ৰান্ত অঞ্চলত বাস কৰা দেউৰী গাঁওসমূহত বাৰিষা কালত বানপানীৰ বাবে প্ৰায়ে এল প্ৰাথমিক, মাধ্যমিক আৰু হাইস্কুলসমূহ বন্ধ হৈ থাকে। ইয়াৰ ফলত তেওঁলোকৰ মাজত আধাতেই শিক্ষা সামৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তুলনামূলকভাৱে অধিক হোৱা দেখা যায়। ইয়ে জনগোষ্ঠীটোৰ সাক্ষৰতাৰ হাৰৰ ওপৰতো প্ৰভাৱ পেলাইছে বুলি ক'ব পাৰি। বৰ্তমান সৰ্বশিক্ষাৰ দৰে কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহে সকলোৰে বাবে প্ৰাথমিক শিক্ষা সুচল কৰা প্ৰচেষ্টা দেউৰী বসতিপ্ৰধান অঞ্চলসমূহতো চলাইছে যদিও আশা কৰা মতে কযতকাৰ্যতা লাভ কৰিব পৰা নাই। শিক্ষা সম্প্ৰসাৰণৰ ক্ষেত্ৰত তেওঁলোকৰ সমাজত অধিক কৰণীয় আছে।

### ১.৩ জীৱিকা ঃ

দেউৰী লোকসকল প্ৰধানকৈ কৃষিজীৱি। তেওঁলোকে মাটি চহাবৰ বাবে গৰু-ম'হেৰে হাল বায় আৰু কোৰ ব্যৱহাৰ কৰে। বৰ্তমান আধুনিক প্ৰযুক্তিবিদ্যাৰ ফলত তেওঁলোকে ট্ৰেক্টৰ, কোবুৰ্টাৰো ব্যৱহাৰ কৰা দেখা যায়। অসমৰ ভৈয়াম অঞ্চলত বসবাস কৰা দেউৰী লোকসকলৰ প্ৰধান খেতি হৈছে ধান খেতি। মাঘ, ফাগুন মাহত শুকান মাটি চহ কৰি আহু খেতিৰ বীজ সিঁচে। এই খেতি জেঠ-আহাৰ মাহত চপায়। আনহাতে শালি খেতিৰে ৰোৱা কাম আহাৰ মাহৰ পৰা ভাদ মাহলৈকে চলি থাকে। এই শস্য আঘোণ মাহৰ পৰা পুহ মাহৰ মাজভাগলৈকে চপায়। তদুপৰি তেওঁলোকে ৰবিশস্য যেনে— আলু, সৰিয়হ, শাক-পাচলি পৰ্যাপ্ত পৰিমাণে উৎপাদন কৰে।

দেউৰী লোকসকলে ব্যক্তিগত আৰু সমূহীয়াভাৱে নদী অথবা বিলৰ পৰা মাছ ধৰে। মাছ ধৰিবলৈ তেওঁলোকে জাল, পল, চেপা, জাকৈ চালনি আদি সঁজুলি ব্যৱহাৰ কৰে। তদুপৰি খাল-বিলৰ পানী কম থাকিলে সমূহীয়াভাৱে পানী সিঁচি মাছ ধৰে। আনহাতে মাংসৰ বাবে জন্তুও তেওঁলোকে পোহ-পাল কৰে। বৰ্তমান দেউৰী জনগোষ্ঠী লোকৰ মাজত শিক্ষা-দীক্ষাৰ প্ৰসাৰ হোৱাত পৰম্পৰাগত জীৱিকাৰ পথ সলনি হৈছে। আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত হোৱা লোকসকলে চাকৰি কৰাৰ লগতে অন্যান্য ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰতো আগবাঢ়ি যোৱা পৰিলক্ষিত হৈছে।

ক্ষেত্ৰ অধ্যয়নত পোৱা তথ্য অনুসৰি বিভিন্ন বৃত্তিত নিয়োজিত হৈ থকা দেউৰী সমাজৰ নিয়োগসক্ষম (১৫ বছৰ বয়সৰ পৰা ৫৯ বছৰ বয়সলৈ) লোকৰ শতাংশ হাৰ তালিকা-২ত উল্লেখ কৰা হ'ল।

অৰ্থনৈতিক উন্নয়নৰ লগে লগে এটা জনগোষ্ঠীৰ বৃত্তিগত গাঁথনিতো পৰিৱৰ্তন আহে। দেউৰী জনগোষ্ঠীৰ লোকসকলেও পৰিৱৰ্তিত সময়ত কৃষিখণ্ডৰ পৰা উদ্যোগ খণ্ড আৰু সেৱা খণ্ডত নিয়োজিত হোৱা পৰিলক্ষিত হৈছে যদিও এই হাৰ অতি নিম্ন হৈ আছে। জনগোষ্ঠীৰ কিছুমান সামাজিক ৰীতি-নীতি আৰু পৰম্পৰাই শ্ৰমিকৰ এই গতিশীলতাত বাধা প্ৰদান কৰিছে বুলি ক'ব পাৰি। অৱশ্যে, নতুন প্ৰজন্মৰ মাজত তেওঁলোকৰ পৰম্পৰাগত জীৱিকাৰ পথা সলনি কৰা এক মানসিকতা গঢ় লৈ উঠাটো জনগোষ্ঠীটোৰ উন্নয়নৰ বাবে শুভ লক্ষণ বুলি ক'ব পাৰি।

### ১.৪ পৰিয়ালৰ আয়ৰ স্তৰ ঃ

এটা পৰিয়ালৰ আয়ৰ স্তৰে পৰিয়ালটোৰ অৰ্থনৈতিক অৱস্থা নিৰূপণ কৰাৰ উপৰিও জনগাঁথনি সম্পৰ্কীয় আন সূচকসমূহ যেনে— জন্ম হাৰ, মৃত্যু হাৰ, অনাময় আচৰণ, স্বাস্থ্য-চিকিৎসা আদিতো প্ৰভাৱ পেলায়। গ্ৰামাঞ্চলত বসবাস কৰা দেউৰী লোকসকলৰ পৰিয়ালৰ বছৰেকীয়া আয় আৰু ব্যয়

তালিকা নং-২

**বিভিন্ন বৃত্তিত নিয়োজিত দেউৰী লোকৰ শতাংশ হাৰ**

| ক্ৰমিক নং | বৃত্তি | পুৰুষ (শতাংশ) | মহিলা (শতাংশ) |
|---|---|---|---|
| ১ | চৰকাৰী চাকৰি | ৪.৬০ | ১.৭৫ |
| ২ | ব্যক্তিগত খণ্ডৰ চাকৰি | ১.১০ | ০.২৫ |
| ৩ | ব্যৱসায় | ২০.৭০ | ০.৮৮ |
| ৪ | খেতিয়ক | ৫৭.৩০ | ৩২.৫০ |
| ৫ | মাছমৰীয়া | ৩.০০ | নাই |
| ৬ | বহু বৃত্তিত জড়িত লোক | ৬.১০ | ২.৫০ |
| ৭ | নিবনুৱা | ৭.২০ | ৬২.২২ |
| মুঠ | | ১০০ | ১০০ |

**উৎস ঃ** ক্ষেত্ৰ অধ্যয়ন, ২০১০

সঠিকভাৱে নিৰূপণ কৰাটো অতি জটিল। কাৰণ নিৰক্ষৰ গাঁৱলীয়া লোকে আয়-ব্যয়ৰ খৰচ সাধাৰণতে নাৰাখে। তথাপিতো ক্ষেত্ৰ অধ্যয়নৰ সময়ত পৰিয়ালসমূহত বছৰেকীয়া আয়ৰ খতিয়ান জানিব বিচৰা হৈছিল। এটা পৰিয়ালৰ বছৰেকীয়া গড় আয়ৰ হিচাপ পৰিয়ালটোৰ সকলো সদস্যই মুখ্য উৎস আৰু গৌণ উৎসৰ পৰা আহৰণ কৰা আয়ক সামৰি লোৱা হৈছে। বিভিন্ন স্তৰৰ আয়ৰ পৰিয়ালৰ সংখ্যাসমূহ তলৰ তালিকাত উল্লেখ কৰা হ'ল—

৩৬.০৯ শতাংশ (২০০১)। অসমৰ দেউৰী জনগোষ্ঠী লোকৰ মাজত দৰিদ্ৰ লোকৰ সংখ্যা ৰাজ্যখনৰ গড় হাৰতকৈ বেছি। তুলনামূলকভাৱে অসমৰ আন কিছুমান জনগোষ্ঠীতকৈ দেউৰী জনগোষ্ঠী লোকৰ আৰ্থিক অৱস্থা অনুন্নত। ইয়াৰ কাৰণ হিচাপে উল্লেখ কৰিব পাৰি যে অতীততে প্ৰকৃতিৰ মুক্ত পৰিৱেশত পৰম্পৰাগত পদ্ধতিৰে কৰা কৃষি কৰ্মৰ ওপৰত নিৰ্ভৰ কৰি জীৱন নিৰ্বাহ কৰা জনগোষ্ঠীটোৰ লোকসকলে বৰ্তমানেও উৎপাদনৰ ক্ষেত্ৰত সম্পূৰ্ণ-

তালিকা নং-৩

**বছৰেকীয়া আয়ৰ ভিত্তিত ক্ষেত্ৰ অধ্যয়নৰ পৰিয়ালসমূহ**

| **আয়ৰ স্তৰ** (টকা হিচাপত) | **পৰিয়ালৰ সংখ্যা** | **শতাংশ** |
|---|---|---|
| ১০,০০০ টকালৈ | ৬৮ | ৬৩ |
| ১০,০০১ - ২০,০০০ টকালৈ | ২১৪ | ২০.০ |
| ২০,০০১ -৩০,০০০ টকালৈ | ৩০৩ | ২৮.১ |
| ৩০,০০১ - ৪০,০০০ টকালৈ | ১২৭ | ১১.৮ |
| ৪০,০০১ - ৫০,০০০ টকালৈ | ১২০ | ১১.১ |
| ৫০,০০১ টকাৰ ওপৰত | ২৪৫ | ২২.৭ |
| মুঠ | ১০৭৭ | ১০০ |

**উৎস ঃ** ক্ষেত্ৰ অধ্যয়ন, ২০১০

তালিকাত স্পষ্ট হৈছে যে, ২২.৭ শতাংশ পৰিয়ালৰ বছৰেকীয়া গড় আয় ৫০,০০০ টকাৰ ওপৰত। ২৮.১ শতাংশ পৰিয়ালৰ বছৰেকীয়া আয় ২০,০০১ টকাৰ পৰা ৩০,০০০ টকাৰ ভিতৰত। আনহাতে, ৬.৩ শতাংশ পৰিয়ালৰ বছৰেকীয়া গড় আয় ১০,০০০ টকাৰ ভিতৰতে আছে। ভাৰতৰ পৰিকল্পনা আয়োগে ধাৰ্য কৰা সংজ্ঞা অনুসৰি ৫১ শতাংশতকৈ বেছি পৰিয়াল দাৰিদ্ৰ্য সীমাৰেখাৰ তলত আছে। কিন্তু অসমৰ জনসংখ্যাৰ ক্ষেত্ৰত দৰিদ্ৰ সীমাৰেখাৰ তলত থকা পৰিয়ালৰ অনুপাত হৈছে

ভাৱে আধুনিক হৈ উঠিব পৰা নাই। তদুপৰি প্ৰায়বিলাক দেউৰী বসতিপূৰ্ণ অঞ্চলতেই প্ৰতিবছৰে হোৱা বানপানীৰ বাবে তেওঁলোকৰ আৰ্থিক অৱস্থা সবল হৈ উঠিব পৰা নাই। অৱশ্যে, তেওঁলোকৰ মাজতো সীমিত সংখ্যক আৰ্থিকভাৱে স্বচ্ছল লোক থকাটো অস্বীকাৰ কৰিব নোৱাৰি।

**১.৫ পৰিয়ালৰ প্ৰকাৰ ঃ**

প্ৰকাৰ অনুসৰি পৰিয়ালসমূহক দুটা ভাগত ভাগ কৰিব পাৰি। একক পৰিয়াল আৰু যৌথ পৰিয়াল। অতীততে প্ৰায় সকলো জনগোষ্ঠীয় সমাজতে যৌথ পৰিয়ালৰ সংখ্যা ক্ৰমাগতভাৱে কমি আহিছে। বৰ্তমান পৰিৱৰ্তিত পৰিস্থিতিত বিভিন্ন আৰ্থ-সামাজিক কাৰকৰ বাবে সকলো সমাজতে একক পৰিয়ালে প্ৰাধান্য লাভ কৰাৰ পৰিলক্ষিত হৈছে। জনসাংখ্যিকীয় দিশসমূহ বিশ্লেষণ কৰোঁতে পৰিয়ালৰ প্ৰকাৰৰ বিষয়ে অধ্যয়ন কৰাৰ গুৰুত্ব আছে কাৰণ পৰিয়ালৰ প্ৰকাৰ ভেদে জনগাঁথনিৰ বিভিন্ন দিশসমূহ বেলেগ বেলেগ হোৱা পৰিলক্ষিত হয়। একক পৰিয়ালৰ ক্ষেত্ৰ জন্ম হাৰ সাধাৰণতে যৌথ পৰিয়ালতকৈ কম হোৱা দেখা যায়। ক্ষেত্ৰত অধ্যয়নত পোৱা পৰিয়ালৰ প্ৰকাৰ সম্পৰ্কীয় তথা তালিকা-৪ত উল্লেখ কৰা হ'ল।

তালিকাত প্ৰতিফলিত হৈছে যে অসমৰ দেউৰী সমাজত বৰ্তমান একক পৰিয়ালে প্ৰাধান্য লাভ কৰিছে যদিও যৌথ পৰিয়ালৰ সংখ্যা এতিয়াও উল্লেখযোগ্য। তেওঁলোকৰ সমাজত

তালিকা নং-৪

**প্ৰকাৰ ভিত্তিত পৰিয়াল বিভাজন**

| **পৰিয়ালৰ প্ৰকাৰ** | **পৰিয়ালৰ সংখ্যা** | **শতাংশ** |
|---|---|---|
| যৌথ পৰিয়াল | ৪১২ | ৩৮.২৫ |
| একক পৰিয়াল | ৬৬৫ | ৬১.৭৫ |
| মুঠ | ১০৭৭ | ১০০ |

**উৎস ঃ** ক্ষেত্ৰ অধ্যয়ন, ২০১০

৩৮.২ শতাংশ যৌথ পৰিয়াল পোৱা গৈছে, যিটো অসমৰ আন জনগোষ্ঠী যেনে— বড়ো, মিচিং আদিতকৈ তুলনামূলকভাৱে বেছি। উল্লেখযোগ্য যে, ২০০৬ চনত কৰা এক অধ্যয়নত অসমৰ বড়ো সমাজত যৌথ পৰিয়ালৰ অনুপাত আছিল ১৯ শতাংশ।

**১.৬ পৰিয়ালৰ সদস্য সংখ্যা ঃ**

পৰিয়ালৰ সদস্য সংখ্যা মানে এটা পৰিয়ালত একেলগে বাস কৰা সদস্যসমূহকেই বুজা যায়। পৰিয়ালৰ সদস্য সংখ্যাৰ ওপৰতো পৰিয়ালটো আৰ্থ-সামাজিক আৰু জনগাঁথনি সম্পৰ্কীয় বহু দিশ নিৰ্ভৰ কৰে। সাধাৰণতে যৌথ পৰিয়াল ব্যৱস্থাত সদস্য সংখ্যা বেছি আৰু একক পৰিয়ালত সদস্য সংখ্যা কম হোৱা দেখা যায়। অতীততে পৰম্পৰাগত পদ্ধতিৰে কৰা কৃষি কৰ্ম আৰু আনুসংগিক কাম-কাজৰ জৰিয়তে মানুহে জীৱন নিৰ্বাহ কৰিছিল বাবে পৰিয়ালবিলাকৰ সদস্য সংখ্যাও অধিক আছিল। বৰ্তমান অন্য সমাজৰ লগতে দেউৰী সমাজতো পৰিয়ালৰ সদস্য সংখ্যা কমি অহা পৰিলক্ষিত হৈছে। তলৰ তালিকাত সদস্য সংখ্যাৰ ভিত্তিত ক্ষেত্ৰ অধ্যয়ন কৰা পৰিয়ালসমূহ ভাগ কৰি দেখুওৱা হ'ল—

৫নং তালিকাত দেখা গৈছে যে, ৬৯.০৮ শতাংশ দেউৰী জনগোষ্ঠীৰ লোকৰ পৰিয়ালৰ সদস্য সংখ্যা ৫ জনৰ পৰা ৯ জনৰ ভিতৰত। সদস্য সংখ্যাত অতি বেছি অৰ্থাৎ ১৫ জন বা তাতোতকৈ বেছি সদস্য থকা পৰিয়ালৰ সংখ্যা হৈছে ৪.৫৫ শতাংশ। উল্লেখযোগ্য যে, দেউৰী সমাজত বহুসংখ্যক একক পৰিয়ালৰ সদস্য সংখ্যা বেছি। গড় হিচাপে তেওঁলোকৰ সমাজত পৰিয়ালৰ সদস্য সংখ্যা ৭.১৬ জন পোৱা গৈছে। আনহাতে, অসমৰ মুঠ

তালিকা নং-৫

**সদস্য সংখ্যা অনুসৰি পৰিয়াল বিভাজন**

| পৰিয়ালৰ সদস্য সংখ্যা | পৰিয়ালৰ সংখ্যা | শতাংশ |
|---|---|---|
| ৪ জন লৈকে | ১১৭ | ১০.৮৬ |
| ৫ জনৰ পৰা ৯ জনলৈ | ৭৪৪ | ৬৯.০৮ |
| ১০ জনৰ পৰা ১৪ জনলৈ | ১৬৭ | ১৫.৫১ |
| ১৫ জনৰ ওপৰত | ৪৯৪ | ৪.৫৫ |
| মুঠ | ১০৭৭ | ১০০ |

**উৎস ঃ** ক্ষেত্ৰ অধ্যয়ন, ২০১০

জনসংখ্যাৰ ভিত্তিত পৰিয়ালৰ সদস্য গড় হিচাপে ৫.৯ জন (গ্ৰামাঞ্চলত ৬ জন আৰু নগৰাঞ্চলত ৪.৯ জন)। একেদৰে ২০০৬ চনত হোৱা বড়ো জনগোষ্ঠীৰ অধ্যয়নত বড়ো সমাজত পৰিয়ালৰ গড় সদস্য সংখ্যা ৫.৭৮ জনহে পোৱা গৈছিল। গতিকে, দেখা গৈছে যে তুলনামূলকভাৱে অসমত আন জনগোষ্ঠীয় সমাজতকৈ দেউৰী সমাজত পৰিয়ালৰ সদস্য সংখ্যা এতিয়াও অধিক হৈ আছে।

**সামৰণি ঃ**

সামৰণিত ক'ব পাৰি যে, অসমৰ দেউৰী জনগোষ্ঠীৰ লোকসকলৰ আৰ্থ-সামাজিক আৰু জনস্বাস্থ্যৰ পৰিৱেশ আন বহু জনগোষ্ঠীতকৈ তুলনামূলকভাৱে অনুন্নত হৈ আছে। কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ তথা দেউৰী স্বায়ত্ব শাসিত পৰিষদে জনগোষ্ঠীটোৰ লোক বসতি কৰা অঞ্চলসমূহৰ বিকাশ আৰু জনসচেতনতা বৃদ্ধি কৰাৰ বাবে বিভিন্ন আঁচনি প্ৰস্তুত কৰি ৰূপায়ণ কৰিছে যদিও আশানুৰূপভাৱে সফল হৈছে বুলি ক'ব নোৱাৰি। দেউৰী বসতিপূৰ্ণ অঞ্চল-সমূহত বুনিয়াদী সা-সুবিধাসমূহ বৃদ্ধি কৰাৰ লগতে জনসজাগতা অধিক বৃদ্ধি কৰাৰ প্ৰয়োজন আছে। এই ক্ষেত্ৰত জনগোষ্ঠীটোৰ জাতীয় অ-ৰাজনৈতিক সংগঠন তথা সচেতন লোকসকলে উপযুক্ত পদক্ষেপ লোৱাত গুৰুত্ব দিয়া উচিত। ❐

*'পয়োভৰা'ত প্ৰকাশিত প্ৰবন্ধপাতিৰ ওপৰত পাঠকৰ কিবা মন্তব্য থাকিলে অথবা প্ৰকাশিত তথ্যৰ উপৰি পঢ়ুৱৈ সমাজক অধিক তথ্য জনাব বিচাৰিলে, সেই বিষয়ে আমালৈ লিখি পঠিয়াই যেন। উপযুক্ত বিবেচিত হ'লে 'পয়োভৰা'ত প্ৰকাশ কৰা হ'ব।*

# নাৰী মুক্তি আন্দোলন আৰু নাৰীৰ সবলীকৰণ

**ড° হেমালক্ষী গগৈ***

সাম্প্ৰতিক সময়ৰ সমাজত বহুচৰ্চিত বিষয়সমূহৰ অন্যতম হৈছে নাৰী মুক্তি আন্দোলন আৰু নাৰী সবলীকৰণ। মানৱ সভ্যতাৰ আৰম্ভণিৰ পৰাই শোষিত, নিষ্পেষিত আৰু অৱহেলিত শ্ৰেণীসমূহে সমতা, ন্যায্যতা আৰু প্ৰাপ্য অধিকাৰৰ দাবীত সময়ে সময়ে বিভিন্ন ধৰণৰ আন্দোলন গঢ়ি তুলিছিল। সেইদৰে নাৰী সজাগতাই সমাজত নাৰী মুক্তি আন্দোলনৰ জন্ম দিছিল। ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে, বৈদিক যুগত নাৰীয়ে পুৰুষৰ সৈতে সম-মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছিল। ঋগ্‌বেদত উল্লেখ আছে যে, নাৰীয়ে আনকি পুৰুষৰ সৈতে সমানে বিভিন্ন যাগ-যজ্ঞত ভাগ লোৱাটো অপৰিহাৰ্য আছিল। পঞ্চম বেদ হিচাপে খ্যাত ৰামায়ণ আৰু মহাভাৰতৰ নাৰী চৰিত্ৰসমূহৰ জৰিয়তে সেই সময়ৰ সমাজত নাৰীৰ ভূমিকা আৰু স্বীকৃতিৰ বিষয়ে আভাস পাব পাৰি। উত্তৰ বৈদিক যুগ আৰু মধ্যযুগৰ সমাজত সামন্তবাদী চিন্তাধাৰাই গা-কৰি উঠাৰ ফলত সমাজত নাৰীৰ স্থান লাহে লাহে অৱনমিত হ'বলৈ ধৰে। ইয়াৰ প্ৰধান কাৰণ নাৰীসকলৰ অৰ্থনৈতিক পৰাধীনতা আছিল বুলি ক'ব পাৰি। পৰিয়ালৰ মূল পুৰুষজনে অৰ্থ উপাৰ্জনৰ জৰিয়তে পৰিয়ালৰ ভৰণ-পোষণৰ দায়িত্ব পালন কৰিছিল। সেইবাবে নাৰীসকল পুৰুষ নিৰ্ভৰ হৈ পৰিছিল আৰু সাধাৰণ কামৰ বাবেও স্বামীৰ সন্মতি অবিহনে এখোজো আগবাঢ়ি যাবলৈ সাহস কৰিব নোৱাৰা অৱস্থা এটাৰ সৃষ্টি হৈছিল। এনেদৰে মধ্যযুগত নাৰীসকল ঘৰৰ চাৰিবেৰৰ মাজত আৱদ্ধ আৰু পত্নী হিচাপে স্বামীৰ ইচ্ছা-অনিচ্ছাৰ সম্পূৰ্ণ অধীন হৈ পৰিল। তদুপৰি বাল্যবিবাহ, পৰ্দা প্ৰথা, সতীদাহ প্ৰথা আদি এশ-এবুৰি অবিচাৰে নাৰীৰ জীৱন কোঙা কৰি পেলালে।

সমাজত নাৰীৰ স্থানৰ অৱনতি ঘটাৰ সন্ধিক্ষণতে ঊনবিংশ শতিকাৰ তৃতীয় দশকত নাৰীৰ জীৱনৰ মূল্যায়ণৰ পথ উন্মোচিত হ'ল বৃটিছ শাসন কালত। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধি অনুসৰি অসমলৈ বৃটিছৰ আগমন ঘটে। বৃটিছ শাসনৰ প্ৰভাৱে ভাৰতৰ লগতে অসমৰ জাতীয় জীৱনৰ প্ৰায়বোৰ দিশ স্পৰ্শ কৰাৰ উপৰিও সমাজত নাৰীৰ স্থান আৰু তেওঁলোকৰ শিক্ষাৰ প্ৰশ্নও পোনতে দাঙি ধৰে। সেই সময়তে আনন্দৰাম ঢেকিয়াল ফুকনে তেওঁৰ কন্যা পদ্মাৱতী আৰু পত্নীক ঘৰতে শিক্ষা প্ৰদান কৰি নাৰী শিক্ষাৰ প্ৰথম পদক্ষেপ লয়। লগে লগে স্ত্ৰী শিক্ষাৰ আৱশ্যকতাৰ প্ৰশ্নটোৱে জনসমাজৰ হৃদয় স্পৰ্শ কৰাত শিক্ষাৰ পথ প্ৰশস্ত হয়। ইয়াৰ পাচতে বেপ্তিষ্ট মিছনেৰীসকলৰ প্ৰচেষ্টাত প্ৰকাশ পোৱা 'অৰুণোদই' কাকতত স্ত্ৰী-শিক্ষাৰ প্ৰসাৰ আৰু প্ৰচাৰৰ কাৰণে সঘনে প্ৰবন্ধ-পাতি প্ৰকাশ কৰি চেষ্টা অব্যাহত ৰাখিছিল।

ঊনবিংশ শতিকাৰ মাজভাগত এনেদৰে অসমৰ আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা আদিয়ে স্ত্ৰী-শিক্ষা, স্ত্ৰী স্বাধীনতাৰ সপক্ষে মাত মাতি অসমত স্ত্ৰী শিক্ষাৰ আন্দোলন সফল কৰি তুলিছিল। স্ত্ৰী শিক্ষাৰ ক্ষেত্ৰত থকা প্ৰতিকূলতাৰ মাজতো এচাম মহিলাই শিক্ষা লাভ কৰি সংস্কাৰধৰ্মী কৰ্মৰাজিৰে সেই সময়ত অৱহেলিত নাৰীসকলৰ প্ৰতি সমাজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল আৰু নাৰীক ব্যক্তি স্বতন্ত্ৰতাৰ স্বাদেৰে অনুপ্ৰাণিত কৰি বাহিৰৰ পৃথিৱীখনলৈ উলিয়াই আনিছিল। এয়াই নাৰী মুক্তি আন্দোলনৰ আৰম্ভণি বুলি ক'ব পাৰি। নিজৰ প্ৰাপ্য মৰ্যাদা, আত্মপ্ৰতিষ্ঠা আৰু সম-অধিকাৰ লাভৰ বাবে গঢ়ি উঠা এই নাৰী মুক্তি অন্দোলনে ইতিমধ্যে সুদীৰ্ঘ পৰিক্ৰমা অতিক্ৰম কৰিছে। নাৰী মুক্তি আন্দোলনৰ ইতিহাস খুঁচৰি চালে দেখা যায় যে, ইয়াৰ ধাৰণা তথা ধাৰাৰ সময়ে সময়ে পৰিৱৰ্তন হৈ আহিছে। প্ৰথম অৱস্থাত নাৰী মুক্তি আন্দোলনৰ প্ৰধান লক্ষ্য আছিল সতীদাহ প্ৰথা, বাল্যবিবাহ, পৰ্দা প্ৰথা আদি সামাজিক কু-সংস্কাৰৰ বিৰুদ্ধাচৰণ কৰা। তাৰ পিচৰ সময়-ছোৱাত নাৰী শিক্ষা, নাৰী ভোটৰ অধিকাৰ আদি বিষয়সমূহে গুৰুত্ব পাইছিল। বৰ্তমান সময়ত সমাজৰ বিভিন্ন ক্ষেত্ৰত হৈ থকা নাৰী নিৰ্যাতন, শোষণ-নিষ্পেষণৰ প্ৰতিবাদ তথা পুৰুষৰ সৈতে সম-অধিকাৰ লাভ কৰা চিন্তা-

*ড° হেমালক্ষী গগৈ যোৰহাটস্থিত কাকজান মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা

চৰ্চাই প্ৰাধান্য পোৱা দেখা গৈছে। নাৰী আন্দোলনসমূহৰ ফলত আমাৰ দেশত কুৰি শতিকাৰ মাজভাগৰ পৰাই নাৰী সবলীকৰণে কিছু পৰিমাণে সফলতা লাভ কৰিব পাৰিছে বুলি ক'ব পাৰি। ভাৰতৰ সংবিধান প্ৰণেতাসকলে নাৰীক সম-অধিকাৰ দিয়াৰ কাৰণে সংবিধানত বিভিন্ন দফা অন্তৰ্ভুক্ত কৰিছে। সংবিধানৰ ১৪, ১৫, ১৯ আৰু ২১ দফা মতে লিঙ্গ সমতা, জীৱন আৰু স্বাধীনতা সম্পৰ্কত মহিলাৰো পুৰুষৰ সমানেই মৌলিক অধিকাৰ আছে। কিন্তু সম-অধিকাৰৰ এই সাংবিধানিক প্ৰতিশ্ৰুতি মহিলাৰ ব্যৱহাৰিক জীৱন কিমানদূৰ বাস্তৱায়িত হৈছে সেই কথা নিশ্চয় প্ৰতিজন সচেতন ব্যক্তিৰ ওচৰত স্পষ্ট। জাতি, বৰ্ণ, ধৰ্ম আৰু শ্ৰেণীভিত্তিক বৈষম্যই যিদৰে ভাৰতৰ সমাজক আজিও আৱৰি ৰাখিছে তেনেদৰেই লিঙ্গ ভিত্তিক বৈষম্যও নানা স্তৰত— কেতিয়াবা মুকলিকৈ আৰু কেতিয়াবা ছদ্মবেশী ৰূপত জড়িত থাকি মহিলাৰ অধিকাৰ আৰু মৰ্যাদাক ক্ষুণ্ণ কৰিছে। বিশেষকৈ সমাজৰ বিভিন্ন প্ৰান্তত বাস কৰা আৰ্থিকভাৱে নিশকটীয়া শ্ৰেণীৰ বহু নাৰীয়ে নানা প্ৰকাৰে নিৰ্যাতন ভোগ কৰি আহিছে। যিকোনো ধৰণৰ গোষ্ঠী সংঘৰ্ষ বা সামাজিক-ৰাজনৈতিক সংঘাতৰ সময়ত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হয় সমাজৰ নাৰীসকল। যোৱা কেইবছৰমানত অসমৰ কেইবা ঠাইতো হোৱা গোষ্ঠী সংঘৰ্ষসমূহত কেনেকৈ নাৰীসকলৰ জীৱন দুৰ্বিসহ হৈ পৰিছে সেই কথা সকলোৰে জ্ঞাত। এতিয়াও বিভিন্ন ঠাইত ডাইনী বুলি সন্দেহ কৰি নাৰীক হত্যা কৰাৰ দৰে মধ্যযুগীয় কাণ্ড সমাজত পৰিলক্ষিত হয়।

সমাজ এখন সঠিকভাৱে আগবাঢ়ি যাবলৈ পুৰুষৰ সমানে নাৰী আগবাঢ়ি আহিব লাগিব। ইয়াৰ অৰ্থ এইটো নহয় যে, নাৰীক অধিকাৰ দিবলৈ গৈ অপৰিপক্ক চিন্তা চেতনাৰে সমাজ এখন চলিবলৈ এৰি দিব লাগিব। নাৰীবাদৰ অৰ্থ যিয়েই নহওক লাগে প্ৰগতিশীল চিন্তাই হ'ল সম-অধিকাৰৰ মূল আধাৰ। বৰ্তমান আমাৰ দেশৰ মহিলাৰ সম-অধিকাৰৰ সম্পৰ্কত বিতৰ্ক আৰু চৰ্চাৰ অন্ত নোহোৱা অৱস্থাৰ সৃষ্টি হৈছে। সংসদত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণৰ পৰা আদি কৰি নাৰীবাদৰ ধ্বজাবাহীসকলৰ উত্তাল কণ্ঠস্বৰে আমাৰ প্ৰগতিশীল চিন্তা-চেতনাৰ ক'ৰবাত সাঁচ বহুৱাবলৈ সক্ষম হৈছে যেন মনে নধৰে। নিৰৱ সাধনা আৰু জ্ঞানৰ কৰ্ষণ তথা সমসাময়িক সমাজ ব্যৱস্থাৰ গতিশীল চিন্তাধাৰাক স্বীকাৰ কৰি আগবাঢ়িব নোৱাৰিলে পুৰুষ-মহিলা কাৰোৰেই উন্নতি আশা কৰিব নোৱাৰি। আমাৰ প্ৰচলিত পৰম্পৰাগত সমাজ ব্যৱস্থাত নাৰীক বন্ধ কোঠালীত আৱদ্ধ কৰি জ্ঞান কৰ্ষণৰ দুৱাৰ-খিৰিকি মাৰি ৰখাৰ ব্যৱস্থা নাই যদিও নাৰীবাদীসকলৰ দৃষ্টিভংগী কিন্তু পৃথক। তেওঁলোকে ভাবে যে, পুৰুষ-সকলে নাৰীক তেওঁলোকৰ সমানে অধিকাৰ প্ৰদান কৰা নাই। যাৰ বাবে দীৰ্ঘদিন ধৰি সমাজত নাৰীসকলে অৱহেলিত অনুভৱ কৰাৰ লগতে আৰু সামাজিক স্থিতিহীনতাত ভুগি আহিছে। অৱশ্যে অৱহেলিত হোৱাৰ লগতে নিজৰ অৱস্থিতিক প্ৰতিপন্ন কৰিবলৈ কিছু কিছু ক্ষেত্ৰত সমস্যাত নপৰাকৈ থকা নাই। ধৰ্মীয় গোড়ামীৰ ফলত কিছুমান সম্প্ৰদায়ৰ নাৰী ঘৰৰ ভিতৰতে আৱদ্ধ হৈ থাকিবলগীয়া হোৱাৰ উপৰিও সৃষ্টি-মূলক চিন্তাধাৰা, প্ৰগতিশীল ধাৰণা তথা জ্ঞানকৰ্ষণৰ অদম্য ইচ্ছাক বশীভূত কৰি ৰাখিবলগীয়া হৈছে। এইবিলাক সমাজ ব্যৱস্থাত নাৰীয়ে পুৰুষৰ সমমৰ্যাদা লাভ কৰা নাই যদিও সমাজত গতিশীল ধাৰাটোৰ সৈতে পুৰুষসকলেও সম্পূৰ্ণ-ভাৱে বাট বুলিব পাৰিছে বুলি ক'ব নোৱাৰি।

পুৰুষৰ সমানেই নাৰী প্ৰগতিশীল হোৱাটো বৰ্তমান সমগ্ৰ বিশ্বই কামনা কৰে। সম্প্ৰতি প্ৰতি বছৰৰ ৮ মাৰ্চ তাৰিখে আন্তৰ্জাতিক নাৰী দিৱস পালন কৰা হয়। এই নাৰী দিৱসৰ মূল উদ্দেশ্য হৈছে বিশ্বৰ নাৰীক সমাজত নিজৰ প্ৰাপ্য আৰু অধিকাৰৰ বিষয়ে সচেতন কৰি তোলা। অৱশ্যে অতীতৰ তুলনাত আজিৰ সমাজত নাৰীৰ অৱস্থানৰ কিছু উন্নতি পৰিলক্ষিত হৈছে। শিক্ষা-দীক্ষাৰ ক্ষেত্ৰতো আজিৰ মহিলাসকল বহুত আগবাঢ়িছে। বিগত কেইবছৰমানত অসমৰ বিভিন্ন পৰ্যায়ৰ পৰীক্ষাসমূহত ছাত্ৰীয়ে চকুত লগাকৈ ভাল ফলাফল দেখুওৱাটোৱে সমাজত নাৰী সচেতন আৰু সবল হোৱাটোকেই সূচাইছে। বিচক্ষণ পুৰুষসকলেও এই ক্ষেত্ৰত সহযোগিতা আগবঢ়াই পৰিস্থিতি উন্নত কৰি তুলিছে। তদুপৰি প্ৰশাসনিক সেৱা, চিকিৎসা, শিল্পকলা, ক্ৰীড়া, সামৰিক-অসামৰিক সেৱা, ব্যৱসায়কে ধৰি সমাজৰ বিভিন্ন ক্ষেত্ৰসমূহত নাৰীয়ে উচ্চ স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

সমাজত মহিলা পিচপৰি থকাটোৰ বাবে পোনচাটেই পুৰুষক দোষী সাব্যস্ত কৰা হয় যদিও মহিলাসকলো কম দায়ী নহয়। কাৰণ মানসিক উৎকৰ্ষতাৰ বাবে বহু মহিলাই কোনো চেষ্টা কৰা দেখা নাযায় তথা পৰিৱৰ্তনশীল সমাজ ব্যৱস্থাক আঁকোৱালি লোৱাৰ ক্ষেত্ৰতো এনে মহিলাই গুৰুত্ব প্ৰদান নকৰে। ইয়াৰ ফলত বহু মহিলাই প্ৰচলিত সমাজ ব্যৱস্থাত নিজকে খাপ খুৱাব নোৱাৰে। এনে মহিলাসকলেই নিজকে সমাজত অৱহেলিত বুলি সৰ্বাধিক জাহিৰ

কৰিবলৈ বিচাৰে। শাৰীৰিকভাৱে পুৰুষ-সকলতকৈ মহিলা-সকল দুৰ্বল যদিও মানসিকভাৱে কিন্তু মহিলা পুৰুষতকৈ কোনো গুণে পাচ পৰা নহয়। বৰ্তমান সমগ্ৰ বিশ্বখন নিয়ন্ত্ৰিত হৈছে এচাম মেধাসম্পন্ন লোকৰ দ্বাৰা। বুদ্ধিদীপ্ত চিন্তা তথা সৃষ্টি-মুখী ধাৰণাই মানুহক প্ৰগতিৰ জখলাত আগুৱাই নিছে। ইয়াত শাৰীৰিক শক্তিৰ ভূমিকা নিচেই নগণ্য। বহু মহিলা আছে যাৰ 'একাডেমিক কেৰিয়াৰ' অতি চমৎকাৰ যদিও সঠিক সিদ্ধান্ত লোৱা আৰু উপযুক্ত বিচাৰ-বিবেচনা কৰাৰ ক্ষেত্ৰত তেওঁলোক অত্যন্ত দুৰ্বল। এই শ্ৰেণীটোৰ বহুভাগেই ভাবে যে, মহিলাসকলৰ ওপৰত পুৰুষে কৰ্তৃত্ব জাহিৰ কৰি আহিছে আৰু যুগ যুগ ধৰি মহিলাসকলৰ ওপৰত প্ৰভুত্ব খটুৱাই আহিছে। এই মানসিক হীনমন্যতাইহে মহিলাসকলক অধিক দুৰ্বল কৰা যেন মনে ধৰে।

বৰ্তমান ভাৰতৰ লোকসভা আৰু ৰাজ্যিক বিধানসভাসমূহত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণ কৰাৰ প্ৰচেষ্টা চলি আছে। ইয়াৰ জৰিয়তে নিজৰ ব্যুৎপত্তি নথকা সত্বেও একাংশ মহিলাই নিৰ্দিষ্ট সংৰক্ষিত আসন দখল কৰি লোৱাটো নিশ্চিত। বৰ্তমান পঞ্চায়তীৰাজ ব্যৱস্থাত গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তসমূহত মহিলাৰ বাবে সংৰক্ষিত আসনত এচাম দক্ষতাহীন আৰু নিজৰ ব্যুৎপত্তি নথকা মহিলা নিৰ্বাচিত হৈ পুৰুষৰ হাতৰ পুতলা হিচাপে কাৰ্যনিৰ্বাহ কৰা পৰিলক্ষিত হৈছে।

পূৰ্বতে উল্লেখ কৰা হৈছে যে, সমাজৰ গঠন আৰু গতিশীলতাত পুৰুষ আৰু নাৰীৰ ভূমিকা সমানে অপৰিহাৰ্য। মানৱ জাতিৰ সৰ্বাংগীন বিকাশ হ'বলৈ পুৰুষ আৰু নাৰী সমানে আগবাঢ়ি যাব লাগিব। পুৰুষ প্ৰধান সমাজত নাৰীক সদায় পুৰুষৰ তলত ৰখাৰ এটা সামাজিক প্ৰৱণতা দেখা যায়। প্ৰচলিত সামাজিক ৰীতি-নীতি, পৰম্পৰা, বিশ্বাস আদি বহু সামাজিক মূল্যবোধেও এনে প্ৰৱণতাকে উৎসাহ যোগায়। সমাজত নাৰীৰ প্ৰতি হৈ থকা এনে বৈষম্যমূলক আচৰণ তথা নিৰ্যাতনৰ বিৰুদ্ধে নাৰীবাদী আন্দোলনৰ প্ৰাসংগিকতা নিশ্চয় আছে।

বৌদ্ধিক আৰু নৈতিক সামৰ্থ্যৰ ক্ষেত্ৰত যদিও পুৰুষ আৰু নাৰীৰ মাজত কোনো প্ৰভেদ নাই, শাৰীৰিকভাৱে পাৰ্থক্য থকাটো কোনেও অস্বীকাৰ কৰিব নোৱাৰে। কিন্তু নাৰী মুক্তি আন্দোলনসমূহ সূক্ষ্মভাৱে অধ্যয়ন কৰিলে দেখা যায় যে, কেতিয়াবা কেতিয়াবা কিছুসংখ্যক নেত্ৰীয়ে সমমৰ্যাদা আৰু সম-অধিকাৰৰ ধাৰণাসমূহ বিকৃত অৰ্থত ব্যৱহাৰ কৰি পুৰুষ আৰু মহিলাৰ মাজত সংঘাত সৃষ্টি কৰিবলৈ বিচাৰে। এনে হোৱাটো উচিত নহয়। নাৰীসকল নিজৰ অস্তিত্ব, অধিকাৰ আৰু দাবীৰ প্ৰতি সচেতন হোৱাৰ লগে লগে নাৰীত্বৰ প্ৰতিও সজাগ হোৱা উচিত। আমাৰ সমাজ ব্যৱস্থাটো এনেদৰে গঢ় দিব লাগে যাতে পুৰুষ-মহিলা নিৰ্বিশেষে সকলোৰে সম-অধিকাৰ লাভ কৰে আৰু নিজৰ যোগ্যতাৰে সমাজত নিজৰ স্থান নিৰ্ণয় কৰিব পাৰে। মাথোন নাৰী হোৱাৰ বাবেই যেনেদৰে কোনোৱেই কোনো ক্ষেত্ৰত বঞ্চিত হোৱাটো উচিত নহয়, তেনেদৰে পাব নলগীয়া সুযোগো পোৱা বা লোৱা উচিত নহয়। এনে হ'বলৈ দিলে ইতিমধ্যে নিজ প্ৰচেষ্টাৰে নিজকে সমাজৰ বিভিন্ন ক্ষেত্ৰত যোগ্য সাব্যস্ত কৰি আত্মপ্ৰতিষ্ঠা কৰা নাৰীসকলক অপমান কৰাহে হ'ব। এই ক্ষেত্ৰত পুৰুষ-মহিলা উভয়ৰে মানসিকতাৰ পৰিৱৰ্তন হোৱা প্ৰয়োজন। ❐


## 'পয়োভৰা'ৰ গ্ৰাহক হোৱা নিয়মাৱলী

▯ ▯ গ্ৰাহক বছৰৰ যিকোনো সময়তে হ'ব পাৰি। ▯ গ্ৰাহক মূল্য এবছৰৰ ১০০.০০ টকা, দুবছৰৰ ১৮০.০০ টকা আৰু তিনি বছৰৰ বাবে ২৫০.০০ টকা। ▯ গ্ৰন্থাগাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ১০ শতাংশ ৰেহাই দিয়া হয় (তাৰ বাবে উপযুক্ত প্ৰমাণ-পত্ৰৰ প্ৰয়োজন)। ▯ গ্ৰাহক মূল্য ব্যক্তিগতভাৱে 'পয়োভৰা'ৰ গুৱাহাটী কাৰ্যালয়লৈ আহি, প্ৰতিনিধি পঠাই বা মণি-অৰ্ডাৰযোগে জমা দিব পাৰি। ▯ মণি-অৰ্ডাৰ পঠোৱাৰ ঠিকনা ঃ সম্পাদক, পয়োভৰা, প্ৰকাশন বিভাগ, তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়, কে কে বি পথ, নিউ কলনি, গৃহ নং-৭, চেনিকুঠী, গুৱাহাটী-৭৮১০০৩। ▯ আলোচনীখন সাধাৰণ ডাকত পঠোৱা হয়।